অধিৱেশন বিশেষ সংখ্যা

# মণিকাঞ্চন

জয় গুৰু শঙ্কৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

মাহেকীয়া বাৰ্তালোচনী

❒ Tech/RNP/GH-105/2012-14
❒ Regd. No. 63480/95

ঊনবিংশ বছৰ ঃ দ্বিতীয় সংখ্যা, ৫৬৫ শঙ্কৰাব্দ, জানুৱাৰী+ফেব্ৰুৱাৰী ২০১৪ চন, মূল্য ঃ ১০.০০ টকা, পঞ্জীয়ন নং ঃ ৬৩৪৮০/৯৫

**গুৰুবাণী**

ভণিল শঙ্কৰে শুনা সব নৰে
যতেক বিষয় ভোগ।
পুত্ৰ দাৰা ধন শৰীৰ স্বজন
সবাৰ আছে বিয়োগ।।
তাৰ চিন্তা এড়ি চিন্তিয়োক হৰি
অন্তকে পাইলেক পৰা।
এড়ি আন কাম বোলা ৰাম ৰাম
সুখে ভৱনদী তৰা।।'
—কীৰ্ত্তন

## "বাল্যক্ৰীড়া এড়ি কৰা মাধৱক ধ্যান"

## দৈত্যশিশুসকলৰ প্ৰতি প্ৰহ্লাদৰ উপদেশ

ৰজনীকান্ত দত্ত , পদাধিকাৰ

বাল্যক্ৰীড়া এড়ি কৰা মাধৱক ধ্যান।
নাৰদৰ মুখত শুনিলো ইটো জ্ঞান।।

বিষ্ণুভক্ত পাঁচবছৰীয়া প্ৰহ্লাদে তেওঁৰ লগৰীয়া দৈত্যশিশুসকলক দিয়া উপদেশৰ এয়া এটি অংশ। মাতৃ কয়াধুৰ গৰ্ভত থাকোতেই দেৱৰ্ষি নাৰদে মাতৃক দিয়া উপদেশ সমূহ তেওঁ (প্ৰহ্লাদে) কেনেৰূপে গৰ্ভতে শ্ৰৱণ কৰিছিল সেই কথাকেই দৈত্য শিশুসকলক ইয়াৰ যোগেদি প্ৰহ্লাদে প্ৰকাশ কৰিছে।

দৈত্যৰ পঢ়াশালিত ষণ্ড আৰু অমৰ্ক নামৰ গুৰুদ্বয়ৰ অধীনত বামানয় শাস্ত্ৰ অধ্যয়নৰ বাবে প্ৰহ্লাদক পঠোৱা হ'ল। পিতৃৰ আৱাসতে তেওঁক নিৰন্তৰে ৰাজনীতিকে আদি কৰি দৈত্যসকলৰ বাবে প্ৰয়োজনীয় সকলো শাস্ত্ৰ অধ্যয়নেৰে পৈণত কৰিব লাগিব।

হেন শুনি গুৰুপুত্ৰে আনি প্ৰহ্লাদক।
মহাযত্নে পঢ়াৱন্ত শাস্ত্ৰ বামানয়।।

গুৰুপুত্ৰদ্বয়ে প্ৰহ্লাদক পঢ়াশালিলৈ আনি শিক্ষাৰ দায়িত্ব গ্ৰহণ কৰি মহাযত্নে বামানয় শাস্ত্ৰ পঢুৱালে। কিন্তু সকলো মিছা হ'ল।

তাক ভাল নমানয় প্ৰহ্লাদৰ মনে।
কৰিলা নিবিড় চিত্ত কৃষ্ণৰ চৰণে।।

(২ পৃষ্ঠাত চাওক)

## ৮৩ সংখ্যক অধিৱেশনৰ প্ৰাক্‌ক্ষণত এটি অনুভৱ

বাবুল বৰা, প্ৰধান সম্পাদক

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ৮৩ সংখ্যক বাৰ্ষিক অধিৱেশনভাগি এইবেলি ফেব্ৰুৱাৰী মাহৰ ৬ তাৰিখৰ পৰা ৯ তাৰিখলৈ চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে তিনিচুকীয়া জিলা শাখাৰ আতিথ্যত তিনিচুকীয়া, মাকুম পথাৰৰ শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। ই জাতি-ধৰ্ম-ভাষা-বৰ্ণ নিৰ্বিশেষে সমগ্ৰ তিনিচুকীয়া জিলাবাসী সদাশয় ভক্তপ্ৰাণ ৰাইজ, অনুষ্ঠান-প্ৰতিষ্ঠান, চৰকাৰী বিভাগ, প্ৰশাসনৰ মুৰব্বী আদিৰ অকুণ্ঠ সহযোগত অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। চাৰিদিনীয়া কাৰ্যসূচীৰ বাবে বছৰজোৰা প্ৰস্তুতি, প্ৰায় তিনিমাহজোৰা কৰ্মকুশলতাৰে আজিৰ এই পৰিবেশৰ সৃষ্টি হৈছে। জিলাখনৰ প্ৰতিগৰাকী ভক্তপ্ৰাণ ৰাইজৰ অত্যন্ত নিষ্ঠা আৰু আন্তৰিক সদিচ্ছাৰ অবিহনে ই সম্ভৱ নহয়। সেয়ে প্ৰথমেই আদৰণী সমিতিৰ বিষয়ববীয়া, জিলা শাখাৰ বিষয়ববীয়া, জিলাবাসী সদাশয় ভক্তপ্ৰাণ ৰাইজ আৰু অনুষ্ঠান-প্ৰতিষ্ঠান, প্ৰশাসন চৰকাৰী বিভাগৰ কৰ্মকৰ্তা সবাৰো কুশল-মঙ্গল কামনাৰ লগতে

(৬ পৃষ্ঠাত চাওক)

## খোলৰ বিশ্ব ৰেৰ্কডৰ পাছত অংকীয়া ভাওনা

# শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ অব্যাহত জয়যাত্ৰা

**মহলীয়াপাৰাৰ পৰা দীপজ্যোতি চহৰীয়া ঃ** মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ অপূৰ্ব সৃষ্টি দেৱবাদ্য 'খোলক' বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই ৬ জানুৱাৰী, ২০১৩ত যোৰহাটৰ তিতাবৰত ১৪৮৩৩ গৰাকী শিল্পীৰ খোল বাদন পৰিৱেশনেৰে বিশ্ব অভিলেখ গঢ়িবলৈ সক্ষম হৈছিল। উদ্দেশ্য আছিল মহাপুৰুষজনাৰ বিশ্বজনীন আৰু সংস্কৃতিক বিশ্ববাসীৰ আগত পৰিচয় কৰাই দিয়া। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ গতি অনিৰুদ্ধ। এই গতিত এইবাৰ সংযোজিত হ'ল অঙ্কীয়া ভাওনাৰ। মহাপুৰুষ দুজনাৰ অমৰ সৃষ্টি অঙ্কীয়া



ভাওনাক বিশ্ববাসীৰ আগত প্ৰতিষ্ঠা কৰিবলৈ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, সংস্কৃতি শাখাৰ উদ্যোগত, দৰং জিলা শাখাৰ সহযোগত আৰু মধ্য মঙ্গলদৈ আঞ্চলিক শাখাৰ আতিথ্যত ৫ জানুৱাৰী, ২০১৪ত দৰঙৰ মহলীয়াপাৰা ৰামগাৰ বোৰাপথাৰত ৮৬২ গৰাকী শিল্পীয়ে ৩২টা দলত বিভক্ত হৈ ৩২ মিনিট ৩০ ছেকেণ্ড অঙ্কীয়া নাট পৰিৱেশন কৰি এছিয়া বুক অব ৰেৰ্কডত নতুন এছিয়ান ৰেৰ্কড কৰিবলৈ সক্ষম হয়। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ অন্তৰ্গত শিৱসাগৰ জিলাই কেলিগোপাল, গোপী উদ্ধৱ সংবাদ,

(৬ পৃষ্ঠাত চাওক)

## মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় ঃ এক অৱলোকন

ভৱেন্দ্ৰনাথ ডেকা, উপ-পদাধিকাৰ

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ এক স্বপ্নৰ অনুষ্ঠান। মহাপুৰুষ গুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্মীয়, আধ্যাত্মিক, সামাজিক আৰু সাংস্কৃতিক আদৰ্শৰ ভেটিত প্ৰতিষ্ঠাপিত অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই প্ৰতিষ্ঠা কালৰে পৰা গুৰুজনাৰ মহান মানৱতাবাদী আদৰ্শৰাজি দেশ-বিদেশত প্ৰচাৰ-প্ৰসাৰ কৰিবলৈ অহোপুৰুষাৰ্থ কৰি আহিছে। জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ আদৰ্শৰাজি আৰু কৃতিসমূহ সমগ্ৰ বিশ্ববাসীৰ আগত ডাঙি ধৰা আৰু নৱ-প্ৰজন্মক উচ্চ শিক্ষাৰ লগতে নৈতিক আৰু আধ্যাত্মিক শিক্ষাৰে শিক্ষিত কৰি প্ৰকৃত মানৱ সম্পদৰূপে গঢ়ি তোলাৰ সুমহান উদ্দেশ্য আৰু লক্ষ্য আগত ৰাখি আন্তৰ্জাতিক মানবিশিষ্ট বিশ্ববিদ্যালয় এখন গুৰুজনাৰ নামত স্থাপন কৰাৰ চিন্তা-চৰ্চা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল কাৰ্যনিৰ্বাহক সভাই কুৰি শতিকাৰ শেষৰ দশকৰ

(৮ পৃষ্ঠাত চাওক)

## সংহতি-সমন্বয়ৰ মহাতীৰ্থ ঃ অসম

অধ্যাপক ভৱপ্ৰসাদ চলিহা, প্ৰাক্তন উপ-পদাধিকাৰ

অসমক সংহতি-সমন্বয়ৰ মহাতীৰ্থ বোলা হয়। ভাৰতবৰ্ষৰ পূব প্ৰান্তৰ ৰাজ্য অসমৰ আকাৰ এসময়ত বহুত বিশাল আছিল। তেতিয়াৰ বৰ অসমে বৰ্তমানৰ মণিপুৰ, নাগালেণ্ড, মিজোৰাম, মেঘালয়, অৰুণাচল প্ৰদেশ, ত্ৰিপুৰাৰ উপৰি বৰ্তমানৰ বাংলাদেশৰ একাংশ আৰু কোচবেহাৰ জিলাকো সামৰি লৈছিল। পিছলৈ ৰাজনৈতিক কাৰণত আৰু প্ৰশাসনৰ সুবিধাৰ কাৰণে এই গোটেই ভূখণ্ড কেইবাখনো ৰাজ্যত বিভক্ত হ'ল যদিও এই ভূখণ্ডৰ অধিবাসীসকলৰ মাজত আৱেগিক আৰু সাংস্কৃতিক ঐক্যৰ এনাজৰীডাল সদায় অটুট হৈ আছে। বৈদিক যুগত আৰু অতি প্ৰাচীন কালত এই ভূখণ্ড 'প্ৰাগ্‌জ্যোতিষ' নামেৰে জনাজাত আছিল। পিছলৈ ৰামায়ণ, মহাভাৰতৰ যুগৰ পৰা বহু শতিকা ধৰি বিভিন্ন সংস্কৃত পুথি, কাব্য-পুৰাণাদিত এই ভূখণ্ডক 'কামৰূপ' নামেৰে অভিহিত কৰা হৈছে। আহোম ৰজাসকলৰ পূৰ্ণ পয়োভৰৰ সময়ৰ পৰা এই ভূখণ্ডৰ নাম 'অসম' হয়। অসমক উত্তৰ-পূব ভাৰতৰ সকলো ৰাজ্যৰ প্ৰৱেশ পথ আৰু সংযোগ-সেতু বোলা হয়।

(২ পৃষ্ঠাত চাওক)

# প্ৰহ্লাদৰ উপদেশ

(১ পৃষ্ঠাৰ পৰা)

বামানয় শাস্ত্ৰই প্ৰহ্লাদৰ মনত তিলমানো ক্ৰিয়া কৰিব নোৱাৰিলে। তেওঁ বিষ্ণুভক্ত। বিষ্ণুতে তেওঁৰ মন প্ৰাণ সকলো মজি আছে। গুৰুৱে বামানয় শাস্ত্ৰ পঢ়ুৱায়, কিন্তু এইবোৰ তেওঁৰ কৰ্ণপথত প্ৰৱেশ নকৰে, বৰঞ্চ তেওঁ নিবিড়ভাৱে কৃষ্ণৰ চৰণত চিত্ত নিমজাই ৰাখে।

পঢ়াই শুনাই গুৰুৱে যেতিয়া ঘৰৰা কামলৈ যায় তেতিয়া প্ৰহ্লাদে দৈত্য বালক সকলক মাতি আনি কৃষ্ণ ভক্তিৰ কথা শিকায়।

দৈত্য শিশুসবো পাছে আন ক্ৰীড়া এড়ি।
প্ৰহ্লাদক গৌৰৱ কৰিয়া বসৈ বেড়ি।।
দয়ায়ে প্ৰহ্লাদে দেন্ত হিত উপদেশ।
শুনিয়োক বাণী দৈত্য দানৱ নিঃশেষ।।৩৫৪

প্ৰহ্লাদক লৈ দৈত্য শিশুসকলো অতি গৌৰৱান্বিত। তেওঁলোকে প্ৰহ্লাদক মাজত লৈ চাৰিওফালে বহে। দয়াপৰৱশ হৈ প্ৰহ্লাদে তেওঁলোকক ভৱতৰণৰ হিত উপদেশ দান কৰে।

উপদেশত প্ৰহ্লাদে এই সংসাৰখন যে অসাৰ, মানুহৰ জীৱন যে ক্ষণস্থায়ী আৰু এই জীৱন যে দুৰ্লভ, এই জীৱনক সুন্দৰ কৰাৰ উপায় যে একমাত্ৰ হৰি ভকতি, সমস্ত বিষয় বাসনা মায়াময়, জগততে বিষ্ণু ব্যাপক হৈ আছে ইত্যাদি গুৰুত্বপূৰ্ণ সিদ্ধান্ত উপদেশ আকাৰে দৈত্য শিশুসকলৰ আগত ব্যাখ্যা কৰি শুনাইছে।

প্ৰহ্লাদে দৈত্য, দানৱসকলৰ শিশুসকলক সম্বোধন কৰি কৈছে যে এই সংসাৰখন অসাৰ। আমি জীৱনত প্ৰকৃততে যিটো সাৰবস্তু তাক গ্ৰহণ নকৰি মায়াময় বস্তুবোৰকহে সাৰ মানি গ্ৰহণ কৰিছো। এইবোৰ প্ৰকৃততে অসাৰ বোধ কৰি হৰি ভকতিকহে সাৰ স্বৰূপে গ্ৰহণ কৰা উচিত। লগতে এই কথাও শিশুসকলক উপদেশ দিয়াৰ ছলেৰে জগতৰ মানুহবোৰলৈ কৈছে যে--

মানুহ সাধাৰণতে এশ বছৰ বয়সৰ গৰাকী। তাৰো আধা অৰ্থাৎ পঞ্চাশ বছৰ নিদ্ৰাই হৰণ কৰে। ল'ৰালি কালৰ বিশ বছৰ ওমলোতে পাৰ হৈ যায়। যৌৱনৰ দহ বছৰ সময় ধন-ধান, ঐশ্চৰ্য বিভুতিৰ চিন্তাত পাৰ হয়। এইদৰে হিচাপ কৰি চালে দেখা যায় যে এশ বছৰৰ বিশ বছৰ মাত্ৰ থাকে। কিন্তু অতি দুৰ্ভাগ্যৰ কথা যে সেই বিশ বছৰ সময় বৃদ্ধ কালত গুচি যায়। এয়া জড়াবস্থা, এই সময়চোৱাত একো কাৰ্য কৰিব পৰা নাযায়।

বৃদ্ধকালে যায় শেষ বৰিষ বিংশতি।
একো কাৰ্য সাধিবাক নাহিকে শকতি।।
শৰীৰক পীড়ে ব্যাধি চক্ষুৱে নাকলে।
আশা পাশে বধিয়া গৃহতে থাকি গলে।।

এয়া হ'ল জীৱনৰ শেষ বিশ বছৰৰ কথা। বৃদ্ধাৱস্থা অতি কৰুণ। শৰীৰক বিভিন্ন ৰোগ-ব্যাধিয়ে পীড়া কৰে, চকুৱে নেদেখা হয়। খোজ কাঢ়িব নোৱাৰা জঠৰ হয়। এই বৃদ্ধাৱস্থাত কেৱল আশাৰ জড়িডালে বৃদ্ধসকলক বান্ধি থৈ দিয়ে। এই মনুষ্যজনম অতি দুৰ্ল্লভ। শত কোটি জনমৰ মহাভাগ্যৰ ফলতহে মানুহৰ জনম পোৱা যায়। এনে দুৰ্ল্লভ মনুষ্য জন্ম যাতে আমি বিফল নকৰো তাৰ বাবে ভগৱন্তৰ চৰণ কমলত আমি ভক্তি কৰিব লাগিব।

হেন জানি শিশুসব এড়া আন কৰ্ম।
ধৰিয়ো কুমাৰকালে ভাগৱত ধৰ্ম।।
দুৰ্ল্লভ মনুষ্য জন্ম নকৰা বিফল।
চিন্তা মনে মাধৱৰ চৰণ কমল।।
হৰিসে সৱাৰো আত্মা বান্ধৱ ঈশ্বৰ।
মায়াময় ইটো পুত্ৰ ভাৰ্যা কলেৱৰ।।

জাগতিক সমস্ত ধৰ্ম পৰিহাৰ কৰি ভাগৱত ধৰ্ম ধৰিবলৈ প্ৰহ্লাদে শিশুসকলক উপদেশ দিছে। লগতে এই কথাও ক'লে যে হৰিহে সকলোৰে আত্মাস্বৰূপ আৰু বান্ধৱ। তেওঁক সেৱা নকৰি অন্য কাৰোবাৰ ওপৰত ভাৰসা ৰখা মানেই জীৱনৰ মূল্য হেৰাই যোৱা। বিষয় বাসনা, পুত্ৰ-ভাৰ্যা, ধন-দৌলত, ঐশ্চৰ্য-বিভুতি, সকলোবোৰ মায়াময়। এইবোৰ এই আছে এই নাই, কচুপাতৰ পানীৰ দৰেই চঞ্চল, এইবোৰক সাৰ বুলি ভাবি মিছাতেই জীৱন পাৰ কৰাহে হয়। সমস্তৰে হৃদয়ত ভগৱন্ত বিষ্ণু বিদ্যমান। 'যত জীৱ তত শিৱ'-- এই তত্ব অনুধাৱন কৰি--

হেন জানি অসুৰ স্বভাৱ সৱে এড়ি।
সমস্ত প্ৰাণীক পূজা বিষ্ণু বুদ্ধি কৰি।।

দৈত্য শিশুসকলক অসুৰ স্বভাৱ এৰি, সমস্ত প্ৰাণীকে বিষ্ণুবুদ্ধি তত্বেৰে সেৱা পূজা কৰিবলৈ উপদেশ দিলে। সমস্ত ভূতত ঈশ্বৰ বুদ্ধি কৰিব পাৰিলেহে ভগৱন্ত তুষ্ট হ'ব। ভগৱন্ত তুষ্ট হ'লে জগতত দুৰ্লভ একোকে নাথাকে। পুনঃশ্চ প্ৰহ্লাদে কলেঃ বিষয়ত বিমুখ হ'ব নোৱাৰিলে প্ৰকৃত সুখ পাব নোৱাৰি।

কাৰণ, পশু শৰীৰতো বিষয়ৰ সুখ পোৱা যায়। এই সুখ অৰ্থহীন, অস্থায়ী। হৰিসেৱাৰ যোগেদি পোৱা সুখহে প্ৰকৃত সুখ। সেইবাবেই মানৱতাৰ জয়গান গাবৰ বাবেই, প্ৰকৃত সেৱা সুখ লাভ কৰিবৰ বাবেই আমি হৰি সেৱাত মনোনিৱেশ কৰিব লাগিব। তাৰ বাবেই প্ৰস্তুত হ'ব লাগিব প্ৰকৃত মানুহৰ দৰে। দৈত্য শিশুসকলক এই বাবেই বাল্যক্ৰীড়া এৰি হৰি সেৱা কৰিবৰ বাবে প্ৰহ্লাদে উপদেশ দিছে।

বাল্যক্ৰীড়া এৰি কৰা মাধৱক ধ্যান।
নাৰদৰ মুখত শুনিলো ইটো জ্ঞান।।

দৈত্য শিশুসকলৰ সন্দেহ হ'ল, প্ৰহ্লাদ সদায় অন্তেষপুৰত থাকে। নাৰদেনো কেনেকৈ লগ পালে। নাৰদক কেনেকৈ লগ পালে এই কথা প্ৰহ্লাদৰ পৰা জানিব খুজিলে। প্ৰহ্লাদে তেতিয়া দেউতাক হিৰণ্যকশিপু তপস্যালৈ যাওতে মাতৃ কয়াধুক ইন্দ্ৰই ধৰি নিয়াৰ কথা, বাটতে নাৰদৰ বুজনিত তেওঁক এৰি দিয়াৰ কথা আৰু মাতৃক নাৰদৰ আশ্ৰমত ৰাখি দেৱৰ্ষি নাৰদে তেওঁক উপদেশ দিয়া আৰু গৰ্ভস্থ অৱস্থাতে ঋষি বাক্যসমূহ শুনাৰ সৌভাগ্য ঘটাৰ কথা বিৱৰি ক'লে। এইবোৰ মহা মহিমাযুক্ত উপদেশ নাৰদৰ মুখত শুনা।

দয়ালু নাৰদ পিতৃ সমান।
মাতৃক দিলন্ত পৰম জ্ঞান।।
ভক্তিৰ লক্ষণ সৱে কহিল।
গৰ্ভতে মোক উপদেশ দিল।।

এইবোৰ সকলোবোৰ নাৰদৰ মুখৰ বাণী। এই কথাও দৃঢ়ভাৱে ক'লে যে, ঈশ্বৰ সেৱা হ'ল স্বৰূপ তত্ব। সেইবাবে হিয়াত আমি কৃষ্ণৰ ৰূপ চিন্তা কৰিব লাগিব। আমাৰ দেহা ক্ষণিক, ই কোন সময়ত পৰে তাৰো নিশ্চয়তা নাই, হৰি সেৱাই হ'ল জগতৰ পৰম ধৰ্ম। সমস্ত অহঙ্কাৰ এৰি ভগৱন্তৰ চৰণ যুগল হৃদয়ত আমি ধৰিবই লাগিব।

ইয়াৰ পিছত আৰু গভীৰলৈ গৈ প্ৰহ্লাদে দৈত্য শিশুসকলক কৃষ্ণৰ চৰণত ভকতি কিৰূপে সাধন কৰিব পৰা যায় তাৰো উপায় ক'বলৈ ধৰিলে।

কৃষ্ণৰ চৰণত ভকতি হোৱাৰ উপায়বোৰ এটা এটাকৈ প্ৰহ্লাদে ব্যাখ্যা কৰিবলৈ ধৰিলে। প্ৰথমতে বিষ্ণুভকতসকলৰ লগ লৈ তেওঁলোকক গুৰু মানি সেৱা শুশ্ৰূষা কৰিব লাগিব। সেইসকল গুৰু স্বৰূপ বিষ্ণু ভকতৰ উপদেশ গ্ৰহণ কৰি ঈশ্বৰ কৃষ্ণক আৰাধনা কৰিব লাগিব। ইয়াৰ বাবে জগতৰ সমস্ত সুকৃতি কৃষ্ণদেৱত অৰ্পণ কৰাটো ভকতিৰ পূৰ্ব চৰ্ত্ত।

কৃষ্ণকথা শ্ৰৱণত শুদ্ধ হৈব মন।
সৰ্বদায়ে কৰিবেক কৃষ্ণৰ কীৰ্ত্তন।।

ভকতি কৰিবৰ বাবে মন শুদ্ধ হ'ব লাগিব। শুদ্ধ মন নহ'লে শুদ্ধ ভকতি হ'ব নোৱাৰে। মনঃশুদ্ধিৰ বাবে কৃষ্ণকথা শ্ৰৱণ কৰিবই লাগিব। আৰু কৃষ্ণ কথাৰ শ্ৰৱণ-কীৰ্তন অহৰহ হৈ থাকিব লাগিব। ঈশ্বৰ সৰ্বব্যাপ্ত। সমস্ত ভূততে ভগৱন্ত বিদ্যমান। সেইবাবে হৃদয়ত কৃষ্ণদেৱৰ চিন্তা প্ৰতিনিয়ত ৰাখি কৃষ্ণ সেৱা কৰিব লাগিব। কৃষ্ণত প্ৰেম ভক্তি, ৰতি প্ৰীতি কৰিবলৈ হ'লে প্ৰাণী সেৱা আমাৰ জীৱনৰ লক্ষ্য হ'ব লাগিব। প্ৰহ্লাদে এই কথা জোৰ দি ক'লে যে হৰিৰ সেৱাৰ বাবে বহু যত্ন কৰিব নালাগে-- প্ৰাণীসেৱাৰ যোগেদি ভূত দয়াৰ যোগেদি ভগৱন্ত আপুনা আপুনি হৃদয়ত বাস লয়। কৃষ্ণ কৃপাময়, সমস্তকে কৃষ্ণদেৱে কৃপা কৰে। এইজন ভগৱন্ত হ'ল জীৱৰ সাক্ষীস্বৰূপ। এই মহা সত্য স্বীকাৰ কৰাৰ পিচত যদি কেনেদৰে কৃষ্ণ এৰি অন্য কাৰোবাক সেৱা পূজা কৰে তেতিয়াহ'লে তেওঁতকৈ দুৰাশয় অন্য কোনো হ'ব নোৱাৰে বুলি কোৱা হৈছে।

ধন জন প্ৰাণ পুত্ৰ যত পৰিবাৰ।
সমস্তে অবস্তু অনুমাত্ৰ নুহি সাৰ।।

ধন-জন, পুত্ৰ-পৰিবাৰ, ঐশ্বৰ্য, বিভুতিবোৰক কোনোৰেই বস্তু বুলি কোৱা নাই। এইবোৰ সকলো অবস্তু। এইবোৰ অনুমাত্ৰও সাৰ নহয়। কিন্তু আমি সংসাৰী লোকসকলে এই অবস্তুবোৰকে বস্তুজ্ঞান কৰি এইবোৰতে লাগি থাকো। এয়া অনৰ্থক কাৰণ। এই সাৰতত্ব উপলব্ধি কৰি মাধৱত ভকতি কৰিব লাগিব। কাৰণ ইহকাল পৰকাল সমস্ত কালতে কৃষ্ণ চৰণৰ ভকতিহে সাৰবস্তু। এই ভক্তিৰ যোগেদিহে সংসাৰ সাগৰ তৰিব পৰা যায়।

তদুপৰি কোৱা হৈছেঃ
নালাগে ভক্তিত দেৱ দ্বিজ ঋষি হুইবে।
নলাগে সম্ভুত শাস্ত্ৰ বিস্তৰ জানিবে।।
তপ জপ যজ্ঞ দান সবে বিড়ম্বন।
কেৱল ভক্তিত তুষ্ট হোন্ত নাৰায়ণ।।

ভক্তি কৰিবৰ বাবে দেৱতা জন্ম পাব নালাগে, দ্বিজ আৰু ঋষিৰ জন্মও পাব নালাগে। ইয়াৰ বাবে বহুতো শাস্ত্ৰ জ্ঞানৰো প্ৰয়োজন নাই। তপ, জপ, যজ্ঞ, দান সকলোবোৰ মিছা। কেৱল মাত্ৰ ভক্তি কৰিলেই নাৰায়ণ তুষ্ট হয়। যক্ষ, ৰক্ষ, স্ত্ৰী, শূদ্ৰ আৰু ব্ৰজবাণীসকল আনকি ব্ৰজৰ পশু পক্ষীসকলো কৃষ্ণক উপাসনা কৰি কৃষ্ণৰূপ প্ৰাপ্ত হৈছে।

সেইবাবেই দৈত্যশিশু সকলক একান্ত মনেৰে হৰি চৰণত ভকতি কৰিবলৈ প্ৰহ্লাদে দঢ়াই দঢ়াই উপদেশ দিলে। কাৰণ এয়া হ'ল পুৰুষৰ পৰম পুৰুষাৰ্থ।

এহিমাত্ৰ মহা পুৰুষাৰ্থ পুৰুষৰ।
শ্ৰৱণ কীৰ্ত্তন কৰিবেক নিৰন্তৰ।।
সমস্ত ভূততে দেখিবেক নাৰায়ণ।
আতপৰে আনধৰ্ম সৱে বিড়ম্বন।।

কৃষ্ণৰ শ্ৰৱণ-কীৰ্তনেই হ'ল পুৰুষৰ পৰম পুৰুষাৰ্থ। সমস্ত প্ৰাণীতে ভগৱন্তক দৰ্শন কৰিব পৰাটোৱেই হ'ল প্ৰকৃত ধৰ্ম। ইয়াৰ বাদে সমস্ত ধৰ্মই অসাৰ। সেইবোৰ আচৰণ কৰিব পাৰিব, কিন্তু ফলপ্ৰাপ্তি কেতিয়াও বাঞ্ছা নকৰিব।

প্ৰহ্লাদৰ উপদেশত দৈত্য শিশুসকলৰ মনত গভীৰ ৰেখাপাত কৰিলে। বামানয় গুৰুৱে শিকোৱা বামানয় শাস্ত্ৰত তেওঁলোকে মন নিদিয়া হ'ল, সকলোৱে কেৱল মাত্ৰ ভাগৱত ধৰ্মত মন নিবিষ্ট কৰিলে, শ্ৰৱণত কৃষ্ণকথা, চিন্তনত, মননত হৰি নাম আৰু কীৰ্তনতো ৰাম নাম গাই, চাপৰি বজাই নাচিবলৈ ধৰিলে।□□

# মহাতীৰ্থ ঃ অসম

(১ পৃষ্ঠাৰ পৰা)

অসমৰ ৰাজধানী গুৱাহাটীৰ পৰা এই সকলোবোৰ ৰাজ্যলৈ সহজে অহা-যোৱা কৰিব পাৰি। ভাৰতবৰ্ষৰ একেবাৰে পূ-প্ৰান্তত অৱস্থিত যদিও ভাৰতৰ অন্যান্য প্ৰান্তৰ সৈতে অসমৰ ঘনিষ্ঠ সম্পৰ্ক প্ৰাচীন কালৰ পৰাই চলি আহিছে।

অসমত বহুসংখ্যক বিচিত্ৰ জনগোষ্ঠীৰ লোকে যুগ যুগ ধৰি বাস কৰি আহিছে। তেওঁলোকৰ নিজা নিজা ভাষা বা দোৱান আছে, নিজা নিজা ধৰ্ম বিশ্বাস আছে আৰু বৈচিত্ৰপূৰ্ণ সাংস্কৃতিক সম্পদ আছে। ইমান কম ঠাইত ইমান বেছি সংখ্যক বিচিত্ৰ জনগোষ্ঠীৰ নিবাস পৃথিৱীৰ আন ক'তো পোৱা নাযায়। সেইবাবে অসমক 'পৃথিৱীৰ ক্ষুদ্ৰ তাণ্ডৱণ' বোলা হয়। যুগ যুগ ধৰি ওচৰা-ওচৰিকৈ বসবাস কৰা আৰু নানাভাৱে আদান-প্ৰদান কৰাৰ ফলতেই তেওঁলোকৰ মাজত গভীৰ অৰ্থনৈতিক, ভাষিক আৰু সাংস্কৃতিক সম্পৰ্ক গঢ়ি উঠিছে। অসমৰ অধিবাসীসকল ঘাইকৈ পশ্চিম চীনৰ পৰা অহা মঙ্গোলীয়সকল, তিব্বত-বৰ্মীসকল, অষ্ট্ৰ-এচিয়াটিকসকল, অসমৰ পশ্চিম ফালৰ পৰা অহা আৰ্য আৰু দ্ৰাবিড় গোষ্ঠীৰ লোকেৰে গঢ়ি উঠিছে। ইতিহাসৰ বিভিন্ন যুগত তেওঁলোক দলে দলে আহি অসমত বাস কৰিবলৈ লৈছিল। অলেখ উপনৈৰে পুষ্ট মহাবাহু ব্ৰহ্মপুত্ৰৰ বিশাল উৰ্বৰ উপত্যকা অঞ্চলে যুগ যুগ ধৰি বিভিন্ন জনগোষ্ঠীৰ লোকক ইয়ালৈ আকৰ্ষণ কৰি আহিছে।

অসমৰ অধিবাসীসকলক জনজাতি আৰু অ-জনজাতি এই দুটা প্ৰধান ভাগত ভাগ কৰিব পাৰি। অসমৰ অ-জনজাতীয় লোকসকল উত্তৰ ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা আহি ব্ৰহ্মপুত্ৰ উপত্যকাত বাস কৰিবলৈ লয়। তেওঁলোক ঘাইকৈ ককেছীয় গোষ্ঠীৰ লোক। তেওঁলোক তুলনামূলকভাৱে পলমকৈ অসমলৈ আহিছে। জনজাতীয় লোকসকল ঘাইকৈ মঙ্গোলীয় গোষ্ঠীৰ লোক। তেওঁলোক অসমৰ উত্তৰ আৰু উত্তৰ-পূৱ ফালৰ পৰা বিভিন্ন সময়ত দলে দলে আহি অসমত বসতি কৰিবলৈ লয়হি। পিছত অহা শক্তিশালী দলবোৰে পূৰ্বতে অহা দুৰ্বল দলবোৰক পাহাৰ অঞ্চললৈ ঠেলি পঠিয়ায়। তেওঁলোকৰ বাসস্থান অনুযায়ী জনজাতীয় লোকসকলক পাহাৰীয়া জনজাতি আৰু ভৈয়মীয়া জনজাতি এই দুটা ভাগত ভাগ কৰিব পাৰি। মঙ্গোলীয় গোষ্ঠীৰ বড়োসকল এসময়ত ভৈয়ামৰ আটাইতকৈ প্ৰভাৱশালী লোক আছিল। কছাৰী, মেছ, গাৰো, ডিমাচা, কাৰ্বি, মিচিং, তিৱা, ৰাভা, চুতীয়া আদি এই গোষ্ঠীৰ লোক। কালৰ সোঁতত তেওঁলোকৰ সাংস্কৃতিক জীৱনত অনেক পৰিৱৰ্তন ঘটে। তেওঁলোকৰ অনেকে হিন্দুধৰ্ম গ্ৰহণ কৰি লাহে লাহে নিজকে হিন্দু বুলি পৰিচয় দিবলৈ ধৰে।

তাই গোষ্ঠীৰ আহোমসকল ত্ৰয়োদশ শতিকাৰ আদি ভাগত অসমৰ উত্তৰ-পূৱ সীমাইদি অসমত প্ৰৱেশ কৰেহি। প্ৰথমতে উজনি অসমত ৰাজ্য স্থাপন কৰি তেওঁলোকে লাহে লাহে গোটেই ব্ৰহ্মপুত্ৰ উপত্যকাত সাম্ৰাজ্য বিস্তাৰ কৰে। তেওঁলোকে কালক্ৰমত হিন্দুধৰ্ম গ্ৰহণ কৰে আৰু সপ্তদশ শতিকামানৰ পৰা স্থানীয় অসমীয়া ভাষাক মাতৃভাষা ৰূপে ব্যৱহাৰ কৰিবলৈ লয়। আহোমসকলৰ নামৰ পৰাই এই ভূখণ্ডৰ নাম 'অসম' হয়। একেৰাহে

(১০ পৃষ্ঠাত চাওক)

# অসমীয়া জাতি গঠনৰ প্ৰথম প্ৰবক্তা

## মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ

ড° সূৰ্য দাস

ব্ৰহ্মপুত্ৰ উপত্যকাৰ মাটিত সব্যতাৰ ক্ৰমবিকাশৰ পৰা একৈশ শতিকালৈকে যিসকল প্ৰতিভাশালী লোকে অসমীয়া জাতীয় জীৱন আৰুঅসমীয়া সংস্কৃতিৰ উৎকৰ্ষৰ বাবে ওৰেটো জীৱন অক্লান্ত সাধনাৰে অসমৰ জাতীয় জীৱন আৰু সংস্কৃতিক সমৃদ্ধ কৰি গ'ল, সেই সকলোৰে ভিতৰত শ্ৰেষ্ঠজন হ'ল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে। তেৱেঁই হ'ল অসমৰ শ্ৰেষ্ঠতম পুৰুষ— তেওঁ এগৰাকী মহাপুৰুষ। যি সময়ত শঙ্কৰদেৱৰ জন্ম হৈছিল বা যি পৰিৱেশত তেওঁ জন্মগ্ৰহণ কৰি ডাঙৰ-দীঘল হৈছিল, সেই সময়ৰ অসমৰ ৰাজনৈতিক শক্তি, সমাজ আৰু সংস্কৃতি আছিল বহুধা বিভক্ত আৰু দিশহাৰা। সেই সময়ৰ অসমত যেনেদৰে প্ৰয়োজন হৈছিল এখন শক্তিশালী অসম কামৰূপ বা বেহাৰ ৰাজ্যৰ, ঠিক তেনেদৰে সেই সময়ৰ অসমৰ মানুহক কোনো এক নতুন আদৰ্শৰ পতাকাৰ তলত সমবেত কৰি এখন ঐক্যবদ্ধ সমাজ আৰু একক সংস্কৃতি গঠন কৰাৰ প্ৰয়োজনো আহি পৰিছিল। অসমৰ সেই অস্থিৰ সামাজিক, ৰাজনৈতিক পৰিৱেশতেই জন্ম হৈছিল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ। সাধাৰণ মানুহ হয় কেৱল পৰিৱেশৰ জাতক, কিন্তু মহাপুৰুষসকল কেৱল পৰিৱেশৰ জাতকেই নহয়, তেওঁলোকে নতুন পৰিৱেশৰ জনক বা নতুন পৰিৱেশৰ সৃষ্টিকৰ্তাও। তেওঁলোকে কেৱল সেই পৰিৱেশৰদ্বাৰা নিয়ন্ত্ৰিত হৈ নাথাকি, সমকালীন সমাজৰ শুভ-অশুভ শক্তিসমূহক নিয়ন্ত্ৰণো কৰে। এনেকৈয়ে তেওঁ গঢ়ি তোলে এখন নতুন সমাজৰ, সৃষ্টি কৰে নতুন সংস্কৃতিৰ, যিখন সমাজ আৰু সংস্কৃতিয়ে এটা জাতিৰ বান্ধোন সুদৃঢ় কৰি অনাগত ভৱিষ্যতৰ বাবে এটা জাতিক জীৱনীশক্তি প্ৰদান কৰি যায়। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱো হ'ল এগৰাকী তেনেকুৱা মহাপুৰুষ, যিজনাক কোৱা হয় অসমীয়া জাতিৰ জনক। তেওঁ অসমৰ ধৰ্মগুৰু আৰু অসমৰ সাহিত্য-সংস্কৃতিৰ গুৰু, ইয়াৰ উপৰি তেওঁ আছিল এগৰাকী বহু গুণনিধি ব্যক্তি, আজিলৈকে অসমত 'যাকেৰি নাহিকে উপাম'। সবাতোকৈ ডাঙৰ কথা অসমত শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰৱৰ্তন কৰা নৱবৈষ্ণৱ আন্দোলন আৰু সংস্কৃতিয়ে অসমবাসীসকলক অসমীয়া জাতিৰূপে গঢ়ি তোলাত প্ৰভুত অৰিহণা যোগাইছিল।

অসমৰ ইতিহাস প্ৰণেতাসকলে আদিৰে পৰা খ্ৰীষ্টীয় দ্বাদশ শতিকা পৰ্যন্ত সময়ছোৱাক অসম বুৰঞ্জীৰ প্ৰাচীন যুগ বুলি অভিহিত কৰিছে। একাদশ-দ্বাদশ শতিকাৰ ভিতৰত কামৰূপৰ পাল বংশৰ পতনৰ পিছত বৃহৎ কামৰূপ সাম্ৰাজ্যৰ পতন ঘটে। প্ৰাচীন অসমৰ ঐতিহাসিক যুগত বৰ্মন বংশীয় ৰজাসকলৰ চেষ্টাত যি বৃহৎ কামৰূপ সাম্ৰাজ্যৰ সৃষ্টি হৈছিল, পালবংশৰ পতনৰ লগে লগে সেই সাম্ৰাজ্যৰ পতন ঘটি সেই সময়ৰ কামৰূপত বহুতো নতুন নতুন ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যৰ সৃষ্টি হৈছিল। সিফালে কামৰূপৰ পশ্চিমত আৰ্যাৱৰ্ততো সপ্তম শতিকাৰ পিছত প্ৰায় সমগ্ৰ ভাৰতবৰ্ষকে এজন সম্ৰাটৰ বা এক শাসন ব্যৱস্থাৰ তললৈ নিব পৰা সাম্ৰাজ্যৰ অৱসান ঘটিল আৰু সমগ্ৰ আৰ্যাৱৰ্তই খণ্ডিত হৈ ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যত বিভক্ত হৈ পৰিল। সপ্তম শতিকাৰ পিছৰ আৰ্যাৱৰ্ত আৰু দক্ষিণ ভাৰতৰ ইউৰোপ আৰু মধ্য-প্ৰাচ্যৰ সৈতে বাণিজ্যিক সম্পৰ্ক বন্ধ হৈ যোৱাৰ ফলত, ইয়াৰ আগতে পশ্চিমীয়া দেশসমূহৰ পৰা ভাৰতবাসীৰ মনোজগতলৈ যি নতুন নতুন চিন্তা আৰু চেতনাৰ আগমন ঘটিছিল সেয়া বন্ধ হৈ গ'ল। তাৰ প্ৰভাৱ নিশ্চয় অসমতো পৰিছিল। ভাৰতীয়সসকলৰ বাণিজ্যিক সম্পৰ্ক থাকিল কেৱল দূৰ প্ৰাচ্যৰ সৈতে; কিন্তু ভাৰতবৰ্ষই সেই সময়ছোৱাত সেইবোৰ দেসৰ পৰা কোনো নতুন চিন্তা বা ধাৰণা পোৱা নাছিল। এই একেদৰে কামৰূপ সাম্ৰাজ্যই একাদশ-দ্বাদস শতিকাৰ পিছত ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যত বিভক্ত হৈ পৰাত এই সৰু সৰু ৰাজ্যসমূহৰ মাজত সংকীৰ্ণ আৰু দ্বৈপায়ন মনোবৃত্তিৰ প্ৰসাৰ ঘটিল। পশ্চিমৰ সৈতে কামৰূপৰ মানুহৰ সম্পৰ্ক তৰাং হৈ পৰিল, স্থাল পথেৰে দূৰ প্ৰাচ্যৰ সৈতে সম্পৰ্ক থাকি গ'ল যধিও প্ৰাচ্যৰ দেশসমূহৰ পৰা কামৰূপৰ মানুহৰ চিন্তা জগতলৈও একো নতুনত্ব অহা নাছিল। বৰ্মনবংশীয় ৰজাসকলৰ দিনত বৌদ্ধধৰ্মৰ ইতিবাচক প্ৰভাৱ অসমত পৰিছিল যদিও সিও লাহেলাহে বিকৃত ৰূপ লোৱাত সি জনগণৰ প্ৰগতিৰ প্ৰতিকুল হৈ পৰিছিল। তদুপৰি শঙ্কৰাচাৰ্যৰ প্ৰভাৱত ব্ৰাহ্মণ্য হিন্দুধৰ্মৰ ৰক্ষণশীলতাই অসমৰ বৰ্ণ-হিন্দু সমাজখনক আৰু বেছি ৰক্ষণশীল কৰি তুলিলে। একাদশ-দ্বাদশ শতিকাৰ পিছত অসমতো কেন্দ্ৰীভূত বৃহৎ ৰাষ্ট্ৰ শক্তিৰ অৱসানৰ লগে লগে নাগৰিক সভ্যতাৰ মুক্ত বায়ুৰে গতি হেৰুৱাই পেলালে; বিচ্ছিন্ন, সংকীৰ্ণ, স্বয়ংসম্পূৰ্ণ এক গ্ৰাম্য সভ্যতাৰ উদ্ভৱ হ'ল। এই সকলোবোৰৰ প্ৰভাৱত সমাজ ক্ৰমে ক্ৰমে বেছি ৰক্ষণশীল হৈ পৰিল; ইয়াৰ ফলত আৰ্য সমাজ ভুক্ত বা বৰ্ণ-নিহন্দু সমাজৰ শূদ্ৰ আৰু নাৰীসকলৰ ওপৰত নানান অবিচাৰ চলিবলৈ ধৰিলে আৰু আনহাতে অসমৰ পাহাৰে-ভৈয়ামে বসবাস কৰা অজস্ৰ জনজাতীয় সমাজ তুলনামূলকভাৱে এই উন্নত সভ্যতাৰ অধিকাৰী সমাজখনৰ বাহিৰতে থাকি গ'ল।

একাদশ-দ্বাদশ শতিকাত পালবংশৰ পতনৰ পিছৰ পৰা ত্ৰয়োদশ শতিকাত চ্যুকাফাই

(১৬ পৃষ্ঠাত চাওক)

# 'নাম-ঘোষা'ৰ পৰিৱেশ্য পাঠ

## এটি টোকা

ড° মিলন নেওগ

ভক্তিধৰ্মৰ পৰম্পৰাত বিশুদ্ধ তত্ত্ব কথাৰ পুথি তেনেই কম। অসমীয়া বৈষ্ণৱ সাহিত্যতো শঙ্কৰদেৱৰ পৰা আৰম্ভ কৰি উপনিৱেশিক যুগৰ আগলৈকে যিমানবোৰ পুথি-পাজি ৰচিত হ'ল তাৰ সৰহভাগে কাহিনী প্ৰধান। মহাকাব্য দুখন আৰু ভাগৱত পুৰাণেই মূলতঃ এই পুথি-পাজিসমূহৰ আধাৰ। শ্ৰীধৰ কন্দলিৰ 'কাণখোৱা' বা ৰাম সৰস্বতীৰ 'ভীম চৰিত'ৰ দৰে মৌলিক কাহিনীও আঙুলি মূৰত লেখি শেষ কৰিব পাৰি। মৌলিক কাহিনী প্ৰধান গ্ৰন্থ বা বিশুদ্ধ তত্ত্বমূলক গ্ৰন্থ ৰচিত নোহোৱাৰ এটা প্ৰধান কাৰণ হ'ব পাৰে ভাগৱত পুৰাণৰ গভীৰ প্ৰভাৱ। ভাগৱত পুৰাণ ভক্তিধৰ্মৰ তাত্ত্বিক-দাৰ্শনিক-আধ্যাত্মিক আদৰ্শৰ ভেটি আৰু এই গ্ৰন্থখনো মূলত বিচিত্ৰ কাহিনীৰ সংগ্ৰহ। স্বাভাৱিকতে ভাগৱত পুৰাণ এখন প্ৰামান্য আধাৰ গ্ৰন্থ হোৱাৰ বাবে ভাগৱতৰ কাহিনী বা কাহিনীৰ মাজেদি প্ৰকাশিত তত্ত্ব কথাকে আঞ্চলিক ভাষাত ৰূপ দি আঞ্চলিক পৰ্যায়ত গঢ় লৈ উঠা নতুন ধৰ্মীয় পৰম্পৰাবোৰক বৈদিক ধৰ্ম (সনাতন ধৰ্ম)ৰ সৈতে নিবিড় আৰু দৃঢ় সম্পৰ্ক ৰক্ষা কৰা হৈছিল। ইয়াকে নকৰি মৌলিক কাহিনী সৃষ্টি কৰিলে সমকালীন সময়ত সেই কাহিনীবোৰে কিমান মান্যতা পালেহেঁতেন সেয়া সন্দেহজনক।

শঙ্কৰদেৱৰ জীৱদ্দশাত বিশুদ্ধ তত্ত্বমূলক ভক্তি প্ৰকাশক অসমীয়া গ্ৰন্থ নাছিলেই। শঙ্কৰদেৱৰ ভক্তি ৰত্নাকৰখন পৰৱৰ্তী সময়তহে অনুবাদ হৈছে। অৱশ্যে ভক্তি-ৰত্নাৱলীখনে সেই অভাৱ পূৰাইছিল; কিন্তু এইখন ভক্ত সমাজৰ মাজত কিমান জনপ্ৰিয় আছিল, ব্যক্তিগতভাৱে এই লেখকৰ সন্দেহ আছে। 'নাম-ঘোষা' ৰচনা হোৱাৰ আগলৈকে কাহিনীয়েই আছিল ভক্তিধৰ্মৰ পৰম্পৰাটোৰ ব্যৱহাৰিক আৰু আনুভূতিক প্ৰকাশ। নাম-ঘোষাৰ বাহিৰে সমগ্ৰ ভক্তিধৰ্ম পৰম্পৰাটোত আন মুষ্টিমেয় যিকেইখন তত্ত্বমূলক গ্ৰন্থ আছে, সেই কেইখনৰ চৰ্চা আৰু ব্যৱহাৰিক মূল্য তথা উপাসনা পদ্ধতিত ব্যৱহাৰ নাম-ঘোষাৰ তুলনাত প্ৰায় শূন্য। ই বৰ তাৎপৰ্যপূৰ্ণ কথা। মন কৰিবলগীয়া নাম-ঘোষা এনে এখন পুথিও নহয় যে ই বৰ সহজ-সৰলভাৱে তত্ত্ব ব্যাখ্যা কৰা, সাধাৰণ ৰাইজৰ বাবে সহজে বোধগম্য গ্ৰন্থ। বৰং তাৰ ওলোটাহে। তথাপি নাম-ঘোষাৰ এই স্থান, এই গুৰুত্বৰ আঁৰত কেবাটাও কথা বিচাৰ কৰি চাব পাৰি। তাৰে ভিতৰত প্ৰধান আৰু প্ৰথম কথাটোৱেই হ'ল— পৰিৱেশ্য পাঠ। শঙ্কৰদেৱৰ ভক্তিধৰ্মৰ সাহিত্য পাঠৰ সমান্তৰালকৈ এটা পৰিৱেশ্য পাঠো আছে আৰু ই পৰম্পৰা প্ৰবাহিত। সাহিত্যৰ এই পৰিৱেশ্য পাঠৰ সৃষ্টি নিশ্চিতভাৱে শঙ্কৰদেৱৰ। কাৰণ, পৰিৱেশ্য পাঠৰ এটা পৰিস্কাৰ ধাৰণা আছিল বাবেহে গুৰুজনে ধৰ্ম প্ৰচাৰৰ বাবে গীত-নাট ৰচনা কৰিছিল। নিৰক্ষৰ গ্ৰাম্য সমাজৰ সাধাৰণ 'শূদ্ৰ' জনতাক পৰিৱেশ্য পাঠৰ অবিহনে সাহিত্যৰ ভিতৰত সোমাই থকা ধৰ্ম-জ্ঞান দিয়া অসম্ভৱ। সেয়ে বৈষ্ণৱ শাস্ত্ৰবোৰ কেৱল পঢ়া নহয়, সুৰ ধৰি গোৱা হয়। সেয়ে কীৰ্ত্তন-ঘোষা, নাম-ঘোষা। কীৰ্ত্তন মানেই বিশেষ ৰীতিৰে গোৱা, ঘোষা মানেও ঠিক তেনেই। এয়ে পৰিৱেশ্য পাঠ।

শঙ্কৰদেৱৰ আগতেও অসমৰ লোক পৰম্পৰাত কাহিনীৰ পৰিৱেশনৰ মাজেৰে দৰ্শকে ধৰ্ম-কথা, নীতিকথা, ইতিহাস আদি শিকিছিল। ওজাপালি, পুতলা নাচ আদি অনুষ্ঠানবোৰত কাহিনী একোটাকে পৰিৱেশ্য ৰূপ দিয়া হৈছিল। লোক পৰম্পৰাত কাহিনীৰ পৰিৱেশ্য পাঠৰ পৰম্পৰা প্ৰাচীন যদিও তত্ত্বকথাৰ পৰিৱেশন নহয়। আমাৰ অনুমান মাধৱদেৱেই তত্ত্বকথাৰ পৰিৱেশ্য ৰূপ এটা বৰ কৌশলেৰে আৰু সমানেই সাৰ্থকৰূপে প্ৰতিষ্ঠা দিলে। নাম-ঘোষা, কীৰ্ত্তন-ঘোষা লিখাৰ আগতে উপাসনা ব্যৱস্থাটো কেনেকুৱা আছিল? সাম্প্ৰতিক সত্ৰ-নামঘৰৰ ব্যৱস্থাটোলৈ চালে ৰীতিবদ্ধ নাম-প্ৰসঙ্গই হওক বা ঘৰুৱা নিয়মীয়া প্ৰাৰ্থনাই হওক— অচল। 'কীৰ্ত্তন-ঘোষা'খনো সংকলিত হৈছিল শঙ্কৰদেৱৰ প্ৰয়াণৰ পিছত; নামঘোষাও মাধৱদেৱৰ শেষ জীৱনৰ ৰচনা— বাণীকান্ত কাকতিৰ ভাষাত "মাধৱদেৱৰ মহাপ্ৰস্থানিক গীত"। তেনেহ'লে শঙ্কৰদেৱৰ জীৱদ্দশাত উপাসনা পদ্ধতিৰ স্বৰূপ নিশ্চয় ইমান প্ৰণালীবদ্ধ নাছিল। সম্ভৱত সেইবাবেই মাধৱদেৱে নাম-ঘোষাৰ ৰচনাৰ মাজেৰে, এটা সুসংবদ্ধ পৰিৱেশ্য পাঠৰ মাজেৰে ইয়াক প্ৰণালীবদ্ধ ৰূপ দিছিল।

শঙ্কৰদেৱৰ সান্নিধ্যলৈ অহাৰ পৰা সুদীৰ্ঘকালীন অভিজ্ঞতাৰ আধাৰত মাধৱদেৱে নাম-ঘোষা লিখিলে। নাম-ঘোষা লিখোতে মাধৱদেৱে নিশ্চয়কৈ দুটামান কথা বিবেচনা কৰিবলগীয়া হৈছিল। প্ৰথম কথা, গ্ৰন্থ ৰচনা কৰা হয় পাঠকৰ বাবে। জটিল তত্ত্বকথা কিদৰে লিখিলে পাঠকৰ বাবে গ্ৰহণযোগ্য হ'ব? দ্বিতীয় কথা, তত্ত্ব-দৰ্শন অবিহনে কেৱল কাহিনী ভিত্তিক সাহিত্যই কৰ্ম এটাৰ ভেটি বহুদিনলৈ মজবুত কৰি ৰাখিব নোৱাৰে। গতিকে তত্ত্ব-দৰ্শনৰো চৰ্চা হ'ব লাগিব। চৰ্চা হ'বলৈ তাক উপাসনৰ অংগ কৰিব লাগিব। তাৰ বাবে তত্ত্বৰো পৰিৱেশ্য পাঠ এটা লাগিব। আমাৰ বিবেচনাত এই আটাইবোৰ কথাৰ দায়িত্ব গুৰুজনৰ অবিহনে মাধৱদেৱে ল'বলগা হোৱাৰ বাবেই নামঘোষাৰ সাহিত্য পাঠ আৰু পৰিৱেশ্য পাঠ এই ৰূপত পোৱা সম্ভৱ হ'ল।

নাম-ঘোষাৰ পৰিৱেশ্য পাঠটো বৈষ্ণৱ সাহিত্যৰ আনবোৰ গ্ৰন্থৰ লগত নিমিলে, বৰং বৰগীতসমূহৰ লগতহে এই পাঠৰ কিছু মিল আছে। নাম-ঘোষাৰ সাংগীতিক ধৰ্ম সাহিত্য পাঠ (Literary text) আৰু সেই পাঠৰ ৰসৰ ওপৰত নিৰ্ভৰশীল। বিশুদ্ধ তত্ত্ব কথাৰ কি ৰস থাকিব পাৰে? কিন্তু নাম-ঘোষাত 'তত্ত্ব' ক্ষণে

(১৮ পৃষ্ঠাত চাওক)

মণিকাঞ্চন

## সম্পাদকীয়

// উনবিংশ বছৰ ঃ দ্বিতীয় সংখ্যা ঃ **গুৱাহাটী ঃ** জানুৱাৰী+ফেব্ৰুৱাৰী ২০১৪ চনঃ ৫৬৫


# শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ সমন্বয় ক্ষেত্ৰ

# মহামিলনৰ পুণ্যতীৰ্থ

শ্ৰীমন্ত শঙ্কৰদেৱ হৈছে সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ অসমীয়া আৰু সেই কাৰণেই আপামৰ জনগণে তেওঁৰ কৃতিত্ব স্বীকাৰ কৰি 'মহাপুৰুষ' অভিধাৰে বিভূষিত কৰিছে। সৰ্বগুণাকৰ মহাপুৰুষ শঙ্কৰদেৱে তেওঁৰ সমন্বিত সমস্ত প্ৰতিভাৰে জাতি-বৰ্ণ-ধৰ্ম-সম্প্ৰদায় নিৰ্বিশেষে সকলোকে সামৰি লৈ এক বিশিষ্ট জীৱন-দৃষ্টিভঙ্গীৰ আদৰ্শ দাঙি ধৰি মানুহৰ মাজত থাকি, মানুহক আধাৰ স্বৰূপে লৈ মানুহৰ বাবেই এক ধৰ্মীয় আদৰ্শ গঢ়ি তুলিছিল। আৰু সেই কাৰণেই তেওঁৰ ধৰ্মীয় আদৰ্শত এক গণতান্ত্ৰিক আদৰ্শ পৰিলক্ষিত হয়।

শঙ্কৰদেৱৰ সমসাময়িক সময়ত কছাৰী, জয়ন্তীয়া, ভূঞা আদি বংশৰ লোকসকলে অসমত সৰু সৰু ৰাজ্যপাতি শাসন কৰিছিল যদিও সেইসকলৰ মাজত কোনো মিলা-প্ৰীতিতো নাছিলেই বৰং পৰস্পৰৰ মাজত নানান অৰিয়া-অৰি অধিক প্ৰকটৰূপত প্ৰবৰ্তিছিল। সেই সময়তেই আহোমসকলে অসমৰ পূব দিশৰপৰা ৰাজ্য বিস্তাৰ কৰিছিল। সেই সময়ৰ ৰাজনৈতিক অৱস্থা যিমান অশান্তিপূৰ্ণ আছিল তাতোকৈ সামাজিক আৰু ধৰ্মীয় অৱস্থা আছিল অধিক শোচনীয়। অসমত হিন্দুধৰ্মৰ শৈৱমতে সৰ্ব প্ৰথম ধৰ্মমত আছিল যদিও শাক্তধৰ্মৰ প্ৰভাৱত সি লুপ্ত হৈ পৰিছিল আৰু শাক্তধৰ্মৰ আৰাধ্য দেৱীপূজাহে প্ৰবল হৈ পৰিছিল। শাক্তমত অনুসাৰে দেৱীৰ নামত পূজা-পাতল, হোম-যজ্ঞৰ লগতে যৌনবিধি, পশুবলি, স্বগাত্ৰ ৰোধিৰ দান আৰু আনকি দেৱীৰ নামত নৰবলি পৰ্যন্ত চলিছিল। তদুপৰি আন বহুতো ধৰ্মৰ উপসনা, সৰ্পদেৱী মনসা, বসন্ত ৰোগৰ দেৱী শীতলা আৰু সৰু-সুৰা দেৱ-দেৱীৰ পূজা পদ্ধতিৰ প্ৰচলন্তিয়ে সেই সময়ৰ সমাজত এক বিশৃঙ্খলাৰ সৃষ্টি কৰি সামাজিক অৱস্থা একেবাৰে বিধ্বস্ত কৰি পেলাইছিল। বলি-বিধান, পূজা-পাতাল, যাগ-য(-হোম আদিৰ লগতে উচ্চ-নীচ আৰু জাতি-ভেদ আছিল অধিক প্ৰকট। ধৰ্মৰ নামত জাত-পাতৰ বিচাৰ, বিভিন্ন আচাৰ-ৰীতিৰ কটকটীয়া বান্ধোন আদিৰ বাবে সমাজ জীৱনৰ পৰা শান্তি-শৃঙ্খলা নাইকিয়া হৈছিল আৰু সমাজত সৎ সামাজিক মূল্যবোধ প্ৰায় অন্তৰ্হিত হৈ পৰিছিল। বিশেষকৈ সমাজৰ অধঃস্তৰত বাস কৰা লোকসকল ধৰ্মীয়ভাৱে একেবাৰে উপদ্ৰুত হৈছিল।

সেই সময়তে সমাজৰ এনে প্ৰেক্ষাপটত শঙ্কৰদেৱৰ আদৰ্শই সমাজৰ অৰাজকতা আৰু বিশৃঙ্খলা আঁতৰাই সমাজত প্ৰচলিত বহু দেৱতাৰ ঠাইত প্ৰধান দেৱতা শ্ৰীকৃষ্ণৰ ধাৰণা দি তেৰোঁতে শৰণ লোৱা, হোম-যজ্ঞ, ক্ৰিয়া-কৰ্ম, পূজা-পাতলৰ ঠাইত ভগৱন্তৰ নাম শ্ৰৱণ-কীৰ্তন কৰা, এক ভগৱন্তত শৰণ লোৱাসকলৰ মাজত জাত-পাত বা উচ্চ-নীচৰ বিচাৰ নকৰি সকলোকে আত্মসম জ্ঞান কৰা, বাহ্যিক ক্ৰিয়া অনুষ্ঠানৰ ঠাইত হৃদয়েৰে ভগৱন্তক উপলব্ধি কৰাৰ দ্বাৰা কৃষ্ণ ভক্তিৰ পথ দেখুৱাই সমাজৰ চিন্তা-ভাৱনাক জাগ্ৰত কৰি সমাজ জীৱনত সংহতি-সম্প্ৰতি গঢ়ি তুলিবলৈ সমৰ্থ হৈছিল; বিভিন্ন ৰাজনৈতিক অৱস্থা আৰু বিধ্বস্ত সমাজ-চেতনাৰ ৰূপান্তৰ ঘটাই সেই সময়ৰ অসম-কামৰূপ-বেহাৰ— এই তিনিও ৰাজ্যৰ সাংস্কৃতিক আৰু মানসিকভাৱে ঐক্যবদ্ধ কৰি এক জাতীয় সংহতি স্থাপন কৰিছিল।

শঙ্কৰদেৱৰ আদৰ্শৰ মূল তাৎপৰ্যই হ'ল দুৰ্দশাগ্ৰস্ত, দৰিদ্ৰ, অনুন্নত জনসাধাৰণৰ বাবে মুক্তিৰ প্ৰেৰণা। সমাজৰ শোষণ-নিপীড়নৰ ফলত যিসকল লোক শিক্ষা-সংস্কৃতি, অৰ্থনীতি আদি সকলো দিশৰ পৰাই পিছপৰা সেইসকল লোকক অনুন্নয়নপৰা উন্নয়নৰ পথলৈ আনিবলৈ কৰা প্ৰযত্নই আছিল শঙ্কৰদেৱৰ মূল আদৰ্শ। এই আদৰ্শৰ প্ৰেৰণাতে বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকে বৈষ্ণৱ আদৰ্শত শৰণাপন্ন হৈছিল। অকল বৰ্ণ হিন্দুসকলৰ আৰেষ্টনীৰ মাজত থাকিয়েই শঙ্কৰদেৱে তেওঁৰ আদৰ্শ প্ৰচাৰ কৰিব নিবিচাৰি আপামৰ জনতাক এক বুলি সাৱটি লৈ এক বিষ্ণু ভগৱন্তৰ শৰণীয়া ভকতৰূপে সকলোকে যোগ্যতা অনুসাৰে সমাজত স্থান দিছিল। 'সকল প্ৰাণীক দেখিবাহা আত্মসম'— এই বাণীৰে সকলোকে উদ্বুদ্ধ কৰি উচ্চ-নীচ, ধনী-দুখীয়া সকলোকে সমমৰ্যাদা প্ৰদান কৰি সামাজিক গাঠনি দৃঢ় কৰি এক সংহতিপূৰ্ণ সমাজ গঢ়ি তুলিবৰ প্ৰয়াস কৰিছিল। 'কুকুৰ ছগুাল গৰ্দ্দৰ্ভৰো আত্মাৰাম' বুলি সকলোকে 'এক হৰিভকত' বুলি আঁকোৱালি লৈছিল। 'ব্ৰাহ্মণৰ চণ্ডালৰ নিবিচাৰি কুল/ দাতাত চোৰত যেন দৃষ্টি একতুল' আদি আহ্বানেৰে মানুহক এক নতুন জীৱন বোধৰ দৃষ্টি আৰু নিৰ্যাস দান কৰি এক সাম্যভাৱ গঢ়ি তোলাই আছিল মহাপুৰুষগৰাকীৰ মূল লক্ষ্য আৰু আদৰ্শ।

তিনিচুকীয়াৰ মাকুমৰ শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ সমন্বয় ক্ষেত্ৰত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ৮৩ তম বাৰ্ষিক অধিৱেশনথলীত সমবেত সমূহ ভকত-বৈষ্ণৱ, আই-মাতৃ আৰু জনগণলৈ আমাৰ সেৱা জনাইছোঁ। মহাপুৰুষ গুৰুজনাৰ আদৰ্শ বিশ্ব জুৰি প্ৰচাৰ আৰু প্ৰসাৰ কৰাৰ ক্ষেত্ৰত প্ৰতিগৰাকী অসমীয়াই সৈনিকৰ দায়িত্ব পালন কৰি কৰ্মত ব্ৰতী হওঁ আহক। 'নাহি ভকতিত জাতি-অজাতি বিচাৰ/ কৃষ্ণ ভকতিত সমস্তৰে অধিকাৰ।' মহাপুৰুষজনাই দিয়া এই অধিকাৰ গ্ৰহণ কৰি জাতি-বৰ্ণ-ধৰ্ম-সম্প্ৰদায় নিৰ্বিশেষে কৃষ্ণ ভগৱন্তৰ একশৰণীয়া ভকত হৈ গুৰুজনাৰ পৰিকল্পনাৰ উত্তৰ-পূব ভাৰতৰ শক্তিশালী ঐক্যৰ আধাৰত এখন সন্মিলিত আৰু সমন্বিত সমাজ গঢ়ি তোলাৰ প্ৰয়াস কৰোঁ আহক।◆

## পদাধিকাৰৰ কলম

।। ৰজনীকান্ত দত্ত।।

# এটি নতুন ভাৱনাৰ তৰঙ্গ নতুন প্ৰজন্মৰ সন্মুখত



Odds are everywhere
Victory is only in Your inside.

কথাষাৰ বৰ গুৰুত্বপূৰ্ণ। বিশেষকৈ আজিৰ মিশ্ৰিত সমাজ ব্যৱস্থাৰ ধামখুমীয়াত এই কথাষাৰ অতিকৈ প্ৰণিধানযোগ্য। যুগে যুগে শুভ আৰু অশুভ শক্তিৰ মাজৰ অবিৰত সংগ্ৰাম চলিয়েই আছে। এই সংগ্ৰামৰ ফলশ্ৰুতিও সদায়েই আশাব্যঞ্জক। অশুভ শক্তিৰ নিশ্চিত পৰাজয় ইতিহাসৰ শিকনি।

কোৱা হয় 'Life is but a slip.' জীৱন মানে স্খলন। এই জীৱন ক'ৰ পৰানো খহি পৰিছে। ঈশ্বৰৰ অংশ জীৱ। জীৱৰ গৰাকী অৰ্থাৎ জীৱনৰ গৰাকী। ঈশ্বৰৰ ওচৰত পৰা এই জীৱ যিহেতু খহি পৰিছে ঈশ শক্তি বহুখিনি লগত লৈ আহি পৃথিৱী পাইছে। লগে লগে বাহিৰৰ পৰা সেই জীৱৰ গৰাকীজনক বিভিন্ন অশুভ শক্তিয়ে আঘাত হানে। ধাত্ৰীৰূপী মাতৃ পৃথিৱীয়ে আলফুলীয়া আবদাৰেৰে মায়াৰ পৰশত আৱৰি ধৰে। সেইবোৰ প্ৰকৃততে বঞ্চনা, চলনা। তাৰ ফল কেতিয়াও শুভ হ'বই নোৱাৰে। অশুভ তাড়ণাৰে জীৱক মায়া প্ৰকৃতিয়ে ঈশ্বৰৰ ওচৰৰ পৰা ক্ৰমগতিত আঁতৰাই নি থাকে, শেষত তেওঁ যে মানৱীয় বহুখিনি মহাগুণেৰে বিভূষিত হৈ এই ধৰালৈ আহিছিলে তাকো পাহৰি পেলায়। পাহৰাই ৰাখে মায়াৰ মধুস্পৰ্শই।

দক্ষতাই যিকোনো মানুহকে শীৰ্ষ স্থানত আৰোহণ কৰায়। এই দক্ষতা কিন্তু জীৱনৰ সাধনাৰ ফলতহে আৰ্জন কৰিব পৰা যায়। অধ্যৱসায় হ'ল এই আৰোহণৰ সোণৰ জখলা। যতন কৰিলেহে ৰতন পায়— এই আপ্তবাক্য শাৰীৰ সাৰমৰ্ম উপলব্ধ হ'বৰ বাবে আমাক লাগিব নেৰানেপেৰা যত্ন। দক্ষতাই শীৰ্ষস্থানত আৰোহণ কৰোৱাৰ পিছতো যদি অৱস্থাপ্ৰাপ্তজনক চৰিত্ৰহীন হয় তেতিয়া হ'লে তেওঁ সেই স্থানৰ পৰা স্খলিত হ'বৰ বাবেও বেছি দেৰি নালাগিব। কাৰণ শীৰ্ষস্থানত প্ৰতিষ্ঠিত হ'বৰ বাবে আমাক প্ৰয়োজন হ'ব সৎ আৰু নিকা চৰিত্ৰৰ। চৰিত্ৰহীন জনক সৰগত নি কোনোবাই সংস্থাপিত কৰিলেও তেওঁৰ স্থিতি তাত অতি ক্ষণস্থায়ী হৈ ৰয়। চৰিত্ৰৱান লোক সমাজৰ বাবেই অতি আদৰ আৰু শ্ৰদ্ধাৰ পাত্ৰ। সেয়ে ব্যক্তিগত জীৱনতেই হওক বা সামাজিক জীৱনতেই হওক জীৱন জয়ৰ চাবি-কাঠি হ'ল নিকা ভাৱমূৰ্তি তথা সুন্দৰ আৰু মধুৰ চৰিত্ৰ।

'সংসাৰ যুঁজৰ ঠাই শুৱৰ সকাম নাই।' বুলি সংগ্ৰামী কবি কণ্ঠত ধ্বনিত হৈছে। সংসাৰখনেই হৈছে সংগ্ৰামৰ ক্ষেত্ৰ। এই সংগ্ৰাম অস্তিত্বৰ সংগ্ৰাম। মানুহৰ দৰে জীয়াই থকাৰ সংগ্ৰাম। নিজে এটি সংগ্ৰামী সত্তাৰে প্ৰকৃত মানুহৰ দৰে জীয়াই থাকি আনকো একে ৰূপতে জীয়াই থাকিবলৈ দিব লাগিব। 'Live and let live' এখন সুন্দৰ পৃথিৱীৰ আদিপাঠ। এই গণিত নুবুজিলে মানুহৰ মানৱত্বকে অস্বীকাৰ কৰা হয়। যুগৰ ইতিহাসৰ পৃষ্ঠাবোৰ বৰ্ণহীন হৈ পৰিব।

সাহসীজনৰ বাবে বোলে সৌভাগ্য আৰু দুৰ্ভাগ্য তেওঁৰ সোঁহাত আৰু বাওঁহাতৰ দৰে। তেওঁ দুয়োটাকে সমানে ব্যৱহাৰ কৰে। ছেন্ট কেথেৰিণৰ এই কথাষাৰ প্ৰকৃততে অতিকৈ গুৰুত্বপূৰ্ণ। সৌভাগ্যৰ হাঁহি মুখেৰে ছন্দময়ী জীৱনক আবাহন জনাব আৰু দুৰ্ভাগ্যত একো নাই হৈ ভাগি পৰিব— এই কথা জীৱন যুঁজত হাৰ নমনা অদম্য সাহসীজনৰ বাবে কেতিয়াও হ'ব নোৱাৰে। সেয়া স্থিতপ্ৰজ্ঞজনৰ ভাষা নহয়। স্থিতপ্ৰজ্ঞজনৰ জয়-পৰাজয়, হাৰ-জিত পোৱা-নোপোৱা, আশা-নিৰাশা বুলি কোনো কথা নাই। তেওঁৰ বাবে মান-অপমান সকলো সমান। সৌভাগ্যই তেওঁক আনন্দত আত্মহাৰা নকৰে আৰু দুৰ্ভাগ্যইও একেদৰেই ক্ৰীড়া কৰে।

"The important thing in– life is not the victory bit the contest, the essential thing is not to have won but to have fought well."

এই উদ্ধৃতিফাকিৰ মাজত প্ৰতিফলিত হোৱা পৰম সত্য বস্তুটি আমাৰ নতুন পুৰুষে উপলব্ধি কৰিব লাগিব। কাৰণ আমি জয়ৰ আনন্দত বহু সময়ত উৎফুল্লিত হৈ পৰো আৰু পৰাজয়ৰ গ্লানিৰে হতাশাত ভুগি ভাগি পৰো। এয়া হ'ব নালাগে, এনে হোৱাটো অনুচিত। আৰু প্ৰকৃত পক্ষে এনে দৃষ্টিভঙ্গী কোনো কাৰণতে শ্ৰেষ্ঠ জীৱ মানুহৰ বাবে কল্যাণকৰো নহয়। কাৰণ, জীৱনৰ প্ৰমূল্য দৰাচলতে বিজয়ৰ মাজেৰি নিৰ্ণয় কৰা নাযায়। সঁচা জীৱনৰ সঁচাৰ কাঠি তেওঁলোকৰ হাততহে আছে যিসকলে সংগ্ৰামী সত্তাৰে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিছে। ভাল ধৰণে সংগ্ৰামত প্ৰবৃত্ত হোৱাৰ যি আনন্দ সেই আনন্দ হয়তো বিজয় ডঙ্কাৰ ধ্বনিৰে কিনি আনিব নোৱাৰে। গৈ থকাৰ গৈ আনন্দ তাক গৈ পোৱাৰ প্ৰীতিৰে পৰিপূৰ্ণ কৰি তুলিব নোৱাৰি। গৈ থকাতহে লক্ষ্য অভিমুখী পৰমানন্দ আছে— এই সুখ, এই শান্তি, এই আনন্দ গৈ পোৱাত পোৱা নাযায়। আমাৰ নতুন প্ৰজন্মই তাৰ বাবেহে নিজকে প্ৰস্তুত কৰি তুলিব লাগিব। এনে অনাবিল আনন্দৰ

# পৰিৱৰ্তনৰ পথেৰে বাৰ্ষিক অধিৱেশন

**আনন্দ কুমাৰ বৰা**

জীৱন জিনিবলৈ হ'লে মাজে মাজে জীৱনত পোৱা নোপোৱাৰ সফলতা বিফলতাৰ হিচাপ-নিকাচ কৰিব লাগে। সেইদৰে এটি অনুষ্ঠান জীয়াই থাকিবলৈ হ'লে মাজে সময়ে অনুষ্ঠানৰ কৰ্ম-অকৰ্মৰ লাভ-লোকচানৰ খতিয়ান ল'ব লাগে। এটি অনুষ্ঠানে এটি বছৰৰ মুৰত কৰা অংকৰ নামেই হ'ল বাৰ্ষিক অধিৱেশন। অধিৱেশনে অনুষ্ঠানৰ গতি প্ৰগতি নিৰ্ণয় কৰে, সাংগঠনিক ভেটি সুদৃঢ় কৰে, শান্তি সামৰ্থ বৃদ্ধি কৰে, অনুষ্ঠানৰ শৃঙ্খলাবদ্ধতা, অৰ্থনৈতিক পৰিশুদ্ধতা নিৰ্ণয় কৰে। এনেবোৰ অলেখ কাৰণতে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই জন্ম লগ্নৰে পৰা প্ৰতি বছৰে বছৰে অধিৱেশন উদ্‌যাপন কৰি আহিছে।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, বৰ্তমান অসমৰ জাতীয় জীৱনত এক অন্যতম মহত্বপূৰ্ণ জাতীয় অনুষ্ঠান হিচাপে পৰিচিত হৈছে। ১৯৩০ চনত নগাঁৱৰ পলাশনিত 'শঙ্কৰ সঙ্ঘ' নামেৰে ভূমিষ্ঠ হোৱা এই অনুষ্ঠানটিয়ে বহু ঘাত-প্ৰতিঘাত, বহু হৰ্ষ-বিষাদৰ মেটমৰা বোজালৈ এক দীঘল পৰিক্ৰমা পাৰ কৰিছে। সময়ৰ লগত খোজ মিলাই অনুষ্ঠানটিয়ে বহুবাৰ বৰণ সলাইছে। নীতি-নিয়মৰ, সংবিধানৰ ভাষা সলাইছে। 'শঙ্কৰ সঙ্ঘ'ৰ পৰা এদিন 'শ্ৰীশ্ৰীশঙ্কৰদেৱ সঙ্ঘ' (১৯৩৫) তাৰ পিছত সময়ৰ গতিত আগবাঢ়ি 'শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ' (১৯৭০) নামেৰে আজি সকলোৰে জনপ্ৰিয়তা লাভ কৰিছে। পলাশনিত জন্মলাভ কৰা এই বটবৃক্ষৰ পুলিটি আজি মহামহীৰূঢ়লৈ ৰূপান্তৰিত হৈছে। ডালে, পাতে, ফলে-ফুলে জাতিষ্কাৰ হৈ পৰিছে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ আকাশত এতিয়া পূৰ্ণিমাৰ জ্যোতি। চাৰিওফালে কেৱল জোনাকৰ ঢল। জোনাকৰ বতৰতে আকাশৰ দুই এটি তৰা গণি চাবলৈ প্ৰয়াস কৰা হৈছে। এৰি অহা অন্ধকাৰ ৰাতিৰ আকাশখন জুমি চাব বিচৰা হৈছে।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ বাৰ্ষিক অধিৱেশন এতিয়া কেৱল অধিৱেশন হৈ থকা নাই। এটি বাৰ্ষিক উৎসৱলৈ ৰূপান্তৰিত হৈছে। আজি একোখন অধিৱেশনত ২০-৩০ লক্ষ ভকত-বৈষ্ণৱৰ সমাৱেশ ঘটিছে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ আজি জয় জয় ময়ময় অৱস্থা। ধুবুৰী, পশ্চিম বংগৰ পৰা শদিয়া, অৰুণাচললৈকে ব্ৰহ্মপুত্ৰ আৰু বৰাকৰ দুয়োটা পাৰে পাৰে আজি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ বিজয়ধ্বজা উৰিছে। ৪৭খন জিলা শাখাৰে, ছয় হাজাৰৰো অধিক প্ৰাথমিকৰ লক্ষ লক্ষ ভকত-বৈষ্ণৱে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ দুহাত শক্তিশালী কৰি তুলিছে। চাৰিকুৰি দুবছৰ গৰকিবলৈ সক্ষম হোৱা এই সুবিশাল অনুষ্ঠানটিয়ে আজিৰ এনে পৰিপূৰ্ণ অৱস্থাপ্ৰাপ্তিৰ অন্তৰালত লুকাই আছে এক সোণসেৰীয়া অতীত।

অসমৰ সমাজ জীৱনত ত্ৰিশৰ দশকত এটি ধৰ্মীয় বিপ্লৱ সূচনা কৰিবলৈ 'শঙ্কৰ সঙ্ঘ' নামেৰে এটি অনুষ্ঠানৰ জন্ম দিছিল কেইজনমান মহান ব্যক্তিয়ে। তাৰ ভিতৰত হলধৰ ভূঞা, ৰমাকান্ত মুক্তিয়াৰ আতা, শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামী, লক্ষ্মীনাথ বেজবৰুৱা, গোপিকাবল্লভ গোস্বামী, ভুৱন চন্দ্ৰ ভূঞা, নীলমণি ফুকন আদিৰ নাম চিৰস্মৰণীয়। আনুষ্ঠানিকভাৱে ১৯৩২ চনত নগাঁৱৰ পলাশনিত, হলধৰ ভূঞাৰ সভাপতিত্বত অনুষ্ঠানৰ প্ৰথমখন অধিৱেশন অনুষ্ঠিন হৈছিল। কেইজনমান বাপ-বান্ধৱে লগলাগি কৰা অনুষ্টুপীয়া কাৰ্যসূচীৰে অধিৱেশনৰ জয়যাত্ৰা আৰম্ভ হৈছিল। অৱশ্যে ১৯৩৮ চনৰ পৰা ১৯৫০ চনলৈ দেশৰ স্বাধীনতা পৰিপ্ৰেক্ষিত অনুষ্ঠানৰ অধিৱেশন একেবাৰে সীমিত হৈ পৰিছিল। সঙ্ঘৰ পৰিসৰ একেবাৰে সীমিত আছিল। সঙ্ঘৰ শাখা, সঙ্গী কম আছিল। কলঙৰ দুয়োপাৰতে সকলো সীমাবদ্ধ আছিল। ১৯৫১ চনত সঙ্ঘৰ শাখা আছিল মাত্ৰ ৫৯খন। শাখা তথা প্ৰাথমিক বিলাকৰ নাম আছিল এনে ধৰণৰ— শেনচোৱা পুখুৰী চৰগফলা, সোণাপুৰ গাঁও, পাটসাকো, ৰাজ্য কদমতল, কামৰূপ, যোগীজান, শুৱালকুছি ধৰ্মালোচনী সভা, নামতি শাখা ইত্যাদি।

বাৰ্ষিক অধিৱেশনৰ ইতিহাসত ১৯৫২ চন তথা একবিংশতিতম অধিৱেশনখন আছিল মাইলৰ খুটি। কাৰণ কলঙৰ পাৰৰ পৰা দিখৌৰ পাৰলৈ প্ৰথম অধিৱেশন ওলাই আহিছিল। শিৱসাগৰ চাৰিঙত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই অধিৱেশনতে প্ৰথম বাৰৰ বাবে জিলা ভিত্তিত তদৰ্থ সমিতি আৰু জিলাৰ পৰা নিৰ্বাচিত সদস্যৰে প্ৰথম ৰাজ্যিক কাৰ্যনিৰ্বাহক সভা গঠন হৈছিল। তেতিয়াৰে পৰা অনুষ্ঠানটিয়ে পিছলৈ ওভতি চাবলগা হোৱা নাই। লাহে লাহে সমগ্ৰ অসমতে প্ৰাথমিক শাখাৰ সংখ্যা, জিলা শাখা সংখ্যা বাঢ়িবলৈ ধৰিলে। অধিৱেশনৰ আকাৰ-প্ৰকাৰ বৃদ্ধি পাবলৈ ধৰিলে। অধিৱেশনত যোগদান কৰা প্ৰতিনিধিৰ সংখ্যা বাঢ়িল। ১৯৫৫ চনৰ চতুৰ্বিংশতিতম দৰং জিলাৰ অধিৱেশনতে সাহিত্য আৰু সংস্কৃতি শাখা নামেৰে দুটি শাখাও জন্ম হ'ল। প্ৰাথমিকৰ সংখ্যা ৭০খনলৈ বাঢ়িল। সঙ্গীৰ সংখ্যা ২৫০০ জন হৈছিল। জিলা শাখা হিচাপে শিৱসাগৰ, তেজপুৰ, উত্তৰ লখিমপুৰ, গোলাঘাট, নগাঁও গঠন হৈছিল। কাৰ্যসূচীৰ দিন তিনিদিনলৈ বৃদ্ধি পাইছিল। সেই খন অধিৱেশনত মাত্ৰ ৬৫০জন প্ৰতিনিধিয়ে যোগদান কৰিছিল। তেতিয়া সঙ্ঘৰ আয় ৪২১.০০ টকা আৰু ব্যয় ৪২০.০০ আছিল। পুঁজিত ১টকা জমা ৰৈছিল।

সঙ্ঘৰ জন্মৰ ২৫ বছৰৰ পিছত থকা ১৯৫৬ চনত কুঁৱৰীটোলত অনুষ্ঠিত পঞ্চবিংশতিতম বাৰ্ষিক অধিৱেশনখনিয়ে সঙ্ঘৰ গতিত আন এক মাত্ৰা প্ৰদান কৰিছিল। এইখন অধিৱেশনতেই পোনপ্ৰথম বাৰৰ বাবে অধিৱেশনৰ কাৰ্যসূচী চাৰিদিনীয়াকৈ উদ্‌যাপন কৰা হৈছিল। গোটেই অসমতে প্ৰাথমিকৰ সংখ্যা ৭৮ খনলৈ বাঢ়িছিল। তেজপুৰত ২৪খন, মঙ্গলদৈত ৩খন, উত্তৰ লখিমপুৰত ১০খন আৰু নগাঁৱত ২৫খন প্ৰাথমিক গঠন হৈছিল। সমগ্ৰ অসমতে সঙ্গীৰ সংখ্যা ৭৬০০ জন হৈছিল। তাৰপিছৰ পৰাই অসমৰ সমাজ জীৱনত সঙ্ঘৰ গতি প্ৰসাৰিত হৈছিল। অসমৰ গাঁৱে-ভূঞে, নগৰে-চহৰে প্ৰাথমিক শাখা গঠন হৈছিল। সঙ্ঘৰ সঙ্গী বাঢ়িছিল। লগে লগে সঙ্ঘৰ পুঁজি টনকীয়াল হৈছিল। বাৰ্ষিক

*(১৮ পৃষ্ঠাত চাওক)*

# শঙ্কৰদেৱ বিদ্বেষৰ বিৰুদ্ধে লক্ষ্মীনাথ বেজবৰুৱাৰ বিষোদ্‌গাৰ

**ড° ৰাতুল চন্দ্ৰ বৰা**

"নিষ্কাম মহাপুৰুষীয়া ধৰ্মৰ ওপৰত কৰ্মী ব্ৰাহ্মণৰ বিদ্বেষ সদায়, শঙ্কৰদেৱৰ গোটেইটো সুদীৰ্ঘ জীৱন তেওঁলোকৰ বিদ্বেষ বাণত জৰ্জৰিত হৈছিল, মাধৱদেৱৰো দীৰ্ঘ জীৱন সেইদৰে জ্বলা-কলা। আশ্চৰ্যৰ বিষয় এইহে যে এতিয়াও এই কুৰি শতিকাৰ উদাৰ প্ৰাশ্চাত্য সভ্যতা আৰু বিজ্ঞানৰ দিনতো মহাপুৰুষীয়া ধৰ্মৰ প্ৰতি উদ্গাৰিত সেই বিদ্বেষ বিষৰ জইন মৰা নাই।" (মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ ঃ লক্ষ্মীনাথ বেজবৰুৱা, সাহিত প্ৰকাশ, ১৯৮৮ খ্ৰীষ্টাব্দ, পৃ. ২২৬)। বেজবৰুৱাৰ এই উক্তিৰ পৰা বুজ যায় যে একাংশ কৰ্মী ব্ৰাহ্মণে শঙ্কৰদেৱ-মাধৱদেৱৰ প্ৰতি বিদ্বেষভাব পোষণ কৰিছিল। এই বিদ্বেষৰ কাৰণ দৰ্শাই বেজবৰুৱাই লিখি থৈ গৈছে যে— "বাস্তৱিকতে শঙ্কৰে শাস্ত্ৰৰ মৰ্ম আৰু মুক্তিৰ পন্থা সৰ্বসাধাৰণৰ মাজত ইমান সস্তা কৰি দি ব্ৰাহ্মণসকলৰ জীৱিকা আৰু প্ৰতিপত্তিৰ হানি কৰিছিল দেখিহে শঙ্কৰৰ প্ৰতি তেওঁলোকৰ ইমান জাতক্ৰোধ হৈছিল আৰু সেই দেখিহে তেওঁলোকে শঙ্কৰৰ আৰু তেওঁৰ ভকত-বৈষ্ণৱসকলৰ অনিষ্ট কৰিবলৈ প্ৰাণপণে লাগিছিল।" (বেজবৰুৱা গ্ৰন্থাৱলী, প্ৰথম খণ্ড, সাহিত্য প্ৰকাশ, ১৯৮৮ চন, পৃ. ২০১)। তেখেতে আৰু লিখিছে যে— "ধৰ্মৰ দোকানী বামুণৰ স্বাৰ্থত যেতিয়াই দোষ পৰে তেতিয়াই বামুণে ব্ৰাহ্মণত্ব পাহৰি পাষণ্ডত্ব হাতত লোৱা পুৰণি কালৰে পৰা দেখা যায়, অৱশ্যে যি প্ৰকৃত ব্ৰাহ্মণ তেওঁ তেনে নকৰে, কৰিব নোৱাৰেও। ..... বুদ্ধদেৱৰ পৰা আৰম্ভ কৰি আমাৰ শঙ্কৰদেৱ মাধৱদেৱলৈকে ধৰ্ম প্ৰচাৰক মহাপুৰুষসকলে এনে ব্ৰাহ্মণৰ দৌৰাত্ম্যৰ হাত সাৰিব পৰা নাছিল।" (বেজবৰুৱা গ্ৰন্থাৱলী, তৃতীয় খণ্ড, সাহিত্য প্ৰকাশ, ২০০৫ চন, পৃ.-২৫৩১)। বেজবৰুৱাদেৱে এই উক্তিৰ দ্বাৰা কেৱল অসমতে নহয় বৰং সমগ্ৰ ভাৰতবৰ্ষত ব্ৰাহ্মণ্যবাদীৰ জাতিদম্ভ আৰু বৰ্ণ বিদ্বেষ কথা স্পষ্টৰূপত প্ৰকাশ পাইছে। ভাৰতৰ সনাতন হিন্দুধৰ্মত বৰ্ণ বিভাজনৰ যি গুণভিত্তিক বিভাজন, পিছলৈ এই বিভাজন জন্মভিত্তিক হ'বলৈ ধৰে। উল্লেখযোগ্য যে এই বিভাজনবিলাক তথাকথিত উচ্চ বৰ্ণৰ ব্ৰাহ্মণসকলেই কৰিছিল। বেদৰ পৰৱৰ্তী যুগত স্মৃতিশাস্ত্ৰত বৰ্ণবিভাজনৰ নীতি প্ৰৱৰ্তন কৰি হিন্দু সমাজখনক ভাগ ভাগ কৰি বৰ্ণবিদ্বেষ কটকটীয়া কৰিলে। তথাকথিত শূদ্ৰসকলক বেদ অধ্যয়ন, শ্ৰৱণ আদিকে ধৰি কোনো ধৰ্মীয় কৰ্মৰ অধিকাৰৰ পৰা বিৰত ৰাখিলে। চাৰি বৰ্ণৰ ভিতৰৰত নপৰা লোকক পাপী, অন্ত্যজ আদি ভাগত ভাগ কৰি ৫ম বৰ্গ বা এক জাতি হিচাপে হিন্দু সমাজখনত কোনো ঠাই নিদি সমাজচ্যুত কৰিলে। ধৰ্মৰ প্ৰধান হোতা কেৱল ব্ৰাহ্মণৰ বাবে সংৰক্ষিত কৰিলে। অন্য বৰ্ণৰ লোকে বেদ অধ্যয়ন বা ধৰ্মৰ অধিকাৰী হোৱাৰ অধিকাৰ খৰ্ব কৰিলে। ব্ৰাহ্মণ্যবাদৰ এনে কঠোৰ নীতিৰ ফলত ভাৰতবৰ্ষত যদিও অব্ৰাহ্মণ কোনো চিন্তাশীল যুগনায়ক বা মহাপুৰুষৰ জন্ম হৈছিল তেনে লোকক যেনে-তেনে প্ৰকাৰে সমাজত হেয় কৰিবলৈ নানা কৌশল ৰচনা কৰিলে। অসমত শঙ্কৰদেৱ-মাধৱদেৱ জাতত কায়স্থ অৰ্থাৎ শূদ্ৰ হোৱাৰ বাবে সেই সময়ৰ একাংশ কৰ্মকাণ্ডীয় ব্ৰাহ্মণে দুয়োজন মহাপুৰুষৰ প্ৰতি বিদ্বেষভাব পোষণ কৰিবলৈ ধৰিলে। ইয়াৰ মূল কাৰণ হিচাপে ৰাম সৰস্বতী (ব্ৰহ্মাণ পণ্ডিত)য়ে লিখি গৈছে যে—

"শ্ৰীমন্ত শঙ্কৰ আপুনি ঈশ্বৰ
নৰৰূপে জাত ভৈলা।
তাহাঙ্ক নসহি ব্ৰাহ্মণ সকলে
ৰাজা আগে খল দিলা।।
যদুকুলে হৰি জন্মিয়া আসিয়া
ক্ষিতি ভাৰ দূৰ কৈলা।
এহি মনে গুণী ব্ৰাহ্মণ সবৰ
কিছু মনে কোপ ভৈলা।।
আমাৰ জীৱিকা মান্য ভঙ্গ হৱে
এহিমনে বৰ ভয়।
এহিসে কাৰণে ইটো বিপ্ৰসৱে
শঙ্কৰক নসহয়।।"

*(কুলচল বধ, সম্পূৰ্ণ অসমীয়া মহাভাৰত, ৰাম সৰস্বতী)*

ৰাম সৰস্বতীয়ে কোৱাৰ দৰে জীৱিকা আৰু মান্য ভঙ্গ হোৱাৰ ভয়ত ব্ৰাহ্মণসকলে শঙ্কৰদেৱ মাধৱদেৱৰ প্ৰতি বিদ্বেষ কৰিবলৈ ধৰিলে। একে কাৰণতে একাংশ ব্ৰাহ্মণে শঙ্কৰদেৱ-মাধৱদেৱক সমাজত স্থানচ্যুত কৰিবলৈ নানা কূট-কৌশল ৰচনা কৰিছিল বুলি বেজবৰুৱাই এনেদৰে লিখি গৈছে— "ব্ৰাহ্মণৰ প্ৰাধান্যতা লৈ ভাৰতত চিৰকাল ৰণ চলি আহিছে, ফল স্বৰূপে নানা বৰ্ণ, নানা সম্প্ৰদায়, লাখে লাখে পুৰাণ; তন্ত্ৰ-মন্ত্ৰ আদিৰ সৃষ্টি হ'ল।" (বেজবৰুৱা গ্ৰন্থাৱলী, তৃতীয় খণ্ড, সাহিত্য প্ৰকাশ, ২০০৫ চন, পৃ.-২৪০৪)। তেখেতে আৰু লিখিছে যে— "শাস্ত্ৰ আৰু ধৰ্মৰ monopolist অকল অধিকাৰী ব্ৰাহ্মণসকলৰ মনত তেওঁলোকৰ সাধনাত উপস্থিত হোৱা যেন দেখি শঙ্কৰদেৱৰ বিপক্ষে তেওঁলোক থিয় হ'ল। স্বাৰ্থত আঘাত লগা ব্ৰাহ্মণ গৰাকীসকলে শঙ্কৰ প্ৰবাহৰ প্ৰতাপ দেখি ৰাজঘৰত গোচৰ দিয়া আৰু শঙ্কৰক আৰু শঙ্কৰৰ বৈষ্ণৱ-ভকতক নিৰ্যাতন কৰা আদি যত বিলাক উপায় আছিল, সোপাকে অৱলম্বন কৰিলে। ব্ৰাহ্মণৰ অকলশৰীয়া অধিকাৰৰ বস্তু গীতা-ভাগৱত আদি শাস্ত্ৰ শঙ্কৰ শূদিৰে চোৱা বাবে শঙ্কৰৰ শিৰচ্ছেদৰ ব্যৱস্থাৰে পৰা আৰম্ভ কৰি যত ব্যৱস্থা আছিল তেওঁলোকে সোপাকে বিহিলে। অব্যৱস্থিতচিত্ত অলপ জ্ঞানী ৰজাৰ মূৰত তেওঁলোকে নানা লগনীয়া কথাৰে যে শঙ্কৰৰ বিপক্ষে নুঘূৰাইছিল এনে নহয়; কিন্তু সত্য স্বৰূপ মঙ্গল স্বৰূপ ঈশ্বৰৰ বিশ্বাসেৰে, ঈশ্বৰৰ আদৰ্শেৰে বলী শঙ্কৰক সেইবোৰে একো কৰিব নোৱাৰিলে। শঙ্কৰে সত্য ন্যায়, সাম্য ভক্তিৰ গোবৰ্দ্ধন পৰ্বত এহাতেৰে তুলি ধৰি, আনহাতেৰে তেওঁৰ শিষ্য ব্ৰজবাসীসকলক মাতি তাৰ তলত সুমাই অহঙ্কাৰ-অন্যায় আৰু

*(২০ পৃষ্ঠাত চাওক)*

## এটি অনুভৱ

(১ পৃষ্ঠাৰ পৰা)

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ তৰফৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

যোৱা ২০১২ বৰ্ষৰ দক্ষিণ-পশ্চিম কামৰূপ জিলা শাখাৰ আতিথ্যত ছয়গাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত বামুণীগাঁও 'গাৰোৰ গোবিন্দ আতা ক্ষেত্ৰ'ত অনুষ্ঠিত সঙঘৰ ৮২ সংখ্যক বাৰ্ষিক অধিৱেশনৰ স্মৃতি মাৰ নৌযাওঁতেই ৮৩ সংখ্যক বাৰ্ষিক অধিৱেশন আহি পালে। চকুৰ পচাৰতে বছৰটোৱে গতি সলালে। সময়ৰ দূৰন্ত গতিত বহু দিন-ৰাতি কেইবাটাও মাহ অনায়াসে পাৰ হৈ গ'ল। সময়ৰ জোখাৰে কামবোৰ আগবঢ়াই নিয়াৰ দুৰ্বাৰ প্ৰচেষ্টা অব্যাহত ৰখা হ'ল। পৰিকল্পনা মতে, আঁচনি আৰু কেইবাটাও কাম সম্পন্ন কৰা হ'ল। কেইবাটাও আৰম্ভ হ'ল। কিছুমান কাম আৰম্ভ হয়, শেষ নহয়। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কামৰ পৰিসীমা বৰ্তমান বহু বেছি। এই অনুষ্ঠান বৰ্তমান জাতীয় জীৱনৰ পৰিসীমা পাৰ হৈ সৰ্বভাৰতীয় কিম্বা বিশ্ব পৰিমণ্ডল চুইছেগৈ। জাতীয় চৰিত্ৰ অক্ষুণ্ণ ৰাখি জাতি গঠনৰ মহামন্ত্ৰেৰে জাতিৰ সাহিত্য-সংস্কৃতি, আৰ্থ-সামাজিক দিশৰ লগতে মানৱতাবাদী এখন বৃহৎ সমাজৰ সপোন দেখিছে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই। শিক্ষাৰ ক্ষেত্ৰত, আধ্যাত্মিক আৰু নৈতিক বিকাশৰ লগতে মানসিক উৎকৰ্ষ সাধন, বৌদ্ধিক বিকাশ আৰু নিজৰ ভৰিৰ ওপৰত থিয় হ'ব পৰাকৈ চৰিত্ৰ গঠনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। ইতিমধ্যে জিলাই জিলাই শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়, শঙ্কৰী সঙ্গীত বিদ্যালয় আৰু মহাবিদ্যালয় আৰম্ভ হৈছে। এইবছৰ উক্ত বিদ্যালয়সমূহৰ নিজাববীয়া পৰিষদখনি চৰকাৰী পঞ্জীয়নভুক্ত কৰা হৈছে। সৰ্বশেষত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ে চৰকাৰী অনুমোদন লাভ কৰিবলৈ সক্ষম হৈছে— এই বছৰটিতে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ সংবিধানৰ ২২ (ঘ) দফাৰ ৩ উপদফা মতে শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ পদাধিকাৰগৰাকী বিশ্ববিদ্যালয়খনিৰ আচাৰ্য হ'ব। ইতিমধ্যে যোৱা ইং ৩০-১১-২০১৩ তাৰিখৰ মূল-কাৰ্যনিৰ্বাহক সভাই পদাধিকাৰগৰাকীক আচাৰ্যৰূপে নিযুক্ত কৰিছে। ৰাজ্যপাল গৰাকী Visitor হিচাপে থকাৰ অনুমতি প্ৰদান কৰিছে (আইন মতে)। আনুষ্ঠানিকভাৱে বিশ্ববিদ্যালয়ৰ কাম-কাজসমূহ ইতিমধ্যেই আৰম্ভ কৰা হৈছে। নগাঁৱৰ মূল-কাৰ্যালয়ৰ সংলগ্ন তিনিমহলীয়া এটি গৃহত এই বৰ্ষৰ পৰাই শ্ৰেণীসমূহ আৰম্ভ কৰাৰ পূৰ্ণ প্ৰস্তুতি চলিছে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ গুৰুত্বপূৰ্ণ শাখা কাৰ্যালয় তথা শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, ৰূপনগৰ শাখা কাৰ্যালয় চৌহদটি সজাই পৰাই তোলাৰ লগতে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ ভৱন আৰু গৱেষণা কেন্দ্ৰ নিৰ্মাণৰ বাবে কেন্দ্ৰীয় ড'নাৰ মন্ত্ৰালয়ৰ পৰা ৯ কোটি ৫০ লাখ টকা ব্যয়ৰে নিৰ্মাণ হ'ব লগা ভৱনৰ চৰকাৰী কামকাজ ইতিমধ্যে সম্পন্ন হৈছে। প্ৰায় ৪ লাখ ৫০ হাজাৰ ব্যয় সাপেক্ষে গৌৰীপুৰ দুমৰদহৰ সাংস্কৃতিক প্ৰকল্পৰ চৌহদ নিৰ্মাণ, প্ৰায় ৫ লাখ ৫০ হাজাৰ টকাৰ ব্যয় সাপেক্ষে ডিব্ৰুগড় শাখা কাৰ্যালয়ৰ নামঘৰ নিৰ্মাণৰ কাম পৰিচালনা সমিতিৰ সহযোগিতাৰে আগবঢ়োৱা হৈছে। শ্ৰীশ্ৰীমাধৱদেৱৰ জন্মস্থান, ৰঙাজানক পৰ্যটক থলী হিচাপে নিৰ্মাণ কৰা আৰু অতিথিশালা নিৰ্মাণ আদিৰ বাবে প্ৰায় ৫ কোটি ৩০ লাখ টকাৰ প্ৰাক্কলন প্ৰস্তুত কৰি পৰিচালনা সমিতিৰ তৎপৰতাত চৰকাৰৰ লগত সহযোগিতাৰে আগবঢ়া হৈছে।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই প্ৰতি বছৰে দি অহা বঁটাসমূহৰ ক্ষেত্ৰত নীতি-নিৰ্দ্ধাৰণ কৰাৰ মানসেৰে এখনি 'বঁটা ন্যাস পৰিচালনা সমিতি' আৰু 'উপবিধি' প্ৰস্তুত কৰিছে। বিবাহ প্ৰাৰ্থীসকলক বিবাহৰ প্ৰমাণপত্ৰ দিব পৰাকৈ বিবাহৰ প্ৰমাণপত্ৰ প্ৰস্তুত কৰা হৈছে, কৰ্মচাৰীৰ আচৰণ আৰু অন্যান্য সুবিধা আৰু কল্যাণৰ উদ্দেশ্যে 'কৰ্মচাৰী সেৱাবিধি' (Service Rules of Employees) প্ৰস্তুত কৰা হৈছে, সংবিধান সমন্বিতে তিনিপুথিৰ সংশোধন কৰি ইতিমধ্যে প্ৰকাশ কৰা হৈছে। ২৫ খন জিলা শাখাত বিশ্ববিদ্যালয়ৰ পুঁজি টনকিয়াল কৰাৰ উদ্দেশ্যে জাগৰণ সভা অনুষ্ঠিত কৰা হৈছে। ২০ লাখ অৰ্থ সংগ্ৰহৰ লক্ষ্যৰে প্ৰয়াত সোণাৰাম চুতীয়া বঁটা ন্যাস গঠন কৰি জিলাসমূহত অৰ্থ সংগ্ৰহৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মূল-কাৰ্যনিৰ্বাহকৰ সমূহ বিষয়ববীয়া আৰু সদস্য-সদস্যা, শাখা সমিতি, পৰিচালনা সমিতিৰ বিষয়ববীয়া, সদস্য-সদস্যা আৰু জিলাসমূহৰ আন্তৰিক সহযোগিতাৰ অবিহনে এই কামত অগ্ৰসৰ হোৱা সম্ভৱ নহয়। শাখা কাৰ্যালয়কেইটাৰ বিষয়ববীয়া, কৰ্মচাৰী আৰু মূল-কাৰ্যালয় পৰিচালনা সমিতিৰ বিষয়ববীয়া, কৰ্মচাৰীবৃন্দৰ আন্তৰিক সহযোগিতাতে সকলোবোৰ কামকাজ আগবঢ়াই নিব পৰা হৈছে।

ইতিমধ্যে সংবিধান সংশোধন কৰি নবীকৰণ আৰু অন্যান্য বৰঙণিসমূহ বৃদ্ধি কৰা হৈছে। বিশ্ববিদ্যালয়, প্ৰচাৰ আদি শিতান নতুনকৈ নবীকৰণৰ প্ৰ-পত্ৰৰ লগত সংলগ্ন কৰি বৰ্দ্ধিত হাৰত বৰঙণি সংগ্ৰহ কৰা কাৰ্যত সমূহ প্ৰাথমিক শাখাৰ সভাপতি-সম্পাদকসকলৰ যথেষ্ট কষ্ট স্বীকাৰ কৰি মূলসঙ্ঘক আগুৱাই নিয়াত যি সঁহাৰি আগবঢ়াইছে তাক কৃতজ্ঞতাৰে স্মৰণ কৰিছোঁ। জিলাই জিলাই পৰি ৰোৱা গ্ৰন্থৰ বকেয়া, মণিকাঞ্চনৰ বকেয়া সংগ্ৰহৰ ক্ষেত্ৰত পটুৱৈ আৰু এজেণ্টসকলে যথেষ্ট পৰিমাণে সঁহাৰি জনোৱা নাই যদিও জিলাৰ সভাপতি-সম্পাদকসকলে বিষয়টি গুৰুত্বসহকাৰে গ্ৰহণ কৰি সংশ্লিষ্ট শাখাক সকাহ দিয়া পৰিলক্ষিত হৈছে। ভাওনা সমাৰোহ, কেন্দ্ৰীয় সমাৰোহ আৰু আন কাৰ্যসূচীসমূহ মূলৰ নিৰ্দেশমৰ্মে সফলতাৰে সমাপন কৰি মূল কাৰ্যনিৰ্বাহকক কামকাজসমূহ পৰিচালনাত সহায় কৰা জিলা আৰু আদৰণী সমিতিসমূহৰ শলাগ লৈছোঁ। হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদীৰ সৰু-বৰ বহু আঁচনিৰ কাম বৰ্তমানেও আমাৰ সন্মুখত পৰি আছে। এৰি অহা বছৰবোৰৰ লগত আগন্তুক দিনবোৰৰ বহু পৰিকল্পনা, বহু আঁচনি, বহু পৰিক্ৰমা এতিয়াও অতিক্ৰম কৰিবলৈ বাকী। সবলৰূপত পৰিগ্ৰহণ কৰা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ এতিয়া এটি অনুষ্ঠান হৈ নাথাকি এটি বিশাল জাতীয় সত্ত্বালৈ ৰূপান্তৰিত হৈছে। চৰকাৰী বিভাগৰ দৰেই নিতৌ নিয়মিতভাৱে কামত আগ নাবাঢ়িলে বহু আঁচনি আধৰুৱা হৈ পৰি ৰ'ব। সময়ৰ আহ্বান মানি কামত অগ্ৰসৰ হ'বলৈ নিশ্চয়কৈ লাগিব সু-পৰিকল্পিত বহু এনে আঁচনি যাৰ ফল ভোগ কৰিব ভৱিষ্যত প্ৰজন্মই। প্ৰজন্মৰ পৰা প্ৰজন্মলৈ, যুগৰ পৰা যুগান্তৰলৈ আগবাঢ়ি যাবলৈ সবাৰো বল বিক্ৰম, শৌৰ্য-বীৰ্য দিহা-পৰামৰ্শ আৰু আন্তৰিক সহযোগিতা নহ'লে বিশাল অনুষ্ঠানটি আগবঢ়াই নিয়া ইমান সহজ নহয়।

ইতিমধ্যে ৮৩ সংখ্যক বাৰ্ষিক অধিৱেশনথলীত সমবেত হোৱা, উত্তৰ-পূব ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা আগমন ঘটা সমূহ প্ৰতিনিধি, শ্ৰোতা-দৰ্শক, অতিথিৰ লগতে ভক্তপ্ৰাণ ভকত-বৈষ্ণৱ, বাপ-বান্ধৱ, আইমাতৃ, যুৱক-যুৱতী, শিল্পী-সাহিত্যিক, সাংবাদিক সবাৰো চৰণত সেৱা জনাই অধিৱেশনথলীত পাব পৰা অসুবিধাৰ অনেক ভুলত্ৰুটিৰ মাৰ্জনা বিচাৰিলো।❑

## সঙ্ঘৰ অব্যাহত জয়যাত্ৰা

*(১ পৃষ্ঠাৰ পৰা)*

ভোজন বেহাৰ, স্যামন্ত হৰণ, অৰ্জ্জুন ভঞ্জন; নাজিৰা জিলাই কংস বধ; যোৰহাট জিলাই ৰাম বিজয়, গোলাঘাট জিলাই ৰাম বিজয়, পাৰিজাত হৰণ; কলিয়াবৰ জিলাই ৰুক্মিণী হৰণ; নগাঁও জিলাই চোৰধৰা; মৰিগাঁও জিলাই স্যামন্ত হৰণ; গুৱাহাটী মহানগৰী জিলাই ৰাম বিজয়; দক্ষিম-পশ্চিম কামৰূপ জিলাই কেলিগোপাল; নলবাৰী জিলাই ৰাম বিজয়; দৰং জিলাই নৃ-সিংহ যাত্ৰা, চোৰধৰা, পিম্পৰা গুচোৱা, পত্নীপ্ৰসাদ, ৰাম বিজয়; তেজপুৰ জিলাই ৰাম বিজয়; বিশ্বনাথ জিলাই জন্মযাত্ৰা, অজামিল উপাখ্যান; গহপুৰ জিলাই পত্নীপ্ৰসাদ; লখিমপুৰ জিলাই কেলিগোপাল; ঢকুৱাখানা জিলাই ৰাম বিজয়; ধেমাজি জিলাই নৃ-সিংহ যাত্ৰা, চোৰধৰা, পাৰিজাত হৰণ, ব্ৰহ্মা মোহন আৰু জোনাই জিলাই স্যামন্ত হৰণ নাট পৰিৱেশন কৰি উপস্থিত থকা বিশ সহস্ৰাধিক ভকত বৈষ্ণৱক আপ্লুত কৰি তোলে। শিল্পীসকলৰ অভিনয়েও সকলোকে মুগ্ধ কৰে। অঙ্কীয়া ভাওনাৰ অভিলেখৰ পাছতেই ১১০০ গৰাকী শিল্পীয়ে একেলগে ১০ মিনিট ১০ ছেকেণ্ড বৰতাল (Cambol) বজাই অন্য এক ৰাষ্ট্ৰীয় অভিলেখ গঢ়ি বলৈ সক্ষম হয়। উক্ত অভিলেখৰ পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে এছিয়া বুক অব ৰেকৰ্ডৰ বিশ্বদ্বীপ ৰায় চৌধুৰী আৰু ইণ্ডিয়া বুক অৱ ৰেকৰ্ডৰ অভিজিৎ বৰুৱা। অঙ্কীয়া ভাওনাৰ অভিলেখৰ পাছত পৰ্যবেক্ষক বিশ্বদ্বীপ ৰায় চৌধুৰীয়ে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰ ৰজনীকান্ত দত্ত বাপৰ হাতত অভিলেখৰ মান-পত্ৰ প্ৰদান কৰে।

ইয়াৰ আগতে ৰাতিপুৱা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ধৰ্মধ্বজা উত্তোলন কৰে পদাধিকাৰ ৰজনীকান্ত দত্ত বাপে। অঙ্কীয়া ভাওনা অনুষ্ঠানৰ উদ্বোধনী সভাত অসম চৰকাৰৰ মীন আৰু জনসংযোগ মন্ত্ৰী বসন্ত দাসদেৱে অঙ্কীয়া ভাওনা উদ্বোধন কৰে। উদ্বোধনী ভাষণত দাসদেৱে কয় যে মহাপুৰুষজনাই অঙ্কীয়া ভাওনা, বৰগীত, সাহিত্য, কৃষ্টিৰ যোগেদি বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত আগভাগ লৈছিল। গুৰুজনাৰ সাংস্কৃতিক ভেটিৰ ওপৰতে অসমীয়া জাতিৰ পৰিচয় প্ৰকটিত হৈ আছে। লগতে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই অঙ্কীয়া ভাওনাক বিশ্বদৰবাৰত ন-ৰূপত প্ৰতিষ্ঠা কৰিবলৈ ওলোৱাটো ইতিবাচক আৰু সময়ৰ দাবী বুলি অভিহিত কৰে। আদৰণী ভাষণত সভাপতি মাধৱ ৰাজবংশীবাপে অংশগ্ৰহণকাৰী শিল্পীসকল আৰু উপস্থিত সকলোকে আদৰণি জনায়। ছিপাঝাৰ সমষ্টিৰ বিধায়ক বিনন্দ শইকীয়াদেৱে স্মৃতিগ্ৰন্থ 'নান্দী' উন্মোচন কৰে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰধান সম্পাদক বাবুল বৰাবাপে অংকীয়া ভাওনাক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত সংস্কৃতি শাখাৰ সভাপতি বসুন্ধৰ ডেকা আৰু সম্পাদক পৰিত্ৰপ্ৰাণ বৰাবাপৰ লগতে আয়োজক দৰং জিলা শাখাৰ সভাপতি তাৰিণী চহৰীয়া, সম্পাদক খগেন ডেকা প্ৰমুখ্যে দৰং জিলা শাখা আৰু মধ্য মঙ্গলদৈ আঞ্চলিক শাখাৰ সমূহ ভকত-বৈষ্ণৱ, কেন্দ্ৰীয় সেৱাবাহিনীৰ সেৱক-সেৱিকা আৰু সংবাদ মাধ্যমৰ কৰ্মীসকলক আন্তৰিকতাৰে কৃতজ্ঞতা জনায়। লগতে এই অনুষ্ঠানত অংশগ্ৰহণ কৰা সংশ্লিষ্ট জিলা শাখা আৰু শিল্পীবৃন্দক ধন্যবাদ জনাই ভৱিষ্যতেও শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ গঠনমূলক কাৰ্যত সহযোগিতা কামনা কৰে। উক্ত অনুষ্ঠানত কলাইগাঁও সমষ্টিৰ বিধায়ক মুকুন্দৰাম চৌধুৰী, প্ৰাক্তন বিধায়ক কৰেন্দ্ৰ বসুমতাৰী, প্ৰাক্তন মন্ত্ৰী জয়নাথ শৰ্মা, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ উপ-পদাধিকাৰ ভৱেন্দ্ৰনাথ ডেকা বাপ, যুটীয়া সম্পাদকদ্বয় কুশল ঠাকুৰীয়া আৰু আনন্দ কুমাৰ বৰা, ট্ৰাষ্ট সমিতিৰ সভাপতি হৰিপ্ৰসাদ হাজৰিকা, কেন্দ্ৰীয় সেৱাবাহিনীৰ মুখ্য অধিনায়ক অঞ্জন সাধনিদাৰ বাপ প্ৰমুখ্যে কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে। সন্ধিয়া এক আকৰ্ষণীয় সাংস্কৃতিক অনুষ্ঠানৰ পাছত কাৰ্যসূচীৰ সমাপ্তি ঘটে।◆

## পদাধিকাৰৰ কলম

*(৪ পৃষ্ঠাৰ পৰা)*

উৎসই জীৱন সাৰ্থক কৰে, মানৱী ধৰম অতীন্দ্ৰিয় জিজ্ঞাসাৰে পৰিপূৰ্ণ কৰি তোলে।

আজিৰ পৃথিৱীখনত যি ৰূপত ন ন প্ৰযুক্তি, ন ন বৈজ্ঞানিক আৱিস্কাৰ, ন ন কলা-কৌশলৰ উদ্ভাৱন ঘটাই আমাৰ জীৱনশৈলীক অভিনৱ প্ৰেৰণাৰ প্ৰাচুৰ্যৰে ভৰাই তুলিছে— ঠিক একেদৰেই প্ৰতি নিয়ত দুৰ্ঘোৰ সামাজিক বিপৰ্যয় আৰু দুৰ্ভাৱনাৰে আমাক জীৱনকে বিপদাপন্ন কৰি তুলিছে। এই কথা অনস্বীকাৰ্য যে মানৱীয় ধ্যান-ধাৰণা, মানৱীয় প্ৰমূল্যসমূহ এই মৰতৰ পৰা কেতিয়াও শেষ হৈ যাব নোৱাৰে। সমস্ত বিলাই-বিপত্তি, সীমাহীন দুৰ্ভাৱনা-দুৰ্যোগ অতিক্ৰম কৰিবলৈ সৰগীয় সুষমাভৰা, প্ৰেম বিগলিত কৰুণাসিক্ত মানৱীয় প্ৰমূল্যসমূহ যথাৰ্থতে শক্তিমন্ত আৰু এইবোৰ অনতিক্ৰম্য প্ৰেৰণাৰে ভৰা। আমাৰ নতুন প্ৰজন্মৰ চিত্তবৃত্তিত এনে মহীয়ান বাঙ্ময় এক সুৱাসিত গতিয়ে নৱন্যাসৰ সূচনা কৰিব লাগিব। তেওঁলোকৰ হৃদয়ৰ অটল গভীৰত জগতখনকে আপোন কৰাৰ গভীৰ প্ৰতীতিৰ স্ফুৰণ ঘটিব লাগিব, ঘটাব লাগিব। মানৱতাৰ উৰ্বৰ কঠিয়াতলিত প্ৰেম, কৰুণা, দয়া, দাক্ষিণ্য, সাম্য, মৈত্ৰীৰ অনাবিল এক প্লাৱনৰ সৃষ্টি কৰিব লাগিব। তেহে লহপহীয়া এক অনিন্দ্য চেতনাৰ বোৱতি সুঁতিয়ে হিয়া বননিৰ অনাকাঙ্খিত জাঁজিৰ ভেটাবোৰ ভাঙি নিষ্কলুষ চিন্তাৰে সঁচা মানুহৰ সঁচা বিবেক বুদ্ধিৰে ভৰা এখন নতুন আকাশ দেখা পাব।

আমাক লাগে এখন ছকমকীয়া তৰালী আকাশ। এইখন আকাশৰ জিলমিল চন্দ্ৰতাপৰ ছত্ৰছাঁয়াত এখন সপোনৰ আশাভৰা মানুহৰ সমাজে বাস কৰিব।❑❑

# জাতিভেদ প্ৰথা

**লক্ষ্মীকান্ত তালুকদাৰ**

ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ— এই চাৰি বৰ্ণই জাতিভেদৰ মূল কাৰণ। জাতিভেদ প্ৰথা সম্প্ৰতি বিশ্বৰ এটা প্ৰধান সমস্যা হৈ থিয় দিছে। জাতিৰ জনক মহাত্মা গান্ধীয়ে জাতিভেদ প্ৰথাক ভাৰতৰ জীৱন-মৰণ সমস্যা বুলি অভিহিত কৰিছে। এই সমস্যা ভাৰতবৰ্ষৰেই অকল সমস্যা হৈ থকা নাই, ই সমগ্ৰ বিশ্বৰে এক জ্বলন্ত সমস্যাৰূপে থিয় দিছে। জাতিভেদ প্ৰথা দূৰীকৰণৰ বাবে ১৯৬৩ চনতে সন্মিলিত জাতিসংঘই সিদ্ধান্তগ্ৰহণ কৰিছিল। ১৯৬৬ চনৰ পৰা ২১ মাৰ্চ তাৰিখটো জাতিভেদ প্ৰথাৰ আন্তৰ্জাতিক দিৱস হিচাপে পালন কৰি অহা হৈছে। অৱশ্যে ভাৰতবৰ্ষৰ জাতিভেদ প্ৰথা পৃথিৱীৰ অন্যান্য দেশত প্ৰচলিত শ্বেতকায় আৰু কৃষ্ণকায় সমস্যাৰ লগত নিমিলে। ভাৰতৰ জাতিভেদ প্ৰথম ভিন্ন ধৰণৰ, ইয়াত বৰণ বা ৰঙৰ লগত বিশেষ সম্পৰ্ক নাই। এই জাতিভেদ প্ৰথা কিদৰে ভাৰতবৰ্ষত শিপাই এক বিশেষ সমস্যাৰ সৃষ্টি কৰিলে সেই সম্পৰ্কে তলত চমুকৈ আলোচনা কৰা হৈছে।

ঋক্‌বেদৰ ১০ম মণ্ডলৰ পুৰুষ সূক্তত এটি শ্লোক পোৱা যায়।

"ব্ৰাহ্মণোহস্য সুখমাসীং বাহু ৰাজন্যকৃতঃ।
উৰু তদস্য যদ্বৈশ্যঃ পদ্ভ্যাং শূদ্ৰোহজায়ত।।"

অৰ্থাৎ সৃষ্টিকৰ্তা পৰম পুৰুষৰ দুখ ব্ৰাহ্মণ, বাহুদ্বয় ক্ষত্ৰিয়, উৰুদ্বয় বৈশ্য আৰু ভৰিৰ পৰা শূদ্ৰৰ জন্ম হ'ল। মুখ, বাহু, উৰু আৰু পদৰ পৰা ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰলোকৰ জন্ম হয় বুলি মন্ত্ৰটোত কোৱা হৈছে আৰু পৰৱৰ্তী কালত শাস্ত্ৰসমূহত এনে ধৰণৰ অৰ্থকেই গ্ৰহণ কৰা হ'ল। চিন্তাশীল ব্যক্তিসকলে অতি সহজেই উপলব্ধি কৰিব পাৰিব যে মুখ, বাহু, উৰু আৰু পদৰ পৰা সাধাৰণতে কোনো প্ৰাণীৰ জন্ম নহয়, প্ৰকৃতাৰ্থত সেই সেই অঙ্গসমূহৰ প্ৰভাৱত সেই সেই লোকসকল প্ৰৱৰ্তিত হয়। মানৱ সমাজখনক ভগৱন্তৰ তনুৰূপে ধৰি লৈ পণ্ডিতসকলে এই ঋকৰ অৰ্থ এনেদৰে কৰিছে— যিসকলে জ্ঞান আৰু ধৰ্মৰ শিক্ষা দিয়ে অৰ্থাৎ মুখৰ বলত জীৱিকা নিৰ্বাহ কৰে তেওঁলোক সমাজৰ মুখ স্বৰূপ ব্ৰাহ্মণ, যিসকল সমাজৰ ৰক্ষণ কাৰ্যত ৰত থাকে অৰ্থাৎ বাহু বলত জীৱিকা নিৰ্বাহ কৰে তেওঁলোক বাহু স্বৰূপ ক্ষত্ৰিয়, যিসকলে অন্ন-বস্ত্ৰাদিৰ সংস্থান কৰে তেওঁলোক নাভি, পেট আৰু উৰু স্বৰূপ বৈশ্য আৰু যিসকলে পৰিচাৰ্যাত্মক কাৰ্য কৰে তেওঁলোক পদস্বৰূপ শূদ্ৰ। আনহাতে শতপথ ব্ৰাহ্মণ (২/১০/১১) আৰু তৈত্তিৰীয় ব্ৰাহ্মণত (৩/১২/৯/২) বৰ্ণবোৰৰ উৎপত্তি অন্য ধৰণে কোৱা হৈছে। তাত ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্যৰ উৎপত্তিৰ কথা আছে কিন্তু শূদ্ৰৰ উল্লেখেই নাই। পৃথুৰজাৰ উপখ্যানত ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য— এই তিনি বৰ্ণক তেওঁৰ অভিবাদন জনাবলৈ কোৱা কথাত শূদ্ৰৰ যে কোনো উল্লেখেই নাই তাকে সূচাইছে। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে শুদ্ৰসকলে পাছৰ কালতহে স্থান পাইছে। ইতিহাস অধ্যয়নে প্ৰমাণ কৰে যে আৰ্যসকলে বিজিত অনাৰ্যসকলক গ্ৰহণ কৰি পৰিচৰ্যাসমূহক কাৰ্যত নিয়োগ কৰিছিল। ঋগ্বেদ প্ৰাচীন গ্ৰন্থ হ'লেও ইয়াৰ সমস্ত ঋক প্ৰাচীন নহয়। ঋগ্বেদৰ ২য়, ৩য়, ৪ৰ্থ, ৫ম, ৬ষ্ঠ আৰু ৭ম মণ্ডল প্ৰাচীন। ১ম আৰু ৮ম মণ্ডল তাৰ পৰৱৰ্তী কালত ৰচিত হয় আৰু ১০ম মণ্ডল আটাইতকৈ পাছৰ কালৰ ৰচনা বুলি পণ্ডিতসকলে অনুমান কৰে। এই ১০ম মণ্ডলতেই 'পদ্ম্যাং শূদ্ৰোহজায়ত' ঋকটো পোৱা যায়। অৱশ্যে এক শ্ৰেণীৰ পণ্ডিতে যি অঙ্গৰ পৰাই চাৰিবৰ্ণৰ জন্ম হওক, এই চতুৰ্বৰ্ণ অতীজত নাছিল বুলিয়ে কয়।

আদৌ কৃতযুগে বৰ্ণো নৃণাং হংস ইতি স্মৃতঃ।
কৃতকৃত্যাঃ প্ৰজা জাত্যা তস্মাৎ কৃতযুগং বিদুঃ।।"

— ভাগৱত, ১১/১০/১০

অৰ্থাৎ আদিতে সত্যযুগত এটা মাত্ৰ বৰ্ণ 'হংসঃ' আছিল। তেতিয়াৰ প্ৰজাবিলাক জন্ম মানেই কৃতকৃত্য হৈছিল। এই কাৰণে সত্য যুগৰ অপৰ নাম কৃতযোগ। সেই কাৰণে চাৰিবৰ্ণৰ বিভাগটো চিৰন্তণীয় বুলি কোৱাসকলৰ ধাৰণাটো ওপৰোক্ত শ্লোকটোৱে খণ্ডন কৰে।

ভাৰতবৰ্ষত শ্বেতকায় আৰু অশ্বেতকায়ৰ মাজত বিশেষ বৈষম্য নাই বুলি কোৱা হৈছে যদিও মহাভাৰতৰ শান্তি পৰ্বত থকা শ্লোকটোৱে এই সমস্যাৰ সৃষ্টি নকৰাকৈ থকা নাই।

ব্ৰাহ্মণানাং সিতোবৰ্ণঃ ক্ষত্ৰিয়ানাঞ্চ লোহিতঃ।

বৈশ্যানাং পীতকোবৰ্ণঃ শূদ্ৰনামসিতস্তথা।।

অৰ্থাৎ ব্ৰাহ্মণ বগা, ক্ষত্ৰিয় ৰঙা, বৈশ্য পীত আৰু শূদ্ৰ ক'লা ৰঙৰ হয়। যদি এইটো সত্য বুলি মানি লোৱা হয় তেনেহ'লে ক'লা ৰঙৰ ব্ৰাহ্মণ, বগা বৰণৰ শূদ্ৰ, লোহিত বৰণৰ বৈশ্য আৰু পীত বৰণৰ ক্ষত্ৰিয়ৰ স্থান ক'ব হ'ব? বৰ্তমান যুগত ওপৰোক্ত বিপৰীত বৰ্ণৰ লোকসকলক কি বৰ্ণত ধৰা হ'ব সেই কথা অলপ দকৈ চিন্তা কৰিলে ইয়াৰ সমাধান অতি সহজে পোৱা যায়। সেই কাৰণে প্ৰকৃত সত্য জানিবলৈ হ'লে আমি শাস্ত্ৰসমূহ অধ্যয়ন কৰোতে বিশেষ তৎপৰ হোৱাটো বাঞ্ছনীয়। পৰৱৰ্তী কালত বৰ্ণ প্ৰথাৰ যি কটকটীয়া বান্ধোন সমাজত প্ৰৱৰ্তিত হ'ল তেনে ব্যৱস্থাৰ কটকটীয়া বান্ধোন বৈদিক যুগত অৱশ্যে নাছিল। বৈদিক যুগত গুণৰ দ্বাৰা জাতিৰ নিৰ্ণয় হৈছিল— জন্ম বা জাতিৰ দ্বাৰা গুণৰ নিৰ্ণয় হোৱা নাছিল। এই কথা শ্ৰীমদ্ভগৱৎগীতাত ঘোষিত হৈছে—

"চাৰ্তুৱৰ্ণ্যং ময়া সৃষ্টং গুণকৰ্ম বিভাগশঃ।"

—৪/১৩

অৰ্থাৎ মই গুণ আৰু কৰ্ম বিভাগ অনুসাৰে চাৰিবৰ্ণৰ সৃষ্টি কৰিছোঁ। কিন্তু অতি প্ৰাচীন কালত চাৰি বৰ্ণৰো বিভাগ হোৱা নাছিল। সমাজৰ সকলো মানুহেই মাত্ৰ এটা বৰ্ণৰহে লোক অৰ্থাৎ ব্ৰাহ্মণ আছিল। মহাভাৰতত কৈছে—

"একবৰ্ণমিদং বিশ্বং সূৰ্বমাসীদ্ যুধিষ্ঠিৰঃ।
ত্ৰিয়া কৰ্ম প্ৰভেদেন চতুৰ্বৰ্ণ প্ৰতিষ্ঠিতঃ।।"

অৰ্থাৎ হে যুধিষ্ঠিৰ, এই বিশ্বত পূৰ্বতে এটা মাত্ৰ বৰ্ণ আছিল। পাছত ক্ৰিয়া আৰু কৰ্মৰ প্ৰভেদ অনুযায়ী চাৰি বৰ্ণৰ সৃষ্টি হয়। এই কথা উপনিষদ আৰু মহাভাৰতেও সমৰ্থন কৰিছে। পূৰ্বতে আনকি দ্বাপৰ যুগতো তথাকথিত উপাধিৰ দ্বাৰা জাতি ভাগ ভাগ হোৱা নাছিল। সেয়ে ভগৱান শ্ৰীকৃষ্ণই শৰ্মা বা গোস্বামী উপাধি গ্ৰহণ কৰা নাছিল।

ন যোনিৰ্নাপি সংস্কাৰো ন শ্ৰুতং ন চ সন্ততিঃ।

কাৰণানি দ্বিজত্বস্য বৃত্তমেৱ তু কাৰণম।।

— অনুশাসন পৰ্ব

অৰ্থাৎ কাৰ গৰ্ভত জন্ম ল'লে, কোন সংস্কাৰত সংস্কৃত হ'ল, কোন শাস্ত্ৰত পণ্ডিত হ'ল, কোন বংশত জাত এই বোৰৰ কোনোটোৱেই ব্ৰাহ্মণৰ কাৰণ হ'ব নোৱাৰে। বৃত্তি কি সেইটোহে বিচাৰ্য।

ব্ৰহ্ম বা ইদমগ্ৰ আসী দেকমেব তাদেকং সন্ন ব্যভবৎ।

তচ্ছ্ৰেয়োৰূপমতাসৃজত ক্ষত্ৰম্
সৈষা ক্ষত্ৰস্য যোনিৰ্যদব্ৰহ্ম।।"

বৃহ. উপনিষদ, ১/৪/৪৯/১১

অৰ্থাৎ পূৰ্বে এই জগতত কেৱল ব্ৰাহ্মণেই আছিল, কৰ্ম সম্পাদনৰ অসুবিধা দূৰ কৰিবলৈ সেইব্ৰাহ্মণৰ পৰাই ক্ষত্ৰিয় জাতিৰ সৃষ্টি কৰিলে।

*(১৪ পৃষ্ঠাত চাওক)*

# জন্ম-মৃত্যু চক্ৰ আৰু শৰণ

**ভবেন দুৱৰী**

জন্মই জীৱন যাত্ৰাৰ আৰম্ভণি আৰু মৃত্যুৱে যাত্ৰাৰ সামৰণি। এই আৰম্ভণি আৰু সামৰণিৰ মাজৰ ছোৱাই জীৱন। এই ছোৱা সময় সুখ-দুখ, হাঁহি-কান্দোন, পোৱা-নোপোৱা, পাই হেৰুৱা বেদনাৰে ভাৰাক্ৰান্ত। জীৱই নিজ কৰ্মৰ ফলত বিভিন্ন যোনিত জন্ম লাভ কৰে আৰু কৰ্মফল অনুযায়ী সুখ-দুখ ভোগ কৰে। হৰি পদসেৱা নকৰা পৰ্যন্ত জীৱই নানা যোনিত এইদৰেই পৰিভ্ৰমণ কৰি থাকে।

"হৰি পদ সেৱা নকৰে নিমিত্তে
মায়াৰে বান্ধি ফুৰাৱে।
তাৱত মায়াক নতৰে হৰিত
শৰণ নলৱে যাৱে।।" *নাম-ঘোষা*

ভ্ৰম স্বৰূপ মায়াই জীৱক হৰিত বিমুখ কৰি ৰাখে আৰু ভ্ৰম হেতু অবস্তুকে বস্তু বুলি ধাৰণা দুখ ভোগ কৰি থাকে। ফলস্বৰূপে জীৱৰ অৱস্থাটো কোঁৱাৰ জল-যন্ত্ৰ চক্ৰৰ জৰী ডালত বান্ধি থোৱা বাল্টিটোৰ নিচিনা অৱস্থা হয়। ই এবাৰ ওপৰলৈ, এবাৰ তললৈ আৰু কেতিয়াবা মাজতে ওলমি থাকিব লগা হয়।

"জল যন্ত্ৰ চক্ৰে জৰী বদ্ধ হুয়া
খণ্ড ঘটে যেন মতে।
কতো উদ্ধ গতি কতো অধোগতি
কতোহো থাকে মধ্যতে।।"

—*কীৰ্ত্তন-ঘোষা*

জীৱই নিজ কৰ্ম বন্ধনৰ বান্ধোনেৰে বান্ধ খাই সংসাৰত বাৰম্ভাৰ জন্মগ্ৰহণ কৰি নিকাৰ ভুঞ্জিব লগা হয় আৰু এইদৰে সংসাৰৰ চক্ৰত না না দুখ-কষ্ট ভোগ কৰি এটা সময়ত ই এক অচেতন অৱস্থাপ্ৰাপ্ত হয় আৰু তেতিয়া আৰু হৰি বিনে অন্য কোনোৱে তাক উদ্ধাৰ কৰিব নোৱাৰে, গতিকে উপায়ন্তৰ হৈ হৰিত একমাত্ৰ আশ্ৰয় গ্ৰহণ কৰিব লগা হয়।

"কৰ্ম্মে বন্ধ হুয়া সংসাৰ চক্ৰত
এহিমতে ভগৱন্ত।
ভ্ৰমো চিৰকাল কদাচিতো মই
দুখৰ নেদেখো অন্ত।।
সোক মোহ তৃষ্ণা আকুল কৰয়
ভৈলো আতি অচেতন।
কিবা কৰো আৰে একোকে নাজানো
তোমাত লৈলো শৰণ।। "

— *কীৰ্ত্তন-ঘোষা*

মহা পুণ্যশালী ইন্দ্ৰদুম্ন্য ৰজা জাতিস্মৰ আছিল। তেওঁ পূৰ্বৰ সকলো জন্মৰ কথা মনত আছিল। কোনটো জন্মত কি আছিল, তেওঁৰ কোন কোন লগৰীয়া আছিল। পৰৱৰ্তী জন্মবোৰত সেইসকল কি ৰূপত জন্মগ্ৰহণ কৰিছিল আৰু তেৰোঁ স্বৰ্গ, নৰক, মনুস্য লোকত বিভিন্ন শৰীৰ ধাৰণ কৰি সংসাৰৰ চক্ৰত জন্ম-মৃত্যু হ'ব লগা হৈছিল।

"দেৱ মনুস্যত কীট পতঙ্গত
জগত মধ্যত স্বামী।
চৈধ্য ভুৱনে হেন নাহি থান
যৈত নতো যাওঁ আমি।
কতো নৰকত থাকো কদাচিত
স্বৰ্গক কৰোহো গতি।
মনুস্য লোকত থাকো কতোবেলা
পশুৰ হওঁ সঙ্গতি।। "

—*কীৰ্ত্তন-ঘোষা*

এনেধৰণৰ প্ৰত্যেক জীৱই নিজ কৰ্ম অনুযায়ী সংসাৰৰ চক্ৰত পৰিভ্ৰমণ কৰিব লগা হয়। সাধাৰণ লোকৰ জন্মৰ লগে লগে পূৰ্ব জন্মৰ স্মৃতি লোপ পায় বাবে তেওঁলোকে পূৰ্ব জন্মৰ কথা জানিবলৈ সক্ষম নহয়। কিন্তু এইটো সত্য যে প্ৰত্যেক জীৱই এদিন নহয় এদিন, ইহজন্মত নহ'লেও পৰৱৰ্তী জন্মত যেতিয়া অচেতন অৱস্থাপ্ৰাপ্তি হ'ব, তেতিয়া হৰিত শৰণ ল'বই লাগিব, নহ'লে সংসাৰ বন্ধন ছেদন নহয়।

সাধাৰণতে দেখা যায়, কিছু অহঙ্কাৰী, অভিমানী মাকৰ মৰম নুবুজা সৰু ল'ৰাই মাকৰ লগত জেদ ধৰি ভাত নোখোৱাকৈ থকাৰ দৰে—

"মাতৃক ক্ৰোধে তেজিয়া তন্ন।
দুখমাত্ৰ পাৱে বালক গণ।।"

কিছু অজ্ঞানী, অভিমানী হৰিৰ কৃপাৰ মহিমা নজনা লোকেও হৰিত শৰণ নোলোৱাকৈ থাকে। কিন্তু ভাত নোখোৱাকৈ সেই ল'ৰাই কেইদিন থাকিব পাৰিব? অৱশেষত ভোক গুচাবলৈ, অৰ্থাৎ জীয়াই থাকিবলৈ সি ভাত খাবই লাগিব; তেনেকৈ জীৱ বিলাকেও এদিন হৰিত শৰণাগত হ'বই লাগিব। ইয়াৰ গত্যন্তৰ নাই।

মাধৱ পুৰুষে সেই বাবেই হৰিত শৰণ লৈ দুৰ্ঘোৰ অপাৰ সংসাৰ সাগৰ সুখেৰে পাৰ হ'বলৈ সোঁৱৰাইছে—

হৰিত শৰণ লৈয়া যিটো জনে এ
হৰিৰ চৰিত্ৰ শ্ৰৱণ কীৰ্ত্তন কৰে।
দুৰ্ঘোৰ অপাৰ সংসাৰ সাগৰ এ
সিটো মহাজনে অতি মহাসুখে তাৰ।।

—*নাম-ঘোষা*

হেন জানি বিলম্ব আৰু মিচা তৰ্কবাদ এৰি সময় থাকোঁতেই হৰি সেৱাত ব্ৰতি হৈ জীৱন ধন্য কৰাই বুদ্ধিমান লোকৰ কাম।❑

## শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়

(১ পৃষ্ঠাৰ পৰা)

আৰম্ভণিৰ পৰাই কৰি আহিছিল। এই চিন্তা-চৰ্চাৰ ইন্ধন যোগাইছিল, সেই সময়ৰ এক বাস্তৱ পৰিঘটনাই। ১৯৯২ চনত কেন্দ্ৰীয় চৰকাৰে অসমত দুখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় ক্ৰমে তেজপুৰ বিশ্ববিদ্যালয় আৰু অসম বিশ্ববিদ্যালয়, শিলচৰ স্থাপন কৰিবলৈ সিদ্ধান্ত লৈছিল। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই এই দুখন বিশ্ববিদ্যালয়ৰ এখন— বিশেষকৈ তেজপুৰ বিশ্ববিদ্যালয়খন মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ নামেৰে নামাঙ্কিত কৰিবলৈ অসমৰ চৰকাৰৰ ওচৰত প্ৰস্তাৱ যোগে অনুৰোধ জনাইছিল। বিষয়টো অসম বিধান সভাত আলোচনা হৈছিল আৰু সৰহসংখ্যক বিধায়কে বিৰোধিতা কৰা কাৰণে বিশ্ববিদ্যালয় এখন মহাপুৰুষ শঙ্কৰদেৱৰ নামেৰে নামকৰণ কৰা নহ'ল। তেতিয়াৰে পৰা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই গুৰুজনাৰ নামত ব্যক্তিগত খণ্ডত এখন বিশ্ববিদ্যালয় স্থাপনৰ স্বপ্ন দেখি আহিছিল। বিষয়টিৰ ওপৰত ২০০৫ চনমানৰ পৰা সঙ্ঘৰ মূল কাৰ্যনিৰ্বাহক সভাই গুৰুত্ব সহকাৰে চিন্তা-চৰ্চা কৰি অসম চৰকাৰৰ সৈতে যোগাযোগ কৰে। অসমত তেতিয়া যিহেতু ব্যক্তিগত খণ্ডত বিশ্ববিদ্যালয় স্থাপনৰ আইন প্ৰণয়ন হোৱা নাছিল, গতিকে চৰকাৰে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় স্থাপন কৰাৰ অনুমতি প্ৰদানত বাধা আহে। কিন্তু অসম চৰকাৰে ব্যক্তিগত খণ্ডৰ বিশ্ববিদ্যালয় স্থাপনৰ আইন প্ৰণয়নত আগ্ৰহ প্ৰদৰ্শন কৰাত সঙ্ঘৰ তৰফৰ পৰা ব্যক্তিগত খণ্ডৰ বিশ্ববিদ্যালয় স্থাপনৰ বিলৰ এখন খচৰা প্ৰস্তুত কৰি চৰকাৰৰ বিবেচনাৰ বাবে প্ৰেৰণ কৰা হয়। এই খচৰাখনকে ভিত্তি হিচাপে লৈ ইয়াৰ কৰ্তন-বৰ্দ্ধন কৰি অসম চৰকাৰে The Assam Private Universities Act, 2007 আইনখন গ্ৰহণ কৰে আৰু এই আইনখন ২০০৭ চনৰ ৩০ এপ্ৰিল তাৰিখে অসমৰ মাননীয় ৰাজ্যপালৰ দ্বাৰা স্বাক্ষৰিত হয় আৰু সেই তাৰিখৰ পৰা আইনখন বলবত হয়।

ব্যক্তিগত খণ্ডৰ বিশ্ববিদ্যালয় স্থাপনৰ আইনখন প্ৰণয়ন হোৱাৰ পিছত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই গুৰুজনাৰ নামত বিশ্ববিদ্যালয়খন স্থাপন কৰাৰ পথ প্ৰশস্ত হয়। এই আইনখনৰ আধাৰত ২০০৭ চনত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়খন স্থাপনৰ বাবে দহ লাখ টকা আৱেদন মাচুলসহ বিশ্ববিদ্যালয়খন স্থাপনৰ প্ৰস্তাৱ আৰু আঁচনি অসম চৰকাৰৰ ওচৰত দাখিল কৰে। অসম চৰকাৰে আইখনৰ সংশ্লিষ্ট দফা অনুযায়ী শিক্ষা বিভাগৰ উচ্চপদস্থ বিষয়াৰ দ্বাৰা প্ৰাৰম্ভিক অনুসন্ধান কৰাৰ পিছত সন্তুষ্ট হৈ ২০০৮ চনৰ ২১ জুলাই তাৰিখে দিয়া Letter of Intentৰ জৰিয়তে বিশ্ববিদ্যালয় স্থাপনৰ বাবে প্ৰয়োজনীয় স্বৰ্তসমূহ উল্লেখ কৰি নিৰ্দিষ্ট সময়ৰ ভিতৰত সকলো স্বৰ্ত পূৰণ কৰিবলৈ সঙ্ঘক পৰামৰ্শ দিয়ে। এই স্বৰ্তসমূহৰ ভিতৰত মুখ্যতঃ বিশ্ববিদ্যালয় স্থাপনৰ বাবে নিম্নতম ২০ একৰ ভূমি আৰু ১০,০০০ বৰ্গমিটাৰ এলেকাৰ ভেটি সম্বলিত নিৰ্মিত ভৱন আৰু ২ কোটি টকাৰ কৰ্পাচ ফাণ্ড মজুত থকা প্ৰয়োজন। ইতিমধ্যে সঙ্ঘই অসম চৰকাৰৰ ওচৰত গুৰুজনাৰ জন্মস্থানৰ নিকটৱৰ্তী হাতীচোং মৌজাৰ চৰকাৰী মাটিৰ ৯৮ নং দাগ থকা বৃহৎ এলেকাৰ ভূমিৰ পৰা ২০০ বিঘা মাটি আবণ্টন দিয়াৰ বাবে আবেদন জনায়। এই আবেদনৰ ভিত্তিত অসম চৰকাৰে হাতীচোং মৌজাৰ আটুৱাটিকা পথাৰ কিষান গাঁৱৰ চৰকাৰী ভূমিৰ ৯৮ নং দাগৰ ৬০ বিঘা ২ কঠা ১০ লেচা (২০ একৰ) ভূমি ৩১/১/২০১১ তাৰিখে চৰকাৰী চিঠি নং NRS 313/05/67(A) যোগে সঙ্ঘক আবণ্টন দিয়ে। বিশ্ববিদ্যালয়ৰ কাম-কাজ আৰম্ভ কৰিব পৰাকৈ নগাঁও মূল কাৰ্যালয় প্ৰাঙ্গনত এটি আটকধুনীয়া তিনিমহলীয়া ভৱন ইতিমধ্যে নিৰ্মাণ কৰি উলিওৱা হৈছে। এই ভৱনৰ পৰাই বিশ্ববিদ্যালয়ৰ প্ৰাৰম্ভিক কাম-কাজ অস্থায়ীভাৱে পৰিচালনা কৰি থকা হৈছে। নগাঁৱৰ মূল কাৰ্যালয় প্ৰাঙ্গনত ১০,০০০ বৰ্গমিটাৰ এলেকাৰ নিৰ্মিত ভৱন নথকা হেতু অসম চৰকাৰে বিশ্ববিদ্যালয় স্থাপনৰ প্ৰথম আবেদনখন ২০১২ চনত নাকচ কৰে। পৰৱৰ্তী সময়ত অসমৰ মাননীয় শিক্ষামন্ত্ৰী মহোদয়ক লগ ধৰি নগাঁৱৰ উপৰিও বিশ্ববিদ্যালয়ৰ চৌহদ খুলিব পৰাকৈ গুৱাহাটীৰ ৰূপনগৰ আৰু ধুবুৰীৰ ডুমৰদহত থকা সঙ্ঘৰ ভৱনৰ বিষয়ে দৃষ্টিগোচৰ কৰা হয়। তদনুৰূপে ২০১৩ চনৰ ফেব্ৰুৱাৰী মাহত পুনৰ দহ লাখ টকা মাচুল দি অসমৰ চৰকাৰৰ ওচৰত আৱেদন জনোৱা হয়।

ব্যক্তিগত খণ্ডৰ বিশ্ববিদ্যালয় স্থাপনৰ আইন অনুযায়ী সকলো স্বৰ্ত পূৰণ হোৱাত অসম চৰকাৰে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় বিলখন অসম বিধান সভাত উত্থাপন কৰে আৰু ২০১৩ চনৰ ১৮ জুলাই তাৰিখে এই বিলখন অসম বিধান সভাত সৰ্বসন্মতিক্ৰমে গৃহীত হয়। বিলখন গ্ৰহণ কৰাৰ ক্ষেত্ৰত মাননীয় শিক্ষামন্ত্ৰী শ্ৰীহিমন্ত বিশ্ব শৰ্মাদেৱে বিশেষ অগ্ৰণী ভূমিকা গ্ৰহণ কৰে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়খন স্থাপন কৰাৰ যুক্তিযুক্ততা প্ৰদৰ্শন কৰি বিধান সভাত বক্তৃতা দিয়াৰ লগতে তেখেতৰ মহানুভৱতা প্ৰকাশ কৰি নিজৰ এমাহৰ বেতন বিশ্ববিদ্যালয় নিৰ্মাণ পুঁজিলৈ আগবঢ়ায়। তেখেতৰ পদানুসৰণ কৰি বিধান সভাতে কেবাগৰাকী সন্মানীয় বিধায়কে বিশ্ববিদ্যালয়ৰ পুজিলৈ এমাহৰ বেতন দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। বিধান সভাত গৃহীত বিলখনে অসমৰ মাননীয় ৰাজ্যপালৰ সন্মতি লাভ কৰে ২০১৩ চনৰ ৮ আগষ্ট তাৰিখে আৰু সেইদিনাৰ পৰাই বিলখন আইনত পৰিণত হয়। আমাৰ বিশ্ববিদ্যালয় আইনখনৰ নাম হ'ল— "The Mahapurusha Srimanta Sankaradeva Viswavidyalaya Act, 2013" Assam Act No. xix of 2013."

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়খন স্থাপন আৰু ইয়াৰ নিৰ্মাণকে ধৰি যাৱতীয় সকলো কাম-কাজ আগবঢ়াই নিয়াৰ বাবে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল কাৰ্যনিৰ্বাহকে 'Srimanta Sankaradeva Education and Socio Economic Development Trust' নামেৰে এখন ট্ৰাষ্ট সমিতি গঠন কৰি দিছে। ইতিমধ্যে ট্ৰাষ্ট সমিতিখন অসম চৰকাৰৰ সংশ্লিষ্ট বিভাগৰ দ্বাৰা পঞ্জীয়ন কৰি লোৱা হৈছে। ট্ৰাষ্ট সমিতিখনে বিশ্ববিদ্যালয়খনৰ নিৰ্মাণ আৰু উন্নয়নৰ দিশত অহোপুৰুষাৰ্থ কৰি আছে।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়খন কোনো ব্যৱসায়ীক ভিতিক স্থাপন কৰা হোৱা নাই। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ এই স্বপ্নৰ বিশ্ববিদ্যালয়খন এখন সম্পূৰ্ণ জনকল্যাণমুখী দুৰন্ত অভিলাষী আঁচনি। এই অভিলাষী আঁচনিখন ৰূপায়ণৰ যোগেৰে কেইবাটিও উদ্দেশ্য সাধনৰ লক্ষ্য স্থিৰ কৰি লোৱা হৈছে। তাৰ ভিতৰত মুখ্যতঃ গুৰুজনাৰ কৃতিসমূহ আৰু মহান মানৱতাবাদী আদৰ্শৰাজি বিশ্বসভালৈ আগবঢ়াই নিয়া, বিশ্বপ্ৰেক্ষাপটত গুৰুজনাক স্থাপন কৰা, নৱ-প্ৰজন্মক সুউচ্চ বিদ্যায়তনিক বিকাশৰ সুযোগ দিয়াৰ লগতে নৈতিক আৰু আধ্যাত্মিক শিক্ষাৰে শিক্ষিত কৰি প্ৰকৃত মানৱ-সম্পদৰূপে গঢ়ি তোলা, দুখীয়া মেধাৱী ছাত্ৰ-ছাত্ৰীক কম খৰচত উচ্চ শিক্ষা লাভৰ সুযোগ দিয়া ইত্যাদি। সাম্প্ৰতিক সময়ৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি নৈতিক আৰু আধ্যাত্মিক শিক্ষা দিয়াৰ উপৰিও কিছুমান অগতানুগতিক আৰু বৃত্তিমুখী পাঠ্যক্ৰম প্ৰৱৰ্তন কৰা হ'ব। কলা, বিজ্ঞান, প্ৰযুক্তি বিদ্যা, সমাজ বিজ্ঞানৰ বিভিন্ন বিষয়ৰ পাঠ্যক্ৰমো পৰ্যায়ক্ৰমে অন্তৰ্ভুক্ত কৰা হ'ব। শিক্ষাৰ্থীসকলক স্নাতক, স্নাতকোত্তৰ, এম.ফিল, পি.এইচ.ডি. ডিপ্লোমা আদি ডিগ্ৰী দিয়াৰ বাবে শঙ্কৰদেৱ অধ্যয়নকে ধৰি কলা, বিজ্ঞান, প্ৰযুক্তিবিদ্যা, মেডিচিন আদি স্কুলৰ অন্তৰ্গত মুঠ ২৪টা বিভাগ খুলি প্ৰায় তিনি হাজাৰ ছাত্ৰ-ছাত্ৰীক শিক্ষা গ্ৰহণৰ সুবিধা প্ৰদান কৰাৰ আঁচনি প্ৰস্তুত কৰা হৈছে। প্ৰাৰম্ভিক ক্ষেত্ৰত ২০১৪-২০১৫ শিক্ষা বৰ্ষৰ পৰা বিশ্ববিদ্যালয়ৰ পাঠদান কাৰ্যসূচী আৰম্ভ কৰিবলৈ সাতটি বিভাগ চিহ্নিত কৰি লোৱা হৈছে। বিভাগ কেইটা হ'ল (১) শঙ্কৰদেৱ অধ্যয়ন বিভাগ, (২) ভাষা আৰু সাহিত্য বিভাগ, (৩) শিক্ষা বিভাগ, (৪) কম্পিউটাৰ আৰু তথ্য প্ৰযুক্তি বিভাগ, (৫) বিজনেছ মেনেজমেণ্ট বিভাগ, (৬) যোগ বিজ্ঞান বিভাগ আৰু (৭) হস্তশিল্প প্ৰযুক্তি বিভাগ। এই বিভাগ কেইটাও প্ৰথম বৰ্ষত সৰ্বমুঠ ২২০ গৰাকী শিক্ষাৰ্থীৰ নামভৰ্তি কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। বিশ্ববিদ্যালয়খনৰ শৈক্ষিক আৰু প্ৰশাসনিক কাম-কাজ নিয়াৰিকৈ চলাই নিবৰ বাবে ইতিমধ্যে নগাঁও মূল কাৰ্যালয় প্ৰাঙ্গনত নিৰ্মাণ কৰা তিনিমহলীয়া ভৱনটিত ২৪টা শ্ৰেণী কোঠা, ৪টা কাৰ্যালয় কোঠা, ২টা সভা কক্ষ, এটা অতিথি কোঠা আৰু এটা কম্পিউটাৰ কোঠা প্ৰস্তুত কৰি উলিওৱা হৈছে। আশা কৰা হৈছে চলিত শিক্ষা বৰ্ষৰ পৰাই বিশ্ববিদ্যালয়ৰ শৈক্ষিক কাৰ্যসূচী শুভাৰম্ভ কৰা হ'ব। সুখৰ বিষয় ইতিমধ্যে বিশ্ববিদ্যালয়খনৰ আচাৰ্য হিচাপে সঙ্ঘৰ পদাধিকাৰ শ্ৰীৰজনীকান্ত দত্ত বাপক নিযুক্তি দিয়া হৈছে আৰু বিশ্ববিদ্যালয়খনৰ ভিজিটৰ হিচাপে অসমৰ মাননীয় ৰাজ্যপাল মহোদয়ক দায়িত্ব অৰ্পণ কৰা হৈছে। বিশ্ববিদ্যালয়খনৰ Governing Body (পৰিচালনা সমিতি)খনো শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল কাৰ্যনিৰ্বাহক সভাই গঠন কৰি দিছে।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ উদ্যোগত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়খন স্থাপন হ'লেও সঙ্ঘই কামনা কৰিছে যে এই বিশ্ববিদ্যালয়খন অসমৰ সমূহ ৰাইজে এখন জাতীয় বিশ্ববিদ্যালয় হিচাপে গণ্য কৰিছে। সেই উদ্দেশ্যে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই অসমৰ সকলো জাতীয় অনুষ্ঠান যেনে অসম সাহিত্য সভা, অসম সত্ৰ মহাসভা, একশৰণ ভাগৱতী সমাজ, সদৌ অসম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে তেল, চাহ, কয়লা আদিৰ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ আৰু বুদ্ধিজীৱীসকলোকে ধৰি সৰ্বস্তৰৰ ৰাইজৰ সক্ৰিয় সহায়-সহযোগিতা আগবঢ়াই বিশ্ববিদ্যালয়খন এখন জাকতজিলিকা শিক্ষানুষ্ঠান হিচাপে গঢ়ি তুলিবলৈ সকলোৰে প্ৰতি বিনম্ৰ গোহাৰি জনাইছে। ইতিমধ্যে সঙ্ঘই বিশ্ববিদ্যালয়খন প্ৰতিষ্ঠাৰ বাবে ৩৫৬ কোটি টকাৰ এখন সুবৃহৎ আঁচনি গ্ৰহণ কৰি অৰ্থ সংগ্ৰহৰ দিশত কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। অৰ্থ সংগ্ৰহৰ উৎসবোৰ চিহ্নিত কৰি নিৰ্দিষ্ট আঁচনিৰ ভিত্তিত আৰ্থিক অনুদান বিচাৰি কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগকে ধৰি ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ অনুষ্ঠান-প্ৰতিষ্ঠানলৈ আবেদন-নিবেদন জনোৱা হৈছে। বিশ্ববিদ্যালয় নিৰ্মাণৰ বাবে সঙ্ঘৰ সঙ্গীসকলৰ পৰা নিম্নতম এমাহৰ আয় দান হিচাপে আগবঢ়াবলৈ প্ৰস্তাৱ যোগে অনুৰোধ জনোৱা হৈছে। ইতিমধ্যে সঙ্ঘৰ অন্তৰ্গত ৩৩খন জিলা শাখা সামৰি জাগৰণ সভা অনুষ্ঠিত কৰি দান-বৰঙণি সংগ্ৰহ অভিযান চলোৱা হৈছে। জাগৰণ সভাসমূহত সঙ্গী বাপ-আইসকলৰ অভূতপূৰ্ব সহাৰি পোৱা হৈছে। আমিও এই ছেগতে বিশ্ববিদ্যালয়খনলৈ মুক্তহস্তে দান-বৰঙণি আগবঢ়াই শিক্ষানুষ্ঠানখন গঢ়ি তোলাত অংশীদাৰ হ'বৰ কাৰণে অসমৰ সমূহ সহৃদয় আৰু শুভাকাঙ্খী ৰাইজলৈ বিনম্ৰ গোহাৰি জনালোঁ।

**"জয়তু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়"** ❑

## ৰৰৈয়া প্ৰাথমিক শাখাৰ ৰূপালী জয়ন্তী বৰ্ষৰ আৰম্ভণী অনুষ্ঠান

**যোৰহাট ঃ** যোৱা ৫ জানুৱাৰী তাৰিখে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, যোৰহাট জিলা শাখাৰ অন্তৰ্গত ৰৰৈয়া প্ৰাথমিক শাখাৰ ৰূপালী জয়ন্তী বৰ্ষৰ (২০১৪ বৰ্ষ) উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। ৰূপালী জয়ন্তী বৰ্ষৰ উদ্বোধন কৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰাক্তন পদাধিকাৰ তথা বৰ্তমানৰ উপদেষ্টা মুখ্যেশ্বৰ শইকীয়াবাপে। প্ৰাথমিক শাখাৰ সভাপতি বিষ্ণু বৰগোহাঁইবাপে সভাপতিত্ব কৰা সভাত জিলা, আঞ্চলিক আৰু ওচৰৰ কেইবাখনো প্ৰাথমিকৰ বহুসংখ্যক সঙ্গী বাপ-আই উপস্থিত থাকে। অনুষ্ঠানৰ লগতে 'মহাপুৰুষীয়া ধৰ্মত কৰ্মকাণ্ডৰ স্থান' শীৰ্ষক এখনি আলোচনা-চক্ৰও অনুষ্ঠিত হয়। আলোচক হিচাপে বিশিষ্ট লেখক, সমালোচক হেমচন্দ্ৰ শইকীয়া আৰু মূলসঙ্ঘৰ প্ৰচাৰ শাখাৰ সভাপতি চন্দ্ৰ হাজৰিকাবাপে বক্তব্য আগবঢ়ায়। আলোচনা-চক্ৰখনি সঞ্চালনা কৰে মূলৰ সদস্য ড° ৰাতুল চন্দ্ৰ বৰাবাপে। সভাত মধ্য যোৰহাট আঞ্চলিক শাখাৰ সভাপতি হিচাপে ৰূপালী জয়ন্তী বৰ্ষৰ বাৰ্ষিক কৰ্ম-আঁচনিখন উন্মোচন কৰে। অনুষ্ঠানৰ আৰম্ভণিতে উদ্‌যাপন সমিতিৰ সভাপতি ৰাজেন্দ্ৰনাথ পাঠকবাপে আদৰণী ভাষণ প্ৰদান কৰে। অনুষ্ঠানৰ শেষত উদ্‌যাপন সমিতিৰ সম্পাদক ভোগচন্দ্ৰ বৰুৱাবাপে সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।◆

আলোচ্য বিষয়টোক নিম্নোক্ত দফাত বিভক্ত কৰি প্ৰতিটো প্ৰাসংগিক দফাৰ ওপৰত চমু আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে—

(১) ধৰ্ম আৰু দৰ্শনৰ সম্বন্ধ।

(২) শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্মৰ মূল ভিত্তি বেদান্ত দৰ্শন।

(৩) মহাপুৰুষীয়া বা সনাতন ধৰ্ম।

(৪) শংকৰদেৱৰ দাৰ্শনিক দৃষ্টিভংগী অনুসৰি 'নাম-ধৰ্ম' বা ভাগৱত ধৰ্ম বা একশৰণ হৰিনাম ধৰ্মৰ মূল তত্ত্ব।

(৫) শংকৰদেৱৰ ধৰ্ম দৰ্শনত বেদৰ বেদান্তৰ প্ৰভাৱ।

পাঁচ দফাত উল্লিখিত বিষয়বস্তুৰ সম্যক ধাৰণা প্ৰতিফলিত কৰিবলৈ হ'লে শ্ৰীমন্ত শংকৰদেৱৰ প্ৰৱৰ্তিত একশৰণ হৰিনাম ধৰ্মৰ মূলতত্ত্ব, ধৰ্ম আৰু দৰ্শনৰ লক্ষ্য আৰু উদ্দেশ্য, মহাপুৰুষীয়া ধৰ্মৰ ইতিহাস, দাৰ্শনিক ভিত্তি আৰু তাৰাৰ ধৰ্মৰ ওপৰত বেদৰ প্ৰভাৱৰ আভাস নিশ্চয়ে দিব লাগিব, কিয়নো তাৰাৰ ধৰ্ম বেদান্ত দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত।

(১) **ধৰ্ম আৰু দৰ্শন** (Religion and philosophy) ঃ অনন্তকোটি ব্ৰহ্মাণ্ডক ধৰি ৰাখিছে ধৰ্মবস্তুৱে। সমস্ত জগতৰ সকলো প্ৰাণী-পদাৰ্থ, বিশ্বব্ৰহ্মাণ্ডৰ গ্ৰহ-নক্ষত্ৰপুঞ্জ, আকাশ-বতাহ, কাল-মহাকাল আদিক হাতৰ মুঠিত অনন্তকোটি ব্ৰহ্মাণ্ডৰ অধিকাৰী হৰিয়ে মহাধৰ্ম নামলৈ ধাৰণ কৰি আছে। ভগৱন্ত (Almighty)ৰ গৰ্ভস্থ ধৰ্মবস্তুৱে 'বেদ্যং বাস্তৱমস্ত' হৈ তেওঁৰ মুখেৰে শব্দ (অক্ষৰ) ব্ৰহ্মৰূপেৰে প্ৰকাশ পালে। সেই প্ৰথম শব্দ প্ৰণৱেই হৈছে— 'ওঁ' বা পৰম ব্ৰহ্মৰ প্ৰতীক। এই পৰ-ব্ৰহ্মক উদ্ঘাটন কৰিবলৈ বেদৰ ঋষিয়ে অহৰহ চেষ্টা চলালে মনন আৰু চিন্তনৰ যোগে। তাতেই সৃষ্টি হ'ল দৰ্শনৰ। দৰ্শন বেদৰ বিশেষ অঙ্গ। ধৰ্মৰ লগত বিজ্ঞান আৰু দৰ্শনৰ অঙ্গাঙ্গী সম্বন্ধ। দৰ্শনে বেদৰ চিৰসনাতন সত্যবোৰক উদ্ঘাটন কৰিবলৈ যিদৰে চেষ্টা কৰিলে, বিজ্ঞানেও সেই সত্যবোৰক আৱিষ্কাৰ কৰিবলৈ প্ৰয়াস কৰিলে আৰু অনন্ত সত্যৰাজিৰ মাজৰ পৰা দুই এপদ আৱিষ্কাৰ কৰিছে যদিও অসংখ্য সত্য অনাৱিষ্কৃত হৈ পৰি আছে। ধৰ্ম সনাতন সত্যৰ ভঁৰাল স্বৰূপ। বিজ্ঞান সত্য তথ্যৰ ওপৰত প্ৰতিষ্ঠিত আৰু দৰ্শন সত্যৰ যুক্তিনিষ্ঠ অন্বেষণ। ধৰ্ম বিজ্ঞান আৰু দৰ্শনৰ সত্যৰ ওপৰত আধাৰিত বাবে ধৰ্মৰ লগত বিজ্ঞানৰ ওতঃপ্ৰোত সম্বন্ধ আছে। বিজ্ঞানে ঢুকি নোপোৱা অৱস্থা হ'লে দৰ্শনৰ আশ্ৰয় ল'বলগা হয় আৰু দৰ্শনৰ সামৰণিত ধৰ্মৰ উদ্ভৱ হয়।

দৰ্শন মূলতঃ দুবিধ— আস্তিক আৰু নাস্তিক। ঈশ্বৰৰ অস্তিত্ব থকাবোৰ আস্তিক আৰু নথকাবোৰ নাস্তিক দৰ্শন। ভাৰতীয় দৰ্শন ছয় ভাগত বিভক্ত— কপিলৰ সাংখ্য, পতঞ্জলৰ যোগ, মহৰ্ষি কণাদৰ বৈশেষিক, জৈমিনীৰ মিমাংসা, মহৰ্ষি গৌতমৰ ন্যায় আৰু বাদৰায়ণৰ বেদান্ত দৰ্শন। মিমাংসা, চাবাৰ্ক, বৌদ্ধ, জৈন দৰ্শন নাস্তিক। নিজৰ বিষয়ে, বিশ্বৰ সম্বন্ধে, নিজৰ লগত বিশ্বৰ সম্বন্ধ, বিশ্ব স্ৰষ্টা আৰু বিশ্ব ৰহস্য উদ্ঘাটন কৰাৰ কৌতুহলেই দৰ্শনৰ জন্মৰ উৎস।

(২) **শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্মৰ মূল ভিত্তি বেদান্ত দৰ্শন ঃ** শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্ম ভক্তি

# বেদান্তৰ আলোকত শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্ম-দৰ্শন

বিপিন চুতীয়া

প্ৰধান। তাৰাৰ ভক্তি ধৰ্মৰ মূল ভিত্তি বেদান্ত দৰ্শন। গুৰুজনাৰ একশৰণ/ ভাগৱত/ নামধৰ্মৰ বিষয়ে সম্যকভাৱে জানিবলৈ হ'লে বেদান্তৰ সম্পৰ্কে জানিব লাগিব। শংকৰদেৱে ভগৱৎ গীতাৰ পৰা 'একশৰণ', মত্তাগৱৎ পুৰাণৰ পৰা 'ভকত' আৰু 'ভক্তি' সহস্ৰ নামখণ্ড পুৰাণৰ পৰা 'নামধৰ্ম' গ্ৰহণ কৰে। ভক্তিবাদৰ দাৰ্শনিক




অৱলম্বন হৈছে বেদান্তৰ ধৰ্ম। বেদান্ত দৰ্শনেই বেদান্ত ধৰ্ম। বেদান্তৰ আলোকত তাৰাৰ ধৰ্ম দৰ্শন প্ৰতিষ্ঠিত।

বেদান্ত দৰ্শনৰ মূল গ্ৰন্থ উপনিষদ, ব্ৰহ্মসূত্ৰ আৰু গীতাশাস্ত্ৰ। তিনিখনক একেলগে প্ৰস্থানত্ৰয়ী বোলা হয়। উপনিষদত 'ব্ৰহ্মবাদ' প্ৰতিফলিত হৈছে আৰু উপাস্যদেৱ পৰমব্ৰহ্ম বাদৰায়ণ ব্যাসৰ ব্ৰহ্মসূত্ৰসমূহ প্ৰকাশ পাইছে উত্তৰ মিমাংসা আৰু বেদান্ত সূত্ৰত। বেদান্ত সূত্ৰসমূহক ভিত্তি হিচাপে লৈ আচাৰ্যসকলে ভিন্ন ভিন্ন মত প্ৰকাশ কৰিছে। শংকৰাচাৰ্যই 'অদ্বৈতবাদ' ৰামানুজচাৰ্যই বিশিষ্ট দ্বৈতবাদ, নিম্বাকাচাৰ্যই দ্বৈতাদ্বৈতবাদ, মধ্যাচাৰ্যই দ্বৈতবাদ আৰু বল্লভাচাৰ্যই শুদ্ধদ্বৈতবাদ প্ৰচাৰ কৰিছে। অদ্বৈতবাদ মায়াবাদী আৰু বাকীবোৰ মায়াবাদ বিৰোধী।

শংকৰাচাৰ্যই নিৰাকাৰ ব্ৰহ্মক পূজা কৰে বাবে এওঁ জ্ঞানবাদী আৰু ৰামানুজে ভক্তিবাদকহে গুৰুত্ব দিয়ে বাবে তেওঁ ভক্তিবাদী। অদ্বৈতবাদে এক ভগৱানক মানে আৰু এওঁকে 'মহাপুৰুষ' বোলা হয়। দ্বৈতবাদৰ মতে পুৰুষৰ লগতে প্ৰকৃতিকো ধৰা হয় অৰ্থাৎ যুগল মূৰ্তি। চৈতন্যদেৱে যুগল মূৰ্তিক উপাসনা কৰে; বৃষ্ণিৰ লগত ৰাধা, শিৱৰ লগত দুৰ্গা অৰ্থাৎ ভৈৰব-ভৈৰবীক উপাস্য দেৱ-দেৱী বুলি মানে। শংকৰদেৱৰ উপাস্য 'এক দেৱ, এক সেৱ এক বিনে নাই কেৱ'। অদ্বৈতবাদৰ অন্তৰ্গত মায়াবাদ। ৰামানুজে ভক্তিবাদৰ লগত ৰহস্যবাদক সংযুক্ত কৰিছে।

শংকৰদেৱে বেদান্ত সূত্ৰৰ ভাষ্য প্ৰয়োজনবোধ নকৰি কেৱল ভাগৱতকেই ভাষ্য হিচাপে গ্ৰহণ কৰিছিল; কিয়নো ভাগৱত সমস্ত বেদান্তৰ সাৰ—

'অখিল শ্ৰুতি সাৰম' বা 'সৰ্ব্বৱেদান্ত সাৰং হি ভাগৱতমুষ্যতে।"

মাধৱদেৱেও বাদৰায়ণ সূত্ৰৰ প্ৰতি লক্ষ্য নকৰি উপনিষদৰ প্ৰতিহে লক্ষ্য কৰিছিল। গুৰুজনে জনগণক আধ্যাত্মিক শান্ত্বনা দিবলৈ আৰু তেওঁলোকৰ সামাজিক উন্নতিৰ বাবেহে ধৰ্ম প্ৰচাৰ কৰিছিল; সেইবাবে তাৰাই গধুৰ দাৰ্শনিক তত্ত্ববোৰ জনসাধাৰণৰ সহজ বোধগম্য নহ'ব বুলি ভাবি সেইবোৰ বাদ দিছিল। মত্তাগৱত সৰ্ববেদান্ত নিৰ্যাস আৰু ভাগৱত গীতা সৰ্ব উপনিষদৰ সাৰ। সেইবাবে গুৰুজনাই শ্ৰীধৰ স্বমীৰ 'ভাগৱত-ভাবাৰ্থ দীপিকা'ৰ ওপৰতহে নিৰ্ভৰ কৰিছিল। তাৰাৰ প্ৰচাৰিত একশৰণ হৰিনাম ধৰ্মক ভগৱত ধৰ্মও বোলা হয়।

(৩) **মহাপুৰুষীয়া বা সনাতন ধৰ্ম ঃ** মহাপুৰুষ শংকৰদেৱে প্ৰচাৰ কৰা ধৰ্মক মহাপুৰুষীয়া ধৰ্মও বোলে। মহাপুৰুষীয়া ধৰ্মক সনাতন ধৰ্ম অৰ্থাৎ অতি প্ৰাচীন সত্য ধৰ্ম বা বৈদিক ধৰ্মও বোলা হয়। বিশ্বৰ সকলো ধৰ্মৰ ভিতৰত মহাপুৰুষীয়া ধৰ্মই সৰ্বপ্ৰথম, বাকীবোৰ অৰ্বাচীন। মহাপুৰুষীয়া ধৰ্মৰ মহাপুৰুষজন হৈছে— ঋক্ বেদৰ পুৰুষ সুক্তৰ 'একংসৎ' পৰমব্ৰহ্ম বা পৰমাত্মা পৰমপুৰুষ। প্ৰকৃতি, পুৰুষ আৰু মহাপুৰুষ— তিনিতত্ত্ব; দেহপ্ৰকৃতি বা মায়া, আত্মাপুৰুষ আৰু পৰমাত্মা মহাপুৰুষ (তিনিতত্ত্ব)। নাম-ঘোষাত মাধৱদেৱে কৈছে—

"ক্ষৰ পদে ইটো দেহক বোলয়
অক্ষৰ শবদে ব্ৰহ্ম।
দুইটো কৰি হৰি উত্তম নিমিত্তে
বোলয় পুৰুষোত্তম।।"

গীতাত 'পুৰুষোত্তম' বোলা হয় কৃষ্ণক। প্ৰকৃতি পুৰুষ দুয়ো নিয়ন্তা মাধৱ। সমস্তৱে আত্মা হৰি পৰম বান্ধৱ।" "পুৰুষ সহিতে সখিত্ব কৰিয়া চলয় হৰিৰ কাছে।" (নাম-ঘোষা)। মহাপুৰুষীয়া ধৰ্ম অতি প্ৰাচীন, সনাতন, চিৰন্তন। সকলো ধৰ্ম অৰ্থাৎ খ্ৰীষ্টান, বৌদ্ধ, ইছলাম, জৈন আদি ধৰ্মৰ সাৰ ইয়াৰ বুকুত বিৰাজমান অৰ্থাৎ এই ধৰ্মৰ লগত উল্লিখিত ধৰ্মৰ বিৰোধ নাই। এই ধৰ্মৰ সাৰতত্ত্ব হৈছে— একশৰণ। বহুশৰণ, জড়বাদ, মায়াবাদ আদিৰ এই ধৰ্মত স্থান নাই। মহাপুৰুষীয়া ধৰ্মই যুগধৰ্মক মানিবলৈ কয়। এক ঈশ্বৰত কায়-বাক্য-মনেৰে শৰণ লৈ সত্য, শৌচ, ক্ষমা, দয়া, শ্ৰদ্ধা, চেনেহ, সদ্ব্যৱহাৰ, দান, পৰোপকাৰ, অহিংসা, সহানুভূতিশীলতা, ঈশ্বৰত একান্ত ভকতি আদি এই ধৰ্মৰ মূলমন্ত্ৰ। গুৰুজনৰ প্ৰচাৰিত একশৰণ হৰিনাম ধৰ্ম মহাপুৰুষীয়া ধৰ্মৰ নামান্তৰ।

(৪) **শংকৰদেৱক দাৰ্শনিক দৃষ্টিভংগী অনুসৰি নামধৰ্ম বা ভাগৱত ধৰ্ম বা একশৰণ হৰিনাম ধৰ্মৰ মূলতত্ত্ব ঃ** তাৰাই গীতা, ভাগৱত, পদ্মপুৰাণ, বেদ-বেদান্ত, উপনিষদ, ৰামায়ণ, মহাভাৰত, শ্ৰুতি-স্মৃতি আদি নিগম শাস্ত্ৰৰ সাৰ সংগ্ৰহ কৰি তাত নিজস্ব দৰ্শনৰ মত মিলাই প্ৰৱৰ্তন কৰা একশৰণ হৰিনাম ধৰ্মৰ মূল তত্ত্বসমূহ হৈছে—

১। এক ভগৱান কৃষ্ণ পৰম উপাস্যদেৱ আৰু সেই 'একমেৱা দ্বিতীয়মনত কায়-মন-বাক্যে একান্ত শৰণ লোৱা।
২। কৰ্মৰ বিভীষিকা দূৰীকৰণ, কৰ্মকাণ্ডত বিশ্বাসহীনতা
৩। ভক্তিৰ শ্ৰেষ্ঠত্ব; ভক্তিমাৰ্গৰ শ্ৰেষ্ঠতা; শ্ৰৱণ-কীৰ্ত্তন-স্মৰণ ভক্তিৰ প্ৰাধান্যতা
৪। জীৱনৰ অস্থায়ীত্ব ধন-জন-যৌৱন-সংসাৰৰ অসাৰতা
৫। বিষয়-বাসনা, সম্ভোগ ত্যাগ
৬। বেদৰ সাৰতত্ত্ব হৰিনামৰ শ্ৰেষ্ঠত্ব
৭। দেৱ-দেৱীৰ পূজা-সেৱা, প্ৰসাদ, মূৰ্তি পৰিত্যাগ
৮। দৈৱকী নন্দন কৃষ্ণৰ দাসানুদাস হৈ কৃপা প্ৰাৰ্থনা
৯। ভকতৰ শ্ৰেষ্ঠত্ব আৰু ভকতৰ সঙ্গত হৰিভক্তি
১০। ভকতেই ভগৱান, ভকত আৰু ভগৱানৰ অভিন্নতা
১১। নামঘৰেই বৈকুণ্ঠ, গুৰু আসনৰ শ্ৰেষ্ঠত্ব
১২। প্ৰাণী সেৱা, মানৱ সেৱা, মানৱতাবোধৰ প্ৰাধান্য
১৩। জাতি-উপজাতিৰ মাজত সমন্বয় সাধন আৰু অস্পৃশ্যতা বৰ্জন
১৪। অন্য ধৰ্মক নিন্দা নকৰা আৰু অন্য ধৰ্মক বিদ্বেষ নকৰা, কিন্তু নিজ ধৰ্মৰ প্ৰতি অলৰ-অচৰ ভাব
১৫। ৰাগীয়াল দ্ৰব্য পৰিত্যাগ, তন্ত্ৰ-মন্ত্ৰ ত্যাগ, লোকাচাৰ ত্যাগ, সদাচাৰ গ্ৰহণ
১৬। জ্যোতিষৰ প্ৰতি অনাস্থা আৰু জ্যোতি বিজ্ঞানৰ মতত অবিৰোধ
১৭। সাহিত্য, ভাওনা, নৃত্য, চিত্ৰকলাৰ প্ৰতি আকৃষ্ট হোৱা আৰু সত্য-শিৱ-সুন্দৰৰ চৰ্চা কৰা, নন্দন তত্ত্বৰ প্ৰতি আগ্ৰহ
১৮। ভগৱন্ত কৃষ্ণৰ লীলা-অৱতাৰৰ প্ৰতি নিজে আকৃষ্ট হোৱাৰ উপৰি আন সকলোকে আকৃষ্ট কৰা
১৯। তাৰাৰ আপ্তবাক্য—

"এক কৃষ্ণদেৱ কৰিয়োক সেৱ
ধৰিয়ো তাহান নাম।
কৃষ্ণ দাস হুয়া প্ৰসাদ ভুঞ্জিয়া
হস্তে কৰা তান কাম।।"

২০। পদ্ম-পত্ৰত লাগি থকা জলৰ দৰে সংসাৰত থাকিয়ো সংসাৰত নিৰ্লিপ্ত হৈ থকা সাংসাৰী ভক্ত— তাৰাৰ বৈজ্ঞানিক দৃষ্টিভংগী। আদি...।।

তাৰাই প্ৰচাৰ কৰা পৰম পবিত্ৰ নিৰ্মল ভাগৱত ধৰ্মত বৈজ্ঞানিক দৃষ্টিভংগী প্ৰবাহমান হৈ আহিছে। জ্ঞানতকৈ শ্ৰেষ্ঠ বিজ্ঞান, বিজ্ঞানতকৈ শ্ৰেষ্ঠ আধ্যাত্ম-বিজ্ঞান (Spiritual Science); ইয়াত যুক্তি আছে তথ্য নাই। দৰ্শন শাস্ত্ৰ আধ্যাত্ম বিজ্ঞানৰ চাবি-কাঠি; বিজ্ঞান-দৰ্শন দুয়োটাৰ বাবে প্ৰয়োজন— চিন্তাশীল মনৰ। যুক্তিনিষ্ঠাৰে সত্যান্বেষণ কৰা মনৰ গতিকে বৈজ্ঞানিক দৃষ্টিভংগী বোলে, যিটো মহাপুৰুষ শংকৰদেৱৰ নামধৰ্মৰ চালিকাশক্তি।□□

# মহাতীৰ্থ ঃ অসম

(২ পৃষ্ঠাৰ পৰা)

ছয়শ বছৰ ৰাজত্ব কৰাৰ পিছত ১৮২৬ চনত আহোম সাম্ৰাজ্য বৃটিশৰ অধীনলৈ যায়।

অসমৰ আৰ্যগোষ্ঠীৰ লোকসকলক প্ৰধানকৈ হিন্দু আৰু মুছলমান এই দুটা প্ৰধান ভাগত ভাগ কৰিব পাৰি। তেওঁলোক ঘাঁইকৈ ককেছীয় গোষ্ঠীৰ লোক। আৰ্য হিন্দুসকলক আকৌ ব্ৰাহ্মণ আৰু অব্ৰাহ্মণ এই দুটা প্ৰধান ভাগত ভাগ কৰিব পাৰি। কিন্তু ভাৰতৰ অন্য ৰাজ্যত থকাৰ দৰে অসমত অস্পৃশ্যতা আৰু জাতিভেদ প্ৰথাৰ প্ৰকোপ সিমান প্ৰবল নহয়। মহান সমাজ সংস্কাৰক মহাপুৰুষ শঙ্কৰদেৱে পঞ্চদশ-ষোড়শ শতিকাত প্ৰচাৰ কৰা উদাৰ নৱ-বৈষ্ণৱ ধৰ্মৰ ফলতো এনে হ'ব পাৰে। অসমৰ মুছলমান সম্প্ৰদায়ৰ লোকসকলক তিনি ভাগত ভগাব পাৰি— এক, বিভিন্ন সময়ত অসম আক্ৰমণৰ কাৰণে মোগল সেনাধ্যক্ষসকলৰ লগত অহা মুছলমান সৈনিকসকলৰ অসমত ৰৈ যোৱা সৈনিকসকলৰ বংশধৰসকল, দুই, অসমলৈ অহা প্ৰব্ৰজনকাৰী মুছলমানসকল আৰু তিনি, স্থানীয়ভাৱে ধৰ্মান্তৰিত মুছলমানসকল। অসমৰ হিন্দু আৰু মুছলমানসকলৰ মাজৰ ভাষিক আৰু সাংস্কৃতিক ঐক্য মন কৰিবলগীয়া। তদুপৰি দুয়োটা সম্প্ৰদায়ৰ লোকে যুগ যুগ ধৰি অসমত একেটা পৰিয়ালৰ লোকৰ দৰে মিলা-প্ৰীতিৰে বাস কৰি আহিছে। হিন্দু-মুছলমানৰ এনে মিলা-প্ৰীতি ভাৰতৰ আন ঠাইত পোৱা নাযায়। অসমত ইছলাম ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে সপ্তদশ শতিকাত বাগ্‌দাদৰ পৰা অসমলৈ অহা হজৰত আজান পীৰ আৰু অন্যান্য পীৰসকলৰ ইছলামী-অসমীয়া ভক্তিমূলক জিকিৰ গীতসমূহৰ অৱদানো এই ক্ষেত্ৰত কম নহয়। দৰাচলতে, অসমীয়া ভাষাত ৰচিত এই সুৰীয়া জিকিৰ গীতসমূহে অসমত হিন্দু-মুছলমানৰ ঐক্য-সম্প্ৰীতিৰ সেতু নিৰ্মাণ কৰি আহিছে।

১৮২৬ চনৰ পৰা অসমত বৃটিশৰ শাসন আৰম্ভ হোৱাৰ পিছত অসমত অলেখ চাহ বাগিছা খোলা হয়। বৰ্তমান অসমত ছয়শৰো অধিক চাহ বাগিছা আছে। এই বাগিছাসমূহত কাম কৰিবৰ কাৰণে অনেক বনুৱাৰ প্ৰয়োজন হ'ল। সেয়ে, বাগিছাৰ মালিকসকলে উৰিষ্যা, বিহাৰ, মধ্যপ্ৰদেশ আদিৰ পৰা হাজাৰ হাজাৰ বনুৱা অসমলৈ আনিলে। বিভিন্ন জনজাতিৰ এই লোকসকলৰ নিজা নিজা ভাষিক আৰু সাংস্কৃতিক বৈশিষ্ট্য আছিল। যুগ যুগ ধৰি অসমত থাকোতে এই বনুৱাসকলে অসমীয়া ভাষা আৰু সংস্কৃতি গ্ৰহণ কৰি অসমীয়া সমাজৰ লগত মিলি গ'ল। তেওঁলোকৰ ভাষা-সংস্কৃতিৰ অনেক সমল অসমীয়া ভাষা-সংস্কৃতিৰ মাজতো সোমাই পৰিল। স্বাধীনতাৰ আগৰ পৰাই আৰু পিছতো ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা বেঙ্গলী, বিহাৰী, উৰিয়া, মাৰোৱাৰী, শিখ, মাৰাঠী, নেপালী আৰু দক্ষিণ ভাৰতীয় লোক চামে চামে অসমলৈ আহি ইয়াত থাকিবলৈ লয়। এইদৰে অসমত বসবাস কৰা বিভিন্ন জাতি গোষ্ঠীৰ লোকৰ মহামিলনত গঢ়ি উঠিছে বৈচিত্ৰ্যপূৰ্ণ অসমীয়া জাতি, অসমীয়া সংস্কৃতি।

প্ৰত্নতাত্বিক অধ্যয়ন আৰু প্ৰাচীন মহাকাব্য, পুৰাণ আদিৰ পৰা প্ৰাচীন কামৰূপ-অসমৰ বিষয়ে অনেক কথা জানিব পৰা যায়। প্ৰাপ্ত তথ্যৰ পৰা জনা যায় যে দানৱ (অসুৰ) বংশৰ ৰজা মহীৰঙ্গ দানৱৰ বংশধৰ ঘটকক বধ কৰি নৰকাসুৰ কামৰূপৰ অধিপতি হৈছিল। মহাভাৰতত উল্লেখ আছে যে নৰকাসুৰৰ পুত্ৰ ভগদত্তই কুৰুক্ষেত্ৰ যুদ্ধত কৌৰৱৰ ফলীয়া হৈ যুদ্ধ কৰি বিশেষ বীৰত্ব প্ৰদৰ্শন কৰিছিল। বৰ্মনৰ বংশৰ ৰজাসকলে কেইবা শতিকা ধৰি কামৰূপত ৰাজত্ব কৰাৰ বৰ্ণনা পোৱা যায়। বৰ্মন বংশৰ সৰ্বশ্ৰেষ্ঠ ৰজা ভাস্কৰ বৰ্মনে সপ্তম শতিকাত কামৰূপত ৰাজত্ব কৰিছিল। তেওঁ ৰজা হৰ্ষবৰ্দ্ধনৰ সমসাময়িক আৰু তেওঁৰ বন্ধু আছিল। বৰ্মন বংশৰ পিছত পাল আৰু শালস্তম্ভ বংশৰ ৰজাসকলে কামৰূপত ৰাজত্ব কৰিছিল। কামৰূপৰ বিভিন্ন অঞ্চলত বিভিন্ন সময়ত মৰাণ, কছাৰী, চুতীয়া, কছাৰী, জয়ন্তীয়া, কোচ আদি ৰজাসকলে ৰাজত্ব কৰিছিল। কোচ ৰাজ্য যথেষ্ট বিশাল আছিল আৰু এই ৰাজ্যই অসমৰ দৰং, কামৰূপ, গোৱালপাৰা আদি কেইখাকনো জিলা আৰু বাংলাদেশৰ কিছু অংশ সামৰি লৈছিল। কিন্তু আহোমসকলে প্ৰায় সমস্ত অসম উপত্যকাত তেওঁলোকৰ ৰাজ্য বিস্তাৰ কৰি ১৮২৬ চনলৈকে একেৰাহে ৬০০ বছৰ কাল ৰাজত্ব কৰি অভিলেখ সৃষ্টি কৰিছিল। তেওঁলোকে অসমৰ স্থানীয় ভাষা, ধৰ্ম আৰু সংস্কৃতি গ্ৰহণ কৰি এক বৃহৎ অসমীয়া জাতিৰ নিৰ্মাণত সৰ্বশ্ৰেষ্ঠ ভূমিকা গ্ৰহণ কৰিছিল।

অসমীয়া ভাষাৰ মূল হৈছে সংস্কৃত ভাষা। সপ্তম শতিকামানৰ পৰা সংস্কৃতৰ মাগধী প্ৰাকৃতৰ পৰা (কোনো কোনো পণ্ডিতৰ মতে কামৰূপী প্ৰাকৃতৰ পৰা) অসমীয়া ভাষাই নিজস্ব বৈশিষ্ট্য লৈ গঢ় ল'বলৈ ধৰে। সপ্তম শতিকাৰ আদি ভাগত কামৰূপলৈ অহা চীন পৰিব্ৰাজক হিউৱেন চাঙে তেওঁৰ টোকাত উল্লেখ কৰিছে যে সেই সময়ৰ কামৰূপৰ ভাষা মধ্য ভাৰতৰ ভাষাতকৈ অলপ বেলেগ। অসমীয়া ভাষাৰ সৰ্বপ্ৰাচীন নিদৰ্শন চৰ্যাপদসমূহত (১০ম শতিকা) পোৱা যায়। চৰ্যাপদসমূহৰ ৰচয়িতাসকলৰ ভিতৰৰ ৪জন কবি কামৰূপৰ বুলি জনা যায়। চতুৰ্দশ শতিকাৰ কবি মাধৱ কন্দলিয়ে কৰা বাল্মীকি ৰামায়ণৰ অসমীয়া অনুবাদেই প্ৰকৃত অসমীয়া ভাষাৰ ৰূপ দাঙি ধৰিছে। উল্লেখযোগ্য যে মাধৱ কন্দলিৰ ৰামায়ণৰ অনুবাদটোৱেই সকলো ভাৰতীয় ভাষাৰ ভিতৰত বাল্মীকি ৰামায়ণৰ প্ৰথম অনুবাদ। অসমীয়া ভাষা সংস্কৃত মূলৰ পৰা উৎপত্তি হ'লেও অসমৰ স্থানীয় জাতি-জনজাতিসকলৰ ভাষাৰ বিবিধ উপাদানেৰে পুষ্ট হৈ এটা স্বকীয় বৈশিষ্ট্যৰে সমৃদ্ধ ভাষাৰূপে গঢ় লৈ উঠিছে।

ষোড়শ শতিকাত নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ হাতত পুৰণি অসমীয়া সাহিত্যই সৰ্বাঙ্গসুন্দৰ ৰূপত বিকশিত হয়। তেওঁলোকৰ সমসাময়িক আৰু অনুজ কবি ৰাম সৰস্বতী, অনন্ত কন্দলি, ভট্টদেৱ, মনকৰ, দুৰ্গাবৰ, ৰামচৰণ ঠাকুৰ আদি অলেখ কবি-সাহিত্যিকৰ হাতত অসমীয়া সাহিত্যই পত্ৰে-পুষ্পে জাতিষ্কাৰ হৈ উঠে। ৰামায়ণ, মহাভাৰত, গীতা, ভাগৱত, পদ্মপুৰাণ আদি পুথিৰ অনুবাদৰ উপৰি অলেখ কাব্য, নাটক, প্ৰকৰণ গ্ৰন্থ, গদ্য ৰচনা, গীত, পদ, টোটয়, ভটিমা আদিৰে অসমীয়া সাহিত্য জকমকাই উঠে। শঙ্কৰদেৱৰ অংকীয়া নাটসমূহ সকলো আধুনিক ভাৰতীয় ভাষাৰ ভিতৰতে প্ৰথম নাটক বুলি জনা যায়। সেইদৰে ভট্টদেৱৰ কথা-গীতা আৰু কথা-ভাগৱত সকলো আধুনিক ভাৰতীয় ভাষাৰ ভিতৰতে প্ৰথম গদ্য ৰচনা। এই কালছোৱাকে অসমীয়া সাহিত্যৰ 'স্বৰ্ণ যুগ' বুলি কোৱা হয়। অসমীয়া সাহিত্যৰ শ্ৰীবৃদ্ধি আৰু বিকাশত কোচ আৰু আহোম ৰজাসকলৰ পৃষ্ঠপোষকতা বিশেষভাৱে উল্লেখ কৰিবলগীয়া। তথ্য আৰু নিৰ্ভৰ যোগ্যতাৰ ফালৰ পৰা আহোম যুগৰ বুৰঞ্জী পুথিবিলাক ভাৰতৰ ভিতৰতে অনন্য। এনে তথ্যভিত্তিক বুৰঞ্জী পুথি সমকালীন আন কোনো ভাৰতীয় ভাষাতে পোৱা নাযায়। বৃটিশ যুগত খৃষ্টীয়ান মিছনেৰীসকলে প্ৰকাশ কৰা 'অৰুণোদয়' কাকতৰ (১৮৪৬-১৮৮৩) পাততে আধুনিক অসমীয়া সাহিত্যৰ শুভাৰম্ভ হয়। তাৰ পিছত গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা, ভোলানাথ দাস, ৰমাকান্ত চৌধুৰী আদি আৰু পিছৰ বেজবৰুৱা, চন্দ্ৰ কুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী প্ৰমুখ্যে জোনাকী যুগৰ সাৰথিসকলৰ হাতত আধুনিক অসমীয়া সাহিত্যই প্ৰাণ পাই উঠে। সাম্প্ৰতিক অসমীয়া সাহিত্য সকলো দিশৰ পৰা ভাৰতৰ আন যি কোনো ভাষাৰ সাহিত্যৰ সৈতে সমানে ফেৰ মাৰিব পৰা বিধৰ।

পুৰণি কালত কামৰূপ অসম তন্ত্ৰ-মন্ত্ৰৰ দেশ বুলি জনাজাত আছিল। প্ৰাচীন কালৰ পৰা গুৱাহাটীৰ কামাখ্যা মন্দিৰ আৰু শদিয়াৰ কেচাইখাতী মন্দিৰ শক্তিপূজাৰ প্ৰধান কেন্দ্ৰ হিচাপে বিখ্যাত। অসমত শিৱ পূজাৰো যথেষ্ট প্ৰচলন প্ৰাচীন কালৰ পৰাই আছে। অসমত থকা পুৰণি শিৱ মন্দিৰবোৰেই তাৰ প্ৰমাণ। হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ, উত্তৰ লখিমপুৰৰ বাসুদেৱ থান আদিৰ পৰা পুৰণি অসমৰ বিষ্ণু পূজাৰ কথা জানিব পাৰিব। অসমত প্ৰচলিত বৌদ্ধধৰ্মৰো অনেক সম্ভেদ পোৱা যায়। উজনি অসমৰ টাই-ফাকে, টাই-খামটি আদি জনজাতিৰ লোকসকল প্ৰাচীন বৌদ্ধধৰ্মৰ নিষ্ঠাবান উপাসক। অসমত থকা খ্ৰীষ্টান, শিখ, জৈন আদি অন্যান্য ধৰ্মৰ লোকসকলেও সুকলমে নিজ নিজ ধৰ্ম পালন কৰি আহিছে। কেইবা শতিকা ধৰি অসমত বসবাস কৰা মুছলমানসকলেও জাকজমকতাৰে নিজৰ ধৰ্ম পালন কৰি আহিছে। হাজোৰ পোৱামক্কা ইছলাম ধৰ্মৰ এখন বিখ্যাত পীঠস্থান। সপ্তদশ শতিকাত আজান পীৰ আৰু তেওঁৰ সহযোগীসকলে প্ৰচাৰ কৰা উদাৰপন্থী ইছলাম ধৰ্মই অসমত হিন্দু-মুছলমানৰ সম্পৰ্ক অধিক মধুৰ আৰু কটকটীয়া কৰিছে।

কিন্তু পঞ্চদশ-ষোড়শ শতিকাত মহাপুৰুষ শঙ্কৰদেৱে অসমত প্ৰচাৰ কৰা নৱ-বৈষ্ণৱ ভক্তিধৰ্মই অসমৰ জাতীয় জীৱনত এক বৈপ্লৱিক পৰিৱৰ্তনৰ সূচনা কৰিলে। তেওঁৰ ধৰ্মক উদাৰতা, সৰলতা, অস্পৃশ্যতা আৰু জাতিভেদত গুৰুত্বহীনতা, সৰ্বমানৱৰ সমানতা আৰু মানবীয় মূল্যবোধত গুৰুত্ব আদি গুণবোৰে সকলো জাতি-সম্প্ৰদায়ৰ লোকক তেওঁৰ ধৰ্মলৈ টানি আনিলে। শঙ্কৰদেৱে আৰু তেওঁৰ প্ৰধান শিষ্য মাধৱদেৱ প্ৰমুখ্যে অনেকজন বৈষ্ণৱ কবি-সাহিত্যিকে এই ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে ৰচনা কৰা অলেখ গীত, পদ, কাব্য, নাটকে অসমীয়া সাহিত্যৰো সৌধ-নিৰ্মাণ কৰিলে। ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যেই নিৰ্মাণ কৰা নামঘৰবোৰে অসমীয়া সমাজ জীৱনলৈ বহুমুখী অৱদান আগবঢ়াই আহিছে। এই নামঘৰবোৰ একাধাৰে প্ৰাৰ্থনা গৃহ, গাঁৱলীয়া মেল-মিটিঙৰ স্থান, পুথি ভঁৰাল, কুটিৰ শিল্পৰ কেন্দ্ৰ, বিচাৰালয়, নাট-অভিনয়ৰ স্থান, বিবিধ সাংস্কৃতিক চৰ্চাৰ কেন্দ্ৰ আদি নানা কাৰ্য সমাধা কৰি অসমীয়া গাঁৱলীয়া সমাজৰ স্নায়ুকেন্দ্ৰ হৈ আহিছে। অসমত বৰ্তমান ত্ৰিশ হাজাৰৰো অধিক নামঘৰ আছে। জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে গাঁৱৰ সকলো লোকে একেলগে বহি নাম-কীৰ্ত্তন কৰিব পৰা এই নামঘৰবোৰে অসমত সমন্বয়ৰ মহাসেতু নিৰ্মাণ কৰি আহিছে। নামঘৰৰ সামাজিক ভূমিকা সম্পৰ্কে ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলি আহমদে দিয়া মন্তব্য প্ৰণিধানযোগ্য। তেওঁ কৈছিল— "The Namghars, the most important institution which Sankaradeva gave to Assam, reflects not only the catholicity of his outlook but also embodies in it the spirit of democracy and socialism. The Namghars were set up as a central religious institution of the village and their doors were open to all irrespective of caste and creed, race and religion. In course of time they became the nerve centres of the village and galvanized and co-ordinated the entire gamut of social, cultural, economic and political life of the Assamese people. Even today the Namghars wield a tremendous influence on the cultural community life of the Assamese people. Sankaradeva tried to bring about a synthesis in his creed and ceaselessly worked for integration of the diverse elements and forces prevalent at that time." (১৯৭৬ চনত নতুন দিল্লীত দিয়া ভাষণৰ পৰা)

অসমৰ সকলো জাতি গোষ্ঠীৰে নিজা নিজা উৎসৱ-পাৰ্বণ আৰু ধৰ্মীয় অনুষ্ঠান আছে। কিন্তু অসমৰ বিহু উৎসৱ সকলো জনগোষ্ঠীৰে উমৈহতীয়া উৎসৱ। প্ৰকৃতি আৰু কৃষিৰ লগত জড়িত এই উৎসৱ সম্পূৰ্ণ ধৰ্ম-নিৰপেক্ষ উৎসৱ। নৃত্য-গীত প্ৰধান এই উৎসৱত সকলো ধৰ্মৰ আৰু সকলো জাতি-গোষ্ঠীৰ লোকে সমানে ভাগ ল'ব পাৰে। অসমৰ কৃষিজীৱী মানুহে এসময়ত গাঁৱত পতা এই বিহু উৎসৱ আজিকালি সকলো নগৰ চহৰতে বিহু সন্মিলনী ৰূপে পতা হয়। এনে ধৰ্ম-নিৰপেক্ষ আৰু সাৰ্বজনীন উৎসৱ ভাৰতত আন ক'তো পাবলৈ নাই। অসমৰ ঐক্য-সংহতিত এই বিহু উৎসৱৰ অৱদানো কম নহয়। অসমৰ প্ৰধান ভাষা অসমীয়া, যদিও পূৰ্ব ভাৰতৰ সকলো লোকৰে মাতৃভাষা নহয়, তথাপি অসমীয়া ভাষাই এই অঞ্চলৰ সকলো লোকৰে সংযোগী ভাষা (Lingua franca) হিচাপে যুগ যুগ ধৰি সমন্বয়ৰ সেতু নিৰ্মাণ কৰি আহিছে। তদুপৰি, বেহা-বেপাৰ আৰু সম্পদ বিনিময়ৰ ক্ষেত্ৰতো অসমে পূৰ্ব ভাৰতৰ সকলো জনগোষ্ঠীৰ মাজতে সংযোগ স্থাপন কৰি আহিছে। এইদৰে ধৰ্মীয়, ভাষিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু বিশেষকৈ আবেগিক ঐক্যৰ ধাৰক আৰু বাহক হিচাপে অসম সংহতি সমন্বয়ৰ মহাতীৰ্থত পৰিণত হৈছে।❑❑

## শোকবাৰ্তা

**কাৰ্বিআংলং ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ কাৰ্বিআংলং, জিলাৰ হাওৰাঘাট নগৰ প্ৰাথমিক শাখাৰ একান্ত সঙ্গী শ্ৰীধৰণী বৰা বাপৰ যোৱা ২১/০১/২০১৪ তাৰিখ মঙ্গলবাৰে ৭৯ বছৰ বয়সত স্বাস্থ্যজনিত কাৰণত বৈকুণ্ঠগামী হয়। তেখেত প্ৰাথমিক, আঞ্চলিক, জিলা শাখাৰ সদস্য, মূল সঙ্ঘৰ সদস্য থকাৰ উপৰি কাৰ্বিআংলং, জিলা স্বায়ত্ত শাসিত পৰিষদৰো সদস্য আছিল। তেখেতৰ বিয়োগত জিলাখনে এজন এজন সুদক্ষ সাংগঠনিক নেতা হেৰুৱালে। মৃত্যুৰ সময়ত তেখেতে আইগৰাকীৰ স'তে ২ জন পুত্ৰ, বোৱাৰী, জী আৰু কেইবাটিও নাতি-নাতিনী ইহসংসাৰত এৰি থৈ যায়।◆



# জিলাৰ বাৰ্ষিক অধিৱেশন

## শিৱসাগৰ জিলা

**শিৱসাগৰ ঃ** একশৰণ হৰিনাম ধৰ্মৰ প্ৰচাৰৰ মাধ্যমেৰে সমগ্ৰ অসমৰ ৩৪টা জাতিক সামাজিকভাৱে আধ্যাত্মিক ভাৱৰ মহামন্ত্ৰ প্ৰদান কৰি এক ঐক্য সম্প্ৰীতিৰ বান্ধোনেৰে নিকপকপীয়া কৰি তোলা গুৰুজনাৰ আদৰ্শ প্ৰচাৰ-প্ৰসাৰ কৰিবলৈ যাওঁতে স্বাৰ্থান্বেষী লোকসকলৰ স্বাৰ্থপূৰণৰ বাবে প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগা হৈছে— শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ শিৱসাগৰ জিলা শাখাৰ ৬১ সংখ্যক বাৰ্ষিক অধিৱেশনৰ তৃতীয় দিনা মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ পদাধিকাৰ ৰজনীকান্ত দত্তবাপে এইদৰে কয়।

সোণালী বৰ্ষ অতিক্ৰম কৰি এক দুৰ্বাৰ বৰ্ণিল গতিৰে আগবঢ়া শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ এখন অনন্য জিলা শাখা শিৱসাগৰ জিলা শাখাৰ ৬১ সংখ্যক বাৰ্ষিক অধিৱেশনভাগি হাঁহচৰা আঞ্চলিক শাখাৰ শলগুৰিয়া গাঁৱৰ নামঘৰ প্ৰাঙ্গন— বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া আতা সমন্বয় ক্ষেত্ৰত তিনিদিনীয়াকৈ যোৱা ১৭, ১৮, ১৯ জানুৱাৰী তাৰিখে অনুষ্ঠিত হৈ যায়। এই উদ্দেশ্যে ১৭ জানুৱাৰী পুৱা ৯ বজাত আৰম্ভ হোৱা জিলা শাখাৰ অন্তিমখন কাৰ্যনিৰ্বাহকৰ পাছতে দিনৰ ১১ বজাত অনুষ্ঠিত হয় শিশু, যুৱ আৰু আই-মাতৃ সমাৰোহভাগি। শিশু আৰু আই-মাতৃ শাখাৰ সভানেত্ৰী দীপালী নেওগ বৰুৱা আইৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনি উদ্বোধন কৰে প্ৰাক্তন সভানেত্ৰী নিত্যপ্ৰিয়া হাজৰিকা আইয়ে। নিৰ্দিষ্ট বক্তা হিচাপে নিমন্ত্ৰণ কৰা লখিমপুৰৰ বীণা বৰা আইয়ে সাৱলীল বক্তব্যৰে আই-মাতৃসকল উদ্বুদ্ধ কৰি তোলে। শিশু বক্তা হিচাপে দেৱাশীষ দুৱৰা বাপে বক্তব্য প্ৰদান কৰে। কেন্দ্ৰীয় সেৱাবাহিনীৰ মুখ্য অধিনায়ক অঞ্জন সাধনিদাৰ বাপ যুৱবক্তা হিচাপে উপস্থিত থাকি সেৱক-সেৱিকা হিচাপে নিজৰ সন্তানক লৈ গৌৰান্বিত হ'বলৈ আহ্বান জনায় কয় যে— সাম্প্ৰতিক সময়ত যুৱ প্ৰজন্মক মানুহ কৰি গঢ়ি তোলাটো এক প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিছে, এই সময়ত নৈতিক আৰু আধ্যাত্মিক শিক্ষাৰে পুষ্ট কৰি প্ৰতিজন সন্তানক সমাজৰ বাবে সৎ নাগৰিক হিচাপে গঢ়ি তোলাটো প্ৰতিজন অভিভাৱকৰ দায়িত্ব বুলি উল্লেখ কৰে। বিয়লি ৪টা বজাত অনুষ্ঠিত হয় সেৱাবাহিনীৰ সাধাৰণ পৰিষদ। উল্লেখনীয় যে শিৱসাগৰ জিলা সেৱাবাহিনীক নেতৃত্ব দিয়া প্ৰথমজন জিলাধিনায়ক অচ্যুত কুমাৰ নাথ প্ৰাক্তন উপ-মুখ্যঅধিনায়ক, দ্বিতীয় প্ৰাক্তন মুখ্য অধিনায়ক আনন্দ কুমাৰ বৰা, তৃতীয় বৰ্তমানৰ মুখ্যঅধিনায়ক অঞ্জন সাধনিদাৰ, চতুৰ্থজন বাসুদেৱ শইকীয়া আৰু বৰ্তমানৰ জিলাধিনায়ক প্ৰণৱ কুমাৰ নাথ বাপ সাধাৰণ পৰিষদত উপস্থিত থাকি জিলা শাখাৰ সেৱক-সেৱিকাসকলক অনুপ্ৰাণিত কৰি তোলে। সন্ধিয়া ৭ বজাত শলগুৰীয়া গাঁৱৰ ভোগেশ্বৰ চাংমাই বাপে তেখেতৰ প্ৰয়াত পিতৃ তিলেশ্বৰ চাংমাই আৰু মাতৃ তিলেশ্বৰী চাংমাইৰ সোঁৱৰণত দান কৰা স্থায়ী ৰঙ্গমঞ্চভাগি উদ্বোধন কৰি পদাধিকাৰ ৰজনীকান্ত দত্তবাপে দাতা ভোগেশ্বৰ চাংমাইবাপৰ পৰিয়ালটিৰ এই বদন্যতাক ভূয়সী প্ৰশংসা কৰে। ৰাতি ৭.৩০ বজাত অনুষ্ঠিত হোৱা প্ৰতিনিধি সভাখনি উদ্বোধন কৰে মূলৰ সদস্য প্ৰাদ শইকীয়া বাপে। ৮ বজাৰ পৰা অনুষ্ঠিত হোৱা প্ৰয়াত কিৰণ শইকীয়া সোঁৱৰণী সাংস্কৃতিক অনুষ্ঠানভাগি উন্মোচন কৰে শিৱসাগৰ শংকৰী সঙ্গীত বিদ্যালয়ৰ অধ্যক্ষ মহেন্দ্ৰ কটকীবাপে।

১৮ জানুৱাৰী পুৱা ৯ বজাত প্ৰায় সহস্ৰাধিক ভকত-বৈষ্ণৱ সেৱক-সেৱিকাৰ উপস্থিতি জিলা সভাপতি কিৰণ বৰদলৈ বাপে ধৰ্মধ্বজা উত্তলন কৰি কাৰ্যসূচীৰ পাতনি মেলে। ইয়াৰ পাছতে এটি আকৰ্ষণীয় ভাগৱত শোভাযাত্ৰা উলিয়াই সমগ্ৰ অঞ্চল পৰিভ্ৰমণ কৰি হৰিনামৰ ধ্বনিৰে বিটৌত কৰি তোলে। ১০ বজাত সাহিত্য শাখাৰ সভাপতি সভাৰাম ভৰালীদেৱৰ সভাপতিত্বত অনুষ্ঠিত হোৱা গ্ৰন্থ উন্মোচনী সভাত, অধিৱেশন উপলক্ষে পৰমা চুতীয়াৰ সম্পাদনাত প্ৰকাশ পোৱা স্মৃতিগ্ৰন্থ 'কৃপাধন্য' উন্মোচন কৰি শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ যুটীয়া সম্পাদক আনন্দ কুমাৰ বৰাবাপে গুৰুজনাৰ সাহিত্য চৰ্চাইহে সঁচা অৰ্থত মানুহ গঢ় দিব পাৰে আৰু এই চৰ্চাৰ জুইশাল স্বৰূপ অধিৱেশন উপলক্ষে প্ৰকাশ পোৱা স্মৃতিগ্ৰন্থবোৰ বুলি মত প্ৰকাশ কৰে। দিনৰ ১১ বজাৰ পৰা সভাপতি কিৰণ বৰদলৈদেৱৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সাহিত্য আৰু সংস্কৃতি শাখাৰ যুটীয়া সন্মিলনখন উদ্বোধন কৰে জিলা শিক্ষা শাখাৰ সম্পাদক অচ্যুত কৃষ্ণ নাথবাপে। মুখ্য অতিথিৰ আসন অলংকৃত কৰে শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি ড° প্ৰদীপ হাজৰিকাদেৱে। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে শংকৰী সংস্কৃতি সুবাসৰ সম্পাদক ফণী হাজৰিকা বাপ আৰু ডেকাগিৰীৰ সম্পাদক ড° মিলন নেওগ বাপ। সাম্প্ৰতিক সময়ৰ বহু শিক্ষিত গৱেষক যুৱ প্ৰজন্মই সভা সমিতিত অংশগ্ৰহণ কৰাটো সময়ৰ অপব্যৱহাৰ বুলি ভাৱে বুলি মন্তব্য প্ৰদান কৰে ড° নেওগ বাপে। ডিব্ৰুগড় অসামৰিক চিকিৎসা মহাবিদ্যালয়ৰ মেডিচিন বিভাগৰ অধ্যাপক ডাঃ ড° ৰতন কুমাৰ কটকীদেৱে বিশিষ্ট অতিথি হিচাপে ভাষণ দিয়ে। এই সভাতেই প্ৰয়াত জিলা শাখাৰ এজন একনিষ্ঠ সেৱক হেমদত্ত সোঁৱৰণি বঁটা আৰু আন এজন নিষ্ঠাবান সঙ্গী, নামঘোষাৰ এক অনন্য দখল থকা পণ্ডিত প্ৰয়াত অমৰেন্দ্ৰ নেওগ ন্যাস বঁটা প্ৰদান কৰা হয়। দ্বিতীয় দিনাৰ ৰাতি প্ৰয়াত প্ৰেমানন্দ বৰা সোঁৱৰণি সাংস্কৃতিক অনুষ্ঠানভাগি উদ্বোধন কৰে জিলা সাংস্কৃতিক শাখাৰ প্ৰাক্তন সভাপতি মোহন বৰুৱাবাপে। ১৯ তাৰিখে পুৱা ১০ বজাত জিলা সভাপতি বাপৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখনি উদ্বোধন কৰে শৰণ সদস্য ৰমা সাধনিদাৰবাপে। সদৌ অসম ছাত্ৰ সন্থাৰ সন্মানীয় সম্পাদক তপন গগৈদেৱ বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি অসমৰ দুয়োখন বিশ্ববিদ্যালয়ত শ্ৰীমন্ত শংকৰদেৱৰ আসন নথকাটো অসমবাসীৰ বাবেই লজ্জাজনক বুলি মন পোষণ কৰে। মুখ্য অতিথি হিচাপে আসন অলংকৃত কৰা পদাধিকাৰ ৰজনীকান্ত দত্তবাপে জগত সভাত শ্ৰীমন্ত শংকৰদেৱক প্ৰতিষ্ঠা কৰাত সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ উল্লেখ কৰে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা আন এজন সুবক্তা লখিমপুৰ জিলাৰ চন্দন কোঁৱৰবাপে এক তত্ত্বগধুৰ ভাষণেৰে সকলোকে আপ্লুত কৰি তোলে। উল্লেখযোগ্য যে পৰৱৰ্তী অধিৱেশন নিমন্ত্ৰণ কৰা শিৱসাগৰ আঞ্চলিক শাখাৰ সম্পাদকৰ হাতত আদৰণি সমিতিৰ সভাপতি জয়ৰাম চাংমাই আৰু সম্পাদক জয়কৃষ্ণ চুতীয়া প্ৰমুখ্যে আঞ্চলিক শাখাৰ বিষয়ববীয়াসকলে ধৰ্মধ্বজাভাগি প্ৰদান কৰে। জিলা শাখাৰ ৬১ বছৰীয়া ইতিহাসত এক অনন্য সুন্দৰ অধিৱেশন অনুষ্ঠিত কৰা হাঁহচৰা আঞ্চলিক শাখা আৰু আদৰণি সমিতিৰ সমূহ বিষয়ববীয়া সদস্যলৈ জিলা শাখাৰ তৰফৰ পৰা কৃতজ্ঞতা সেৱা নিবেদন কৰি জিলা শাখাৰ সম্পাদক অপূৰ্ব কুমাৰ দত্ত বাপে শলাগৰ শৰাই আগবঢ়ায় আৰু তিনিদিনীয়া কাৰ্যসূচীৰ যৱনিকা পেলোৱা হয়।

প্ৰতিবেদক— অঞ্জন সাধনিদাৰ

## ওদালগুৰি জিলা

**ওদালগুৰি ঃ** শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘ, ওদালগুৰি জিলা শাখাৰ নৱম বাৰ্ষিক অধিৱেশনভাগি যোৱা ১৮, ১৯ জানুৱাৰী, ২০১৪ তাৰিখে দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ওদালগুৰি নগৰ শংকৰ-মাধৱ প্ৰাথমিক শাখাৰ নামঘৰ প্ৰাঙ্গনত অনুষ্ঠিত হৈ যায়। ১৮ জানুৱাৰীৰ ৰাতিপুৱা বন্তি প্ৰজ্বলন, প্ৰাতঃপ্ৰসঙ্গ, নাম-প্ৰসঙ্গৰ পিছত ১০.০০ বজাত মূল তোৰণ উন্মোচন কৰে দেৱদত্ত হাজৰিকা বাপে। পৰৱৰ্তী পৰ্যায়ত প্ৰতিনিধি শিৱিৰ বিপিন বৈশ্যবাপে উন্মোচন কৰে। দুপৰীয়া ২.০০ বজাৰ পৰা শিশু আৰু আই-মাতৃ কল্যাণ সমিতিৰ ওদালগুৰি জিলা শাখাৰ সভানেত্ৰী হৰিপ্ৰিয়া কোঁৱৰ আইৰ সঞ্চালনাত অনুষ্ঠিত হোৱা শিশু আৰু আই-মাতৃ কল্যাণ শাখা সমিতি আৰু সেৱাবাহিনীৰ সাধাৰণ পৰিষদখনি উদ্বোধন কৰে জিলা সম্পাদক লক্ষেশ্বৰ ডেকাবাপে। নিৰ্দিষ্ট বক্তা হিচাপে কেন্দ্ৰীয় সেৱাবাহিনীৰ সচিব দীপজ্যোতি চহৰীয়াবাপে বৰ্তমান উচ্ছৃংখল যুৱ সমাজৰ মাজত সেৱাবাহিনীৰ সেৱক-সেৱিকাৰ ব্যতিক্ৰমী জীৱন-ধাৰণৰ সম্পৰ্কে অৱগত কৰে। সভাখনিত জিলাধিনায়ক মিণ্টু নাথ, শিশু আৰু আই-মাতৃ কল্যাণ শাখাৰ জিলা সম্পাদিকা ৰীণা দাস আইৰ লগতে কইবাগৰাকীও বাপ-আই উপস্থিত থাকে। সন্ধিয়া ৬.০০ বজাত জিলা সভাপতি অনিল মেধি বাপৰ সভাপতিত্বত অনুষ্ঠিত হোৱা প্ৰতিনিধি সভাখনি উদ্বোধন কৰে নাৰায়ণ ডেকা বাপে। সন্ধিয়া ৮.০০ বজাত কিৰণ নাথ বাপে উদ্বোধন কৰা সাংস্কৃতিক সন্ধিয়াত জিলা শাখাৰ শিল্পীসকলে বৰগীত, কৃষ্ণ নৃত্য, দিহানাম পৰিৱেশন কৰি শংকৰী সংস্কৃতিৰ এক সুন্দৰ বাতাৱৰণ সৃষ্টি কৰে।

অধিৱেশনৰ দ্বিতীয় দিনা ৰাতিপুৱা জিলা সভাপতি অনিল মেধিবাপে ধৰ্মধ্বজা উত্তোলন কৰাৰ পাছতেই ওদালগুৰি টাউনৰ মাজেৰে আকৰ্ষণীয় ভাগৱত শোভাযাত্ৰা উলিওৱা হয়। দুপৰীয়া ১২ বজাৰ পৰা জিলা সভাপতি অনিল মেধি বাপৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাখনি উদ্বোধন কৰে মূলৰ সদস্য বিৰিঞ্চি কুমাৰ বৰা বাপে। শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ যুটীয়া সম্পাদক আনন্দ কুমাৰ বৰা বাপে নিৰ্দিষ্ট বক্তাৰ ভাষণত শ্ৰীমন্ত শংকৰদেৱৰ সঙ্ঘই গ্ৰহণ কৰা বিশ্ববিদ্যালয়, আৰ্থিক বিকাশ সমিতি প্ৰমুখ্যে অভিলাষী আঁচনিসমূহৰ বিস্তৃত বিৱৰণ দাঙি ধৰে। মুখ্য অতিথিৰ ভাষণত জিলা উপায়ুক্ত থানেশ্বৰ মালাকাৰ বাপে শ্ৰীমন্ত শংকৰদেৱৰ সঙ্ঘই অসমীয়া সমাজ জীৱনত আগবঢ়োৱা বৰঙণিক ভূয়সী প্ৰশংসা কৰে। সভাত আই-মাতৃ বক্তা হিচাপে নিলীমা ৰাভা, যুৱ বক্তা বনদীপা মেধি, পলাশ শিৰম আৰু শিশু বক্তা নয়মণি ডেকাবাপেও ভাষণ প্ৰদান কৰে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ওদালগুৰি জিলা সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সম্পাদক দ্বিজেন বায়ন, ধৰ্মগ্ৰন্থ অনুবাদক দেৱৰাজ সাপকোটা আৰু বিশিষ্ট সমাজকৰ্মী ক্ষিতেশ্বৰ শৰ্মা। প্ৰণিধানযোগ্য যে ওদালগুৰি জিলাৰ পৰৱৰ্তী অধিৱেশনভাগি ৰৌতা প্ৰাথমিক শাখাত অনুষ্ঠিত হ'ব।

## কাৰ্বিআংলং জিলা

**কাৰ্বিআংলং ঃ** যোৱা ১৮ আৰু ১৯ জানুৱাৰীত শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘ কাৰ্বিআংলং জিলা শাখাৰ ৪৮ সংখ্যক বাৰ্ষিক অধিৱেশনখনি চেলাৰ আঞ্চলিক শাখাত অনুষ্ঠিত হৈ যায়। কাৰ্যসূচী অনুসৰি ১৮ জানুৱাৰীৰ পুৱা পৰিৱেশ নিকাকৰণ কৰা হয়। পুৱা ৯ বজাত সেৱাবাহিনী আৰু শিশু আৰু আই-মাতৃ কল্যাণ শাখা সমিতিৰ যুটীয়া সাধাৰণ পৰিষদ, ১১ বজাত সাহিত্য শাখাৰ মুকলি অধিৱেশন। বিয়লি ১ বজাত সংস্কৃতি শাখাৰ মুকলি অধিৱেশন, ৩.৩০ বজাত প্ৰাথমক, আঞ্চলিক শাখাৰ সভাপতি-সম্পাদক, সন্মিলন। সন্মিলনত জিলা শাখাৰ বাৰ্ষিক আলোচনী 'নামাকৃত'ভাগি উন্মোচন কৰা হয়। বিয়লি ৪ বজাত প্ৰতিনিধিৰ নাম পঞ্জীয়ন, ৫ বজাত নগাঁও প্ৰগতি সঙ্ঘৰ দ্বাৰা দিহানাম প্ৰদৰ্শন, ৬.৩০ বজাত প্ৰতিনিধি শিৱিৰ দ্বাৰ উন্মোচন আৰু নিশা ৭ বজাত প্ৰতিনিধি সভা আৰম্ভ হয়।

১৯ জানুৱাৰীৰ পুৱা ৮ বজাত পতাকা উত্তোলন কৰে উপ-সভাপতি মদন বৰাই। ৯ বজাত ভাগৱত ভ্ৰমণ আৰু বিভিন্ন জনগোষ্ঠীৰ সাংস্কৃতিক শোভাযাত্ৰা। দিনৰ ১১ বজাত অনুষ্ঠিত মুকলি সভ উদ্বোধন কৰে শৰণ সদস্য ভুবনেশ্বৰ ঠাকুৰীয়াই। উপ-সভাপতি মদন বৰাবাপৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত লাংহিন ভি.ডি.চি.ৰ অধ্যক্ষ জৱাহৰলাল বসুমতাৰী উপস্থিত থাকি সাৰগৰ্ভ ভাষণ প্ৰদান কৰে। সন্মানীয় অতিথিৰ আসনৰ পৰা লাংহিন পামগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ভূপেন চন্দ্ৰ নাৰ্জাৰীবাপেও তত্ত্বমূল ভাষণ আগবঢ়ায়। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ সাহিত্য শাখাৰ সভাপতি কৈলাস দাস বাপ আৰু যুৱবক্তা হিচাবে নগাঁও মণ্ডলৰ সমন্বয়ক দিব্যজ্যোতি বৰুৱা উপস্থিত থাকে। শিশুবক্তাদ্বয় বদতি বৰা আৰু মূৰ্চনা বৰাই সুন্দৰ ভাষণ প্ৰদান কৰে। মুকলি সভাৰ সমূহ কাৰ্যসূচীৰ আঁত ধৰে জিলা সম্পাদক মাধৱ বৰাবাপে। বিয়লি ৫ বজাত পতাকা সম্বৰণেৰে ৪৮ সংখ্যক বাৰ্ষিক অধিৱেশনৰ সফল সামৰণী পৰে।◆

## শোকবাৰ্তা

**লখিমপুৰ ঃ** যোৱা ০৩/১২/২০১৩ তাৰিখে শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘ, লালুক নাওবৈছা আঞ্চলিক শাখাৰ অন্তৰ্গত ফুলবাৰী কমলপুৰ প্ৰাথমিক শাখাৰ সঙ্গী অম্বুৰাম দত্ত বাপজনাৰ বৈকুণ্ঠগামী হয়। প্ৰাণ প্ৰয়াণৰ সময়ত তাৰাই নিজ সহধৰ্মিনী আৰু ২জন পুত্ৰ-বোৱাৰী আৰু নাতি-নাতিনী ইহসংসাৰত এৰি থৈ গৈছে। তাৰাৰ মৃত্যুত কমলপুৰ প্ৰাথমিকৰ লগতে বহুতো বাপ-আইয়ে শোকত ম্ৰিয়মান হৈ পৰিছে।◆



# বিগত মাহৰ কেইটিমান মুহূৰ্তৰ আলোক-চিত্ৰ





শিৱসাগৰ জিলাৰ অধিৱেশনত ভাষণৰত অৱস্থাত পদাধিকাৰ ৰজনীকান্ত দত্ত আৰু সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক তপন গগৈ



ৰৌতা প্ৰাথমিকত অনুষ্ঠিত দিহানাম কৰ্মশালাৰ এটি মূহূৰ্ত

## দৰং জিলা মহলীয়াপাৰাত অনুষ্ঠিত অঙ্কীয়া ভাওনা অভিলেখৰ কিছু মুহূৰ্ত

















দৰং জিলা মহলীয়াপাৰাত অনুষ্ঠিত বৰতাল পৰিৱেশন অভিলেখৰ এটি মুহূৰ্ত

## প্ৰেম গঙ্গাৰ সিপাৰেদি

**(ৰূপান্তৰৰ শিল্পীসকলৰ হাতত)**

**ৰজনীকান্ত দত্ত, পদাধিকাৰ**
**শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

মই এখন মঞ্চ বিচাৰিছোঁ
মঞ্চ— আলোক সন্ধানী মনৰ,
পোহৰৰ সুতীব্ৰ ৰেখাৰে আলোকিত এই মঞ্চ।
জীৱন আৰু জোনাকৰ সন্ধানত উদ্ভাসিত এজাক হৰিণা;
সিহঁতৰ খোজৰ গন্ধত উন্মত্ত ৰক্ত পিপাসু।
ভয়াৰ্ত জীৱনৰ পদূলিমুখত উন্মুক্ত নঙলা।
সন্ধিয়া সন্ধিয়া লগা জীৱনৰ গোন্ধ,
ৰান্ধনী ৰ'দৰ চন্দ্ৰতাপৰ তলত তুমি আৰু মই।
মোক এখন আকাশ লাগে
কবিতাৰ ধকধকীয়া পাখিৰে ঢকা,
আহ্নিৰ উল্কাসৰা নিটোল আকাশ।
মোক এখন মঞ্চ লাগে
কবিতাৰ ছন্দভৰা হিল্লোলিত আকাশী মঞ্চ।
মই তাত আকণ্ঠ নিমজ্জিত হ'ম
প্ৰাণ আৰু প্ৰাচুৰ্যৰ দেউকা কোবাই।
এইখন মঞ্চত দিগন্তৰ সিপাৰেদি
উৰি উৰি গুচি যাব নীড়মুখী
হাজাৰ হংসৰ মুকুতিৰ স্বপ্ন।
মোৰ কবিতাৰ ইতিহাৰ প্ৰতিখিলা পাতে
তোমালৈ কঢ়িয়াই আনিব
প্ৰেয়সীৰ ঘিলা চকলীয়া খোপাৰ আকলুৱা সুৱাস।
কবিতাৰ প্ৰতিটো শব্দ চয়নত
ধ্বনিত হ'ব—
মন ময়ূৰীৰ পেখমত জিলিকি উঠা ওঁঠৰ
উমাল খৰিকাজাই।
ঘৃণা-জিঘাংসাৰে ভৰা ভয়াৰ্ত পৃথিৱীখন
জ্বলি জ্বলি নিঃশেষ হ'ব এমুঠি ছাঁই।
কবিতাৰ এবুকু কথনাৰ সুতীব্ৰ সুঘ্ৰাণত
সাৰ বাপ জীৱনৰ প্ৰতিটো ঘাট।
এই নদী নিৰবধি গতিকে অক্লান্ত,
দুয়োপাৰৰ প্ৰতি চপৰা মাটি অতিকে আপোন,
প্ৰতিডাল নল, খাগৰি, কঁহুৱাৰ প্ৰেমত বলিয়া।
সন্ধিয়া আকাশে কবিতা বৰষিলে
মোৰ কথাও মনত ৰাখিবা।
গৰ্জন মুখৰ ডাৱৰৰ চপৰা চপৰ খহনীয়াবোৰে
মাটিৰ পৃথিৱীখনক চুৰা কৰিব চাবা।
মোৰ কবিতাত আহাৰৰ প্ৰথম দিনৰ
আৱাহনী মন্ত্ৰ আছে,
মোৰ হিয়াৰ ছন্দত, উৰ্বশী অনুৰাগ আছে।
মেঘ মল্লাৰৰ ৰঞ্জন দৃষ্টিত উদ্ভাসিত
এই কাব্য, এই গাঁথা
অনন্ত, অসীম।
শব্দ আৰু শব্দ
জুই আৰু এই জুইৰ অশনি সংকেত।
এই শক্তিৰ ৰূপান্তৰ ঘটিব উমলৈঃ
এখন নিতে নৱ অনুৰক্তিৰে ভৰা
সৰসী আকাশলৈ।
হে কবি,
ছন্দৰ লগতে মোৰ কথাও মনত ৰাখিবা দেই।◆



## কবিতা

## শিৰে লওঁ চৰণৰ ধূলি

**অঞ্জন সাধনিদাৰ**

বুকুত লৈ প্ৰতিক্ষাৰ মেটমৰা বোজা
অঞ্জন বোলোৱা দুচকুত লৈ উমাল অপেক্ষা
অন্ত পেলাই বিনিদ্ৰ ৰজনী...
ভকতৰ পদৰেণু বুকুত ধিয়াই
প্ৰতিক্ষীত মাকুম পথাৰ আজি
পৰ্যৱসিত শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ সমন্বয় ক্ষেত্ৰলৈ...
নানান ভাষা, বাৰে ৰহণীয়া কৃষ্টিৰ
মিলনভূমি সীমামূৰীয়া তিনিচুকীয়া
মৰাণ-মটকে ৰচে জীৱন গাঁথা
চীনাযুদ্ধৰ জীৱন্ত সাক্ষী অলেখ অসংখ্য
নাই কোনো অসূয়া, ভাষাৰ অন্তৰ
আছে মাথো সকলোৰে অকুণ্ঠচিত্তে
ভকতৰ পদৰেণু চুমী...
মৈমিযাৰণ্যৰ দৰেই মুখে মুখে হৰিনামৰ ধ্বনি
ভকতৰ ভীৰত হেন্দোলিত মাকুম পথাৰ...
সেৱাৰ ৰসেৰে সিক্ত সেৱকৰ
ৰিক্ত হৃদয়...
বৈকুণ্ঠৰ হৰিনাম নিজৱাত বিটৌত আজি
চৌপাশে শাৰী শাৰী ভৰতৰ আলয়
দ্বাৰত ৰখীয়া আজি বৈকুণ্ঠৰ ঈশ্বৰ
সুখ ভোগ মুক্তিক এৰি হেলাৰঙে
ভক্তিৰ অঞ্জলি যাচিছে অকাতৰে...
'বঢ়াৰ-পো'ৰ সেৱাৰ ৰস পান কৰি মনে
বিসর্জিলে সুখ ভোগ ভকতৰ পদে...
আকাশে বতাহে নিনাদিত হৰিনামৰ বোল...
ৰৌদ্ৰ স্ৰোতা অনিৰুদ্ধ ক্ষেত্ৰই
আদৰিছে ভকতক আনন্দ অশ্ৰুৰে...
ভকতৰ তীৰ্থ এইয়া
নাই কোনো ভেদাভেদ ভাব...
আনন্দত উদ্বাওল ভগৱন্ত নিজে
হনুমন্ত্ৰী কাষ্ঠাৰে বিটৌত সেৱক....
অন্তহীন প্ৰতিক্ষাৰ অশ্ৰু
আহিছে ভকত.... মাকুম, তিনিচুকীয়া বুলি
সভক্তিৰে...
হেপাহেৰে...
শিৰে লওঁ চৰণৰ ধূলি ◆



## ভক্তি-প্ৰদীপ

**ফণীধৰ শইকীয়া**

পৰম ব্ৰহ্মৰূপী তুমি নাৰায়ণ
ধৰিছিলা মনুষ্যৰ ৰূপ
তুমিয়েই গুৰু চৈতন্য স্বৰূপ
হাজাৰ যোজনৰ
আন্ধাৰৰ পৰিধি ভেদি
বিলালা জ্ঞানৰ জেউতি
অসম ভূমিত।
আলান্ধ কলিয়া সমাজ ব্যৱস্থাৰ
উচ্চ-নীচ, জাতিভেদ প্ৰথাৰ
কুসংস্কাৰ দূৰলৈ ঠেলি
কুকুৰ শৃগাল আদি সমস্ত প্ৰাণী
এক অভিন্ন আত্মাৰ
জ্ঞান দিলা মহামন্ত্ৰ
একেশ্বৰবাদৰ। ◆

## জয়যাত্ৰা

**চম্পা বৰা**

সুকোমল ধৰিত্ৰৰ বহল বক্ষত
নদীৰ ধীৰ গতি কঁহুৱাৰ চিম্ফনী।
শীতল বায়ুৰ পৰশত
শৰতৰ আগমণি।
শেৱালিৰ সুৱাস চন্দ্ৰমাৰ কিৰণ
নিৰ্মল আকাশ সুশোভিত তৰাগণ
মহাপুৰুষৰ আৱিৰ্ভাৱ মহা-মহোৎসৱ
আদিত ভক্তগণ
মিলন মধুৰ ক্ষণ।
হিয়াৰ মাজে প্ৰকাশে
নিৰবধি ৰসময়ী
কৃষ্ণভক্তিৰ অমৃতধাৰা,
দুষ্কৃতি বিনাশী সংস্কৃতিৰ জয়যাত্ৰা
সাম্যমন্ত্ৰৰ পিন্ধি পুষ্পমালা
পৰে যেন গুৰুৰ আশীষ কৰুণা।
নৈমিষাৰণ্য মহাক্ষেত্ৰে পাতিছে মহামেলা
সত্য সুন্দৰৰ মাথো আৰাধনা
ভ্ৰমিছে তাতে ভকত ভ্ৰমৰ
শিশুৰূপী ধ্ৰুৱ প্ৰাদ।
নদ-নদী তৃণ বৃক্ষ জড় জীৱযত
সমস্ততে দেখে কৃষ্ণময়,
মহাৰঙ্গে সমস্বৰে ঘনে ঘনে উচ্চাৰিত
জয় কৃষ্ণ জয়।◆



## অৰক্ষয়

**(বিষ্ণুপ্ৰসাদ ৰাভাৰ সোঁৰৰণত)**

**নৰেন চন্দ্ৰ বৈশ্য**

অন্তিম নিঃশ্বাস
কাঢ়ি ৰাখিছে তোমাৰ
জনতাৰ হিল্লোলত
অৱন্তি নগৰত
বন্তি জ্বলিব
তুমি দিয়া চাউলকঠাৰ
অন্তৰালত।
মাটি যিমানেই
কমি নাযাওক কিয়
মাটি হ'ব মেহনতী জনগণ।
অঙ্ক-শয়ন এৰি
বজ্ৰ মুমি ট ধৰি
আহিছে ওলাই
শ্ৰম কৰি আইৰ
ৰাখিব সন্মান
বিভীষিকাৰ জয় জয় গান।
বজ্ৰমুষ্টি এতিয়া তোমাৰ
শ্ৰমজীৱী জনতাৰ
হাতত বন্দী
লেতু-সেতু হে তোমাৰ নামত
ফ্লাইঅভাৰখন উচ্চৰ্গিছে
চৰকাৰ আগুৱান হৈ।
ব্ৰঞ্জ কেলেই লাগিছে
জনগণ হ'ব যুগমীয়া
তোমাৰ অৰক্ষয়।◆

# জাতিভেদ প্ৰথা

(৭ পৃষ্ঠাৰ পৰা)

ব্ৰাহ্মণেই ক্ষত্ৰিয়ৰ আনি অৰ্থাৎ জন্মৰ স্থান।

স নৈব ব্যভৱৎ স শৌদ্ৰং বৰ্ণমসৃজত।

—বৃহ. উপনিষদ, ১/৪/৫০/১৩

তেতিয়াও সম্পূৰ্ণ কাৰ্য পৰিচালনা কৰিবলৈ সমৰ্থ নোহোৱাত শূদ্ৰ জাতিৰ সৃষ্টি কৰিলে। আনহাতে মহাভাৰতৰ শান্তি পৰ্বত কৈছে—

"সৰ্বে বৰ্ণা ব্ৰাহ্মণা ব্ৰহ্মজাঃ।"

—৩১৮/৮৯

অৰ্থাৎ ব্ৰাহ্মণৰ পৰা উৎপন্ন হোৱা সকলো বৰ্ণই ব্ৰাহ্মণ। অত্ৰি সংহিতাত গুণ-কৰ্ম অনুযায়ী ব্ৰাহ্মণসকলক দহ ভাগত ভগাইছে—

"দেবো, মুনিৰ্দ্বিজো ৰাজা বৈশ্যঃ শূদ্ৰো নিষাদকঃ।

পশুম্লেচ্ছোহপি চাণ্ডালো বিপ্ৰাঃ দশবিধাঃ স্মৃতাঃ।।"

অৰ্থাৎ নিজ নিজ কৰ্মানুযায়ী ব্ৰাহ্মণসকল দেৱ, মুনি, দ্বিজ, ৰাজা বৈশ্য, শূদ্ৰ, নিষাদ, পশু, ম্লেচ্ছ আৰু চাণ্ডাল— এই দহ শ্ৰেণীত বিভক্ত হৈছে, গুণ-কৰ্মই ইয়াক নিৰ্ণয় কৰে— জন্মই নকৰে। এই ক্ষেত্ৰত ড° ৰাধাকৃষ্ণণে Hinduism নামৰ কিতাপৰ পাতনি লিখোতে উল্লেখ কৰিছে। (১৯৫৫ চন, ১৪ ডিচেম্বৰ)

"নৰ্ত্তকো গৰ্ভসম্ভতো বশিষ্ঠনাম মহৰ্ষিঃ।

তপসা ব্ৰাহ্মণোজাতঃ তস্মাদ্ জাতিৰ্নকাৰণম্।।

চণ্ডালো গৰ্ভসম্ভতো শৰ্ক্তিনাম মহামুনিঃ।

তপসা ব্ৰাহ্মণোজাতঃ তস্মাদ্ জাৰ্তিন কাৰণম্।।

শ্বপাকো গৰ্ভসম্ভূতো পৰাশৰো মহামুনিঃ।

তপসা ব্ৰাহ্মণোজাতঃ তস্মাদ্ জাতিৰ্নকাৰণম্।।

মৎস্যগন্ধাস্তুতনয়ো বিদ্বান্ বজসো মহামুনিঃ।

তপসা ব্ৰাহ্মণোজাতঃ তস্মাদ্ জাতিৰ্নকাৰণম্।।"

অৰ্থাৎ বশিষ্ঠ মুনিৰ মাক এজনী নৰ্তকী, শক্তিৰ মাক এজনী চাণ্ডালিনী, পৰাশৰৰ মাক এজনী ম্লেচ্ছ ৰমণী আৰু ব্যাসৰ আছিল মৎস্যগন্ধা। তেওঁলোকে তপস্যাৰ বলত মহৰ্ষি, মহামুনি বিদ্বান হৈ ব্ৰাহ্মণত্ব লাভ কৰিছিল। সেই কাৰণে জন্ম কেতিয়াও ব্ৰাহ্মণত্বৰ কাৰণ হ'ব নোৱাৰে।

স্মৃতিশাস্ত্ৰসমূহৰ নিৰ্দেশ বেদ, উপনিষদ আদি প্ৰাচীন যুগত যে গৃহীত নহৈছিল তাৰ অসংখ্য প্ৰমাণ পোৱা যায়। মনু সংহিতানুযায়ী অসবৰ্ণ বিবাহোৎপন্ন সন্তানে পিতাকৰ বৰ্ণও নাপায় আৰু মাকৰ বৰ্ণও নাপায়। মনুসংহিতামতে সবৰ্ণ বিবাহৰ ৪, অসবৰ্ণ বিবাহৰ ৬ (অনুলোম) ৬ (প্ৰতিলোম) সৰ্বমুঠ ১৬ প্ৰকাৰ বৰ্ণৰ কথা দেখা যায়। এই ১৬ জাতৰ বাহিৰেও আবৃত্ত, আভীৰ, বিগ্ন, পুৰুশ, কুক্কুটক, শ্বপাক, বেন, ভূৰ্জকণ্টক, বাটধান, অবন্ত্য, পুষ্পধ, পৈখ, মৈত্ৰ, স্বাত্বত, ঝল্ল, মল্ল, নিস্থবি, নট, খস, দ্ৰবিড়, সুধন্বা, কাৰুষ, ৰিজন্মা, সৈৰিন্ধ, মৈত্ৰেয়, মাৰ্থৰ বা দাস আদি নানা জাতৰ উল্লেখ পোৱা যায়। অন্ধ্ৰ আৰু মেদ নামৰ জাতিক গাঁৱৰ বাহিৰত স্থান দিব লাগে বুলি নিৰ্দেনা মনুসংহিতাই দিছে (মনু. ১০/৪৫) চৰ্তবৰ্ণৰ জ্ঞান ভাৰতত ইমান প্ৰসিদ্ধ যে ঘোঁৰা, কুকুৰ, গৰ্ফুন্তিও চাৰি বৰ্ণত বিভক্ত ছৈল। এই ক্ষেত্ৰত স্মৃতিশাস্ত্ৰসমূহ বিশেষভাৱে জগৰীয়া। এই স্মৃতিশাস্ত্ৰসমূহ বিশেষকৈ মনুসংহিতা সম্পৰ্কে ১৯৩০ চনৰ ১৬ অক্টোবৰত মহীশূৰ বিশ্ববিদ্যালয়ত ড° ৰাধাকৃষ্ণণে কৈছিল—

"If Manu were read for practical guidance to-day, it were better for us that Manu had not been born." সৌ সিদিনা মীনাক্ষীপুৰমত পৰীয়া জাতিৰ লোকসকলে উচ্চ হিন্দুৰ অত্যাচাৰত সনাতন ধৰ্ম ত্যাগ কৰিবলগা হ'ল। পৰীয়াসকল ইমানেই অস্পৃশ্য হৈ পৰিছিল যে ৰাতিপুৱা ৯ বজাৰ আগতে আৰু আবেলি ৩ বজাৰ পিছত ৰাস্তাত ফুৰিব নোৱাৰে, কাৰণ এই দুই সময়ত সূৰ্যৰ পোহৰত পৰীয়া লোকসকলৰ ছাঁ দীঘলীয়াকৈ ৰাস্তাত পৰিব আৰু এই ছাঁ গচকিলে উচ্চ হিন্দুসকলে গা-ধুবলৈ বাধ্য হ'ল। ইয়াৰ উৎস বিচাৰিলে মনুসংহিতাই কিছু পৰিমাণে জগৰীয়া হ'ব। কিন্তু আকৌ মনুসংহিতাতে শূদ্ৰ ব্ৰাহ্মম হোৱা বা ব্ৰাহ্মণৰ ঘৰত জন্মি শূদ্ৰ বা অন্য বৰ্ণ হোৱাতো উল্লেখ আছে।

"শূদ্ৰো ব্ৰাহ্মণজমেতি ব্ৰাহ্মণশ্চেতি শূদ্ৰতাম।

ক্ষত্ৰিয়াৰ্জুতমেবন্ত বিদ্যহ বৈশ্য তথৈচ্চ।।"

—১০/৪

শূদ্ৰও ব্ৰাহ্মণ হ'ব পাৰে আৰু ব্ৰাহ্মণও শূদ্ৰ হ'ব পাৰে। অনুৰূপে ক্ষত্ৰিয়, বৈশ্যকুলত জন্মিও (কাৰ্যৰ দ্বাৰা) বৰ্ণান্তৰ হ'ব পাৰে। 'শুক্ৰনীতিসাৰ'ত দেখা যায়—

"ন জাত্যা ব্ৰাহ্মণশ্চাত্ৰ ক্ষত্ৰিয়ো বৈশ্য এব চ।

ন শূদ্ৰো ন বৈ ম্লেচ্ছো ভেদিতা গুণকৰ্ম্মভিঃ।।"

অৰ্থাৎ জন্ম অনুসৰি ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, ম্লেচ্ছ একো নহয়— গুণ-কৰ্ম অনুসৰিহে এইবিলাক বৰ্ণ হয়।

জাতিভেদ প্ৰথা দূৰীকৰণৰ ব্যৱস্থা শাস্ত্ৰসমূহতেই ঘোষিত হৈছে— মাত্ৰ সূক্ষ্মা অধ্যয়নৰ প্ৰয়োজন। ওপৰুৱাকৈ পঢ়িলে শাস্ত্ৰই গোলমাল সৃষ্টি কৰাটো সঁচা যেন লাগে। অৱশ্যে সংহিতাসমূহ ইয়াৰ পৰা দোষমুক্ত নহয়। মুঠতে সামগ্ৰিকভাৱে শাস্ত্ৰসমূহে জন্মস্বত্বত জাতিভেদ সমৰ্থন কৰা নাই। এই ক্ষেত্ৰত এচাম ৰক্ষণশীল ব্যক্তিৰ ভেদনীতি এটা চিন্তনীয় বিষয় হৈ পৰিছে। সকলো ভগৱানৰেই সন্তান; আমি সকলো এজনা বিশ্বপিতাৰ সন্তান। আমি সকলো জন্মতো উলঙ্গ হৈ জন্মিছোঁ; কোনেও বস্ত্ৰ পৰিধান কৰি জন্মা নাই। আমাৰ সকলোৰে তেজৰ ৰং ৰঙা। উচ্চ হিন্দুৰ তেজ ৰঙা, অনুন্নত জাতিৰ লোকৰ তেজ নীলা বা সেউজীয়া নহয়। কিন্তু কালৰ কুটিল গতি আৰু কিছুমান স্বাৰ্থপৰ ব্যক্তিৰ প্ৰভাৱত পৰি আজি আমি সকলোৰে সৰ্বনশীয়া জাতিভেদ প্ৰথাৰ বলি হ'ব লগা হৈছে। জাতিভেদ প্ৰথা দূৰীকৰণৰ কাৰণে ড° ৰাধাকৃষ্ণণে এনেদৰে কৈছিল— "The system of caste and untonchability which we still tolerate and the absurd rites which still prevail in rural areas to be rempved."

অৰ্থ ঃ জাতিভেদ প্ৰথা আৰু অস্পৃশ্যতা প্ৰথা গাঁও অঞ্চলবিলাকত চলি থকা কিছুমান অসম্ভৱ পৰ্ব, আচাৰ যিবিলাকক আমি এতিয়ালৈকে মানি আহিছোঁ সমাজৰ পৰা আঁতৰ কৰিবই লাগিব।

জাতিভেদ প্ৰথাৰ প্ৰাচীৰখন ভঙাৰ আইন কাৰ্যকৰী আৰু নিৰ্ভৰযোগ্য প্ৰণালীটো হ'ল— প্ৰতি লোম বিবাহৰ বহুল প্ৰচাৰ কৰাটো। অৱশ্যে যুদ্ধৰ বাবে যুদ্ধ এই প্ৰক্ৰিয়াৰে কৰিলে ই প্ৰসূ নহ'ব। ইয়াৰ সমাধান উলিয়াব লাগিব ভক্তিৰ উদ্ৰেক ঘটায়। যেতিয়া অন্তৰত ভক্তিৰ উদ্ৰেক হ'ব, যেতিয়া মানুহে মানুহক বুজি পাব তেতিয়াই প্ৰতিলোম বিবাহৰ প্ৰচলন অকৃত্ৰিম হ'ব আৰু জাতিভেদ প্ৰথা দূৰীকৰণ হ'ব। এই ক্ষেত্ৰত মহাপুৰুষ গুৰুজনাই সকলো তথাকথিত জাতিৰ পৰা বিভিন্ন শিষ্য গ্ৰহণ কৰি যি চানেকি দি থৈ গৈছে সি অতুলনীয়। গুৰুজনাই তাহানিতেই এই প্ৰথাৰ দূৰীকৰণৰ সুব্যৱস্থা কৰি থৈ গৈছে। মহাপুৰুষৰ কলম নিগৰিত বাণী হ'ল—

"কিৰাট কছাৰী খাচী গাৰো মিৰি
যৱন কঙ্ক গোৱাল।
আসান মুলুক ধোৱা যে তুৰুক
কুবাচ ম্লেচ্ছ চাণ্ডাল।।
আনো পাপী নৰ কৃষ্ণ সেৱকৰ
সঙ্গত পৱিত্ৰ হয়।
ভকতি কৰিয়া সংসাৰ তৰিয়া
বৈকুণ্ঠে সুখে চলয়।।"

মহাপুৰুষে পঞ্চদশ ষোড়শ শতিকাতে কৃষ্ণভক্তি প্ৰচাৰ কৰি বৃহৎ মানৱ সমাজ গঢ়াৰ যি প্ৰচেষ্টা হাতত লৈছিল— সেই প্ৰচেষ্টা চিৰন্তন হৈ ৰ'ব। আহক, আমি আটায়ে ভগৱন্তক প্ৰাৰ্থনা কৰো যেন আমাক এখন শোষণীয়, জাতিভেদ প্ৰথা ৰহিত আৰু অস্পৃশ্যতা বঞ্চিত নিকা মানৱ সমাজ গঢ়িবলৈ প্ৰেৰণা দিয়ে।◆

# নিমি-নৱসিদ্ধ সংবাদ

*(১৫ পৃষ্ঠাৰ পৰা)*

পৰম সুহৃদ, নিজৰ প্ৰাণ নিচিনা। হে ৰজা নিমি, তেওঁকে ব্ৰহ্ম বুলি কয়। ব্ৰহ্মতেই নাৰায়ণ তত্ত্ব আৰু সকলোৰে হৃদয়ত তেওঁ আছে আৰু বিশেষকৈ তুমি নিজকে ঈশ্বৰৰ পৰা ভিন্ন বুলি নাভাবিবা।

"নিৰ্ম্মল মনত হোৱে আত্মা পৰিচয়।
তেৰেসে কৃষ্ণত দৃঢ় ভক্তি ওপজয়।।
কৰ্ম্ম যোগতেসে হোৱে ভক্তিৰ উদয়।
হেনয় মনত ৰাজা কৰিবা নিশ্চয়।।"

নিজৰ মন নিৰ্মল হ'লেহে নিজৰ পৰিচয় বুজিব পাৰি আৰু তেতিয়াহে কৃষ্ণত ভকতি ওপজে। কিন্তু কৰ্মযোগতহে ভক্তিৰ উদয় হয়। ৰাজা এই কথা নিশ্চয়কৈ মনত ৰাখিবা। প্ৰকৃততে বেদৰ বাণী পৰম গহীন তত্ত্বকথা শুনিলে মহাজ্ঞানীৰো ভ্ৰম দূৰ হয়।

কৰ্ম-অকৰ্ম আৰু বিকৰ্মৰ সম্বন্ধে কোৱা হৈছে যে— যুক্তিমতে যিটো কৰা উচিত সেইটোৱে কৰ্ম, যুক্তিয়ে যিটো নিষেধ কৰে সেইটো অকৰ্ম আৰু যুক্তিৰ মতে নকৰি অন্যভাৱে কৰিলে সেইটো বিকৰ্ম হয়, এই তিনিবিধৰ প্ৰত্যেককেহে ৰজা, তোমাক কোৱা হয়।

এতেকে বিকৰ্ম, অকৰ্ম, কৰ্ম— এই তিনিবিধ কৰ্ম। কিন্তু বেদৰ মতে দেশত চলিত বিলাক বা লৌকিকবিলাক নহয়, যাক বেদ বুলি কোৱা হয় সেৱা সাক্ষাত ঈশ্বৰ। অৰ্থাৎ সম্পূৰ্ণ সত্য। বেদ ঈশ্বৰৰ পৰাই জন্ম হৈছে। অৰ্থাৎ আচল সত্য জ্ঞানেই বেদ।

যাৰ যেনেকুৱা ৰুচি সেইমতেই কৰ্ম ফল পায়। সিদ্ধি লাভ কৰিব হ'লে, কামনা ত্যাগ কৰি নিজকে ঈশ্বৰত অৰ্পণ কৰিব লাগে।

নিমি ৰজাৰ প্ৰশ্নৰ উত্তৰত দ্ৰুমিল সিদ্ধই ক'লে— ঈশ্বৰ কৃষ্ণৰ জন্ম কৰ্ম শতকোটি জন্মতো কেৱে কৈ অন্ত কৰিব নোৱাৰে। আনকি যিজন জগতৰ ঈশ্বৰ তেওঁ নিজেও নিজৰ ঐশ্বৰ্য-বিভূতিৰ সীমা নাপায়।

দানৱবিলাকৰ ইন্দ্ৰ আৰু জগতৰ পৰম দুৰ্জন শত্ৰু হিৰণ্যকশিপুৱে দেৱতাসকলৰ সৰ্বস্ব হৰণ কৰিলে আৰু সেই নিষ্ফলটোৱে দেৱতাসকলৰ ভাল ভাল স্ত্ৰীবিলাকক হৰণ কৰি নিলে। দেৱতাবিলাকে ভয়ত থাকিবলৈ ঠাই নোপোৱা হ'ল। সেয়ে দেৱতাবিলাকে কৃষ্ণত শৰণ ল'লে। তেতিয়া প্ৰভু কৃষ্ণই নৰসিংহৰূপে দেৱতাবিলাকক অভয় দান কৰিলে আৰু নখেৰে হিৰণ্যকশিপুৰ হিয়া বিদাৰি পেলালে।

ভকত বৎসল কৃষ্ণদেৱক ভক্তসকলে স্মৰণ কৰাৰ লগে লগে প্ৰভুৱে মহা মহা উৎপাতবোৰ খণ্ডন কৰে।

ৰাৱণে জগতৰ অপকাৰ কৰা দেখি দেৱতাসকলৰ হাহাকাৰ লাগিলত ঈশ্বৰে দশৰথৰ ঘৰত ৰাম নামেৰে জন্ম লৈ ৰাৱণক সবংশে মাৰি দেৱতাসকলক ৰক্ষা কৰিলে আৰু দহ হাজাৰ বছৰ অযোধ্যাত ৰাজত্ব কৰিলে। ৰাম হ'ল অন্যায়, অধৰ্ম ধ্বংস কৰা এটা জ্ঞানৰ তত্ত্বহে। ইয়াৰ পিছত দৈত্যবোৰ পৃথিৱীৰ মহাভাৰ হ'ব আৰু প্ৰভু ভগৱন্তই দৈৱকীৰ গৰ্ভত জন্ম ল'বহি। প্ৰভু নাৰায়ণে সংকৰ্ষণক লৈ যজুকুলত জন্ম ল'বহি আৰু সময়ত পুতনাক শোষণ কৰি মাৰিব। তৃণাৱৰ্ত, কেশী, কংস, চানুৰ আদিক নিধন কৰিব, কংসক বধি উগ্ৰসেনক ৰজা পাতিব। নৰক, পৌণ্ড্ৰক, শাল্ব, শিশুপাল আদি ধৰ্মৰ বিৰোধীসকলকো নাশ কৰিব। শেষত সাগৰৰ পানীত দ্বাৰকা নিৰ্মল কৰি যোগৰ বলত মথুৰাৰ প্ৰজাবোৰক তালৈ লৈ যাব। যদুবংশৰে সৈতে তেওঁ তাত হৰিষ মনেৰে ৰাজ্য ভোগ কৰিব আৰু কৃষ্ণ মহীষী হ'ব যোল্ল হাজাৰ, প্ৰত্যেক গৰাকী বাৰজনকৈ পুত্ৰ হ'ব। তেওঁলোকৰ পুত্ৰ নাতি আদি অপাৰ হ'ব আৰু ভকতসকলৰ দুৰ্গতি খণ্ডন হ'ব। পিছত কৃষ্ণই নিজ যশ পৃথিৱীত থৈ নিজ বংশক সংহাৰ কৰি বৈকুণ্ঠলৈ যাবগৈ। তাৰ পিছত বুদ্ধ অৱতাৰ হ'ব আৰু অনেক পাষণ্ড শাস্ত্ৰ প্ৰচাৰ কৰিব। ক্ৰমশঃ হৰি ভকতি তত্ত্ব নজনাৰ কাৰণে সকলো মনুষ্য অসুৰ স্বভাৱৰ হ'ব। মানুহবোৰ ভ্ৰান্ত হৈ ভকতিক ধিক্কাৰ কৰিব। আনকি মানুহে নিজৰ হিত অহিত চিন্তা নকৰিব। ঈশ্বৰত অৱহেলা কৰি নাশ হ'ব। ম্লেচ্ছ বা অধ্যাত্ম তত্ত্ব নজনা মানুহবোৰ পৃথিৱীৰ মালিক বা ৰজা হ'ব। প্ৰজাবিলাকৰ সুখ-দুখ একো বিচাৰ নাথাকিব। ধৰ্মপথ লুপ্ত হ'বলৈ ধৰিব। গতিকে সেইবোৰ দেখি ঈশ্বৰৰ বৰ খং উঠিব আৰু কলিৰ শেষত কল্কীৰূপে অৱতাৰ হৈ দুৰ্জন নৃপতিবোৰক বিনাশ কৰিব। পিছত ঈশ্বৰে ভকত বা ঈশ্বৰ তত্ত্ব জনা জ্ঞানীসকলক আশ্বাস দিব আৰু তাৰপিছত সত্য যুগৰ প্ৰৱৰ্তন হ'ব। গতিকে সাধুজনে যত্ন কৰি হৰিক ভজনা কৰক। কাৰণ হৰিয়েই হৈছে মানুহৰ পিতৃ-মাতৃ তথা প্ৰকৃত বন্ধু। নৱসিদ্ধই নিমি ৰজাক ক'লে—

"নকৰিবা ভয় পৰলোকত যমক।
কি কৰিবে যমে যাৰ ঈশ্বৰ ৰক্ষক।।"

গতিকে ভাগৱত শাস্ত্ৰ শুনিব লাগে। একমাত্ৰ ভাগৱত শাস্ত্ৰতেই ঈশ্বৰ তত্ত্ব প্ৰকাশ পাইছে—

"ইটো ভাগৱত সাত দিন শুনি
পৰীক্ষিত পাইলা সিদ্ধি।
হেন জানি যত্নে শুনিয়ো মহন্তে
ইসে ভকতৰ নিধি।।"

ভাগৱত শাস্ত্ৰ সাতদিন শুনি পৰীক্ষিত ৰজাই সিদ্ধি লাভ কৰিলে।❑❑

# নিমি-নৰসিদ্ধ সংবাদ

## সুহাগমণি বৰ্মন

ভৈলা মহাসিদ্ধ তত্ত্বজ্ঞানী নৱজন।
ঈশ্বৰ কৃষ্ণক মাত্ৰ কৰে নিৰূপণ।।
সৰে দিগন্তৰ আত্মা বিদ্যা বিশাৰদ।
তাসম্বাৰ নাম শুনা হুয়া নিশবদ।।"

— ভাগৱত, ২৬

নজন হ'ল মহাসিদ্ধ তত্ত্বদৰ্শী। তেওঁলোকে কেৱল ঈশ্বৰ কৃষ্ণৰ চিন্তাহে কৰে। আটাইকেইজন আত্মলিপ্সাত বিশাৰদ আৰু তেওঁলোক সৰে দিগম্বৰ।

"কবি হৰি অন্তৰীক্ষ চতুৰ্থ প্ৰবুদ্ধ।
অপৰ পিপলায়ন আৰ্বিৰ্হোত্ৰ শুদ্ধ।।
দ্ৰুমিল চমস কৰভাজন নৱম।
এহি নৱসিদ্ধ হৰি ভকত পৰম।।"

— ভাগৱত, ২৭

কবি, হৰি, অন্তৰীক্ষ, প্ৰবুদ্ধ পিপলায়ন, আৰ্বিৰ্হোত্ৰ, দ্ৰুমিল, চমস, কৰ ভাজন— এই নজনা পৰম হৰি ভকত।

তেওঁলোক স্থুল আৰু সূক্ষ্ম ৰূপৰ একোজন নাৰায়ণ সদৃশ। সেই সময়ত নিমি ৰজাই এটি মহাযজ্ঞ পাতি ঋষিসকলৰ সৈতে আনন্দত মগ্ন হৈ আছিল। এনেতে তাত গৈ নৱসিদ্ধই প্ৰৱেশ কৰিলে। নৱসিদ্ধ তালৈ যোৱা দেখি সকলো যজ্ঞস্থানৰ অগ্নিকুণ্ডৰ পৰা ওলাই আহি নৱসিদ্ধক বেঢ়ি ধৰিলেহি। সকলোৰে মন নিৰ্মল হৈ কৃষ্ণ ভক্তিত হৰষিত হ'ল। তেওঁলোকৰ শৰীৰৰ কান্তিয়ে সভাখন প্ৰকাশিত কৰিলে। তেতিয়া নিমি ৰজাই পৰম আনন্দ পাই তেওঁলোকৰ উদ্দেশ্য কি জানিবলৈ ইচ্ছা কৰিলে। তেওঁলোক গোবিন্দৰ পাৰিষদ আৰু এইদৰে ঘূৰি ঘূৰি লোকসকলক পবিত্ৰ কৰি ফুৰিছে, তেতিয়া ৰজাই ভকতসকলক প্ৰণিপাত কৰি সুধিছে—

আত্যান্তিক সুখ কি, ৰহস্য ধৰ্ম কি, ভাগৱত ধৰ্ম কি, ভক্ত বোলে কাক, মায়া কি, কোন উপায়ে তাক তৰিব পাৰে, ব্ৰহ্ম কি, কৰ্মযোগ কাৰ নাম, যোগধৰ্ম কি আৰু অভক্তৰ কেনে গতি— ৰজাই নৱসিদ্ধক এইন-টা প্ৰশ্ন কৰিলে।

ৰজাৰ এই প্ৰশ্ন শুনি সিদ্ধসকলে বৰ প্ৰীতি লাভ কৰিলে আৰু ৰজাক প্ৰশংসা কৰিলে।

প্ৰথমতে কবি সিদ্ধই উত্তৰ দিসে—

"কৃষ্ণ পদ সেৱাতেসে হৰে সবে দুখ।
তাহাক বোলয় ৰাজা আত্যান্তিক সুখ।।

— ভাগৱত, ৪৫

ভাগৱত ধৰ্ম সম্বন্ধে ক'লে—

"পৰম ভকতে যাক নিতে কৰে ৰতি।
সেহি ভাগৱত ধৰ্ম জানিবা নৃপতি।।"

ভাগৱত, ৪৭

মানুহৰ হৃদয় কমলত ঈশ্বৰ কৃষ্ণ আছে। কিন্তু পাপী মানুহবোৰে বিষয়ত বিকল হৈ থকা বাবে সেইটো জানিব নোৱাৰে। বিৰকতি ভকতিতহে মানুহৰ ঈশ্বৰ জ্ঞান লাভ হয়। ভকতসকলে নিজেই সেইটো প্ৰমাণ পায়। বিৰকতি ভকতি কৰিলে বিষয় ব্যাকুলতা দূৰ হয় আৰু কৃষ্ণৰ চৰণ খামুচি ধৰে। এয়ে হ'ল বেদৰ শিৰোৰত্ন ভাগৱত ধৰ্ম।

যিজনে ঈশ্বৰত সমস্ত প্ৰাণীকে দেখিবলৈ পায় আৰু প্ৰাণী সমস্ততো ঈশ্বৰৰ মূৰ্তি দেখে, যিজনে সমস্ত জগতত ঈশ্বৰ ব্যাপ্তি থকা দেখিবলৈ পায়, সেইজনেই মহাভাগৱত। যিজন প্ৰধান ভকত তেওঁ হৰিক অকণো এৰি নিদিয়ে আৰু হৰিয়েও তেওঁক এৰি নিদিয়ে।

ইয়াৰ পিছত মায়া সম্বন্ধে অন্তৰীক্ষ সিদ্ধই ক'লে— আদি-অন্ত নোহোৱা কৃষ্ণই মায়াৰ কাৰণ। তেওঁ জীৱবিলাকৰ বিষয় ভোগৰ কাৰণে পঞ্চভূতেৰে নানা কলেৱৰ জীৱ স্ৰজন কৰি ভূতগণক লগত লৈ মায়া সৃষ্টি কৰিলে। মায়া উপায়ৰ দ্বাৰা অশেষ প্ৰাণী স্ৰজন কৰিলে। ঈশ্বৰে আকৌ তাৰ পৰা নিজকে আঁতৰাই ভূতবিলাকৰ ইন্দ্ৰিয় আৰু মন-প্ৰাণ স্ৰজন কৰিলে।

যিজনে ব্ৰহ্মময় বা জ্ঞানময়, যদিও মাধৱ ভকতিবিহীন তেওঁ পুনৰ আহি প্ৰকৃতিত লীন হয়; ভকতি নকৰিলে ব্ৰহ্মাৰো মুক্তি নাই। সামান্য বিলাকৰ কোনো কথাই নাই। সেয়ে নিজকে সৎ + চিৎ + আনন্দ বা সচ্চিদানন্দ ৰূপে জানিব লাগে। মিছা কথা ক'ব নালাগে। প্ৰাণায়াম কৰি মনক দণ্ড কৰিব লাগে। যত্ন কৰি কৰ্মক দণ্ড কৰিব লাগে। ইন্দ্ৰিয়ক দমন কৰিব লাগে আৰু সত্য বচন ক'ব লাগে। সদায় কাম, ক্ৰোধ, অহংকাৰ ত্যাগ কৰিব লাগে। তেতিয়াই দুৰ্জয় মায়াৰ হাত সাৰিব পৰা যায়।

ব্ৰহ্ম সম্বন্ধে কোৱা হৈছে— ব্ৰহ্ম পৰমাত্মা ভগৱন্ত একেটাই তত্ত্ব। ইয়াৰ লক্ষণবিলাক ভেদ কৰোঁতেহে তিনিটা নাম দিবলগা হৈছে। ইন্দ্ৰিয়বিলাক যাৰ ওচৰ নাপাইগৈ, কথাৰে যাৰ ওচৰ চাপিব নোৱাৰি, মন, বুদ্ধিও যাৰ অগোচৰ— সেয়েই ব্ৰহ্ম। ফিৰিঙতিবিলাক যেনেদৰে জুইৰ পৰা ওলাই যায়, কিন্তু সি জুইত প্ৰকাশিত নহয়হি, সেইদৰে মন, বুদ্ধি আদিও ব্ৰহ্মাতেই উদয় হয়, কিন্তু মায়াত থকা কাৰণে সাক্ষাত বা স্পষ্টভাৱে জানিব নোৱাৰে।

ব্ৰহ্মক বেদেও নিৰূপণ কৰিব পৰা নাই। প্ৰকাৰন্তে ইয়াক নিষেধৰো শেষ বুলিহে কয়। কিন্তু ইয়াৰ বাহিৰে কাৰো একো সিদ্ধিও নহয়। সেই ব্ৰহ্মতত্ত্ব সকলোতে অজ্ঞাত। এতেকে হে নৃপতি, নাৰায়ণক ভকতি কৰিবা। এই তত্ত্বটো যিহেতু কেৱে নাজানে তেন্তে আছে বুলি কেনেকৈ বিশ্বাস কৰিবা। কিন্তু কাৰণ নহ'লে কোনো কাৰ্যৰ উদয় নহয় আৰু সেই সকলোৰে কাৰণে হ'ল ব্ৰহ্ম বা আত্মাৰ শুদ্ধ জ্ঞান। গতিকে সকলো বিলাক কাৰ্যৰ কাৰণে হৈছে প্ৰভু ভগৱান। অৰ্থাৎ সত্যজ্ঞান থাকিলেহে কোনো লোকে মহৎ কামত হাত দিব পাৰে।

সৃষ্টিৰ আদিতে এক ব্ৰহ্মহে আছিল। পিছত জগত হিচাপে প্ৰকাশ হৈছে। অৰ্থাৎ ব্ৰহ্ম এটা জ্ঞানতত্ত্বহে। এই ব্ৰহ্ম বা আত্মাজ্ঞানেহে সকলোৰে স্বৰূপটো প্ৰকাশ কৰে। ই সকলোৰে অন্তৰত নিবাস কৰি আছে। হে ৰজা, সেইজনাকেই নাৰায়ণ বুলি জানিবা। তেওঁৰ চৰণ সেৱাৰ বাহিৰে আৰু গতি নাই। সেই ব্ৰহ্মৰ ক্ষয়-বৃদ্ধি, জন্ম-মৃত্যু একো নাই। তেওঁ উদাসীন আৰু সমস্তৰে সাক্ষী স্বৰূপ। অথচ তেওঁ গোটেই জগত ব্যাপি আছে তথাপি তেওঁৰ শৰীৰত কোনো দোষে নপৰসে।

ব্ৰহ্ম হ'ল জ্ঞানৰ এটা জপ আৰু তেওঁ সদায়ে উজ্বল। তেওঁ সদায় সকলো প্ৰাণীৰ সৰ্বদেহতে থাকে। এটা প্ৰাণৰ যেনেকৈ বিবিধ কল্পনা থাকে, সেইমতে তাৰ ইন্দ্ৰিয়বিলাকেহে বিবিধ ভাবনা দিয়ে।

যাৰ কোনো বিকাৰ নাই সদায় সুখময়, তেওঁক জানিলে পাপ ক্ষয় হয়। ভকতৰ তেওঁ

(১৪ পৃষ্ঠাত চাওক)

# কীৰ্ত্তন-ঘোষা ঃ এক অৱলোকন

## কীৰ্তিপ্ৰসাদ চলিহা

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰৱৰ্তন আৰু প্ৰচাৰ কৰা 'এক শৰণ হৰি নামধৰ্ম' মূলতঃ বৈদিক 'অদ্বৈতবাদ' দাৰ্শনিক তত্ত্বৰ ভেটিত প্ৰতিষ্ঠিত যদিও তেৱাঁই বৈদিক জ্ঞান মাৰ্গৰ অন্তৰ্গত ভক্তিমাৰ্গক বেছি প্ৰাধান্য দিয়াৰ বাবেই শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্মীয় দৰ্শনত 'ভক্তিবাদী অদ্বৈতবাদ' নামেৰে নামকৰণ কৰা প্ৰয়াস কৰি অহা হৈছে। তাৰাৰ মতে—

"নালাগে ভক্তিত দেৱ দ্বিজ ঋষি হুইবে।
নলাগে সম্ভুত শাস্ত্ৰ বিস্তৰ জানিবে।।
তপ জপ যজ্ঞ দান সৰে বিড়ম্বন।
কেৱল ভক্তিতে তুষ্ট হোন্ত নাৰায়ণ।।

— কীৰ্ত্তন, ৬/১৫/১৬৫

তাৰাৰ এই দৰ্শন মতেই ভক্তি ন প্ৰকাৰৰ— শ্ৰৱণ, কীৰ্তন, স্মৰণ, অৰ্চন, পদসেৱন, দাস্য, সখিত্ব, বন্দন আৰু দেহা অৰ্পণ (কীৰ্ত্তন, 6û12û125]। এইন-বিধ ভক্তিৰ ভিতৰত তাৰাই শ্ৰৱণ-কীৰ্তনকে প্ৰাধান্য দিছিল। এই কথা তাৰাই কীৰ্ত্তন-ঘোষা পুথিৰ প্ৰথম খণ্ডৰ চতুৰ্থ কীৰ্ত্তনতে (পদ-33) উদাহৰণ সৈতে স্পষ্ট কৰি দি, সমস্ত কীৰ্ত্তন-ঘোষা পুথিৰ প্ৰতিটো খণ্ডতে প্ৰায় প্ৰতিটো কীৰ্ত্তনতে ঘোষণা কৰি গৈছে আৰু এই উদ্দেশ্য আগত ৰাখিয়েই তাৰাই নিজ ধৰ্ম্মৰ চাৰি তত্ত্ব— (গুৰু, দেৱ, নাম, ভকত) সম্পূৰ্ণকৈ প্ৰকাশ কৰি শ্ৰৱণ-কীৰ্তনৰ উপযোগীকৈ কীৰ্ত্তন-ঘোষা পুথি ৰচনা কৰি আমালৈ এক অমূল্য বৰঙণি দান দি গৈছে।

প্ৰসঙ্গ ক্ৰমে এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে চলিত ভাষাত কীৰ্ত্তন পুথি বুলি কোৱা এই পুথিখনৰ নাম প্ৰকৃতপক্ষে কীৰ্ত্তন-ঘোষা পুথিহে। কাৰণ ইয়াৰ প্ৰতিটো কীৰ্ত্তনৰ আৰম্ভণিতে আছে এজোকা ঘোষা। এই নিৰ্দিষ্ট ঘোষাভাগি সংশ্লিষ্ট প্ৰতিটো কীৰ্তনৰ মাজে মাজে পাঠৰ সময়ত পুনৰাবৃত্তি কৰা হয়। ঘোষা শব্দই প্ৰকৃতাৰ্থত ঘোষণা কৰাতো বুজায়। কীৰ্ত্তন পুথিত হৰিৰ লীলা-মালাৰ মাধ্যমেৰে বাৰম্বাৰ হৰিৰ গুণানুকীৰ্তন কৰা হৈছে বাবেই নাম পাইছে 'কীৰ্ত্তন-ঘোষা' আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ বিৰচিত নাম-ঘোষাত হৰি নামৰ মাহাত্ম্য বাৰম্বাৰ ঘোষণা কৰা হৈছে বাবেই নাম পাইছে 'নাম-ঘোষা'। কথিত ভাষাত এই দুইখন পুথিকে একেলগে 'কীৰ্ত্তন আৰু নাম-ঘোষা' বোলা হয় বাবেই কীৰ্ত্তন-ঘোষা পুথিক আমি কেৱল কীৰ্ত্তন পুথি বুলিয়েই জানো। কীৰ্ত্তন পুথি মূলতঃ শ্ৰীমদ্ভাগৱত পুৰাণৰ আধাৰত ৰচিত। অৱশ্যে ইয়াৰ নাম-অপৰাধ (দ্বিতীয় খণ্ড), পাষণ্ড মৰ্দ্দন (তৃতীয় খণ্ড) আৰু বলি ছলন (নৱম খণ্ড) খণ্ড তিনিটিৰ আধাৰ পদ্ম পুৰাণ, ব্ৰহ্ম পুৰাণ আদি ধৰ্ম গ্ৰন্থ। বিশেষকৈ নাম অপৰাধ খণ্ডটি সম্পূৰ্ণ পদ্ম পুৰাণৰ আধাৰত বিৰচিত। কীৰ্ত্তন পুথিৰ প্ৰতি কীৰ্ত্তনতে তত্ত্বজ্ঞান, ভকতিৰ মাহাত্ম্য, দাৰ্শনিক ভাৱধাৰা, প্ৰাৰ্থনা, উপদেশ, আৰ্হি আদি সকলোবোৰ বিষয়বস্তুৱেই স্থান লাভ কৰিছে।

কীৰ্ত্তন পুথিত প্ৰথমতে প্ৰকাশ পাইছে 'দেৱ' তত্ত্ব। পুথিমতে শ্ৰীকৃষ্ণই একমাত্ৰ আৰাধ্য দেৱতা। শ্ৰীকৃষ্ণই পৰম ব্ৰহ্মাৰ মনুষ্য ৰূপ। অৰ্থাৎ নিৰ্গুণ, নিৰাকাৰ পৰমব্ৰহ্ম সগুণ, সাকাৰ ৰূপ। এই কথা গুৰুজনাই কীৰ্ত্তনৰ প্ৰথম খণ্ডত 'পৰম ব্ৰহ্মাৰ চৰ্তুবিংশতি অৱতাৰ'ৰ বৰ্ণনা কৰি শেষৰ পদ ফাঁকিত স্পষ্ট কৰি কৈছে। ইয়াৰ পিছৰ খণ্ডসমূহত ভগৱন্তৰ লীলা-মালাৰ বৰ্ণনাৰ মাজেৰে উদাহৰণৰ সৈতে ভক্তিতত্ত্ব প্ৰকাশ কৰি দশম খণ্ডৰ তৃতীয় কীৰ্ত্তনত গুৰুজনাই শ্ৰীকৃষ্ণৰ শিশু লীলা-মালাত শিশু কৃষ্ণই মাটি খোৱাৰ কথা অৱতাৰণা কৰি মাতৃ যশোদাক গৰ্ভৰ ভিতৰতে সমস্ত বিশ্ব-ব্ৰহ্মাণ্ডখন দেখুৱা কাহিনীৰ মাধ্যমেৰে শ্ৰীকৃষ্ণ পৰম ব্ৰহ্মৰ মনুষ্য ৰূপ বুলি জগতবাসীৰ আগত প্ৰমাণ কৰি দেখুৱাইছে। কীৰ্ত্তনত কৈছে—

"যশোদা সুন্দৰী দেখন্ত পাছে।
সমস্ত জগত গৰ্ভতে আছে।।

—কীৰ্ত্তন, 10û3û29

এই শ্ৰীকৃষ্ণৰ গুণানুকীৰ্তনেই মোক্ষ লাভৰ এক মাত্ৰ উপায় বুলি গুৰুজনাই প্ৰতিটো কীৰ্ত্তনতে ব্যক্ত কৰি যোৱাৰ লগতে এই নামৰ মাহাত্ম্যও প্ৰকাশ কৰি গৈছে। গুৰুজনাই কীৰ্ত্তনৰ প্ৰথম খণ্ডতে পৰমব্ৰহ্মৰ অৱতাৰসমূহৰ বৰ্ণনা দিয়াৰ উপৰি এই নাম লৈ গজেন্দ্ৰ, ধ্ৰুৱ আদি কেনেকৈ ভৱসাগৰৰ পৰা তৰিছিল তাকো উদাহৰণৰ সৈতে সৰলসলীয়াকৈ বুজাই দি গৈছে। ইয়াৰ পাছত দ্বিতীয় খণ্ডত নাম-অপৰাধত কোন কোন পতিত হয় তাৰ বিৱৰণ দি নামত শৰণ লৈ সকলো পাপৰ পৰা মুক্ত হ'ব পাৰে বুলি স্পষ্টকৈ কৈছে। এই দ্বিতীয় খণ্ডৰ প্ৰথমটো কীৰ্ত্তনতে কৈছে যে—

"নামত শৰণ লৱে বাৰেক।
নামে হৰে তাৰ সৰে পাতেক।।"

—কীৰ্ত্তন, 2û1û10

ইয়াৰ পাছত পঞ্চম খণ্ডত নামৰ মাহাত্ম্য প্ৰকাশ কৰি কৈছে যে ব্ৰহ্ম-বধ, পিতৃ-বধ, সুৰাপান, অগম্যা গমন (বেশ্যালয় আদি যাব নলগীয়া বা নিষিদ্ধ অঞ্চললৈ যোৱা), গো-হত্যাকাৰী, নাৰী-হত্যাকাৰী, সোণ-চোৰ, মিত্ৰৰ দ্ৰোহ আচৰণ আদি মহাপাপসমূহৰ প্ৰায়শ্চিত্তৰ একমাত্ৰ উপায় হৰি-নাম কীৰ্তন (কীৰ্ত্তন 5û1û9–10)। গুৰুজনাৰ মতে পুণ্য অৰ্জ্জন কৰিবৰ বাবে গঙ্গা স্নান বা গয়া, কাশী, প্ৰয়াগ আদি তীৰ্থস্থানসমূহলৈ যোৱাৰ কোনো প্ৰয়োজন নাই। হৰি নাম ল'লৈই সকলো তীৰ্থৰ পুণ্য ফল লাভ কৰিব পৰা যায়। এই হৰিনাম লোৱাৰ কোনো ধৰাবন্ধা নিয়ম বা সময় নাই। শয়ণে, ভোজনে, গমনে সৰ্বক্ষণ হৰি নাম ল'ব পাৰে। আনকি হৰিনাম লোৱাত অশৌচ আদি দোষেও চুব নোৱাৰে(কীৰ্ত্তন, 5û3û30–31)। কীৰ্ত্তন পুথিত এই 'নাম' তত্ত্বই প্ৰধান স্থান অধিকাৰ কৰি আছে। কাৰণ শ্ৰৱণ-কীৰ্তনৰ একমাত্ৰ মাধ্যম হ'ল এই হৰিৰ গুণানুকীৰ্তন অৰ্থাৎ হৰিৰ নাম। এই কথা কীৰ্ত্তন পুথিৰ প্ৰায় প্ৰতিটো কীৰ্ত্তনতে বাৰম্বাৰ উল্লেখ কৰি গৈছে।

এই হৰিৰ ভক্ত সকলেই হ'ল ভকত। এই ভকত শব্দটো ভক্তি শব্দৰ পৰা অহা। গুৰুজনাই কৈ গৈছে যে ভকত হ'বৰ বাবে ঋষি, মুনি বা জ্ঞানী হ'ব নালাগে। তপ-জপ আদি কৰাৰো কোনোপ্ৰয়োজন নাই(কীৰ্ত্তন, 6û15û165)। এই বক্তব্যৰ দ্বাৰা গুৰুজনাই বৰ্ণাশ্ৰমৰ সন্যাস

(১৮ পৃষ্ঠাত চাওক)

# অসমীয়া জাতি গঠন

(৩ পৃষ্ঠাৰ পৰা)

আহোম ৰাজ্য প্ৰতিষ্ঠা কৰি ১২২৯ খ্ৰীষ্টাব্দত ৰজা হোৱাৰ ৰাজ্য আছিল, যেনে— চুতীয়া, মৰাণ, বৰাহী আদি জনগোষ্ঠীৰ ৰাজ্য। এইসকলৰ ওচৰতে আছিল তিব্বত-বৰ্মীয় জনগোষ্ঠীৰ কছাৰীসকলৰ ৰাজ্য আৰু মধ্য অসমত আছিল বাৰভূঞাসকলৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যসমূহ। ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে আছিল চুংগী তথা ডফলাসকলকৰ ৰাজ্য আৰু দৰং ৰাজ্য। এইবোৰ ৰাজ্যৰ উপৰি পূৰ্বৰ কামৰূপ কমতা ৰাজ্যৰ বুকুত আৰু বৰ্তমানৰ নগাঁও-মৰিগাঁও জিলাৰ বিভিন্ন অঞ্চলত, ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ বৰ্তমানৰ মেঘালয়, কাৰ্বিআংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ পাদদেশত অগণন দাঁতকাষৰীয়া ৰাজ্য গঢ় লৈ উঠিছিল। অসমৰ পূব অঞ্চলত শক্তিশালী আহোম ৰাজ্য আৰু পশ্চিমাঞ্চলত কোচ ৰাজ শক্তিৰ উত্থানৰ লগে লগে আহোমসকলে ক্ৰমে পশ্চিমলৈ আৰু কোচসকলে পূব ফাললৈ সাম্ৰাজ্য বিস্তাৰত মনোনিবেশ কৰিলে। ইয়াৰ ফলত এই সৰু সৰু ৰাজ্যসমূহৰ বেছিভাগেই দুই সাম্ৰাজ্যত চামিল হয়। গতিকে এই সময়ছোৱাত 'অসম, কামৰূপ, বেহাৰ' এই তিনি ৰাজ্যত ৰাজনৈতিক অস্থিৰতা আৰু সামাজিক অস্থিৰতাই বিৰাজ কৰিছিল আৰু বিভিন্ন ৰাজনৈতিক শক্তিৰ ৰণহুংকাৰে জনজীৱনলৈ আনিছিল নিৰাপত্তাহীনতা। তদুপৰি অৰ্থ, ধন আৰু ব্ৰাহ্মণ্য সভ্যতাই বহু পৰিমাণে শাসন কৰা সমাজ জীৱনত কোনো নতুন চিন্তা বা আদৰ্শৰ সন্ধান পোৱা নাছিল। আৰ্য সমাজ বহিৰ্ভূত জনজাতীয় আৰু অজনজাতীয় সমাজখন সভ্যতাৰ সীমান্তত। এখন দেশ, একেটি ভাষা, একেটি সংস্কৃতিৰ ধাৰণাৰে তিনি ৰাজ্যৰ মানুহ কেতিয়াও উদ্বুদ্ধ হোৱাৰ পৰিৱেশ সৃষ্টি হোৱা নাছিল। অসমীয়া বা কামৰূপীয়া জাতি গঠনৰ স্বপ্ন তেতিয়াও আছিল দূৰণিৰ তৰা।

এনে এক দুৰ্যোগপূৰ্ণ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক পৰিৱেশতেই জন্ম হৈছিল শঙ্কৰদেৱৰ। সেই সময়ৰ সমাজত প্ৰচলিত শিক্ষা ব্যৱস্থাৰে শিক্ষিত হৈ প্ৰথম বাৰবছৰীয়া তীৰ্থভ্ৰমণৰ অভিজ্ঞতাৰে নানা কথা দেখি শুনি জ্ঞান আহৰণ কৰি আৰু তেওঁ জন্মলাভ কৰা ভূখণ্ড আৰু ইয়াত বসবাস কৰা বিভিন্ন জাতি-জনজাতি মানুহৰ বাৰেৰহণীয়া সমাজখনৰ বিষয়ে বিস্তৃত জ্ঞান আহৰণ কৰি, সেই সময়ৰ ভাৰতবৰ্ষক ঢৌৱাই যোৱা ভক্তি আন্দোলনৰ প্লাৱনেৰে সৈতে এই ভূখণ্ডৰ মানুহকো অৱগাহন কৰাবলৈ তেওঁ সংকল্প গ্ৰহণ কৰিলে। এই কামত একাণপপতীয়াকৈ লাগিবৰ বাবে তেওঁক প্ৰদান কৰা শিৰোমণি ভূঞাৰ বাবে প্ৰত্যাখ্যান কৰে যদিও শঙ্কৰদেৱেই অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ প্ৰথম প্ৰবক্তা বুলি কোৱা হয়, তথাপি 'অসম' দেশ বা অসম ৰাজ্য বুলিলে বৰ্তমান যি ভৌগোলিক সীমাৰ কথা আমাৰ মনলৈ আহে শঙ্কৰদেৱৰ দিনত তেনে এখন দেশ বা ৰাজ্য গঠন হ'বলৈ আৰম্ভ হৈছিলহে মাথোন। প্ৰায় সমসাময়িকভাৱে আৰ্যাৱৰ্ততো আৰম্ভ হৈছিল এখন বিশাল ভাৰতীয় সাম্ৰাজ্য গঠনৰ প্ৰক্ৰিয়া বিভিন্ন ৰাজবংশৰ উদ্যোগত। শেষলৈ মোগল আমোলত কম-বেছি পৰিমাণে এক ৰাজনৈতিক শক্তিৰ পতাকাৰ তলত প্ৰায় সমগ্ৰ ভাৰতবৰ্ষ সমবেত হৈছিল। অসমতো পূবে আহোমসকলৰ উদ্যোগত আৰু পশ্চিমে কোচ ৰজাসকলৰ উদ্যোগত সাত ৰাজ মাৰি এক ৰাজ কৰি এখন ঐক্যবদ্ধ ৰাজনৈতিক অসম গঢ়াৰ পথত অগ্ৰসৰ হৈছিল। পিছলৈ আহোম ৰজাসকলৰ তলতেই প্ৰায় সমগ্ৰ আজিৰ অসম একগোট হৈছিল আৰু সেই ৰাজ্য ১৮২৬ চনলৈকে বৰ্তি আছিল।

মধ্যযুগৰ অসম আৰু আৰ্যাৱৰ্তত যি শক্তিশালী ৰাজনৈতিক নেতৃত্বত বৃহদাকৃতিৰ সাম্ৰাজ্য গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল ইয়াক সমাজ বিজ্ঞানীসকলৰ ভাষাৰে দশম-একাদশ শতিকামানত সৃষ্টি হোৱা সংকটৰ পৰা সামন্তবাদে মুক্তিলাভ কৰি পুনৰ গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হোৱা বুলি কোৱা হয়। সামন্তবাদৰ এই সংকটৰ সময়তেই ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলত ক্ৰমে ক্ৰমে ভক্তি আন্দোলনৰ বিভিন্ন ধাৰা গঢ় লৈ উঠিছিল। এই ধৰ্ম গঢ় লৈ উঠিছিল সেই সময়ত পুৰাণ, স্মৃতিশাস্ত্ৰ আৰু ধৰ্মশাস্ত্ৰই কঠোৰ ৰক্ষণশীলতাৰে শাসন কৰা সামাজিক জীৱন আৰু ধৰ্মীয় ক্ষেত্ৰত অতি বাহুল্য আৰু আনুষ্ঠানিক ক্ৰিয়া-কৰ্মৰ পৰা মুক্তি বিচাৰি। ভক্তিধৰ্মই বহু দেৱতাৰ প্ৰতি বিভিন্ন আনুষ্ঠানিকতাৰে কৰিবলগীয়া উপাসনাৰ বিপৰীতে গীতা-ভাগৱতৰ আধাৰত এজন সৰ্বশক্তিমান পৰম ব্ৰহ্ম বা পৰম পুৰুষ সন্ধান দিছিল। যিজনাৰ নাম ল'লৈই সমস্ত পাপ-পঙ্কৰ পৰা মুক্তি পোৱা যায়। সেইজন পৰমপুৰুষেই কৃষ্ণ ৰূপেৰে গীতাত কৈছে—

"সৰ্বধৰ্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজঃ
অহং ত্বাং সৰ্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ।।৬৬

সকলো ধৰ্ম অধৰ্মৰ অনুষ্ঠান পৰিত্যাগ কৰি গৰ্ভ, জন্ম, জৰা আৰু মৃত্যু বৰ্জিত পৰমেশ্বৰ স্বৰূপ একমাত্ৰ মোৰ (কৃষ্ণৰ) শৰণাগত হোৱা। মোৰ বাহিৰে অতিৰিক্ত কোনো বস্তুৱেই নাই বুলি নিশ্চিত হৈ মোক সদায় স্মৰণ কৰা। এই তোমাক সকলো পাপৰ পৰা মুক্ত কৰিম, তুমি শোক নকৰিবা। গীতাৰ এই একে অধ্যায়ৰ এই শ্লোকটোৰ পূৰ্বৱৰ্তী শ্লোকটোত এনেদৰে কোৱা হৈছে—

"মন্মনা ভব মদ্ভক্তো মদ্যাজী মাং নমস্কুৰু।
মামেৱৈষ্যসি সত্যংতেপ্ৰতিজানে
প্ৰিয়োহসিমে।। ১৮/৬৫

মাধৱদেৱে নাম-ঘোষাত এই শ্লোকটো এনেদৰে অনুবাদ কৰিছে—

"মোতে মাত্ৰ সদা দিয়া মন/ মোৰো ভক্ত হোৱা সৰ্ব্বক্ষণ/ মোকে পূজা মোকে মাত্ৰ কৰা নমস্কাৰ। কহিলো তোমাত সত্যবাণী/ পাইবা সুখে মোক মহামানী/ তুমি প্ৰিয়তম সুহৃদ সখি আজ্ঞাৰ।। ৬১২

গীতাৰ বিভূতিযোগ অধ্যায়ৰ ২০নং শ্লোকৰ শেষৰ ৪২নং শ্লোকলৈকে শ্ৰীকৃষ্ণই পৃথিৱীৰ সকলো শ্ৰেষ্ঠজন বা শ্ৰেষ্ঠ বস্তুক তেওঁৰেই প্ৰতিৰূপ বুলি ঘোষণা কৰিছে। এই অধ্যায়ৰ ২০নং শ্লোকটিত তেওঁ এইবুলি ঘোষণা কৰিছে— "মই হৃদিস্থিত আত্মা। মই সকলোৰে আদি (উৎপত্তি স্থান) মধ্য আৰু অন্ত (প্ৰলয়স্থান); অৰ্থাৎ সৃষ্টি স্থিতি আৰু প্ৰলয়ৰ ময়েই কাৰণ।"

আধ্যাত্মিক জীৱনত ভক্তি আন্দোলনে এনেদৰে নিৰাপত্তা প্ৰদান কৰাৰ পিছত সেই সময়ছোৱাত ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক সংকটৰ পৰা ভাৰতীয় জনতাক উদ্ধাৰ কৰি নিৰাপত্তা প্ৰদানৰ বাবে এজন শক্তিশালী ৰজা বা সম্ৰাটৰ প্ৰয়োজন হৈছিল। বৈষয়িক প্ৰয়োজনত সেই সময়ৰ ভাৰতত সামন্তবাদৰ পুনৰুত্থান ঘটি শক্তিশালী সাম্ৰাজ্য আৰু সম্ৰাটৰ জন্ম হৈছিল আৰু আধ্যাত্মিক ক্ষেত্ৰত ভক্তি আন্দোলনে যোগান ধৰিছিল বহু দেৱ-দেৱীৰ পূজা-সেৱাৰ বিপৰীতে একেজন মাথোঁ পৰম শক্তিশালী ঈশ্বৰৰ প্ৰতি অচলাভক্তি আৰু সকলো পাপ-তাপ মোচনৰ বাবে তেওঁৰ ওচৰত আত্ম নিবেদনৰ আদৰ্শ।

গুৰুজনাৰ জীৱনকালতে পূৰ্বে আহোম আৰু পশ্চিমে কোচসকলে সাতৰজা একৰাজ কৰি এজন শক্তিশালী সামন্ত প্ৰভু বা ৰজাৰ অধীনত এজন বৃহৎ সামন্তবাদী সমাজ ব এখন শক্তিশালী ৰাজ্য গঠনৰ যি বাস্তৱ পৰিস্থিতিৰ সৃষ্টি কৰিছিল সিয়েই ধৰ্মীয় ভাবাদৰ্শৰূপে প্ৰকাশ পাইছিল শঙ্কৰদেৱ প্ৰৱৰ্তিত নৱবৈষ্ণৱ আন্দোলনত। এই দুই আদৰ্শৰ সুন্দৰ সাদৃশ্য বিশ্লেষণ কৰি দেখুৱাইছে ড° হীৰেন গোহাঁয়ে এনেদৰে—

"শিশুৰ মনত পিতৃ-মাতৃ যেনে— নিঠৰুৱা ঈশ্বৰ বিশ্বাসীৰ বাবে হৰিৰ ধাৰণাও তেনে। সামন্তযুগৰ আদিম পৰ্যায়ত যিদৰে দুৰ্বল বা বিপন্ন মানুৱে শক্তিশালী গোষ্ঠীপতিৰ পৰাক্ৰমত অভিভূত হৈ তেওঁত শৰণ লৈছিল, ব্যক্তিগত ক্ষমতা আৰু অধিকাৰসমূহ যিদৰে প্ৰভুৰ চৰণত প্ৰথমতে সমৰ্পণ কৰি পুনৰ প্ৰভুৰ অনুগ্ৰহ হিচাপে ঘূৰাই পাইছিল, সেইদৰে 'কীৰ্ত্তন'ৰ ভক্তয়ো সম্পূৰ্ণ আত্মসমৰ্পণেৰে প্ৰভুৰ অন্তৰ জয় কৰে আৰু নিজৰ জীৱনৰ নিৰাপত্তাৰ আশ্বাস বিচাৰি পায়।" (কীৰ্ত্তন পুথিৰ ৰস বিচাৰ ঃ ড° হীৰেন গোহাঁই, গুৱাহাটী, ১৯৮১ চন।) মাধৱদেৱৰ নাম-ঘোষাৰ দুটা পদৰ জৰিয়তে তেখেতে এই কথাটো স্পষ্ট কৰি দেখুৱাইছে—

"স্মৰণ মাত্ৰকে যিহেতু দুৰ্ঘোৰ
সংসাৰ দুখ হৰন্ত।
এহি হেতুকেসে ঈশ্বৰক হৰি
বোলয় যত মহন্ত।।১৫৫
জ্ঞানে বা অজ্ঞানে মাধৱৰ নাম
যিজনে ফুৰে সুমৰি।
তাক মোৰ বুলি হাতে অস্ত্ৰ তুলি
ৰাখিয়া ফুৰন্ত হৰি।।"২৬২

চমুকৈ ক'বলৈ গ'লে ভক্তি আন্দোলন আৰু নতুন ৰাজনৈতিক শক্তি বা সামন্তবাদে ক্ৰমশঃ অৱক্ষীয়মান অৱস্থা অতিক্ৰম কৰি ইটোৱে সিটোৰ হাতত ধৰাধৰিকৈ লাহে লাহে শক্তিশালী ৰূপত মূৰ দাঙি উঠিলে। অসম ৰাজ্যৰ গঠন আৰু ভক্তিধৰ্মত এজন শক্তিশালী পৰমপুৰুষক উপাস্য দেৱতা হিচাপে প্ৰতিষ্ঠা কৰা কাৰ্য চলিবলৈ ধৰিলে। হৰিনাম কীৰ্তন কৰিলে যেনেদৰে সকলো বিপদৰ পৰা উদ্ধাৰ পোৱা যায়, সকলো পাপৰ ক্ষয় হয়, সকলো যাগ-যজ্ঞৰ ফল হৰিনাম কীৰ্তনতে পোৱা যায়, তেনেদৰে কোনো এক শক্তিশালী ৰজাৰ শাসনত দেশখন থাকিলে সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক নিৰাপত্তা লাভ কৰা যায়। এই দ্বৈত প্ৰয়োজনতে অসমতো ভক্তি আন্দোলনে প্ৰসাৰ লাভ কৰে। লগে লগে আহোম আৰু কোচ ৰজাসকলৰ সাতৰাজ মাৰি একৰাজ কৰাৰ অভিযান চলিবলৈ ধৰিলে। এই সময়তে শঙ্কৰদেৱে প্ৰৱৰ্তন কৰা ভক্তি আন্দোলনে মানুহক ঐক্যবদ্ধ কৰাৰ আন এক প্ৰধান শক্তিৰূপে দেখা দিলে। আহোম আৰু কোচ নেতৃত্বত ৰাজনৈতিক আৰু অৰ্থনৈতিকভাৱে অসমখন একত্ৰিত হৈ আহিবলৈ ধৰিছিল যদিও ইয়াৰ বিভিন্ন জনগোষ্ঠীবোৰৰ মাজত ভাবাদৰ্শজনিত ঐক্য তেতিয়ালৈকে প্ৰতিষ্ঠা হোৱা নাছিল। ভক্তিধৰ্মৰ কোবাল সোঁতে বিভেদৰ এই প্ৰাচীৰ ভাঙি দিলে।

"শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি।।"

*— নাম-ঘোষা, ৩৭১, পৃ.-৭৮১*

অসমৰ জাতীয় জীৱনত শঙ্কৰদেৱৰ নৱবৈষ্ণৱ আন্দোলন আৰু অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত শঙ্কৰদেৱৰ সুদূৰ প্ৰসাৰী প্ৰভাৱৰ বিষয়ে ড° মহেশ্বৰ নেওগে 'শ্ৰীশ্ৰীশঙ্কৰদেৱ' গ্ৰন্থ এনেদৰে লিখি থৈ গৈছে— "শ্ৰীশ্ৰীশঙ্কৰী আন্দোলনে ঘোৰ ৰাজনৈতিক আৰু জাতিগত বিভিন্নতাৰ মাজতো অসম দেশত পোনপ্ৰথম কৃষ্টিগত আৰু কিছু পৰিমাণে সামাজিক ঐক্য স্থাপন কৰে আৰু বৈষ্ণৱ ধৰ্ম মুখ্যভাৱে জাতীয় ধৰ্মৰ দৰে হৈ পৰে।" (পৃ. ২৬)। বৈষ্ণৱ ধৰ্মই যোৱা পাঁচশ বছৰ জুৰি অসমবাসীৰ বাবে জাতীয় ধৰ্ম হোৱাৰ লগে লগে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বাবে সেই সময়ৰ অসমীয়া ভাষাত সৃষ্টি হোৱা কাব্য, নাটক, গীত-পদ আদিৰ ৰচনাই অসমীয়া ভাষাকো জাতীয় ভাষাৰ মৰ্যাদা প্ৰদান কৰিলে। এই প্ৰক্ৰিয়াৰে অসমৰ জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সমাজৰ উচ্চ-নীচ সকলো একেজন ধৰ্মগুৰু, সাহিত্যগুৰু আৰু সংস্কৃতিৰ গুৰুৰ নেতৃত্বত একগোট হৈ একভাষা, এক সংস্কৃতি চৰ্চা কৰাৰ লগতে ইজনে-সিজনক একে জাতিৰ মানুহ বুলি সাৰটি অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত ইন্ধন যোগালে।

অসম তথা ভাৰতবৰ্ষৰ সমাজৰ বিষয়ে অতি ঘনিষ্ঠভাৱে পৰিচিত শঙ্কৰদেৱে জানিছিল যে ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, ভাৰতীয় সমাজৰ এই শ্ৰেষ্ঠ তিনি জাতিয়ে এই নতুন ধৰ্মটি গ্ৰহণ নকৰিব। সেয়ে তেওঁ সমাজৰ এই তথাকথিত উচ্চ বৰ্ণৰ লোকসকলক বাদ দি তেওঁ সমাজৰ তথাকথিত নীহকুলীয়া বা অন্ত্যজ সমাজৰ মানুহৰ মাজতহে তেওঁ ধৰ্ম প্ৰচাৰত গুৰুত্ব দিছিল। এই লোকসকলৰ বেছি ভাগেই জাতিত নীহকুলীয়া হোৱাৰ উপৰি তেওঁলোক আছিল সমাজৰ একেবাৰে নিম্নস্তৰৰ ঃ তেওঁলোক আছিল অশিক্ষিত, নিৰ্ধন; এই নতুন ধৰ্ম, কাব্য আৰু উন্নত সংস্কৃতি আছিল তেওঁলোকৰ বাবে অপৰিচিত। গতিকে অনুভৱৰ বাহিৰত। তদুপৰি তেওঁলোকৰ বেছি ভাগেই আছিল উন্নত সংস্কৃত সমাজৰ সীমান্তত আৰু সীমান্তৰ বহু আঁতৰত। গুৰুজনে তাৰাৰ কামৰ ক্ষেত্ৰ হিচাপে ঘাইকৈ এই সমাজখনকে বাছি ল'লে। কাৰণ তেওঁ জানিছিল—

"ব্ৰাহ্মণ ক্ষত্ৰিয় বৈশ্য ইটো তিনিজাতি।
নুশুনিবে হৰি ভকতিক কাণপাতি।।
শূদ্ৰসৱ অনেক কৈৱৰ্ত্ত আদি কৰি।
অন্ত্যজ পৰ্য্যন্ত ভজিবেক মহাহৰি।।
অপ্ৰয়াসে লভিবে শূদ্ৰ কৈৱৰ্ত প্ৰধান।।"

সমাজৰ তথাকথিত নীহকুলীয়া মানুহখিনিকে সাৰথি কৰি লৈ তেওঁ কেনেদৰে এক ব্যাপক জাগৰণ সৃষ্টি কেনেকুৱা কাৰ্যৰে এক জাতীয় পতাকাৰ তলত সমবেত কৰি থৈ গ'ল এতিয়া সেই কাৰ্যৰ সম্ভেদ লওঁ।

গুৰুজনে 'বেলগুৰিত নাম-প্ৰসঙ্গ চৰ্চি থকাত বহুতো লোকে গুৰুজনাৰ ওচৰলৈ আহি ভক্তিধৰ্ম গ্ৰহণ কৰিলে। গুৰুধৰ্মৰ প্ৰণালী গণতান্ত্ৰিক। ভক্তিৰ দুৱাৰ সকলো লোকৰ কাৰণেই মুকলি। 'চণ্ডাল পৰ্যন্ত কৰি' প্ৰকৃততে 'হৰি ভক্তি অধিকাৰী' হ'ল। শূদ্ৰ, আনকি তথাকথিত 'নিম্ন শ্ৰেণী'ৰ শূদ্ৰও 'উচ্চ শ্ৰেণী'ৰ লোকৰ গুৰু হ'ব পাৰে। ৰত্নাকৰ কন্দলি, ব্যাস কলাই, হৰি মিশ্ৰ বা জয়ৰাম, জগন্নাথ আদি ব্ৰাহ্মণ পণ্ডিতে এই সময়তে শঙ্কৰৰ শৰণ ল'লেহি। শঙ্কৰদেৱে অসম দেশৰ সকলো লোকক আকৰ্ষণ কৰিলে— "অসম ৰাজ্যৰ লোক, হৰিভক্তি ধৰিলেক ঃ অহম ৰাজ্যৰ লোক যত।" শঙ্কৰী ধৰ্ম প্ৰচাৰৰ আগতে অসমতো আধ্যাত্মিক ভৰণ-পোষণৰ ভাৰ ব্ৰাহ্মণ পুৰোহিত শ্ৰেণীৰ হাতত আছিল। ভক্তিধৰ্ম প্ৰচাৰৰ পিছত

(২১ পৃষ্ঠাত চাওক)

# প্ৰথম স্কন্ধ ভাগৱতৰ তত্ত্বকথা

**যোগেন ভূঞা**

অসমীয়া সাহিত্যৰ উজ্জ্বল নক্ষত্ৰ স্বৰূপ শ্ৰীমদ্ভাগৱত অধিক প্ৰসিদ্ধ, জনপ্ৰিয়তা আৰু সৰ্বশ্ৰেষ্ঠ ভক্তিগ্ৰন্থ ৰূপে অন্য কোনো পুৰাণে অৰ্জন কৰিব পৰা নাই। বিষ্ণুৰ অৱতাৰসমূহৰ পৰিপূৰ্ণ অৱতাৰ ভগৱন্ত কৃষ্ণৰ গুণানুকীৰ্তন য'ত কৰা হৈছে, তেনে শাস্ত্ৰ সমস্তৰে আদৰৰ আৰু সেয়ে সৰ্বোত্তম। সত্যৱতীৰ সুত মহৰ্ষি ব্যাসদেৱৰ হস্ত পদ্মে নিঃসৰিত হোৱা অষ্টাদশ পুৰাণৰ ভিতৰত অন্যতম উত্তমশ্লোক সমৃদ্ধ ভক্তি সৰোবৰ স্বৰূপ এই গ্ৰন্থ। ভগৱন্তৰ একৈশ অৱতাৰৰ কথা ইয়াত আছে। তাৰ ভিতৰত দশ অৱতাৰেই প্ৰধান। একেই ভগৱান বিভিন্ন সময়ত বিভিন্ন ৰূপত অৱতাৰ হয়। সাকাৰ ৰূপ ধাৰণ কৰিলেও ঈশ্বৰৰ স্বতন্ত্ৰতা আৰু মাহাত্ম্য সীমিত নহয়। মৎস্য, কুৰ্ম, বৰাহ, নৰসিংহ আদিৰ ভিতৰত শ্ৰেষ্ঠ চমৎকাৰ আৰু পূৰ্ণ অৱতাৰ হ'ল শ্ৰীকৃষ্ণ অৱতাৰ। ভগৱান আৰু ভক্তৰ যি সম্বন্ধ সেই সম্বন্ধৰ মাজত নিহিত হৈ থকা সমস্ত অনুভৱৰ বৰ্ণনা হ'ল ভাগৱত। ভাগৱত এক দৈৱিক ঔষধ যি মানৱৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক ত্ৰিতাপ নিৰাময় কৰে। মহাভাগৱত এক অমূল্য সম্পদ, ই মানৱ জীৱনৰ যাৰ। যি জনৰ সম্বন্ধ মাত্ৰ ভগৱানৰ লগত যি জনে কেৱল ভগৱানকহে বিচাৰে তেওঁ ভাগৱতৰ তত্ত্বৰ মাজত লীন হৈ যায়। ভাগৱতত থকা কৃষ্ণ কথা শ্ৰৱণ-কীৰ্তন কৰিলে ক্ৰমে ক্ৰমে মন ভগৱন্তৰ স্বভাৱ আৰু লক্ষণৰ প্ৰতি আকৰ্ষিত হৈ পৰিব আৰু নিজেই নিজৰ মুক্তিৰ পথ বিচাৰি পাব। এইদৰে সাধুৰ সঙ্গত নিৰন্তৰ শ্ৰৱণ-কীৰ্তনৰ অভ্যাস কৰিলে নিম্নস্তৰৰ ভাব-ভাষাবোৰ মনৰ পৰা আঁতৰি যায় আৰু তাৰ ঠাইত দিব্য-পোহৰে হৃদয় পোহৰাই পেলাই। যেতিয়া কৃষ্ণ আহি এই নিৰ্মল হৃদয়ত আৱিৰ্ভাৱ হয়, তেতিয়া ভক্তৰ আন একো বাহ্যিক আকৰ্ষণ নাথাকে। ঈশ্বৰৰ প্ৰেম আৰু ঈশ্বৰৰ প্ৰতি প্ৰেম সংলগ্ন হয়। ঈশ্বৰৰ কথা যুক্ত বেদান্ত যাৰ ভাগৱতৰ সমস্ত স্কন্ধৰ বিষয়ে আলোচনাৰ প্ৰয়াস নকৰি মাত্ৰ প্ৰথম স্কন্ধৰ বিষয়ে আলোচনাৰ প্ৰয়াস কৰা হৈছে।

প্ৰথম স্কন্ধৰ কাহিনী মুঠ যোল্লটি অনুখণ্ডত বিভক্ত হৈ আছে। মুঠ অধ্যায়ৰ সংখ্যা উনৈশটা। অনুখণ্ডসমূহ হৈছে— মঙ্গলাচৰণ, সুত-শৌনক সংবাদ, প্ৰস্তাৱনা, ব্যাস-নাৰদ সংবাদ, মহাভাগৱত শাস্ত্ৰ, নাৰদৰ উপৰি জন্মৰ কথা, পৰীক্ষিতৰ জন্ম ৰহস্য, কুন্তীৰ কৃষ্ণস্তুতি, ভীষ্ম-মোক্ষ-উৎসৱৰ কথন, কৃষ্ণৰ মেলানি, পৰীক্ষিত জন্ম কথন, পাণ্ডৱৰ স্বৰ্গাৰোহণ, ধৰ্ম-পৃথিৱী সংবাদ, কলি-নিগ্ৰহ আৰু ধৰ্মৰক্ষণ, ব্ৰহ্মশাপত পতিত পৰীক্ষিত, শুকদেৱৰ আগমন। প্ৰথম স্কন্ধতেই ভাগৱতৰ বীজ ৰোপণ হৈছে।

ভাগৱতৰ প্ৰথম স্কন্ধতেই, প্ৰথমে সৎসঙ্গৰ মহিমা বিকশিত হৈছে। সুত-শৌনক, শুক পৰীক্ষিত আৰু ব্যাস নাৰদৰ মহামিলনৰ যোগেদি সৎসঙ্গৰ তাৎপৰ্য ব্যক্ত হৈছে—

"সৎসঙ্গ বিনে নাহি সংসাৰ নিস্তাৰ।
ভাগৱত শাস্ত্ৰ জানা এহি মানে সাৰ।।"
— ভাগৱত

সুতৰ সঙ্গ লাভ কৰি শৌনক পৰম আনন্দিত হৈছে আৰু কৃষ্ণ ভক্তৰ মহিমা ব্যক্ত কৰিছে এনেদৰে—

"ইহাতেসে আমাৰ মিলিল মহাভাগ।
তুমি হেন মহন্তক পাইলো ভাগ্যে লাগ।।
যত স্বৰ্গ সুখ যিটো মোক্ষ সুখ মুল।
ভকতৰ সঙ্গৰ অল্পকো নুহি তুল।।"৯

ব্যাসদেৱে নাৰদক লগপাই মানৱী জীৱন সাৰ্থকতাৰ উপলব্ধি কৰিছে আৰু পৰম পথৰ সন্ধান লাভ কৰিলে— নাৰদৰ সন্নিধ্যৰ বাবেই ভাগৱত মহাশাস্ত্ৰ ৰচনা হ'ল আৰু ভাগৱতৰ মাজত কৃষ্ণৰ মহিমা প্ৰচাৰ হ'ল।

মহাভাক্ত নাৰদৰ যোগেদি আগম শাস্ত্ৰৰ অযাৰ্থতা আৰু নিবৃত্তি মাৰ্গৰ শ্ৰেষ্ঠতা দৃঢ় হ'ল। নাৰদে ব্যাসদেৱক কৃষ্ণ নামৰ মহিমা প্ৰচাৰ-প্ৰসাৰ কৰিবৰ বাবে পৰামৰ্শ আগবঢ়াইছে—

"ভকতে যতেক পাৱৈ গুণ-নামচয়।
তাৰ মালা গান্থিয়া পিন্ধন্ত কৃপাময়।।"

ভক্তি ধৰ্মত উচ্চ-নীচ, জাতি-অজাতি, মহাপুৰাণৰ আৰম্ভণিতে জাত-পাতৰ ওপৰত থকা ঋণাত্মক ধ্যান ধাৰণাৰ যুক্তি খণ্ডন কৰি ভক্তি ধৰ্মৰ মহাত্ম্যৰ কথা ব্যক্ত কৰি সুতে কৈছে—

"হেন শুনি সুতে বিনাৱন্ত অৱনত।
আমি অকুলীন হেন আছিলি মনত।।
কৃষ্ণ চৰিত্ৰত মোৰ মহালাভ আছে।
কৃষ্ণৰ কীৰ্ত্তনে জাতি অজাতি নবাছে।।"২৩।।

এই প্ৰথম স্কন্ধতেই কলিযুগত যাগ-যজ্ঞ, পূজা-পাতলৰ অসাৰ প্ৰতিপন্ন কৰা হৈছে আৰু ভক্তি ধৰ্মৰ জয়ধ্বজা উৰুৱাই দিয়া হৈছে—

"শৌনক বদতি শুনা সুত মহামানী।
পৰম পাতকী কলি পাইলে হেন জানি।।
আৰম্ভিলো যজ্ঞ আমি সহস্ৰ বছৰ।
হোম ধূমে ধুম্ৰ বৰ্ণ ভৈল কলেবৰ।।
যিটো কৰ্ম কৰো আত নাহিকে বিশ্বাস।
আপুনাক আয়ুক ব্যৰ্থে কৈলো নাশ।।
সম্প্ৰতি তুমিসি চিন্তিয়োক মহাহিত।
কৰায়োক পান কৃষ্ণ চৰিত্ৰ অমৃত।।"৭

আত্মাৰ অমৰত্ব আৰু জীৱৰ কৃতকৰ্মৰ ফল পাছৰ জন্মত ভোগ কৰিবলগা হয়। নাৰদৰ জীৱন দৰ্শনৰ যোগেদি এই কথা পতিয়মান হৈছে। দাসীৰ পুত্ৰ হিচাপে জন্মগ্ৰহণ কৰা পাছত নাৰদে ব্ৰহ্মাৰ মানস পুত্ৰ হিচাপে জন্মগ্ৰহণ কৰি আত্মাৰ অমৰত্ব প্ৰমাণ কৰিলে আৰু পূৰ্ব জন্মৰ সত্যতা নিৰূপণ কৰিলে।

"সেহি সময়ত আসি মিলিল প্ৰলয়।
প্ৰৱেশিলো গৈয়া মই ব্ৰহ্মাৰ হৃদয়।।
ওপৰি জন্মৰ কথা শুনিও আমাৰ।
আছিলোহো আমি দ্বিজ দাসীৰ কুমাৰ।।"৪৬

একশৰণ তত্ত্ব প্ৰকাশ হোৱাৰ দিশত এই অধ্যায়টি বিশেষ মহিমা প্ৰতিফলিত হৈছে। ইয়াৰ যোগেদি শৰণাগতৰ মহিমাও প্ৰকাশ হৈছে উত্তৰা চৰিত্ৰৰ যোগেদি। অশ্বত্থামাৰ ব্ৰহ্ম অস্ত্ৰই যেতিয়া উত্তৰাৰ ফালে অগ্ৰসৰ হ'ল তেতিয়া উত্তৰাই একাগ্ৰ চিত্তে প্ৰভুৰ অভয় চৰণত শৰণ গ্ৰহণ কৰিলে আৰু ব্যক্ত কৰিলে—

"হেৰা আসি পাইলে মোক দুৰন্ত মৰণে।
অভয় চৰণে প্ৰভু প্ৰশিলো শৰণে।।
অগতিৰ গতি মোক কৰা পৰিত্ৰাণ।
তুমি বিনে ৰাখন্তা নেদেখো নাম আন।।"১০৬

উত্তৰাক ৰক্ষা কৰা উপৰি গৰ্ভস্থ সন্তানকো ৰক্ষা কৰিলে। আন কথাত পাণ্ডৱৰ নাতি বধু উত্তৰা সহিতে গৰ্ভস্থিত পৰা শিশুকো মৃত্যু কৱলৰ পৰা ৰক্ষা কৰিলে—

"এহি বুলি কান্দন্ত কৃষ্ণৰ পাৱ চুই।
গৰ্ভত লাগিল আসি ব্ৰহ্মাস্ত্ৰৰ জুই।।
ভাঙ্গিলন্ত ব্ৰহ্মাস্ত্ৰক সদায়ে কোবাই।
জীয়াইলন্ত শিশুক অমৃত দৃষ্টি চাই।।"১০৮

মাতৃৰ মাতৃত্ব স্বৰূপ ইয়াত স্পষ্টৰূপত প্ৰতিফলিত ঘটিছে। প্ৰতিশোধৰ তাড়ণাত পৰি অৰ্জুনে দ্ৰোণীক হাতে ভৰিয়ে বান্ধি দ্ৰৌপদীৰ সন্মুখত পেলাই দিয়াত দ্ৰৌপদীৰ মাতৃ হৃদয়ে

*(১৮ পৃষ্ঠাত চাওক)*

# নাম-অপৰাধ

**বিন্দুপ্ৰভা হাজৰিকা**

কীৰ্ত্তন-ঘোষা পুথিভাগি অসমৰ প্ৰতি গৃহস্থীৰ ঘৰত অতি শ্ৰদ্ধাপূৰ্ণভাৱে সেৱাৰ বস্তু বুলি ৰখা হয়। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই সংস্কৃতৰ শ্ৰীমদ্ভাগৱত শাস্ত্ৰভাগি মন্থন কৰি অমৃতৰ নানা ধাৰাৰে অতি সহজ-সৰল ভাষাত কীৰ্ত্তন-ঘোষা পুথিভাগি ৰচনা কৰিছে।

কীৰ্ত্তন-ঘোষাৰ দ্বিতীয় খণ্ডত আছে 'নাম-অপৰাধ'ৰ দুটি কীৰ্ত্তন। এই দুটি কীৰ্ত্তনৰ সাৰভাগ পদ্মপুৰাণৰ স্বৰ্গখণ্ডৰ পৰা অনা বুলি গুৰুজনাই কৈছে। নাম-অপৰাধৰ কীৰ্ত্তন দুটি অতি মহিমাযুক্ত ব্যাখ্যা। ইয়াত দেৱঋষি নাৰদে চাৰিসিদ্ধক যি কেইটা প্ৰশ্ন কৰিছে আৰু চাৰিসিদ্ধই নাৰদৰ প্ৰশ্নৰ যি যি উত্তৰ দিছে, এই কাহিনীভাগ বাস্তৱত প্ৰতিজন ব্যক্তিৰ জীৱনত পালনীয় কথা। অতি প্ৰাসঙ্গীক। চাৰি সিদ্ধৰ দ্বাৰা প্ৰচাৰ হোৱা এই সজউপদেশসমূহ অন্তৰ্কৰণেৰে বুজিলৈ নিজৰ জীৱন পালন কৰিব পাৰিলে সমাজ সুশৃঙ্খল হ'ব আৰু দেশৰ উন্নতি হ'ব।

বৰ্তমান সমাজৰ পৰিৱেশলৈ লক্ষ্য ৰাখি সমাজৰ বহু জ্ঞানী-গুণীলোক চিন্তিত আৰু উদ্বিগ্ন হৈ পৰিছে। যুৱক-যুৱতীসকলক উশৃঙ্খল বুলি দোষাৰোপ কৰা হৈছে। ভোগবাদী সমাজখনে সকলোকে গ্ৰাস কৰি পেলাইছে। ব্যক্তি কেন্দ্ৰীক মনোভাৱে গৰ্ভজাত সন্তানকো স্পৰ্শ কৰিছে। এনে অৱস্থাত কেৱল যুৱক-যুৱতীসকলক দোষ দিলেই সমাজ সংস্কাৰ নহয়, নিজলৈকো মন কৰা ভাল।

জীৱনত তিনিটা ধাৰাৰে উপদেশ অথবা জ্ঞান লাভ কৰা হয়। যেনে— (১) গুৰুৰ উপদেশ, (২) শাস্ত্ৰৰ উপদেশ আৰু (৩) আত্ম-উপদেশ। বৰ্তমান আমি কোনটো ধাৰাৰ আশ্ৰয় লৈছোঁ ইয়াকে চিন্তা-চৰ্চা কৰাৰ বাবে কীৰ্ত্তন-ঘোষাৰ নাম-অপৰাধৰ সংযোগ বিচাৰিছোঁ।

সনক, সনন্দ, সতনকুমাৰে বৰ সন্তোষ পালে। তেওঁ ক'লে— "হে নাৰদ, তুমি গোবিন্দৰ প্ৰিয় ভাগৱত ধৰ্মৰ সকলো কথা তুমি জানা; কিন্তু লোকৰ উপকাৰ হওক বুলি, এই সুন্দৰ প্ৰশ্নবোৰ উপস্থাপন কৰিছা। তোমাৰ উদ্দেশ্য মহৎ, কেনেদৰে এই পাপ সাগৰৰ পৰা উদ্ধাৰ হ'ব পাৰি এই বিষয়ে মই যি সিদ্ধান্ত দিম, এই কথা তুমি স্থিৰ বুদ্ধিৰে শুনা।

প্ৰথমে মই তোমাক সংসাৰৰ মহাপাপবোৰৰ বিষয়ে কওঁ, এইবোৰ তুমি নিজ জ্ঞানেৰে চিনি ল'বা। সংসাৰৰ যিসকল লোকে নিয়ম-নীতি, আচাৰ-ধৰ্ম একো নামানে, শঠ বুদ্ধি, লোকক বঞ্চনা কৰে, নিষ্ঠুৰ বাক্য বোলে, অত্যাচাৰী, চাতুকাৰ, চাণ্ডাল, সুৰাপায়ী, মাত্ৰ পুত্ৰ ভাৰ্যাত ৰত হৈ থাকে, ভোগবাদী, আত্মকেন্দ্ৰীক, এনেবোৰ পাপত নিমগ্ন হৈ থকাৰ পাছতো যদি একান্ত মনে হৰিত শৰণ লয়, কৰুণাময় হৰিয়ে সেই অপৰাধীজনক পাপৰ পৰা উদ্ধাৰ কৰে। হৰিৰ দ্ৰোহ আচৰণ কৰাজনকো হৰিয়ে ক্ষমা কৰে। এনে দুষ্ট বুদ্ধিৰ লোক হৰিৰ অপৰাধ কৰাৰ পাছত যদি অনুশোচনা হৈ হৰিত শৰণ লয়, তেন্তে হৰিৰ নামে তেওঁৰ সকলো পাপ হৰণ কৰে। কিন্তু এনে সুহৃদ হৰিৰ নামৰ যদি অপৰাধ কৰে, তেন্তে সেই দুষ্ট বুদ্ধিৰ শঠ লোকক হৰিয়ে ক্ষমা নকৰে; সি অধোগতি যায়, নৰকত পৰে।

হৰিনামৰ অপৰাধৰ কথা শুনি দেৱঋষি নাৰদ অবাক হ'ল; তেওঁ পুনৰ প্ৰশ্ন কৰিলে— নামৰ অপৰাধ কেনে, যি লোকৰ পূৰ্ণ ছন্ন কৰি অধোগতি নিয়ে? নাৰদৰ প্ৰশ্ন শুনি সনতকুমাৰৰ মন আনন্দত ভৰি পৰিল, বোলে তুমি বৰ গুপুত কথা শুধিলা, এইবোৰ ৰহস্য কথা। পূৰ্বত এই প্ৰশ্ন মই শঙ্কৰৰ আগত কৰিছিলো। উত্তৰত তেওঁ আমাৰ আগত যি যি সজ-পৰামৰ্শ দিছিল এই সকলো ৰহস্য কথা আজি তোমাৰ আগত কম। প্ৰথমতে তোমাক নাম-অপৰাধৰ বিষয়ে কওঁ তুমি শুদ্ধ চিত্তে শুনা।

১। যি নিন্দুকে ভকতক নিন্দা কৰে, তেওঁ নামৰ অপৰাধী হয়। ভকতৰ মুখেৰে হৰিৰ গুণ-নাম প্ৰকাশ হয়, এতেকে ভকত নিন্দুকক হৰিয়ে ক্ষমা নকৰে।

২। বিষ্ণুৰ আন এটি মংগলময় গুণনাম হৈছে শিৱ, যদি বিষ্ণু আৰু শিৱ নামৰ পাৰ্থক্য বিচাৰ কৰে, তেনেলোক নাম-অপৰাধী হয়।

৩। কোনো অজ্ঞানীলোকে যদি গুৰুক অৱহেলা কৰে; তেওঁ নামৰ অপৰাধী হয়।

৪। যদি বেদৰ অৰ্থ নুবুজি নিন্দা কৰে; তেনে অজ্ঞানী নাম-অপৰাধী হয়।

৫। যদি হৰিনামৰ অৰ্থবাদ কৰে, নামৰ মহিমা উচ্ছাস কৰে তেনেলোক নাম-অপৰাধী হয়।

৬। হৰিনামৰ মহিমা নুবুজি, নাম অৱহেলা কৰি যদি অষ্টাঙ্গযোগ কৰে, তেনে লোক নাম-অপৰাধী হয়।

৭। যজ্ঞ, হোম, ব্ৰত, তীৰ্থ, স্থান আদি কৰ্মবোৰক যদি হৰিনামৰ লগত তুলনা কৰে, তেওঁ নাম-অপৰাধী হয়। কাৰণ হৰিনামৰ দ্বাৰাহে আন কৰ্মসমূহক শুদ্ধ কৰা হয়।

৮। আনে হৰিনাম কীৰ্ত্তন কৰোতে, অৱহেলা কৰি সেই নাম শ্ৰৱণ নকৰি অন্য কথাত ব্যস্ত থাকিলে নাম-অপৰাধী হয়।

৯। নামৰ মহিমা জানিও যিলোকে নাম অৱহেলা কৰে, সেই লোক নানা যোনিত জন্ম

*(১৮ পৃষ্ঠাত চাওক)*

# কীৰ্ত্তন-ঘোষা

(১৫ পৃষ্ঠাৰ পৰা)

আশ্ৰমৰ প্ৰয়োজনীয়তা একেবাৰেই নসাৎ কৰি গৈছে। ইয়াৰ আগতে গুৰুজনাই কীৰ্ত্তন পুথিতে স্পষ্ট কৰি কৈছে যে গৃহত থাকিও, গাৰ্হস্থ্য ধৰ্ম পালন কৰিও হৰি নাম লৈ মোক্ষ লাভ কৰিব পাৰে। কীৰ্ত্তনৰ ভাষাত—

"গৃহতে থাকিয়া হৰিক স্মৰিয়া
মোক্ষ সাধা হৰি-নামে।।
কোটি এক ৰাজ- সূয় অশ্বমেধ
যজ্ঞ আক নোহে সৰি।
হেন হৰি-নাম নলৈয়া হেলাত
মৰে আত্মঘাত কৰি।।"

—কীৰ্ত্ত, 5û4û41–42

এই কথাকে প্ৰমাণ কৰিবৰ বাবে গুৰুজনাই পৰৱৰ্তী 'নাৰদৰ কৃষ্ণ দৰ্শন' খণ্ডটিত শ্ৰীকৃষ্ণক এজন সম্পূৰ্ণ আৰু আদৰ্শ গৃহস্থী হিচাপে দেখুৱাইছে। এয়ে হ'ল 'ভকত' তত্ত্বৰ এক উজ্জ্বল নিদৰ্শন। এই তত্ত্ব মতে গৃহত থাকি শয়ণে, ভোজনে, গমনে হৰিনাম লোৱা জনেই প্ৰকৃত ভকত।

তাৎপৰ্যপূৰ্ণভাৱে গুৰুজনাই নিজৰ কাব্য, গীত-মাত, নাট আদি কতো 'গুৰু তত্ত্ব' প্ৰকাশ্যে প্ৰকাশ কৰা নাই। কিন্তু কীৰ্ত্তন পুথিৰ 'শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ' খণ্ডটিত 'অৰ্জুন-যুধিষ্ঠিৰ সংবাদ', 'উদ্ধৱ-সংবাদ' আদি অনুখণ্ডসমূহত এই গুৰুতত্ত্বৰ কিছু আভাস পোৱা যায়। আনহাতে আমি ভালদৰে চালি-জাৰি চালে দেখিম যে এই কীৰ্ত্তন পুথিখনিতে এজন সৎগুৰুৰ গাত থাকিবলগীয়া সকলোখিনি গুণেই থুপ খাই আছে। এজন সৎ গুৰুৱে শিষ্যক প্ৰথমতে দেৱতাজনৰ লগত চিনাকি কৰি দিয়াৰ লগতে শিষ্যৰ আধ্যাত্মিক, নৈতিক আৰু বৌদ্ধিক চৰিত্ৰৰ উত্তৰণ ঘটাই মোক্ষ লাভৰ মাৰ্গ প্ৰদৰ্শন কৰে। কীৰ্ত্তন পুথিত এই সকলোবোৰ প্ৰকাশ কৰাৰ উপৰি জাতিভেদ আৰু বৰ্ণাশ্ৰমৰ বিৰোধিতা, সাম্যবাদ, সমাজবাদী চিন্তা, গণতান্ত্ৰিক মূল্যবোধ, আধ্যাত্মিক তত্ত্বজ্ঞান, দাৰ্শনিক চিন্তা আদি সকলো বিষয়বস্তু একত্ৰিত কৰি ভক্তিৰ প্ৰলেপ সানি মোক্ষলাভৰ মাৰ্গ দেখুৱাই দি এজন সৎ গুৰুৰ কৰ্তব্য যোল্লঅনাই পূৰণ কৰিছে।

কীৰ্ত্তন পুথিৰ ভাষাও কবিত্বময় আৰু কাব্যিক। ইয়াত সন্নিবিষ্ট সকলো কীৰ্ত্তনেই পাঠ আৰু গীতৰ উপযোগী। এই পুথিৰ প্ৰধান বিষয়বস্তু শ্ৰীকৃষ্ণক ভক্তি আৰু এই কৃষ্ণ ভক্তিৰ কথা গুৰুজনাই অতি ক্ষিপ্ৰতা আৰু দৃঢ়তাৰে সৰল-সহজ ভাষাত প্ৰকাশ কৰিছে। কীৰ্ত্তনে আমাক শিকায় যে 'বিশ্বাসে মিলয় হৰি, তৰ্কে বহুদূৰ।' এনেবোৰ কাৰণতে কীৰ্ত্তন পুথি আজিও বৈষ্ণৱ সমাজৰ বাবে অতি আদৰৰ আৰু অসমীয়া জাতিৰ হৃৎপিণ্ড স্বৰূপ। এই বাবেই বৈষ্ণৱ সমাজে কীৰ্ত্তন পুথিৰ মাজত গুৰুজনাৰ ছবিখন দেখা পায় আৰু কীৰ্ত্তন পুথিক গুৰুশাস্ত্ৰ নামেৰে অভিহিত কৰে।

শেষত গুৰুজনাৰ বিৰচিত এই কীৰ্ত্তন পুথিৰে এটি পদেৰে এই প্ৰবন্ধটিৰ সামৰণি মাৰিলো—

ব্ৰহ্মকে দিলা যিটো জ্ঞান স্বামী।
জানিবে যেৰে যোগ্য হওঁ আমি।।
কহিয়ো তেৰে তাক ভগবন্ত।
সংসাৰ দুখে যেন পাওঁ অন্ত।।

—কীৰ্ত্ত, 23û19û230]

# ভাগৱতৰ তত্ত্বকথা

(১৭ পৃষ্ঠাৰ পৰা)

কান্দি উঠিল আৰু ব্যক্ত কৰিলে—

"হাহাকাৰ কৰি গুৰুৰ পুত্ৰক
প্ৰণামিলা পাৰ চুই।
মেলা মেলা বান্ধ ইহান দুখেসে
অধিক উধাই জুই।।"

এগৰাকী মাতৃয়ে আন এগৰাকী মাতৃৰ একে যান্ত্ৰণা ভোগ কৰিবলৈ দিবলৈ ইচ্ছা প্ৰকাশ নকৰিলে। শত্ৰু দ্ৰৌণী ৰক্ষা পৰিল একমাত্ৰ মাতৃ হৃদয়ত থকা কৃপা তথা কৰুণাৰ বাবেই।

উত্তৰা আৰু দ্ৰৌপদীৰ চৰিত্ৰতকৈ কৃষ্ণভক্তা কুন্তী আইৰ চৰিত্ৰ সমানেই মহীয়ান। ভক্তা কুন্তী আইৰ চৰিত্ৰ এই কাৰণেই মহীয়ান যে— সংসাৰী জীৱ সমস্তই সুখ-শান্তি আৰু পাৰ্থিব ঐশ্বৰ্য বিচাৰে। কিন্তু ভক্তা আয়ে ভগৱন্তৰ ওচৰত দুখ-যান্ত্ৰণাহে বিচাৰিছে। কাৰণ সম্পদশালী হ'লে ভগৱন্তলৈ মনত নপৰা হ'ব। সেয়ে আইৰ প্ৰাৰ্থনা হ'ল—

"সেহি সেহি আপদ আহ্মাৰ অভিমত।
তোমাক দেখিবে পাঞো যিটো আপদত।।
শ্ৰীভৈলে ভূলৈ মন কৰৈ নানা কাম।
সম্পদতো নপাৰো লৈবাক তব নাম।।
সেহি মতে বিঘ্নিকো নগনি মোৰ মন।
সদায়ে স্মৰোক মাত্ৰ তোমাৰ চৰণ।।"১২৭

শান্তনু নন্দন, মহাপৰাক্ৰমী, পৰম ভক্ত পিতামহ ভীষ্ম হ'ল এই স্কন্ধটিৰ এটি উজ্জ্বল চৰিত্ৰ। এৰাৰ যোগেদি শৰণ, ভজন আৰু ভক্তি এই তিনিটাৰ সমন্বয় ঘটিছে। পঞ্চপাণ্ডৱক লগত লৈ ব্ৰহ্মাণ্ডপতি কৃষ্ণ যেতিয়া শৰশয্যাত পৰি থকা পিতামহ ভীষ্মৰ ওচৰ পালেগৈ, তেতিয়া ভীষ্মই শঙ্খ, চক্ৰ, গদা, পদ্মধাৰী শ্ৰীকৃষ্ণৰ ৰূপ চাই চাই মিলি গ'ল পৰম পুৰুষ কৃষ্ণৰ লগত। মুখত নাম আৰু হৃদয়ত ভগৱন্তৰ ৰূপ ভজনীয়াসকলৰ মূল বস্তু। নাম-ৰূপ চিন্তনত শয্যাগত শৰৰ বেদনা অনুভৱেই নহ'ল। কৃষ্ণক ভীষ্মই শৰশয্যাৰ পৰা মিনতি জনালে মোৰ এই তনুৰ পৰা আত্মা বাহিৰ হৈ নোযোৱা পয্যাপ্ত তুমি যেন তোমাৰ চাৰি অস্ত্ৰধাৰী সুন্দৰ মনোমোহা ৰূপ পৰিহাৰ নকৰা।

"যে কৃষ্ণ কৃষ্ণ আবে মোহোৰ আগত।
যিটো চতুৰ্ভুজ ৰূপ কৰিছা বেকত।।"

* * *

"এহি বাক্য বুলি মন দৃষ্টি দিয়া
কৃষ্ণক কৰিলা ধ্যান।
অৰুণ চৰণ মনে আলিঙ্গিয়া
ভীষ্মে এৰিলন্ত প্ৰাণ।।১৭২

মৃত্যু হ'ল এটি কলা আৰু লগতে ই এটি সুকুমল শিল্পত। সমস্ত মানৱৰ বাবে মৃত্যু মুহূৰ্তটো সান্ত্বনাদায়ক আৰু সকৰুণ ধ্বনি। কিন্তু মহাভক্তৰ বাবে একে মহোৎসৱ। উদাহৰণ ভীষ্ম। সেয়ে এই অধ্যায়টিৰ নাম 'ভীষ্ম মোক্ষ উৎসৱ কথন' নামেৰে অভিহিত কৰা হৈছে। পৰম ভক্ত ভীষ্মই মনতে ভাৱিছিল— পিঞ্জৰাবন্ধ আত্মাৰূপী পখীটি ওলাই গৈ সন্মুখত থিয় হৈ থকা শঙ্খ, চক্ৰ, গদা, পদ্মধাৰী পৰমপুৰুষ কৃষ্ণৰ লগত একাত্মতা স্থাপন হওক।

চাৰিযুগৰ ভিতৰত কলিযুগ শ্ৰেষ্ঠ। এই যুগতেই ভকত সমস্তই ভগৱন্তৰ চৰিত্ৰ শ্ৰৱণ-কীৰ্তনৰ জৰিয়তে পৰম গতি লাভ কৰিব পাৰে। কলিৰ এনে মহৎ যুক্ত গুণ থকা বাবে নিজ ৰাজ্যত আশ্ৰয় দিছিল। ভাগৱত মহাপুৰাণৰ মতে কুটি জন্মৰ মহাপুণ্যৰ ফলতহে কলিযুগত নৰতনু লাভ হয়। সেয়ে ভকতৰ বাবে কলিকাল পৰম কাল দুৰ্জনৰ বাবে মহাকাল। কলিযুগৰ কলিৰ শক্তিয়ে পৰীক্ষিতক প্ৰভাৱিত কৰিলেও পৰীক্ষিতে কিন্তু এয়া ভগৱন্তৰ কৃপা বুলিহে মানিলে।

"পুত্ৰ দ্বাৰা বিষয়ত ভৈলা বিৰকতি।
কৃষ্ণৰেসে কৃপা ইটো মানিলা নৃপতি।।
গৃহ অন্ধ কুপত কৰিলো মই পাপ।
কৃষ্ণৰেসে প্ৰসাদত পাইলো ঋষি শাপ।।"৩৭৫

অনুশোচনাই প্ৰকৃত প্ৰায়শ্চত্ত। পৰীক্ষিতে সমীক মুনিৰ গলত সৰ্প মেৰিয়াই 'মই মহাপাপীৰ উচিত ভৈলো দণ্ড' বুলি অপৰাধৰ প্ৰায়শ্চিত্ত নিজেই মূৰ পাতি লৈছে। কাকো দোষাৰোপ কৰিবলৈ বিচৰা নাই। মহৎলোকৰ মহত্বও ইয়াতেই লুকাই থাকে। পৰীক্ষিত এনে মহৎলোকৰেই অন্তৰ্ভুক্ত। পাপকৰ্ম কৰি পৰীক্ষিত অন্তদগ্ধ হৈ সুমৰিছে—

"কৃষ্ণক ধিয়ান্ত মুনি পৰম নিষ্পাপ।
তাহান কান্ধত দিলো মঞি মৰা সাপ।।
এতেকে বোলন্ত ভৈলা মহা অনুতাপ।
ধিক ধিক মোক বুলি কৰন্ত বিলাপ।।"৩৫৮

শাপগ্ৰস্থ পৰীক্ষিতে মৃত্যু তৰিবাৰ উপায় সোধাত নানা মুনিয়ে নানা উপায় ব্যক্ত কৰিলে। কোনোয়ে তপ, কোনোৱে জপ আদি—

"শুনি মুনিসবে বোলে যাৰ যেন মতি।
কেহো বোলে তপতে পৰম পাই গতি।।
কেহো বোলে মহাসিদ্ধি সাধে যজ্ঞ দানে।
কেহো বোলে মুকুতি পৰম তীৰ্থস্থানে।।
হেন শুনি নিপতিৰ নাহি চিত্ত শান্ত।
পৰম সুগম একো উপায় নপান্ত।।

শেষান্তৰত শুক মুনিয়ে পৰম সত্য ঘোষণা দিলে—

"নাৰায়ণ স্মৰণেসে পৰম মঙ্গল।
এহিমানে জীৱনৰ জন্মৰ সফল।।
অন্তকালে হৰি স্মৰে সিটো ভাগ্যৱন্ত।
তাহাৰ মহিমা কৰি কোনে পাৰে অন্ত।।"

এই পৰমৰো পৰম সত্য মহাপুৰুষ মাধৱদেৱ প্ৰভুজনাইও অমৃতময় বাণীৰে ঘোষণা কৰিলে—

"কৃষ্ণ কৃষ্ণ কৃষ্ণ বুলি যিটো/ অন্তকালে নিজ প্ৰাণ তেজে/ অদ্যৰ শৰদে মুকুতি তাঙ্ক দিৱয়। আৰ আক কিবা দিবো বুলি/ অতিৰ দুইপদে লজ্জা হুয়া/ ঋণী ভৈলো বুলি নমাইয়া মাথ থাকয়।।" — নাম-ঘোষা, ৬৪১।❑

# নাম-অপৰাধ

(১৭ পৃষ্ঠাৰ পৰা)

ল'বলগীয়া হয়। নাম-অপৰাধীৰ গতি নাই।

১০। যিজনৰ হৰিনামৰ প্ৰতি বিশ্বাস নাই, শ্ৰদ্ধা নাই, তেনে লোকক হৰিনাম দান দিলে দিওঁতাজন নাম-অপৰাধী হয়।

এই দহটা নাম-অপৰাধৰ কথা হৰে সমস্ত মুনিৰ আগত কৈছিল। নাৰদৰ অনুৰোধ ৰক্ষা কৰি সনত কুমাৰে এই সকলো ৰহস্য কথা অতি শ্ৰদ্ধাপূৰ্ণভাৱে নাৰদৰ আগত ক'লে।

সনত কুমাৰে আকৌ ক'বলৈ ল'লে— "মাতৃক ক্ৰোধ কৰি অন্ন এৰাৰ দৰে যদি কোনোলোকে নামৰ মহিমা কথা জানিও নাম অৱহেলা কৰে তেওঁ নামৰ পৰম দ্ৰোহী। হৰিৰ নাম পৰম সিদ্ধি দাতা, জগত উদ্ধাৰকাৰী এতেকে হে দেৱঋষি, তুমি মাত্ৰ নামক আশ্ৰয় কৰা আৰু হৰিনাম ধৰ্ম প্ৰচাৰ কৰা।"

ইয়াকে শুনি দেৱঋষি নাৰদে প্ৰশ্ন কৰিলে— হে সিদ্ধসকল, মোৰ আৰু কিছু সন্দেহ আছে; সেই বিষয়ে মই ব্যক্ত কৰিব বিচাৰিছোঁ। যি সকলৰ জ্ঞান-বিজ্ঞান বৈৰাগ্য নাই, মাত্ৰ বিষয়তে মজি আছে, তেওঁলোকে নামৰ দ্ৰোহ কেনেকৈ এৰিব সংসাৰত কি উপায়েৰে উদ্ধাৰ হ'ব?

নাৰদৰ প্ৰশ্নৰ উত্তৰত সনত কুমাৰে ক'লে— যি সকলৰ নামৰ দ্ৰোহী, মহাপাপী, তেওঁলোকে হৰিৰ নাম একান্তমনে সৰ্বক্ষণে গাই ফুৰিলেহে হৰিনামৰ দ্ৰোহ হাত এৰাব পাৰিব। হে ঋষি উদাসীন মই তোমাক আৰু এটা কতা কওঁ— যিজনে কেতিয়াও নামৰ অপৰাধ কৰা নাই, যি সদাচাৰী তেওঁ মৃত্যুৰ বেলা যদি ঈশ্বৰৰ মাত্ৰ এট নাম শ্ৰৱণ অথবা কীৰ্তন অথবা স্মৰণ কৰে সেই এক নামেই তেওঁক ভৱ সংসাৰৰ পৰা উদ্ধাৰ কৰিব। এই ৰহস্য গুপুত কথা শঙ্কৰে, আমাৰ মুনিসকলৰ আগত ব্যক্ত কৰিছে।

শেষত সনত কুমাৰে নাৰদৰ প্ৰশ্নৰ মূল সিদ্ধান্ত, এইদৰে দিছে— হে নাৰদ, হৰিনাম পৰম বান্ধৱ, ই ৰহস্য ভকতি যিজনে সুদৃঢ়বিশ্বাসে একান্ত ভকতিৰে হৰিৰ নাম লয় তেওঁৰ সাতোটা কাম সিদ্ধি হয়, এই কথা তুমি কায়-বাক্য-মন স্থিৰ কৰি শুনা—

১। সুদৃঢ়বিশ্বাসেৰে হৰিৰ নাম আশ্ৰয় কৰি নাম লওঁতে লওঁতে মনৰ অজ্ঞনতাবোৰ অৰ্থাৎ পাপবোৰ পুৰি পেলাব।

২। মনলৈ শান্তি আহিব, জ্ঞানৰ উদয় হ'ব, মহাপুণ্য অভ্যুদয় হ'ব।

৩। বিষয়ৰ প্ৰতি, ভোগৰ প্ৰতি বিৰকতি আহিব।

৪। কৃষ্ণৰ প্ৰতি শ্ৰদ্ধা বাঢ়িব, প্ৰেম ভকতিৰ উদয় হ'ব।

৫। বৈষ্ণৱী জ্ঞানৰ উদয় হ'ব, জগতৰ সকলো প্ৰাণীৰ প্ৰতি প্ৰেম উদয় হ'ব।

৬। মায়া দহন হ'ব। সকলোৰে মঙ্গল, সকলোৰে সুখ আনন্দ হোৱা দেখিলে; নিজৰ জীৱনতো সুখ অনুভৱ কৰিব।

৭। হৃদয়তে চৈতন্যময় মূৰ্তি পূৰ্ণানন্দ হৰিক উপলব্ধি কৰিব পাৰিব। জগতৰ সকলো বিষ্ণুময় এই ভাব উদয় হ'ব।

এয়া হৈছে, নামৰ পৰম তত্ত্ব। নামৰ মহিমা।।

নাম অপৰাধ খণ্ডৰ শেষত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই এই বুলি উপদেশ দিছে— "হে কলিৰ লোকসকল, কলিকালত সংসাৰ সমুদ্ৰৰ পাৰ হ'বলৈ নাম বিনে আন গতি নাই। কলিৰ প্ৰভাৱৰ কাৰণে আন ধৰ্মত অধিকাৰ। মনুষ্যৰ জীৱন দুৰ্লভ। পৰম অমূল্য। এই জীৱন লাভ কৰি হৰিনামৰ প্ৰতি ৰতি গিতি, ভক্তি শ্ৰদ্ধা বিশ্বাস হেৰালে, নাম অৱহেলা কৰিলে, অধোগতি যাব লাগিব। পশু-পক্ষীৰ যোনিত জন্ম হ'ব লাগিব।"

ক্ষন্তেকীয়া জীৱনৰ ভৰষা নাই। কোন দিনা মৰণ মিলে স্থিৰতা নাই। সেয়েহে পৰম কৰুণাকৰ হৰিনামক আশ্ৰয় কৰি হৰিৰ নাম হৃদয়লৈ মনুষ্য জীৱনটো সাৰ্থক কৰিবলৈ মহাপুৰুষ গুৰুজনাই উপদেশ দিছে।❑

# শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ আৰ্থিক বিকাশ সমিতি

## ‘সহৃদয় স্বাৱলম্বন’ ঋণ আঁচনি

‘সহৃদয় স্বাৱলম্বন’ ঋণ আঁচনিখনৰ যোগেদি সামূহীয়াকৈ ঋণ দিয়াৰ ব্যৱস্থা কৰা হ’ব। সামূহীয়াকৈ একত্ৰ হোৱা ব্যক্তিৰ সমষ্টিক গোট হিচাপে বিবেচনা কৰা হ’ব।

**(ক) গোটৰ গঠন** (Formation of Group) ঃ

১. শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ আৰ্থিক বিকাশ সমিতিৰ ‘ক’ শ্ৰেণীৰ সদস্যৰ দ্বাৰা এই গোট গঠন হ’ব। সামূহীয়াকৈ একত্ৰ হোৱা ব্যক্তিৰ সমষ্টিক গোট হিচাপে বিবেচনা কৰা হ’ব।

২. উক্ত গোটৰ সদস্যৰ সংখ্যা সৰ্বনিম্ন ৭ গৰাকী আৰু সৰ্বাধিক ১১ গৰাকী।

৩. উক্ত গোটৰ সদস্যৰ বয়সৰ নিম্নতম সীমা ১৮ বছৰ আৰু সৰ্বোচ্চ ৬০ বছৰ।

৪. একোটা গোটত পুৰুষ-মহিলা উভয়ে সদস্য হ’ব পাৰিব। একোটা পৰিয়ালৰ একাধিক সদস্যই একোটা গোটৰ সদস্য হ’ব নোৱাৰিব।

৫. বেতনভোগী ব্যক্তি গোটৰ সদস্য হ’ব নোৱাৰিব।

৬. একোটা গোটৰ নিম্নতম পৰিসীমা মূল অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰাথমিক শাখা আৰু সৰ্বোচ্চ পৰিসীমা মূল অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ আঞ্চলিক শাখা। একাধিক আঞ্চলিক শাখাৰ ভিন্ন প্ৰাথমিক শাখাৰ সঙ্গী একত্ৰহৈ গোট গঠন কৰিব পৰাবি যদিও মূল অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ জিলা শাখা একে হ’ব লাগিব। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ একোখন প্ৰাথমিক শাখাত একাধিক গোট গঠন হ’ব পাৰিব।

৭. গোটৰ প্ৰমাণীকৰণ/ পঞ্জীকৰণৰ সময়ত দাখিল কৰা আবেদনত গোটৰ নাম উল্লেখ কৰিব লাগিব।

৮. গোটৰ প্ৰমাণীকৰণ/ পঞ্জীকৰণ হোৱাৰ পাছত উক্ত গোট সমিতিৰ ‘খ’ শ্ৰেণীৰ সদস্য হোৱাটো বাধ্যতামূলক।

৯. প্ৰস্তাৱিত গোট সমিতিৰ ‘খ’ শ্ৰেণীৰ সদস্য হোৱাৰ লগে লগেই সংশ্লিষ্ট শাখাত গোটৰ নামত এটি দৈনিক বা সাপ্তাহিক বা পষেকীয়া বা মাহেকীয়া হিচাপ **(গোটৰ ব্যৱসায়িক প্ৰকৃতিৰ ওপৰত খুলিব লগা হিচাপৰ প্ৰকাৰ নিৰ্ভৰ কৰিব)** খুলি নিম্নতম ২ মাহ মাত্ৰ নিয়মীয়াকৈ চলোৱাৰ পাছতহে ঋণৰ বাবে যোগ্য হ’ব পাৰিব।

**(খ) গোটৰ প্ৰমাণীকৰণ/ পঞ্জীকৰণ** (Authentication/ Registration of Group) ঃ

১. একেখন প্ৰাথমিক শাখাৰ সঙ্গীৰে গোট গঠন হ’লে গোটৰ সদস্যৰ প্ৰমাণীকৰণ সংশ্লিষ্ট আঞ্চলিক শাখাই কৰিব লাগিব আৰু পঞ্জীকৰণ সংশ্লিষ্ট জিলা শাখাই কৰি দিব লাগিব। একাধিক প্ৰাথমিক শাখাৰ বা একে আঞ্চলিক শাখাৰ বা একাধিক আঞ্চলিক শাখাৰ সঙ্গীৰ দ্বাৰা গঠিত গোটৰ প্ৰমাণীকৰণ আৰু পঞ্জীকৰণ দুয়োটাই সংশ্লিষ্ট জিলা শাখাই কৰি দিব লাগিব। জিলা পৰ্যায়ত গোটৰ প্ৰমাণীকৰণ/ পঞ্জীকৰণ হোৱাৰ পাছত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল কাৰ্যালয়ে নিশ্চিতকৰণ কৰাৰ পাছতহে ঋণৰ বাবে বিবেচিত হ’ব। গোটৰ প্ৰমাণীকৰণ/ পঞ্জীকৰণৰ মাছুলৰ পৰিমাণ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল কাৰ্যালয়ে নিৰ্দ্দিষ্ট কৰিব।

২. প্ৰমাণীকৰণ আৰু পঞ্জীকৰণৰ আবেদন সমিতিৰ অনুমোদিত প্ৰ-পত্ৰৰ যোগেদি সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত কৰিব লাগিব।

**(গ) গোটলৈ ঋণৰ ব্যৱস্থা** (Loan Facility of Group) ঃ

১. শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ আৰ্থিক বিকাশ সমিতিয়ে মুকলি কৰা শাখাৰ এলেকাধীন ‘ক’ শ্ৰেণীৰ সদস্যৰ দ্বাৰা গঠিত সদস্যৰ গোটলৈ ওপৰত উল্লেখ কৰা সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত প্ৰমাণীকৰণ/ পঞ্জীকৰণ হোৱাৰ পাছতহে উক্ত আঁচনিৰ দ্বাৰা ঋণ মুকলি কৰা হ’ব। পৰ্যায় ক্ৰমে মূল কাৰ্যালয়ৰ তৰফৰ পৰা ঋণ প্ৰদানৰ ব্যৱস্থা কৰা হ’ব।

২. স্বনিয়োজন আৰু উৎপাদনমুখী ঋণৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হ’ব।

৩. ঋণ আঁচনি মূল অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ নীতি আদৰ্শৰ বৰ্হিঃভূত হ’ব নোৱাৰিব।

৪. গোট গঠন হোৱাৰ তিনি মাহৰ পাছতহে ঋণৰ বাবে যোগ্য বুলি বিবেচিত হ’ব।

৫. ঋণ আবেদন সমিতিৰ নিৰ্দ্দিষ্ট প্ৰ-পত্ৰত এলেকাধীন শাখাৰ যোগেদি কৰিব লাগিব।

৬. ঋণ আবেদনৰ লগত ঋণৰ আঁচনি দাখিল কৰিব লাগিব। দাখিলকৃত আঁচনি চৰকাৰী বিভাগ বা চৰকাৰীভাৱে অনুমোদিত প্ৰতিষ্ঠানৰ দ্বাৰা অনুমোদিত হ’ব লাগিব। **(উদাহৰণ স্বৰূপে বস্ত্ৰ উদ্যোগৰ ঋণৰ বাবে হস্ততাত বিভাগৰ দ্বাৰা উদ্যোগিক ঋণৰ বাবে উদ্যোগ বিভাগৰ পৰা দাখিলকৃত আঁচনি অনুমোদিত হ’ব লাগিব।)**

৭. মঞ্জুৰীকৃত ঋণ গোটৰ সদস্যৰ ওপৰতে ভিত্তি কৰি প্ৰতিজন সদস্যলৈ সমপৰিমাণৰ ঋণ মঞ্জুৰী দিয়া হ’ব। গোটৰ ঋণ আবেদন কৰাৰ পূৰ্বে স্থানীয় বেঙ্কত সঞ্চয় হিচাপ খুলিব লাগিব।

৮. ঋণ আবেদন পত্ৰৰ লগত গোটৰ উপবিধি সন্নিৱিষ্ট কৰিব লাগিব।

৯. ঋণ নথি হিচাপে অন্যায়িক দলিল পত্ৰত গোটৰ আভ্যন্তৰীণ চুক্তি পত্ৰ (inter-Se-Agreement) দাখিল কৰিব লাগিব। উক্ত নথিত গোটৰ ক্ষমতা সমাৰ্পিত ব্যক্তিৰ (Power Delegated) নাম উল্লেখ থাকিব লাগিব আৰু গোটৰ আৰ্থিক দায়বদ্ধতাসমূহ সদস্যই দায়িত্ব গ্ৰহণ কৰি ঘোষণা দিব লাগিব। উক্ত নথিৰ বাদেও সমিতিৰ নিৰ্দ্ধাৰিত প্ৰ-পত্ৰত ডিমাণ্ড প্ৰমিচাৰী নোট, টাইম প্ৰমিচাৰী নোট, লেটাৰ অফ লিয়েন দাখিল কৰিব লাগিব।

১০. ঋণৰ আমানত ৫ শতাংশ।

১১. উক্ত ঋণত সমিতিৰ অন্য ম্যাদী ঋণত বাহাল থকা নীতি নিৰ্দ্দেশনা **(ঋণৰ ফিৰৎ, সুত গণনা আৰু আদায়ৰ)** প্ৰযোজ্য হ’ব।

১২. উক্ত ঋণৰ বিপৰীতে ক্ৰয় কৰা/ নিৰ্মাণ কৰা স্থাৱৰ অস্থাৱৰ সম্পত্তিৰ পঞ্জীকৰণ/ বীমাকৰণ ঋণী আৰু সমিতিৰ যুটীয়া নামত ঋণীৰ খৰছত হ’ব লাগিব।

১৩. ঋণৰ সৰ্বনিম্ন পৰিমাণ ২৫০০০.০০ (পঁচিশ হাজাৰ) টকা সৰ্বোচ্চ পৰিমাণ ৫,০০০০.০০ (পাঁচ লাখ) টকা।

১৪. গোটৰ প্ৰমাণীকৰণ/ পঞ্জীকৰণ, ঋণৰ আৱেদন পত্ৰ সমিতিৰ প্ৰধান কাৰ্যালয়, শাখা কাৰ্যালয় আৰু সমিতিৰ শাখা কাৰ্যালয় নথকা জিলাসমূহৰ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ জিলা কাৰ্যালয়লৈ সমিতিৰ প্ৰধান কাৰ্যালয়ৰ পৰা পৰ্যায় ক্ৰমে যোগান ধৰা হ’ব। উল্লিখিত প্ৰতি প্ৰকাৰৰ আবেদন পত্ৰ (গোটৰ প্ৰমাণীকৰণ/ পঞ্জীকৰণ, ঋণ আবেদন)ৰ মূল্য ১০০.০০ টকা। ইচ্ছুক গোটে উল্লিখিত সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰা নগদ ধন জমা দি আবেদন পত্ৰসমূহ সংগ্ৰহ কৰিব পাৰিব।

১৫. উক্ত ঋণ আঁচনি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘক ৮৩ সংখ্যক বাৰ্ষিক অধিৱেশনত অহা ৬/২/২০১৪ তাৰিখৰ বিয়লি ৩.৪৫ বজাত আনুষ্ঠানিকভাৱে উন্মোচন কৰাৰ পাছতহে কাৰ্যকৰী কৰা হ’ব।

১৬. উক্ত ঋণ নীতি সময় আৰু পৰিস্থিতি সাপেক্ষে সাল-সলনি হ’ব।

# পৰিৱৰ্তনৰ পথেৰে

*(৫ পৃষ্ঠাৰ পৰা)*

অধিৱেশনৰ ৰং-ৰূপ প্ৰতি বছৰে বছৰে সৌন্দৰ্যপূৰ্ণ হ’বলৈ ধৰিছিল।

সময় সলনি হ’ল। সমাজ সলনি হ’ল। সময়ৰ লগে লগে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰো ৰূপ সলনি হ’ল। বৰ্তমান সঙ্ঘৰ পৰিধি বিশ্বলৈ প্ৰসাৰিত হৈছে। সঙ্ঘৰ শক্তি বাঢ়িছে। ৪৭খন জিলা শাখাক বৰ্তমান পৰিচালিত কৰিবলৈ নগাঁৱৰ মূল কাৰ্যালয়ৰ উপৰিও ডিব্ৰুগড়, লখিমপুৰ, ধুবুৰী, পাঞ্জাবাৰী, যোৰহাট, গুৱাহাটী ৰূপনগৰত শাখা কাৰ্যালয় প্ৰতিষ্ঠা কৰা হৈছে। সঙ্ঘৰ বিস্তৃত কৰ্ম আঁচনি ৰূপায়ন কৰিবলৈ মূল কাৰ্যনিৰ্বাহকৰ উপৰি দহটাকৈ শাখা সমিতি, সাতখন উপ-সমিতি, শাখা কাৰ্যালয় পৰিচালনা সমিতি গঠন হৈছে। সেইদৰে ৮৫জন সদস্য-সদস্যাৰে মূল কাৰ্যনিৰ্বাহক সমিতি গঠন হৈছে। বৰ্তমান সমাজৰ অৰ্থনৈতিক বিকাশৰ প্ৰতি লক্ষ্য কৰি ১১খন জিলা শাখাত ১৫টা আৰ্থিক বিকাশ সমিতিৰ শাখা গঠন হৈছে। বৰ্তমান সঙ্ঘৰ বেংকত আঠ কোটিৰো অধিক টকাৰ লেনাদেনা আৰম্ভ হৈছে। সঙ্ঘৰ উদ্যোগত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ পূৰ্ণ প্ৰস্তুতি চলি আছে। সঙ্ঘৰ নিজাকৈ ‘সত্যসন্ধা প্ৰেছ’ নামেৰে নতুন এটি প্ৰেছ প্ৰতিষ্ঠাৰ কাম আৰম্ভ হৈছে। তাহানিৰ তুলনাত সঙ্ঘৰ আয়-ব্যয় তথা পুঁজিৰ পৰিমাণো বহুগুণে বাঢ়িল। চলিত বৰ্ষত সঙ্ঘৰ আয় ৮২,৫২,৮৩৫.৭২ আৰু ব্যয় হ’ল ৮২,৫২,৮৩৫.৭২ টকা। সঙ্ঘৰ পুঁজিত জমা ১৪,৬৩,৩৬১.৮৪ টকা। সঙ্ঘৰ এই শ্ৰীবৃদ্ধিয়েই বাৰ্ষিক অধিৱেশনৰ ৰূপ-সৌন্দৰ্যত পূৰ্বৰ তুলনাত বহুগুণে বৃদ্ধি কৰাইছে। এশ টকাৰে অধিৱেশন অনুষ্ঠিত কৰা সঙ্ঘত বৰ্তমান এক কোটি টকাৰ বাজেটৰ প্ৰয়োজন হৈছে। এখন আদৰণি সমিতিয়ে তদাৰক কৰিব পৰা সঙ্ঘ অধিৱেশনক তদাৰক কৰিবলৈ, পৰিচালনা কৰিবলৈ আজি ৪০খনৰো ততোধিক উপসমিতিৰ প্ৰয়োজন হ’ল। এদিনাখন সৰু এটি নামঘৰ অথবা এখন সৰু বিদ্যালয়ত অধিৱেশন পতা অনুষ্ঠানটিৰ বাৰ্ষিক অধিৱেশন পাতিবলৈ আজি এখন বিশাল পথাৰৰ প্ৰয়োজন হ’ল। এটা চৌকাৰে কাম চলা অধিৱেশনত আজি তাৰিখত ৪০০টা চৌকা একেৰাহে জ্বলাই, ১০ হাজাৰ ভকতে একেলগে বহি ভোজন কৰিব পৰা সুবৃহৎ ভোজনালয়ে সকলোৰে অভাৱ পূৰণ কৰিব নোৱাৰা হ’ল।

বাৰ্ষিক অধিৱেশনৰ এটি গুৰুত্বপূৰ্ণ অংগ হ’ল এখনি স্মৃতিগ্ৰন্থ। এই স্মৃতিগ্ৰন্থই অধিৱেশনক জীয়াই ৰাখে। স্মৃতিগ্ৰন্থৰ বাণীয়ে ভকত বৈষ্ণৱৰ জ্ঞানৰ পৰিসীমা বৃদ্ধি কৰে। সঙ্ঘৰ বাৰ্ষিক অধিৱেশনত বহু কেইবছৰলৈ কোনো স্মৃতিগ্ৰন্থ প্ৰকাশ পোৱা নাছিল। বিশেষকৈ ১৯৭০ চনত উত্তৰ লখিমপুৰত অনুষ্ঠিত উনচত্বাবিংশ অধিৱেশনত পোনপ্ৰথমবাৰৰ বাবে ২৬০ পৃষ্ঠাৰ ‘শ্ৰীশ্ৰীশঙ্কৰদেৱ’ নামেৰে এখনি আটকধুনীয়া স্মৃতিগ্ৰন্থ প্ৰকাশ পাইছিল। প্ৰথম অৱস্থাত অসমীয়া ভাষাতে স্মৃতিগ্ৰন্থ ছপা হৈছিল। কিন্তু সঙ্ঘৰ কোৱাল গতিত স্মৃতিগ্ৰন্থৰ কলেবৰ আৰু ভাষাৰ পৰিসীমা বাঢ়ি গ’ল। পোনপ্ৰথম ১৯৯৯ চনত মৰিগাঁৱত অনুষ্ঠিত বাৰ্ষিক অধিৱেশনৰ স্মৃতিগ্ৰন্থত অসমীয়া, ইংৰাজী, হিন্দী আৰু তিৱা ভাষাৰে স্মৃতিগ্ৰন্থ প্ৰকাশ হ’ল। ইয়াৰ পৰৱৰ্তী অধিৱেশনবোৰত তেনেকৈ অসমীয়া, ইংৰাজী, হিন্দীৰ উপৰিও বাংলা, বড়ো আদি জনগোষ্ঠীয় ভাষাটো প্ৰকাশ পাবলৈ ধৰিছে। উল্লেখযোগ্য যে ২০০৫ চনৰ ধুবুৰীৰ দুমৰদহ বাৰ্ষিক অধিৱেশনত বৈকুণ্ঠবেহাৰ স্মৃতিগ্ৰন্থত মুঠ ছটা ভাষাত প্ৰকাশ কৰি সঙ্ঘৰ স্মৃতিগ্ৰন্থৰ ইতিহাসত নতুন অভিলেখ গঢ়িছিল।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ বাৰ্ষিক অধিৱেশনে অসমৰ জাতীয় জীৱনৰ, সমাজ জীৱনৰ শান্তি শৃঙ্খলা ৰক্ষা কৰাত, বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত সদ্‌ভাব সম্প্ৰীতি, আস্থা, বিশ্বাস গঢ়ি তোলাত অসীম অৱদান আগবঢ়াইছে। সঙ্ঘৰ বাৰ্ষিক অধিৱেশনে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ, মহাপুৰুষ মাধৱদেৱৰ তথা একশৰণ হৰিনাম ধৰ্মৰ প্ৰচাৰ-প্ৰসাৰ কৰাত বহুখিনি সহায় কৰিছে। বিশেষকৈ উত্তৰ পূৰ্বাঞ্চলৰ জনজীৱনৰ মাজত সঙ্ঘই আধ্যাত্মিক চিন্তা-চেতনাৰে এক বৈপ্লৱিক মানসিকতা গঢ়ি তুলিবলৈ সক্ষম হৈছে। অসমৰ নগৰে চহৰে, গাঁৱে-ভূঞে, হাটে-বজাৰে, পথে-পথাৰে সকলোতে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ আদৰ্শৰ কথা বহুলভাৱে চৰ্চা হ’বলৈ ধৰিছে। লক্ষ লক্ষ ভকত-বৈষ্ণৱৰ সহযোগিতা লৈ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই দিহিং, দিছাং, দিখৌ, ধনশিৰি, কপিলীৰ বুকুৰ পৰা ওলাই আহি, বৰাক ব্ৰহ্মপুত্ৰৰ বুকু ভেদি, গঙ্গা-যমুনা হৈ মিচিচিপিৰ পাৰলৈ যাবলৈ প্ৰস্তুতি চলাই আছে। সঙ্ঘৰ এই গতি আজি কোনেও ৰুধিত নোৱাৰে। কোনেও স্তব্ধ কৰিব নোৱাৰে, সঙ্ঘ গতি হ’ব অনিৰুদ্ধ।❑❑

# লক্ষ্মীনাথ বেজবৰুৱাৰ

*(৫ পৃষ্ঠাৰ পৰা)*

অৰ্ধস্বৰূপী ইন্দ্ৰৰ দৰ্পচূৰ্ণ কৰি ব্ৰজবাসীসকলক ৰক্ষা কৰিলে— “গীত কবিত্ব গুণ, শঙ্কৰদেৱৰ কৰীতি গৈয়ো বহুদূৰ” হ’ল। আসামত শঙ্কৰৰ সুকীৰ্তি অচল-অটলভাৱে সুপ্ৰতিষ্ঠিত হ’ল। অনেক পণ্ডিত, ন্যায়নিষ্ঠ, সত্যপ্ৰিয়, সাত্ত্বিক ব্ৰাহ্মণ শঙ্কৰৰ লগ লাগিল। শঙ্কৰ বিদ্বেষী ৰাৱণ ব্ৰাহ্মণসকলৰ ঘৰৰ পৰা এই সত্যপ্ৰিয় ন্যায়নিষ্ঠ সাত্ত্বিক ব্ৰাহ্মণসকল আহি শঙ্কৰৰ শৰণাপন্ন হোৱাত বিভীষণৰ ওপৰত ৰাৱণৰ ক্ৰোধৰ পৰিসীমা নাইকিয়া হোৱাদি তেওঁলোকৰ ক্ৰোধৰ পৰিসীমা নাইকিয়া হ’ল। অকথ্য কটুবচনেৰে এই ভক্ত ব্ৰাহ্মণসকলক তেওঁলোকে গালি পাৰি, এইসকলৰ শিৰচ্ছেদনৰ হুকুম প্ৰচাৰ কৰি দিলে। কিন্তু বিভীষণ যে ৰামৰ শীতল ছাঁত, তেওঁৰ শিৰচ্ছেদন কৰিবলৈ ৰাৱণে পাব ক’ত? বিভীষণৰ বিচ্ছেদন দূৰৰ কথা শেহত ৰাৱণৰহে সবংশে নিধন ঘটিল।” (লক্ষ্মীনাথ বেজবৰুৱা, বাঁহী, সম্পাদনা-লক্ষ্মীনাথ তামুলী, অসম প্ৰকাশন পৰিষদ, ২০০৫ চন, পৃ.-১২৪২)

এচাম প্ৰচণ্ড জাত্যাভিমানী ব্ৰাহ্মণে শঙ্কৰদেৱক দামোদৰদেৱতকৈ নিম্নস্থানত ৰাখিবলৈ কৰা অপচেষ্টাৰ বিষয়ে লক্ষ্মীনাথ বেজবৰুৱাই ‘বাঁহী’ত বাৰম্বাৰ প্ৰতিবাদ কৰি লিখা তেখেতৰ টোকাবোৰ পঢ়িলে বুজিব পাৰি বেজবৰুৱাৰ বিচাৰ কিমান নিৰপেক্ষ আৰু সত্যৰ ওপৰত প্ৰতিষ্ঠিত। তেখেতে এই বিষয়ে কেইবাঠাইতো লিখিছে—

(ক) “শঙ্কৰদেৱৰ ধৰ্মই যে দামোদৰদেৱৰ ধৰ্ম, শঙ্কৰী ধৰ্মৰ প্ৰাণেৰেই যে দামোদৰীয়া ধৰ্ম অনুপ্ৰাণিত, এই কথা আমি আগেয়ে অনেকবাৰ পদে প্ৰমাণেৰে সৈতে কৈ আহিছোঁ, তেহেলৈ কোনো কোনোৱে যিমানকে সেই কথা অস্বীকাৰ কৰক।” (বেজবৰুৱা গ্ৰন্থাৱলী, তৃতীয় খণ্ড, সম্পাদনা- যতীন্দ্ৰনাথ গোস্বামী আৰু ড° প্ৰকাশ গোস্বামী, সাহিত্য প্ৰকাশ, ২০০০ চন, পৃ.-২৩৯১)।

(খ) “আচল কথা, শঙ্কৰদেৱ শূদ্ৰ হেতু ব্ৰাহ্মণ দামোদৰদেৱৰ গুৰুৰ আসনলৈ তেওঁক নিয়াটো ভাল নেদেখুৱাই দেখি অনেক অসংলগ্ন চেষ্টা শঙ্কৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ কালৰে পৰা চলি আহিছে।” (ঐ, পৃ.-২৪০৩)।

(গ) “আদিতে আসামত ভাগৱতী বৈষ্ণৱ ধৰ্মৰ সম্প্ৰদায় এটাৰ বাহিৰে দুটা যে নাছিল, নাম-ধৰ্মৰ বাহিৰে অইন দেৱ-দেৱীৰ পূজা-সেৱা যে নাছিল, শঙ্কৰদেৱৰ পিছতহে ফটা সম্প্ৰদায়ে দুভাগ হৈ মহাপুৰুষীয়া আৰু দামোদৰীয়া হ’ল এই সত্য গোপালদেৱৰ চৰিত্ৰই সুন্দৰকৈ আঙুলিয়াই দেখুৱায়।” (ঐ, পৃ.-২৪০৩)।

(ঘ) “..... ইয়াৰ পিছতো দামোদৰীয়া মহাপুৰুষীয়া পৃথক বুলি ক’বা নে? মহাপুৰুষীয়া শূদিৰীয়া ধৰ্ম, দামোদৰীয়া বামুণীয়া ধৰ্ম বুলি ইতিকিং কৰোঁতাসকলে এতিয়া কি কয়?” কথাযাৰ দামোদৰীয়া গোপাল চৰণৰ মুখৰ, এতেকে তাৰ ভিতৰত দামোদৰীয়াসকল কটকটীয়াকৈ সোমাই পৰা নাই নে? শঙ্কৰদেৱ শূদিৰ বুলি আজিকালিৰ কোনো ভীমটোকো বামুণ মহন্তই শঙ্কৰদেৱৰ তিথিৰ দিনা শিষ্যক হালবাবলৈ কোৱা আৰু শিষ্যই নাখাওঁ বুলিলেও সেই শিষ্যৰ ওপৰত ৰাম টাঙোন জোকৰা কথা আমি শুনিছোঁ।” (ঐ, পৃ.-২৪৬৯)

(ঙ) “.... ক্ষমতা লভি লভি, তাৰ অপব্যৱহাৰ কৰি কৰি, নিজক আৰু সনাতন হিন্দু ধৰ্মক যথেষ্ট অধঃপতলৈ নি, তেওঁলোক এনে হৈছে যে ব্ৰাহ্মণেতৰ কোনো মহৎ লোকৰ গাত তেওঁলোকতকৈ শ্ৰেষ্ঠ গুণ দেখিলেই তেওঁলোক জ্বলি-পুৰি দেই মৰে আৰু সেই মহৎ লোকৰপৰা যথাসৰ্বস্ব লাভ কৰি অগুণকাৰী হৈ ঋণ স্বীকাৰ নকৰি মহতালি দেখুৱায়...।” (ঐ, পৃ.-২৪৬৯)। একাংশ ব্ৰাহ্মণে শঙ্কৰদেৱক ‘হালোৱা শঙ্কৰ’ আখ্যা দিয়াক বেজবৰুৱাই লিখিছে— “অৰ্থাৎ পৃথ্বী ৰজাই দুহি ৰস বাহিৰ কৰি নিজৰ নাম যুগমীয়া কৰি পৃথিৱী নাম দি যোৱা ভূমিক আচুৰি-পিচুৰি তুমি খাবলৈ শিকি, দাসত্ব বা পৰৰ গোলামি এৰি দিব পাৰিলেই নামত ব্ৰাহ্মণ আৰু কামত শূদ্ৰত্বৰ পৰা উঠি গৈ আৰ্যত্ব পাই উন্নত হ’বা। আচৰিত কথা যে, আজিকালি গোলামি কৰি, লুকাই কুকুৰা, বিস্কুট আৰু ফটিকা খাই টুপটুপীয়া হোৱা শিক্ষিত বামুণেও সভাত উঠি থিয় হৈ বক্তৃতা কৰোঁতে, ব্ৰাহ্মণত্ব ১৬ অনা দাবী কৰি, শঙ্কৰদেৱক শূদিৰ বুলি উপলুঙা কৰি হাত-চাপৰি লৈ সন্তোষ লভে। তেওঁলোকে জানিও নাজানে, দেখিও নেদেখে যে বামুণ আৰু শূদিৰ কৰি কৰি ভাৰত ৰসাতললৈ গ’ল আৰু গৈ আছে। হায়!!” (ঐ, পৃ.-২৩৮০)

বেজবৰুৱাই সকলো ব্ৰাহ্মণে শঙ্কৰদেৱক বিদ্বেষপূৰ্ণভাৱ পোষণ কৰিছে বুলি কোৱা নাই নাইবা শঙ্কৰদেৱৰো ব্ৰাহ্মণৰ প্ৰতি অশ্ৰদ্ধা আছিল বুলি কোৱা নাই। এই বিষয়ে বেজবৰুৱাই এনেদৰে লিখি থৈ গৈছে—

(ক) “অনেকে ভাবে যে ব্ৰাহ্মণৰ প্ৰতি শ্ৰীশঙ্কৰদেৱৰ শ্ৰদ্ধা বা সন্মান নাছিল বা কম আছিল। এইটো ভুল। প্ৰকৃত ব্ৰাহ্মণক তেওঁ অশেষ সন্মান কৰিছিল আৰু নামত মাথোন বামুণকো যে তেওঁ লঘু-লাঞ্ছনা বা অসন্মানৰ ভাব দেখুৱাইছিল এনে নহয়।” (ঐ, পৃ. ২০০১)।

নৱ বৈষ্ণৱ ধৰ্মৰ বিৰুদ্ধে কেৱল অসমতে যে ব্ৰাহ্মণ পুৰোহিতসকলে বিৰোধ কৰিছিল এনে নহয়, বৰং সমগ্ৰ ভাৰতবৰ্ষতে ব্ৰাহ্মণ্যবাদীসকলে ইয়াৰ বিৰোধিতা কৰিছিল আৰু বৈষ্ণৱ নিৰ্যাতন সংঘটিত হৈছিল। বেজবৰুৱাই এই সম্পৰ্কে লিখিছে

“ভাৰতবৰ্ষৰ অন্যান্য অংশৰ দৰে অসমতো শঙ্কৰদেৱ প্ৰৱৰ্তিত বৈষ্ণৱ ধৰ্মৰ বিৰুদ্ধেও পুৰোহিত শ্ৰেণীৰ ব্ৰাহ্মণসকলৰ তৰফৰ পৰা ভীষণ বাধা উপস্থিত হয়। শঙ্কৰৰ ভাগৱতী ধৰ্মই ভুৱা দিয়া ব্ৰাহ্মণ্য পূজা-পাতলৰ গুৰিতে কুঠাৰৰ আঘাত দিয়াত তেওঁবিলাক জঁকি উঠে। এই বিষয়ে তেওঁবিলাকে, অসমলৈ নতুনকৈ অহা আৰু হিন্দু ধৰ্মৰ ভিতৰুৱা কথা সিমান ভালকৈ নজনা আহোম স্বৰ্গদেউসকলৰ ওচৰত গোচৰ দিয়ে গৈ। হিন্দুৰ ৰীতি ভঙ্গ কৰিছে বুলি ব্ৰাহ্মণসকলে লগাই দিয়াত বিচাৰৰ কাৰণে ৰজাই শঙ্কৰদেৱক ৰাজসভালৈ মতাই আনে। কিন্তু এই বিচাৰত অতি যোগ্যতাৰে শঙ্কৰদেৱ জয়ী হয়। ব্ৰাহ্মণসকল যদিও পদে পদে পৰাস্ত হৈছিল, তেওঁবিলাকে কিন্তু শঙ্কৰদেৱৰ বিৰোধিতা কৰিবলৈ এৰা নাছিল।” (ঐ, পৃ. ২০২৭)।

**উপসংহাৰ ঃ** ওপৰৰ আলোচনাটিৰ পৰা এইটো স্পষ্ট হ’ল যে লক্ষ্মীনাথ বেজবৰুৱাই একাংশ ব্ৰাহ্মণে শঙ্কৰদেৱৰ প্ৰতি যি বিদ্বেষপূৰ্ণ মনোভাব প্ৰকট কৰিছিল সেই সকলো বিলাক অপায়-অমঙ্গলৰ চিকিৎসা কৰি মহাপুৰুষজনাক অসমৰ তথা ভাৰতৰ জাতীয় জীৱনত প্ৰতিষ্ঠা কৰি থৈ গ’ল। বেজবৰুৱাই যদিও আক্ষেপ কৰি কৈছিল যে বিংশ শতিকাতো শঙ্কৰ বিদ্বেষৰ জইন মৰা নাই। কিন্তু এগৰাকী কৰ্মকাণ্ডী পুৰোহিতে লিখা ‘শঙ্কৰ বিভ্ৰাট’, ‘শঙ্কৰ বিৰচিত কীৰ্ত্তন ধৰ্মপুথি হয় নে?’ ইত্যাদি গ্ৰন্থকে ধৰি অন্য কেইবাজনে শঙ্কৰদেৱৰ প্ৰতি বিদ্বেষপূৰ্ণ মনোভাব এই একবিংশ শতিকাতো প্ৰকট কৰিছে। দ্বাপৰত শ্ৰীকৃষ্ণক যেনেকৈ একাংশ লোকে বিৰুদ্ধাচৰণ কৰিছিল, তেনেদৰে কলিত মহাপুৰুষ শঙ্কৰদেৱক ৰাঘবাচাৰ্যৰ পৰা আৰম্ভ কৰি শ্ৰীকান্ত দেৱশৰ্মালৈকে বহুতো ব্ৰাহ্মণ্যবাদীয়ে যুগে যুগে বিৰুদ্ধাচৰণ কৰি আহিছে। **“কিন্তু সত্য শুদ্ধ ধৰ্ম, ন্যায়ৰ ধৰ্ম অমৰ। সি আকৌ মূৰ দাঙি উঠিছে। হেৰা অসমীয়া চোৰা, পূবলৈ চোৰা, ঊষাৰ অৰুণ কিৰণ আকৌ ওলাইছে!!”** (লক্ষ্মীনাথ বেজবৰুৱা ‘বাঁহী’, সম্পাদনা-লক্ষ্মীনাথ তামুলী, অসম প্ৰকাশন পৰিষদ, ২০০৫ চন, পৃ. ১২৪৪)।❑

# ‘নাম-ঘোষা’ৰ পৰিৱেশ্য

*(৩ পৃষ্ঠাৰ পৰা)*

ক্ষণে Subjective হৈ পৰিছে। এটা উদাহৰণ লোৱা হওক, নাম-ঘোষাৰ প্ৰথম ঘোষা— “মুক্তিতো নিস্পৃহ যিটো সেহি ভকত’ এইখিনি বিশুদ্ধ তত্ত্ব। অৰ্থাৎ সেইজনহে শুদ্ধ ভক্ত যি মুক্তিতো নিস্পৃহ। কিন্তু সেহি ভকতক ‘নমো’— ‘নমো’ শব্দটোৱে তত্ত্বটোক ব্যক্তিসত্তাৰ সৈতে সম্পৰ্কিত কৰিলে। তাৰ পিছৰ চৰণ “ৰসময়ী মাগোহো ভকতি”য়ে তত্ত্বক চেৰাই আত্মসত্তাৰ অনুভূতি-উপলব্ধিহে দাঙি ধৰিলে। গোটেই স্তৱকটো সামগ্ৰিকভাৱে চালে ব্যক্তিসত্তাৰ উপলব্ধিটোৱেই এটা গুটীয়া তত্ত্ব। ‘নাম-ঘোষা’ৰ ৰচক হিচাপে এয়া মাধৱদেৱৰ উপলব্ধি। কিন্তু পৰিৱেশ্য পাঠৰ দ্বাৰা যিজনেই নাম-ঘোষাৰ এই ঘোষাফাকি পৰিৱেশন কৰিব লগে লগে সি সেইজনৰ উপলব্ধিৰ বস্তু হৈ পৰিব। ‘নাম-ঘোষা’ৰ যিবোৰ ঘোষা একান্ত ভক্ত কবিৰ কাকুতি তথা ঈশ্বৰৰ ওচৰত চূড়ান্ত নিবেদন, সেই ঘোষাৰ ভাৱৰ মাজতে আছে এক মৰ্মান্তিৰ কাৰুণ্য। ইয়াৰ সমান্তৰালভাৱে পৰিৱেশ্য পাঠটোত মূৰ্ত হৈ উঠে এক অনিৰ্বচনীয় হৃদয়ৰ আলোড়ন। কিন্তু তাতো তত্ত্ব কথাৰ প্ৰকাশ। “কিমতে ভকতি কৰিব তোমাক.....” এই কাকুতি ঘোষাফাকি পৰিৱেশনৰ সময়ত পাঠক-শ্ৰোতাৰ অন্তৰত তত্ত্বৰ কাঁইট নালাগে; বৰং কাৰুণ্যৰ এক মহত্ত্বম উপলব্ধিয়ে তত্ত্বৰ মাজত থকা উপলব্ধিজাত ৰসবোধকহে গাঢ় কৰে। “তোমাৰ মায়ায়ে মন মুহি আছে”, ‘খেদ’ ছেদত থকা “তুমি শুদ্ধ বুদ্ধ নিত্য নিৰ্ম্মল নিৰ্গুণ দেৱ/ মোৰ প্ৰভু নাৰায়ণ এ” আদি গভীৰ তত্ত্ব কথাৰ জাল নফলাকৈ তত্ত্বক এক উপলব্ধিলৈ ৰূপান্তৰ কৰে নাম-ঘোষাৰ পৰিৱেশ্য পাঠে।

নাম-ঘোষাৰ মাজেৰেই মাধৱদেৱে তত্ত্ব কথাৰো সহজ চৰ্চাৰ অভ্যাস গঢ়ি তুলিলে ভক্ত সমাজৰ মাজত। জটিল কাম এটা অভ্যাস কৰোঁতে কৰোঁতে সহজ হৈ পৰে, কেনেকৈ সহজ হ’ল কৰোঁতা জনে তত্ ধৰিবই নোৱাৰে। একেদৰে জটিল তত্ত্ব একোটাও সদায় কলাত্মক ৰূপত পৰিৱেশন কৰোতে কৰোঁতে তাৰ দুৰ্বোধ্যতা আঁতৰে। ‘সংসাৰখন অনিত্য, মায়াময় অথিৰ, অসাৰ— এই কথাটো সংসাৰী এজনৰ বাবে দুৰ্বোধ্য। কাৰণ, জীৱনবোধ, আনন্দ, ইন্দ্ৰিয়জ দুখ-দুখ আদিৰ আলয় এই সংসাৰ। কিন্তু নাম-ঘোষা পঢ়োতে পঢ়োতে এই অনিত্যতা, অসাৰতা, মায়াময়তাই প্ৰতিজন পাঠককে কোনো মুহূৰ্তত এবাৰলৈ হ’লেও বিমোৰত পেলায়। ইয়াতে আৰু এটা Magic আছে— সংসাৰৰ অনিত্যতাৰ বোধ নহ’ব পাৰে; কিন্তু ঈশ্বৰৰ নিত্যত্বৰ বোধ হোৱাটো সহজ। ঈশ্বৰ নিত্য, চৈতন্য, মায়াধীন, শুদ্ধ, সত্য ইত্যাদি। এই উপলব্ধি যিমানে গাঢ় হ’ব সিমানে সংসাৰৰ অনিত্যতা, মায়াময়তাৰ বোধ চেতনাত সঞ্চাৰিত হ’ব। এই বৈপৰীত্যৰ দ্বন্দ্বই Magicৰ দৰে পাঠকক সন্মোহন কৰায়। ৰসবোধৰ পৰা উপলব্ধিলৈ এই সচলতাৰ মূলতে নাম-ঘোষাৰ পৰিৱেশ্য পাঠ। সংগীতৰ Technical জ্ঞান কথা সুধীজনে এই বিষয়টো বহলকৈ আলোচনা কৰিব পাৰিব।❑

# ঢকুৱাখানাত আৰ্থিক বিকাশ সমিতিৰ শাখা মুকলি

**ঢকুৱাখানা ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, আৰ্থিক বিকাশ সমিতিৰ ১৫নং শাখাটি ঢকুৱাখানা জিলাত যোৱা ২৮ ডিচেম্বৰ, ২০১৩ তাৰিখে শুভ উদ্বোধন কৰা হয়। পুৱা ১০ বজাত প্ৰায় তিনি সহস্ৰাধিক ভকত-বৈষ্ণৱৰ উপস্থিতিত শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ পদাধিকাৰ ৰজনীকান্ত দত্তবাপে শাখা কাৰ্যালয়টিৰ দ্বাৰ উন্মোচন কৰে। ইয়াৰ পাছত পদাধিকাৰ ৰজনীকান্ত দত্তবাপৰ সঞ্চালনাত অনুষ্ঠিত হোৱা মুকলি সভাত প্ৰধান সম্পাদক বাবুল বৰাবাপে আৰ্থিক বিকাশ সমিতিৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে অৱগত কৰায়। উপ-পদাধিকাৰ ভবেন্দ্ৰনাথ ডেকাবাপে বৰ্তমানে কাঠফুলাৰ দৰে অসমত গঢ়ি উঠা ব্যক্তিগত খণ্ডৰ বিত্তীয় প্ৰতিষ্ঠান তথা চিট ফাণ্ডসমূহৰ বিৰুদ্ধে শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ আৰ্থিক বিকাশ সমিতি এক প্ৰত্যাহ্বান স্বৰূপ হ’ব বুলি আশা প্ৰকাশ কৰে। আৰ্থিক বিকাশ সমিতিৰ সভাপতি কুশল ঠাকুৰীয়বাপে ঢকুৱাখানাবাসী ৰাইজক শাখাটিত সক্ৰিয়ভাৱে সহযোগিতা কামনা কৰে। সভাখনি আঁত ধৰে ঢকুৱাখানা জিলাৰ সম্পাদক পৰমা কোঁৱৰবাপে।

প্ৰণিধানযোগ্য যে ঢকুৱাখানা শাখাটিত প্ৰবন্ধক হিচাপে প্ৰাঞ্জল প্ৰতীম ফুকন আৰু সহকাৰী প্ৰবন্ধক হিচাপে সূৰ্য বৰুৱাক নিয়োগ কৰা হয়। সাতজন এজেণ্টবিশিষ্ট ঢকুৱাখানা শাখাটিত ৰাইজৰ সহাঁৰি উৎসাহজনক।

# অসমীয়া জাতি গঠন

(১৬ পৃষ্ঠাৰ পৰা)

সৰ্বসাধাৰণ ভগৱন্তৰ কাষ চাপিবলৈ এতিয়া আৰু পুৰোহিতক ধৰিবলগীয়া নহয়, ভক্তিধৰ্মই হিন্দুৰ ধৰ্মৰ সীমান্তত বা সীমান্তৰ পৰা বহু দূৰত থকা লোকসকলকো দলে দলে টানি আনিলে।

নৰনাৰায়ণ ৰজাৰ ওচৰত শংকৰদেৱৰ বিৰুদ্ধে কৰা অভিযোগসমূহৰ ভিতৰত এটি অভিযোগ আছিল যে অব্ৰাহ্মণ হৈ শংকৰদেৱে ব্ৰাহ্মণক শৰণ দিছে, 'কৈৱৰ্ত-কোলতা-কোত-ব্ৰাহ্মণক একেলগে পকা-কেঁচা অন্ন ভোজন কৰায় ইত্যাদি।' জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোকে একে স্থান দিয়া আজিৰ যুগৰ গণতান্ত্ৰিক সমাজৰ পদক্ষেপ আৰু সমাজৰ প্ৰতিজন মানুহৰ সৰ্বতোপ্ৰকাৰৰ মংগল কামনা কৰা শংকৰদেৱৰ এই কাৰ্য সেই যুগত এচাম ৰক্ষণশীল আৰু ধৰ্মান্ধ লোকৰ বাবে আছিল ধৰ্মবিৰোধী কাৰ্য আৰু অপৰাধ। কোৱা বাহুল্য যে সেই সময়ত শংকৰদেৱে কৰা এই অধৰ্মকাৰ্যই অসমীয়া জাতি গঠনৰ পথ প্ৰশস্ত কৰিছিল। দুখৰ কথা ঐকেশ শতিকাতো অসম তথা ভাৰতবৰ্ষকে ধৰি পৃথিৱীৰ বহু ঠাইৰ মানুহে এই ধৰ্মবিৰোধী কাৰ্য কৰি থাকিবলগীয়া হৈছে।

ধৰ্মৰ ভেটিত শংকৰদেৱে সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ বাবে যি সাম্যৰ আদৰ্শ প্ৰচাৰ কৰি তাক সমাজৰ কাৰ্যত পৰিণত কৰিবলৈ অহৰহ চেষ্টা কৰি গৈছিল, সেই আদৰ্শক পিছৰ যুগৰ বিৰুদ্ধবাদী শক্তিয়ে কাৰ্যত পৰিণত হ'বলৈ দিয়া নাই। বেলেগ বেলেগ ভাষা কোৱা, সুকীয়া সংস্কৃতিসম্পন্ন আৰু সুকীয়া আদিম ধৰ্ম আৰু বিশ্বাসমতে বিভিন্ন ধৰণৰ জীৱন-যাপন পদ্ধতিৰে জীৱন-নিৰ্বাহ কৰা, দাঁতিকাষৰীয়া পাহাৰ-ভৈয়ামৰ জনজাতিসকলে শংকৰী ধৰ্ম গ্ৰহণ কৰিলে। অসম-কামৰূপ-বেহাৰ বুলি পৰিচিত ৰাজ্য খণ্ডৰ শদিয়াৰ পৰা ধুবুৰীলৈকে ব্যাপ্ত এই বৃহৎ অঞ্চলটোৰ লোকসমষ্টিয়ে শংকৰগুৰুৱে সাহিত্য ৰচনা কৰা ভাষাটিকে নিজৰ বুলি গ্ৰহণ কৰিলে। জাতি-অজাতি বিচাৰ নকৰি সকলোকে এক ধৰ্ম, এক ভাষা আৰু এক সংস্কৃতিৰ পতাকাৰ তলত গুৰুজনাই সমবেত কৰালেহি। 'কীৰ্তন-ঘোষা'ৰ ভাষাত 'নবাছে ভকতি জাতি-অজাতি।' নাম-ঘোষা ভাষাত 'গাৰো ভোট যৱনে হৰিৰ নাম লয়' আৰু 'ৰাম বুলি তৰে মিৰি অসম কছাৰী'। অসমৰ সকলো জাতি বা সম্প্ৰদায়ৰ লোকেই একেটি ধৰ্মৰ হৰিভকত হৈ জাতীয়তাৰ বান্ধোনত বান্ধ খালে। গুৰুজনাই নিজৰ জীৱন কালতেই হেড়ম্বিয়াল কছাৰী ৰজাক ধৰ্ম দিয়ালে। 'ৰামচৰণ আৰু ভূষণৰ চৰিতত আছে যে দামোদৰদেৱৰ আদি ভক্‌হোৱাৰ সময়তে হেড়ম্ব ৰাজ্যৰ কছাৰী ৰজাই চাৰিজন দূত পঠাইছিল শংকৰক নিবলৈ। গুৰুৱে মাধৱ আৰু ঠাকুৰ আতাক পঠাই ৰজাক শৰণ দিয়ায়। এনেদৰে ধৰ্মৰ সৈতে প্ৰেম অমৃতৰ বাণী বিলাবলৈ যাওঁতে গুৰুজনাই সেই সময়ৰ অসমৰ সীমাৰ বাহিৰৰ বিভিন্ন জাতি-জনজাতিকো পাহৰা নাছিল— যাক কোৱা হয় উত্তৰ-পূৰ্বাঞ্চল। এই প্ৰসংগত ভাগৱত পুৰাণৰ এটি শ্লোকৰ অনুবাদলৈ দৃষ্টি দিব পাৰি—

"কিৰাত কছাৰী খাচি গাৰো মিৰি
যৱন কঙ্ক গোৱাল টি
অসম মলুক ৰজক বা তুৰুক
কুবাচ ম্লেচ্ছ চণ্ডাল।।
আনো যত নৰ কৃষ্ণ সেৱকৰ
সঙ্গত পবিত্ৰ হয়।
ভকতি লভিয়া সংসাৰ তৰিয়া
বৈকুণ্ঠে সুখে চলয়।।

এইখিনি ৰচনাৰ এটি মন কৰিবলগীয়া বিশেষত্ব হ'ল এই যে ই ভাগৱতৰ মূল শ্লোকৰ হুবহু অনুবাদ নহয়। ইয়াত উল্লেখ কৰা কছাৰী, গাৰো, খাচি, মিৰি আদি জাতিবাচক শব্দকেইটা গুৰুজনাৰ নিজৰ সংযোজন। অসমৰ এইকেইটা সম্প্ৰদায়ৰ নাম তেখেতে ভাগৱত পুৰাণৰ শ্লোকত থকা হুণ, অন্ধ্ৰ, পুলিন্দ, পুক্কস, আভীৰ, খশ আদি জাতিৰ নাম ঠাইত সন্নিৱিষ্ট কৰিছে। ভাগৱত পুৰাণৰ দৰে এই মহাগ্ৰন্থত, অসমৰ এইসকল তথাকথিত হীন বা অন্ত্যজ জাতিৰ উল্লেখ আৰু কীৰ্তন-ঘোষাৰ দৰে গুৰুজনাৰ শ্ৰেষ্ঠ আৰু তীব জনপ্ৰিয় সৃষ্টিত 'যিটো চাণ্ডালক গৰিষ্ঠ মানি, যাৰ জিহ্বায়ে থাকে হৰি বাণী' বুলি কৰা ঘোষণাই, সেইসকল তথাকথিত হীনজাতি আৰু জনজাতিসকলৰ মনত এক গভীৰ আস্থা আৰু আত্মবিশ্বাসৰ ভাব জগাই তুলিলে। গুৰুজনাৰ এই বাণী আৰু ঘোষণাই অসমৰ ইমুৰৰ পৰা সিমুৰলৈ বিজুলী বেগেৰে প্ৰবাহিত হৈ সীমাৰ পৰিধি অতিক্ৰমি সীমান্ত অঞ্চললৈকো স্পৰ্শ কৰিলেগৈ। শংকৰদেৱে বেদান্তৰ পৰম সত্য, 'জীৱো ব্ৰহ্মৈৱ নাপৰঃ' জীৱমাত্ৰেই ব্ৰহ্ম ভিন্ন বা ভগৱানৰ বাহিৰে একো নহয়— এই ধৰণৰ চিৰন্তন সত্য বাণীসমূহ ইমান হৃদয়গ্ৰাহীবাৰে বুজাই দিছিল যে তাকে শুনি আৰু উপলব্ধি কৰি সকলো শ্ৰোতা আৰু পাঠকে নিজৰ হৃতমৰ্যাদা আৰু আত্মবিশ্বাস ঘূৰাই পাইছিল আৰু ইয়াকে উপলব্ধি কৰি হিন্দু সমাজ ব্যৱস্থাৰ উচ্চ বৰ্ণৰ, শিক্ষিত আৰু সংস্কৃতিবান লোকসকলেও সেই নীহকুলীয়া, অশিক্ষিত লোকসকলকো একে জাতি-ধৰ্ম, ভাষাৰ পতাকাৰ তলত সমবেত হ'বলৈ আঁকোৱালি লৈছিল। এনেদৰে তেওঁলোকৰ অজানিতে আৰম্ভ হৈছিল অসমীয়া জাতি গঠন প্ৰক্ৰিয়া। গুৰুজনাৰ ঘোষণাৰ দ্বাৰা এই কথা পুনঃ প্ৰতিষ্ঠিত হ'ল যে জাতিত উচ্চ মানুহ ভাল, জাতিত হীন হ'লেই মানুহ বেয়া হ'ব নোৱাৰে। গুৰুজনাৰ ভাষাৰে ক'বলৈ হ'লে—

"চণ্ডালে হৰিৰ নাম লৰে মাত্ৰ।
কৰিবে উচিত যজ্ঞৰ পাত্ৰ।।৪৭
কৃষ্ণৰ কথাত যিটো ৰসিক।
ব্ৰাহ্মণৰ জন্ম লাগে তাৰ কিক।।
স্মৰোক মাত্ৰ হৰি দিনে ৰাতি।
নবাছে ভকতি জাতি অজাতি।।"৪৮

—কীৰ্তন-ঘোষা, পাষণ্ড-মৰ্দন, পৃ.৩২-৩৪, সম্পাদনা, ড° মহেশ্বৰ নেওগ

গুৰুজনাই নাম উল্লেখ কৰা বা নকৰা অথচ সেই সময়ৰ পৰা আৰম্ভ কৰি তাৰ বহুকাল পিছলৈকে অসমলৈ প্ৰব্ৰজন কৰা বহু জনজাতীয় লোক আৰু যৱন বা মুছলমানসকল হিন্দুধৰ্মৰ বাহিৰৰ লোক আছিল। তদুপৰি তেওঁলোকৰ বহুসংখ্যকেই সেই সময়ৰ সংস্কৃত বা সভ্য সমাজৰ পৰাও বহু নিলগত আছিল। মহাপুৰুষ দুজনাই তেওঁলোকৰ ধৰ্ম-সংস্কৃতি আৰু উন্নত জীৱনৰ সম্বেদ দি তেওঁলোকৰ জীৱন আৰু জীৱন-যাপন প্ৰণালীলৈ এক নতুন মাত্ৰা আনি দিলে। মহাপুৰুষ দুগৰাকীয়ে প্ৰেমধৰ্মৰ বাণীৰে সাৰটি লোৱা এইসকল তথাকথিত অন্ত্যজাতিয়ে ভক্তিধৰ্মৰ উচ্চস্তৰলৈ উধাব পাৰিছিল। "উদাহৰণ স্বৰূপে গুৰুজনে চান্দসাঁইক আত্মাৰ পৰিচয়েৰে আত্মীয় কৰি লৈছিল...। অৰ্থাৎ মহাপুৰুষৰ অন্য পৰম ভক্তসকলৰ সমমৰ্যাদাৰে যৱন চান্দসাঁইক গ্ৰহণ কৰি লোৱা হৈছিল। মাধৱদেৱেও জয়হৰি বোলা এজন যৱনক ধৰ্ম দিছিল। তেওঁকো আন ভকতসকলৰ যি সন্মান, সেই সকলোখিনি দিয়া হৈছিল।" (ড° মহেশ্বৰ নেওগ, ভূমিকা, শহকৰদেৱ আৰু অসমৰ সংহতি, প্ৰয়োজনীয়তা আৰু প্ৰাসংগিকতা ঃ চৈয়দ আব্দুল মালিক)। চান্দসাঁইৰ নামত কেইবাটাও গীত ভক্ত সমাজত প্ৰচলিত হৈ আছে। সমাজৰ এনেকুৱা স্তৰৰ পৰা অহা ভকতসকলকো মহাপুৰুষ দুজনাই কেনেদৰে মৰম আৰু স্নেহেৰে সাৱটি লৈছিল মুৰাৰি বৰকোচ বোলা ভকত এজনৰ কাহিনীৰ পৰাই বুজিব পাৰি।

এই ভূখণ্ডত জন্মলাভ কৰি ভাৰতবৰ্ষিত জন্মধাৰণৰ গৌৰৱ কীৰ্তন কৰা শংকৰদেৱে এই ভূখণ্ডৰ বিবিধ ভাষা কোৱা বিধে বিধে জাতি-জনগোষ্ঠীৰ মানুহৰ ভিন ভিন সংস্কৃতিৰ অধিকাৰী এই সকলকলোবোৰ মানুহকে হয়তো এক ভাষা, এক সংস্কৃতি আৰু এক ধৰ্মৰ পতাকাৰ তলত সমবেত কৰি একোটি জাতি হিচাপে প্ৰতিষ্ঠা কৰাৰ সপোন দেখিয়েই তেখেতে জীৱনজোৰা সাধনাৰ আৰম্ভ কৰিছিল। গুৰুজনাই বিচাৰিছিল— "এখন শুদ্ধ, সত্ত্ব, ব্যাপ্ত, বৈষ্ণৱ সমাজ, এখন নিঃস্বাৰ্থ ভক্তৰ সমাজ, এখন সাম্য আৰু মানৱতাৰ ভিত্তিত প্ৰতিষ্ঠিত সুন্দৰ সমাজ। ভক্তৰ সংগীতেৰে উত্তপ্ত এখন শোষণমুক্ত সমৃদ্ধ সমাজ।" (চৈয়দ আব্দুল মালিক ঃ শংকৰদেৱ আৰু অসমৰ সংহতি, পৃ. ২৬)। এখিন সমাজৰ লোকসকল অনাখৰী আৰু দুখীয়া হ'লেও তেওঁলোক হ'ব গীত, নৃত্য, বাদ্য, নাট, অভিনয়ৰ কলা-কৌশলৰ অধিকাৰী এখন সাংস্কৃতি মানসিকভাৱে সমৃদ্ধ এখন উন্নত সমাজৰ সদস্য। সেই সময়ৰ অসম, কামৰূপ, বেহাৰ— এই তিনি ৰাজ্যৰ উপৰি দাঁতিকাষৰীয়া পাহাৰৰ সকলো জাতি-জনজাতিৰ মানুহে এইখন সমাজৰ সদস্য হোৱাৰ সপোন দেখিছিল শংকৰদেৱে। গুৰুজনাৰ এই সপোন সম্পূৰ্ণৰূপে বাস্তৱত পৰিণত নহ'লেও এই সপোন যে বহুলাংশে বাস্তৱত পৰিণত হৈছিল অসমৰ জাতীয় জীৱনত শংকৰদেৱৰ অপ্ৰতিদ্বন্দ্বী স্থানেই তাৰ প্ৰমাণ। শংকৰদেৱে সৃ'টি কৰা এই আৱেগিক ঐক্যৰ ভেটিতেই ক্ৰমে ক্ৰমে গঢ় লৈ উঠিছিল অসমৰ ঐক্য সংহতি আৰু অসমীয়া জাতি। ভাৰতৰ অইন প্ৰদেশৰ তুলনাত অসমৰ মানুহ অনাখৰী হ'লেও যোৱা পাঁচশ বছৰে তেওঁলোক যে এখন শিক্ষিত সমাজৰ অংশীদাৰ হৈ আহিছে সেয়া শংকৰদেৱৰ আন্দোলনৰেই ফল। গুৰুজন আৰু তাৰাৰ অনুগামীসকলৰ চেষ্টাৰ ফলত অসমৰ লিখিব-পঢ়িব নজনা খাটিখোৱা সকলো মানুহৰ দৃষ্টিত ধৰা দিলেহি বেদ-বেদান্ত, বেদাঙ্গ, গীতা-ভাগৱত, পুৰাণ, ৰামায়ণ-মহাভাৰত আৰু অন্যান্য বিবিধ সংস্কৃত কাব্য নাটৰ মাজত দুৰ্লভ হৈ সোমাই থকা জ্ঞান-বিজ্ঞান, ধৰ্ম দৰ্শন, ইতিহাস আৰু বিবিধ জ্ঞানৰ সম্বেদ। লুইতৰ দুয়োপাৰৰ সমাজত এক নতুন চেতনাৰ সঞ্চাৰ হ'ল আৰু এক নতুন সাংস্কৃতিক পৰিমণ্ডলৰ সৃষ্টি হ'ল। মানুহে বিচাৰি পালে জীৱনৰ এক নতুন মানৱতাবোধ, একদেশ, এক সংস্কৃতি, এক ভাষা, এক জাতি আৰু একেখন ৰাজ্যৰ স্বাৰ্থ ৰক্ষাৰ বাবে সকলোৱে একগোট হৈ আত্মবলিদান দিব পৰা এক নতুন সাহস আৰু শক্তি লাভ কৰিলে। আহোম ৰজাই সাতৰাজ মাৰি একৰাজ কৰি যি এখন নতুন ৰাজনৈতিক অসম গঢ়াৰ প্ৰচেষ্টা হাতত ল'লে, তাত শংকৰদেৱৰ নৱবৈষ্ণৱ আন্দোলন হ'ল সকলোকে এক গোট কৰি ৰাখিব পৰা এক আৱেগিক শক্তি Emotional and Cementeing Force। মানৱতাৰ জয়গান গাবলৈ তেওঁলোকৰ মনলৈ আনি দিলে জীৱন আৰু জগত সম্পৰ্কে এক নতুন অৰ্থ— ওচৰ-চুবুৰীয়া, দূৰ-দূৰণিৰ সকলো মানুহকে আঁকোৱালি ল'বলৈ এক নতুন শিক্ষা দিলে। মহাপুৰুষ দুজনাৰ এই বিশালতাৰ সপোন আৰু সাধনাক বাস্তৱ ৰূপ দিবলৈ দলে দলে নতুন নতুন মানুহ আহি যোগ দিলে। এইসকল কোন মানুহ, কেনেকুৱা মানুহ? এইসকল লোক আছিল উত্তৰ-পূৱ ভাৰতৰ জনজাতীয়, অজনজাতীয় আৰু অন্যান্য পিছপৰা সম্প্ৰদায়ৰ মানুহ, ভিন ভিন বৃত্তিৰ মানুহ— খেতিয়ক, তাঁতী, বাঢ়ৈ, খনিকৰ, মাছমৰীয়া, গৰখীয়া, বান্ধা, মৰকিয়া, নিৰাশ্ৰয় আৰু সৰ্বস্বান্ত হোৱা মানুহ, ম'হ গোৱাল, মাউত, ফান্দী ইত্যাদি। ধৰ্ম গ্ৰঙম কৰি একে গুৰুৰ শিষ্য হোৱাৰ পিছত সকলোৱে সকলো কামতে সমান অধিকাৰ— এই হ'ল নতুন সমাজৰ ভেটি। ধৰ্ম গ্ৰহণ কৰাত জাতি-বৰ্ণ বা অইন ধৰ্ম কোনো বাধা হ'ব নোৱাৰে। এই নতুন ধ্যান-ধাৰণাই লুইতৰ দুয়োপাৰৰ জনজীৱনত যি এক নতুন আলোড়নৰ সৃষ্টি কৰিছিল, সি আজিও অসমৰ মানুহৰ জীৱনৰ প্ৰাণদায়িনী শক্তি হৈ আছে। অসমৰ মানুহৰ মনৰ মাজৰ পৰা জাতিভেদৰ কুঁৱলী আঁতৰাই সকলোকে নিৰ্ভয়ে খোজ দিব পৰা সাহস আৰু শক্তি শংকৰদেৱেই অসমৰ মানুহক দি থৈ যায়। যোৱা পাঁচশ বছৰতকৈও অধিক কাল ধৰি 'দেশী-বিদেশী সৈন্যৰ জয়-পৰাজয়ৰ প্ৰলয়ংকৰী ৰণহুংকাৰৰ মাজতো অসমীয়া জাতীয় জীৱনে নৰ প্ৰতিষ্ঠিত বৈষ্ণৱ সত্ৰবোৰক কেন্দ্ৰ কৰি 'নিৰাত-নিষ্কম্প ইৱ প্ৰদীপ' বতাহ নলগা, নকঁপা, চাকিটিৰ দৰে জ্বলি থাকিল।" (পুৰণি অসমীয়া সাহিত্য, ড° বাণীকান্ত কাকতি, পৃ. ১১)

কিন্তু শংকৰদেৱৰ সেই সপোনক সম্পূৰ্ণ বাস্তৱত প্ৰতিফলিত কৰিবলৈ যি সংগ্ৰামী শক্তি আৰু সাধনাৰ প্ৰয়োজন আছিল, গুৰুজনাৰ বৈকুণ্ঠ প্ৰয়াণৰ পিছত সেই শক্তিৰ সৃষ্টি নহ'ল। সেই প্ৰচেষ্টা অব্যাহত নাথাকিল। সেই আঁচনি কাৰ্যকৰী কৰাত মনোযোগ দিয়া হ'লে উত্তৰ-পূৱ ভাৰতৰ এক শক্তিশালী ঐক্যৰ আধাৰত এখন সন্মিলিত আৰু সমন্বিত সমাজ গঢ় দি তোলাটো দুঃসাধ্য নহ'লহেঁতেন। জাতি, অজাতি, উচ্চ-নীচ, বৈষ্ণৱ, শাক্ত, পৰ্বতীয়া, ভৈয়ামীয়াৰ মাজত সামাজিক, সাংস্কৃতিক আৰু ধ্যান-ধাৰণাগত আৰু ৰীতি-নীতিগত পাৰ্থক্যবোৰ কমাই আনি নোহোৱা কৰি পেলাবৰ চেষ্টা কৰা হ'লে আজি উত্তৰ-পূৱ ভাৰতত এখনেই সমাজ গঢ় লৈ উঠিলহেঁতেন আৰু বৰ্তমানৰ গোষ্ঠীভিত্তিক আৰু আঞ্চলিক সমাজভিত্তিক সুকীয়া সুকীয়া ৰাজ্য-উপৰাজ্য গঢ়াৰ প্ৰৱণতাৰ উদ্ভৱ নহ'লহেঁতেন। আঁতৰাই ৰখাৰ মনোভাৱেৰে নহয়, কাষ চপাই লোৱাৰ উদাৰতাৰে আগবাঢ়িব পৰা হ'লে আজিৰ এই ভাঙোনমুখী আৰু বিচ্ছিন্নতাবাদী মানসিকতা গা কৰি নুঠিলহেঁতেন। (শংকৰদেৱ আৰু অসমৰ সংহতি ঃ চৈয়দ আব্দুল মালিক, পৃ. ২৭)

শংকৰদেৱে আৰম্ভ কৰা বহল অসমীয়া সমাজ গঠনৰ প্ৰচেষ্টা বা জাতি গঠনৰ সেই বিপ্লৱী অভিযান আজিও প্ৰাসংগিক, বিভিন্ন ব্যক্তি সংগঠনে সেই প্ৰচেষ্টা আজিও চলাই আছে। শংকৰদেৱে দেখুৱাই দি থৈ যোৱা আঁকোৱালি লোৱাৰ আদৰ্শৰে এই অভিযানক আৰু বেছি গতিশীল আৰু ক্ৰিয়াশীল কৰি তোলাৰ সময় এতিয়া। আপোনপেটীয়া মনোভাব আৰু কূপমণ্ডুকতা পৰিহাৰ কৰি অসমৰ সকলো জনগোষ্ঠীয়ে এক দেশ, এক জাতি, এক ভাষা— সংস্কৃতিৰ বাবে উচৰ্গীকৃত মনোভাৱে কাম কৰিবলৈ আগবাঢ়ি আহিলে এদিন নহয় এদিন গুৰুজনাৰ সপোন বাস্তৱত পৰিণত হ'ব।❑

জয় গুৰু শঙ্কৰ

# শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

## ৮৩ সংখ্যক বাৰ্ষিক অধিৰেশন

**স্থান ঃ শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ সমন্বয় ক্ষেত্ৰ, মাকুম ঃ তিনিচুকীয়া (অসম)**
**দিনাঙ্ক ঃ ২৩, ২৪, ২৫ আৰু ২৬ মাঘ, ৫৬৫ শঙ্কৰাব্দ**
**(ইং ৬, ৭, ৮ আৰু ৯ ফেব্ৰুৱাৰী, ২০১৪ খ্ৰীষ্টাব্দ)**
**বৃহস্পতি, শুক্ৰ, শনি আৰু দেওবাৰ**

## -ঃ কাৰ্যক্ৰমণিকা ঃ-

**৬ ফেব্ৰুৱাৰী, ২০১৪ খ্ৰীষ্টাব্দ ঃ ২৩ মাঘ, ৫৬৫ শঙ্কৰাব্দ (বৃহস্পতিবাৰ) ঃ**

| | | |
|---|---|---|
| পুৱা ৭.৫০বজাত | ঃ | প্ৰাতঃপ্ৰসঙ্গ |
| পুৱা ৬.০০ বজাত | ঃ | সামূহিক চাফাই |
| পুৱা ৭.৩০ বজাত | ঃ | নামঘৰৰ তোৰণ উন্মোচন |
| উন্মোচক | ঃ | শ্ৰীযুত ডম্বৰুধৰ মেধি, সমাজসেৱক, তিনিচুকীয়া |
| পুৱা ৮.৩০ বজাত | ঃ | নাম-প্ৰসঙ্গ, কেন্দ্ৰীয় সেৱাবাহিনীৰ জৰিয়তে |
| পুৱা ৯.০০ বজাত | ঃ | বৃক্ষৰোপণ |
| বৃক্ষৰোপকসকল | ঃ | শ্ৰীযুত তৰুণ গগৈ, বন প্ৰাধিকাৰী বিষয়া, মাকুম |
| | | শ্ৰীযুত লম্বেশ্বৰ চুতীয়া, বৰবুঢ়া, হাপজান নামঘৰ, বাৰেকুৰী, মাকুম |
| | | শ্ৰীযুত সোমেশ্বৰ চেতিয়া, সমাজসেৱক, মাকুম |
| | | শ্ৰীযুত ৰাধেশ্যাম আগৰৱালা, সমাজসেৱক, ডিব্ৰুগড় |
| | | শ্ৰীযুত খগেন মহন্ত, সমাজসেৱক, তিনিচুকীয়া |
| | | শ্ৰীযুত ভুবন সিং দহোতীয়া, সমাজসেৱক, তিনিচুকীয়া |
| | | শ্ৰীযুত আদিত্য বিক্ৰম আগৰৱালা, চাহ খেতিয়ক, বিশ মাইল |
| | | শ্ৰীযুত হিতেশ বৰগোহাঁই, বিশিষ্ট লেখক, মাকুম |
| | | শ্ৰীযুত প্ৰসন্ন কিষান, ব্যৱসায়ী, মাকুম |
| পুৱা ১০.০০ বজাত | ঃ | মূল তোৰণ উন্মোচন |
| উন্মোচক | ঃ | শ্ৰীযুত পুৰু গুপ্তা, আই.এ.এছ., উপায়ুক্ত, তিনিচুকীয়া জিলা |
| পুৱা ১০.৩০ বজাত | ঃ | মূল কাৰ্যালয়ৰ তোৰণ উন্মোচন |
| উন্মোচক | ঃ | শ্ৰীযুত বৰুণ বৰপূজাৰী, কাৰ্যবাহী সঞ্চালক, আই.অ'.টি. (এ. অ'. ডি.) ডিগবৈ |
| দুপৰীয়া ১১.৩০ বজাত | ঃ | আদৰণী সমিতিৰ কাৰ্যালয়/ তোৰণ উন্মোচন |
| উন্মোচক | ঃ | শ্ৰীযুত শ্ৰীকুমাৰ দহোটীয়া, বিশিষ্ট লেখক, কাকপথাৰ |
| দুপৰীয়া ১১.৪৫ বজাত | ঃ | মূল সভাগৃহৰ তোৰণ উন্মোচন |
| উন্মোচক | ঃ | শ্ৰীযুতা অৰুণা ৰাজোৰিয়া, আই.এ.এছ., উপায়ুক্ত, ডিব্ৰুগড় জিলা |
| দুপৰীয়া ১২.০০ বজাত | ঃ | মূল মঞ্চ উন্মোচন |
| উন্মোচক | ঃ | ড° আব্দুল কাদেৰ, প্ৰাক্তন অধ্যক্ষ, ডুমডুমা মহাবিদ্যালয় |
| দুপৰীয়া ১২.৩০ বজাত | ঃ | নাম সমাৰোহ আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ |
| উদ্বোধক | ঃ | শ্ৰীযুত সমৰেন্দ্ৰ শইকীয়া, নাট্যকাৰ, অভিনেতা আৰু পৰিচালক, তিনিচুকীয়া |
| বিয়লি ১.৩০ বজাত | ঃ | প্ৰদৰ্শনী আৰু গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন |
| উন্মোচক | ঃ | শ্ৰীযুত ভুপেন বৰপাত্ৰ গোহাঁই, পৰিচালন সঞ্চালক, অসম গেছ কো. লি., ডুলিয়াজান |
| বিয়লি ২.০০ বজাত | ঃ | বিশেষ প্ৰতিনিধি শিবিৰ উন্মোচন |
| উন্মোচক | ঃ | শ্ৰীযুত অনিল কুমাৰ ভৰালী, মহাপ্ৰবন্ধক, ক'ল ইণ্ডিয়া লিমিটেড, মাঘেৰিটা |
| বিয়লি ২.৩০ বজাত | ঃ | সেৱাবাহিনীৰ শিবিৰ উন্মোচন |
| উন্মোচক | ঃ | আৰক্ষী অধীক্ষক, তিনিচুকীয়া জিলা |
| বিয়লি ৩.০০ বজাত | ঃ | আই-মাতৃ শিবিৰ উন্মোচন |
| উন্মোচক | ঃ | শ্ৰীযুতা পাৰুল শৰ্মা, বিশিষ্টা সাহিত্যিক, তিনিচুকীয়া |
| বিয়লি ৩.৩০ বজাত | ঃ | ভোজনালয়ৰ তোৰণ উন্মোচন |
| উন্মোচক | ঃ | শ্ৰীযুত বৰুণ শৰ্মা, কাৰ্যবাহী মুখ্য আৱাসিক বিষয়া, অইল ইণ্ডিয়া লিমিটেড, ডুলিয়াজান |
| বিয়লি ৩.৪৫ বজাত | ঃ | আৰ্থিক বিকাশ সমিতিৰ 'স্বাৱলম্বন' আঁচনি উন্মোচন |
| উন্মোচক | ঃ | শ্ৰীযুত কুশল ঠাকুৰীয়া, সভাপতি, আৰ্থিক বিকাশ সমিতি |
| বিয়লি ৪.০০ বজাত | ঃ | সেৱাবাহিনীৰ সাধাৰণ পৰিষদৰ সভা |
| সঞ্চালক | ঃ | শ্ৰীযুত ৰজনীকান্ত দত্ত , পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ |
| উদ্বোধক | ঃ | শ্ৰীযুত বাবুল বৰা, প্ৰধান সম্পাদক, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ |
| নিৰ্দিষ্ট বক্তা | ঃ | শ্ৰীযুত আনন্দ কুমাৰ বৰা, যুটীয়া সম্পাদক, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ |

**(মুখ্য অধিনায়কৰ বাৰ্ষিক প্ৰতিবেদন)**

| | | |
|---|---|---|
| বিয়লি ৪.৩০ বজাত | ঃ | প্ৰতিনিধি শিবিৰ উন্মোচন |
| উন্মোচক | ঃ | শ্ৰীযুত প্ৰশান্ত সাগৰ চাংমাই, অধিয়াক, দ্বিতীয় আৰক্ষী প্ৰশিক্ষণ কেন্দ্ৰ, মাকুম |
| বিয়লি ৫.০০ বজাত | ঃ | প্ৰতিনিধি সভাগৃহৰ তোৰণ উন্মোচন |
| উন্মোচক | ঃ | শ্ৰীযুত হেমন্ত দাস, অতিৰিক্ত উপায়ুক্ত, ডিব্ৰুগড় |
| বিয়লি ৫.৩০ বজাত | ঃ | নাটঘৰৰ দ্বাৰ উন্মোচন |
| উন্মোচক | ঃ | শ্ৰীশ্ৰীজগতানন্দ দেৱগোস্বামী, সত্ৰাধিকাৰ, শ্ৰীশ্ৰীগড়পড়া সত্ৰ |
| সন্ধ্যা ৬.০০ বজাত | ঃ | মূল কাৰ্যনিৰ্বাহক সভা (প্ৰতিনিধি সভাগৃহত) |
| সন্ধ্যা ৭.০০ বজাত | ঃ | নাম-প্ৰসঙ্গ (নামঘৰত), তিনিচুকীয়া জিলা শাখাৰ আই-মাতৃৰ জৰিয়তে |
| সন্ধ্যা ৭.৩০ বজাত | ঃ | বাৰেৰহণীয়া সাংস্কৃতিক সমাৰোহ |
| উদ্বোধক | ঃ | শ্ৰীযুত সুশীল কুমাৰ গগৈ, সাহিত্যিক পেঞ্চনাৰ, তিনিচুকীয়া |
| নিশা ৮.০০ বজাত | ঃ | ভাওনা প্ৰদৰ্শন (নাটঘৰত) |
| উন্মোচক | ঃ | শ্ৰীযুত ৰবীন্দ্ৰ ৰাভা, দক্ষিণ-পশ্চিম কামৰূপ জিলা |

**৭ ফেব্ৰুৱাৰী, ২০১৪ খ্ৰীষ্টাব্দ ঃ ২৪ মাঘ, ৫৬৫ শঙ্কৰাব্দ (শুক্ৰবাৰ) ঃ**

| | | |
|---|---|---|
| পুৱা ৫.৩০ বজাত | ঃ | প্ৰাতঃপ্ৰসঙ্গ |
| পৰিচালনা | ঃ | নামঘৰ পৰিচালনা সমিতি |
| পুৱা ৬.০০ বজাত | ঃ | পৰিৱেশ নিকাকৰণ |
| পুৱা ৭.০০ বজাত | ঃ | নাম-প্ৰসঙ্গ |
| পৰিচালক | ঃ | মূল সংস্কৃতি শাখা, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ |
| পুৱা ৭.৩০ বজাত | ঃ | শৰণ সমিতিৰ বৈঠক |
| পুৱা ৯.০০ বজাত | ঃ | জিলা সভাপতি-সম্পাদক সন্মিলন (প্ৰতিনিধি সভাগৃহ) |
| পুৱা ১১.০০ বজাত | ঃ | সাহিত্য শাখাৰ অধিৰেশন আৰু গ্ৰন্থ উন্মোচনী সভা |
| সভাপতি | ঃ | শ্ৰীযুত কৈলাস দাস, সভাপতি, সাহিত্য শাখা সমিতি, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ |
| উদ্বোধক | ঃ | শ্ৰীযুত বাবুল বৰা, প্ৰধান সম্পাদক, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ |
| স্মৃতিগ্ৰন্থ উন্মোচন | ঃ | ড° অলক চন্দ্ৰ বুঢ়াগোহাঁই, উপাচাৰ্য, ডিব্ৰুগড় বিশ্ববিদ্যালয় |

**অন্যান্য গ্ৰন্থ উন্মোচন**

| | | |
|---|---|---|
| গ্ৰন্থ | ঃ | শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ |
| উন্মোচক | ঃ | ড° ডম্বৰুধৰ নাথ, অধ্যাপক, শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ আসন, ডিব্ৰুগড় বিশ্ববিদ্যালয় |
| গ্ৰন্থ | ঃ | গাণিতিক ভাষাত ভাগৱতৰ তত্ত্ব সন্ধান |
| উন্মোচক | ঃ | শ্ৰীযুত ৰজনীকান্ত দত্ত, পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ |
| গ্ৰন্থ | ঃ | অনাদি পাতন (ইংৰাজী অনুবাদ) |
| উন্মোচক | ঃ | ড° সঞ্জীৱ বৰকাকতী, সহযোগী অধ্যাপক, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়, নগাঁও |
| গ্ৰন্থ | ঃ | সটীক ভক্তি-ৰত্নাৱলী |
| উন্মোচক | ঃ | ড° গিৰীশ বৰুৱা, বিশিষ্ট লেখক, শিৱসাগৰ |
| জিলাৰ গ্ৰন্থ উন্মোচক | ঃ | (ক) ডাঃ নিৰ্মল চাহৰোলা, বিশিষ্ট সাহিত্যিক আৰু চিকিৎসক, ডিব্ৰুগড় |
| | | (খ) ড° ভুবন গগৈ, অধ্যক্ষ, তিনিচুকীয়া মহাবিদ্যালয় |
| মুখ্য অতিথি | ঃ | শ্ৰীযুত প্ৰণৱ গগৈ, অধ্যক্ষ, অসম বিধান সভা |
| বিশেষ সম্মানীয় অতিথি | ঃ | শ্ৰীযুত ইমৰান শ্বাহ, সভাপতি, অসম সাহিত্য সভা |
| সন্মানীয় অতিথি | ঃ | শ্ৰীযুত সুবোধ চন্দ্ৰ দাস, বিশিষ্ট গৱেষক, বিশিষ্ট আইনজীৱী, বাংলাদেশ |

ড° হৰিগোপাল মল্লিক, অধ্যাপক, তুফানগৰ মহাবিদ্যালয়, পশ্চিমবঙ্গ

বিশিষ্ট অতিথি : শ্ৰীযুত প্ৰাদ তাচা, প্ৰধান সম্পাদক, অসম সাহিত্য সভা
ড° জলিন প্ৰকাশ চেতিয়া, প্ৰবক্তা, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়, নগাঁও
শ্ৰীযুত ভৰ কোঁৱৰ, ডিব্ৰুগড়

নিৰ্দিষ্ট বক্তা : ড° ৰবীন্দ্ৰ নাৰায়ণ চৌধুৰী, শঙ্কৰী সাহিত্য বিশিষ্ট গৱেষক, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

বিয়লি ২.৩০ বজাত : সংস্কৃতি শাখাৰ অধিৱেশন, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
সভাপতি : শ্ৰীবসুন্ধৰ ডেকা, সভাপতি, সংস্কৃতি শাখা
উদ্বোধক : শ্ৰীপূৰ্ণ হাজৰিকা, গোলাঘাট
মুখ্য অতিথি : শ্ৰীযুতা প্ৰণতি ফুকন, সাংস্কৃতিক পৰিক্ৰমা, হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী, অসম চৰকাৰ
বিশিষ্ট অতিথি : ড° অনিল শইকীয়া, অধ্যক্ষ, মৰাণ মহাবিদ্যালয়
শ্ৰীযুত বিৰিঞ্চি নেওগ, সভাপতি, মৰাণ উন্নয়ন পৰিষদ
নিৰ্দিষ্ট বক্তা : ডাঃ নৰকৃষ্ণ ৰাজখোৱা, প্ৰাক্তন সভাপতি, সংস্কৃতি শাখা, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

বিয়লি ৪.৩০ বজাত : শিশু আৰু আই-মাতৃ কল্যাণ সমিতিৰ সাধাৰণ পৰিষদ সভা
সভানেত্ৰী : শ্ৰীযুতা মামনি চলিহা, সভানেত্ৰী, শিশু আৰু আই-মাতৃ কল্যাণ শাখা সমিতি, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
উদ্বোধক : শ্ৰীযুতা নিৰ্মলা দাস, প্ৰাক্তন সভানেত্ৰী, শিশু আৰু আই-মাতৃ কল্যাণ সমিতি, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
নিৰ্দিষ্ট বক্তা : শ্ৰীযুতা গীতালী শইকীয়া, সহযোগী অধ্যাপিকা, শ্ৰীশ্ৰীহেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়, নিতাইপুখুৰী
বিশিষ্ট অতিথি : ড° অৰুণা গগৈ বৰুৱা, প্ৰাক্তন অধ্যাপিকা, ডুমডুমা মহাবিদ্যালয়
শ্ৰীযুত বুবুল হাজৰিকা, সভাপতি, শিক্ষা শাখা সমিতি, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
শ্ৰীযুতা বিজু তামুলী, জামুগুৰি, শোণিতপুৰ

সন্ধ্যা ৬.০০ বজাত : নাম-প্ৰসঙ্গ (নামঘৰত)
পৰিচালনা : শৰণ সমিতিৰ দ্বাৰা

সন্ধ্যা ৭.০০ বজাত : প্ৰতিনিধি সভা (প্ৰতিনিধি সভাগৃহত)
সভাপতি : শ্ৰীযুত ৰজনীকান্ত দত্ত, পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
আদৰণি ভাষণ : শ্ৰীযুত প্ৰদ্যুৎ বৰদলৈ, শক্তি আৰু উদ্যোগ মন্ত্ৰী, অসম চৰকাৰ আৰু কাৰ্যকৰী সভাপতি, আদৰণী সমিতি
উদ্বোধক : শ্ৰীযুত ভৱেন্দ্ৰনাথ ডেকা, উপ-পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

সন্ধ্যা ৭.৩০ বজাত : সাংস্কৃতিক সমাৰোহ (মূল মঞ্চত)
উদ্বোধক : শ্ৰীযুত কমলাকান্ত গগৈ, প্ৰাক্তন উপ-পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

নিশা ৮.০০ বজাত : অঙ্কীয়া ভাওনা
উদ্বোধক : শ্ৰীযুত পুণ্য শইকীয়া, লেখক, বুদ্ধিজীৱী, ডিগবৈ

**৮ ফেব্ৰুৱাৰী, ২০১৪ খ্ৰীষ্টাব্দ ঃ ২৫ মাঘ, ৫৬৫ শঙ্কৰাব্দ (শনিবাৰ) ঃ**

পুৱা ৫.৩০ বজাত : প্ৰাতঃপ্ৰসঙ্গ
পৰিচালনা : নামঘৰ পৰিচালনা সমিতি
পুৱা ৬.০০ বজাত : পৰিৱেশ নিকাকৰণ
পুৱা ৭.০০ বজাত : নাম-প্ৰসঙ্গ
পৰিচালনা : মূল কাৰ্যনিৰ্বাহক সমিতি, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
পুৱা ৯.০০ বজাত : ধৰ্মধ্বজা উত্তোলন
উত্তোলক : শ্ৰীযুত ৰজনীকান্ত দত্ত, পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
পুৱা ৯.৩০ বজাত : ভাগৱত ভ্ৰমণ আৰু সাংস্কৃতি শোভাযাত্ৰা
পুৱা ১০.৩০ বজাত : মুকলি অধিৱেশন
সভাপতি : শ্ৰীযুত ৰজনীকান্ত দত্ত, পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
উদ্বোধক : শ্ৰীযুত কৰুণাকান্ত কলিতা, প্ৰাক্তন পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

**প্ৰধান সম্পাদকৰ প্ৰতিবেদন**

মুখ্য অতিথি : শ্ৰীযুত তৰুণ গগৈ, মাননীয় মুখ্যমন্ত্ৰী, অসম
বিশেষ সন্মানীয় অতিথি : শ্ৰীযুত পৱন সিং ঘাটোৱাৰ, ড'নাৰ মন্ত্ৰী, কেন্দ্ৰীয় চৰকাৰ
সন্মানীয় অতিথি : শ্ৰীযুতা ৰাণী নৰহ, ভৈয়াম জনজাতি উন্নয়ন পৰিষদ মন্ত্ৰী, কেন্দ্ৰীয় চৰকাৰ
শ্ৰীযুত পৃথ্বী মাঝি, ৰাজহ, শ্ৰম আৰু নিয়োগ মন্ত্ৰী, অসম চৰকাৰ
ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষা আৰু স্বাস্থ্যমন্ত্ৰী, অসম চৰকাৰ
শ্ৰীযুত গৌতম ৰয়, কেবিনেট মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগ, অসম চৰকাৰ
শ্ৰীযুত উৎসৱানন্দ গোস্বামী, সত্ৰাধিকাৰ, মদাৰখাট সত্ৰ
শ্ৰীযুত সৰ্বানন্দ সোণোৱাল, ৰাজ্যিক সভাপতি, ভাৰতীয় জনতা পাৰ্টি
শ্ৰীযুত চন্দন ব্ৰহ্ম, পৰিবহন মন্ত্ৰী, অসম চৰকাৰ
শ্ৰীযুত বসন্ত দাস, তথ্য আৰু জনসংযোগ মন্ত্ৰ, অসম চৰকাৰ
শ্ৰীযুত ৰেকিবুদ্দিন আহমেদ, সংসদীয় সচিব, অসম চৰকাৰ
শ্ৰীযুত বলিন চেতিয়া, সংসদীয় সচিব, অসম চৰকাৰ
শ্ৰীযুত দিলীপ মৰাণ, বিধায়ক, ডুমডুমা সমষ্টি
শ্ৰীযুত প্ৰশান্ত ফুকন, বিধায়ক, ডিব্ৰুগড় সমষ্টি
শ্ৰীযুত সমুজ্জ্বল ভট্টাচাৰ্য, উপদেষ্টা, সদৌ অসম ছাত্ৰ সন্থা
শ্ৰীযুত দণ্ডী সোণোৱাল, মুখ্য কাৰ্যবাহী সদস্য, সোণোৱাল-কছাৰী স্বায়ত্ব শাসিত পৰিষদ, অসম
শ্ৰীযুত মনোজ বৰুৱা, সভাপতি, সদৌ অসম যুব ছাত্ৰ পৰিষদ
নিৰ্দিষ্ট বক্তা : শ্ৰীযুত জগত বণিয়া, প্ৰাক্তন সম্পাদক, প্ৰচাৰ শাখা সমিতি
শ্ৰীযুত মণিৰাম দাস, প্ৰচাৰক, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
বিশিষ্ট অতিথি : ড° নগেন শইকীয়া, প্ৰাক্তন সভাপতি, অসম সাহিত্য সভা
ড° গৌতম পেটেল, বিশিষ্ট শিক্ষাবিদ, গুজৰাট
শ্ৰীযুত দেৱাশীষ শৰ্মা, আৱাসিক আয়ুক্ত, অসম ভৱন, মুম্বাই
শিশু বক্তা : শ্ৰীবৃষ্টি দত্ত, গোলাঘাট
যুব বক্তা : শ্ৰীকৃষ্ণকিঙ্কৰ খাটনিয়াৰ, হোজাই
আই-মাতৃ বক্তা : শ্ৰীযুতা মৰমী খনিকৰ মেধি, মাজুলী

সন্ধ্যা ৬.০০ বজাত : বাৰেবহণীয়া সাংস্কৃতিক সন্ধিয়া
উদ্বোধক : শ্ৰীযুত পৱিত্ৰপ্ৰাণ বৰা, সম্পাদক, সংস্কৃতি শাখা, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
সন্ধ্যা ৬.৩০ বজাত : নাম-প্ৰসঙ্গ
পৰিচালনা : আই-মাতৃ কল্যাণ সমিতি, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
নিশা ৮.০০ বজাত : ভাওনা প্ৰদৰ্শন (নাটঘৰত)
উন্মোচক : শ্ৰীযুত পৱন মহন্ত, সত্ৰাধিকাৰ, গজলা সত্ৰ, তিনিচুকীয়া

**৯ ফেব্ৰুৱাৰী, ২০১৪ খ্ৰীষ্টাব্দ ঃ ২৬ মাঘ, ৫৬৫ শঙ্কৰাব্দ (দেওবাৰ) ঃ**

পুৱা ৫.৩০ বজাত : প্ৰাতঃ প্ৰসঙ্গ
পুৱা ৬.০০ বজাত : পৰিৱেশ নিকাকৰণ
পুৱা ৯.০০ বজাত : নাম-সমাৰোহ (মূল মঞ্চত)
পৰিচালনা : আই-মাতৃ কল্যাণ সমিতি, তিনিচুকীয়া জিলা শাখা
পুৱা ১০.০০ বজাত : অন্তৰঙ্গ আলাপ
পৰিচালনা : ড° জগত চন্দ্ৰ কলিতা, সম্পাদক, সাহিত্য শাখা সমিতি, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
দিনৰ ১১.৩০ বজাত : ধৰ্মালোচনী সভা
উদ্বোধক : শ্ৰীযুত হৰিপ্ৰসাদ হাজৰিকা, সভাপতি, ট্ৰাষ্ট সমিতি
নিৰ্দিষ্ট বক্তা : শ্ৰীযুত প্ৰমোদ শইকীয়া, প্ৰাক্তন উপ-পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
শ্ৰীযুত চন্দ্ৰ হাজৰিকা, সভাপতি, প্ৰচাৰ শাখা সমিতি, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
আবেলি ৪.০০ বজাত : ধৰ্মধ্বজা অৱতৰণ
সন্ধ্যা ৬.০০ বজাত : নাম-প্ৰসঙ্গ
পৰিচালনা : তিনিচুকীয়া জিলা শাখা
সন্ধ্যা ৭.০০ বজাত : সাংস্কৃতি সন্ধিয়া
উদ্বোধক : শ্ৰীযুত অমূল্য খাটনীয়াৰ, সাংবাদিক, তিনিচুকীয়া

**ঃ পথ নিৰ্দেশনা ঃ**

১. নামনিৰ পৰা বাছেৰে অহা যাত্ৰীসকল ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে আহি তিনিচুকীয়া চহৰৰ উপৰি মাকুমত নামিব পাৰিব।
২. ডিগবৈৰে যোৱা ৩৮ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে ১ কিলোমিটাৰ আহি অধিৱেশনস্থলী পাব।
৩. নামনিৰ পৰা ৰেলেৰে অহা যাত্ৰীসকলে ইণ্টাৰচিটিৰে আহিলে মাকুমত নামিব পাৰিব।
৪. কামাখ্যা, ৰাজধানী আৰু ব্ৰহ্মপুত্ৰ ৰেলেৰে অহা যাত্ৰীসকলে তিনিচুকীয়াৰ পুৰণা আৰু নতুন ৰেল ষ্টেচনত নামিব পাৰিব।গাড়ী পাব।

# ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ ডেৰশ বছৰীয়া জয়ন্তী পালন

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, নলবাৰী জিলা সাহিত্য শাখাৰ উদ্যোগত আৰু উত্তৰ-পশ্চিম তামুলপুৰ আঞ্চলিক শাখাৰ শঙ্কৰ-মাধৱ প্ৰাথমিক, অৰৰা আৰু আল্লিয়া প্ৰাথমিক শাখাৰ আতিথ্যত যোৱা ২৪/১২/২০১৩ তাৰিখে পশ্চিম বনভাগ আল্লিয়া হাইস্কুলত ৰসৰাসজ লক্ষ্মীনাথ বেজবৰুৱাৰ ডেৰশ বছৰীয়া জয়ন্তীৰ উপলক্ষে এখন আলোচনা-চক্ৰ অনুষ্ঠিত হয়। এই আলোচনা-চক্ৰৰ আৰম্ভণিতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এটি সমৱেত সঙ্গীত পৰিৱেশন কৰে। তাৰ পিছত নলবাৰী জিলা শাখাৰ প-সভাপতি শ্ৰীপৰশু ৰাজবংশী বাপে সভাৰ আৰম্ভণি ঘোষাৰে আঁত ধৰে। আলোচনা-চক্ৰখনি সঞ্চালনা কৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ নলবাৰী জিলা সাহিত্য শাখাৰ সভাপতি শ্ৰীসৰ্বেশ্বৰ মজুমদাৰ বাপে। চিনাকি পৰ্বৰ আঁত ধৰে শ্ৰীনৰেন কলিতাবাপে। আলোচনা-চক্ৰ উদ্দেশ্য ব্যাখ্যা কৰে সাহিত্য শাখাৰ সম্পাদক শ্ৰীদিবাকৰ তালুকদাৰ বাপে।

আলোচনা-চক্ৰৰ আলোচক বৃন্দ আছিল ক্ৰমে— নলবাৰী জিলা সাহিত্য শাখাৰ সাধাৰণ সম্পাদক শ্ৰীঅৰবিন্দ দাস, মূলৰ প্ৰচাৰ শাখাৰ সদস্য শ্ৰীমণিাম দাস, প্ৰাক্তন মূলৰ সদস্য শ্ৰীবিজয়চৰণ কলিতা, মূলৰ সদস্য শ্ৰীঅমূল্য ৰাজবংশী আৰু শিক্ষক শ্ৰীঅতুল কলিতাবাপে। প্ৰতিজন আলোচক বাপে ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন ভিত্তিক তথ্য দাঙি ধৰাৰ উপৰি গুৰুজনা তথা একশৰণ নামধৰ্মৰ প্ৰতি থকা অনুৰাগৰ কথা উল্লেখ কৰে। গুৰু-শিষ্য শ্ৰীন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ প্ৰতি থকা ভক্তি, সদ্‌ভাব, বিশ্বাস যে সম্পূৰ্ণভাৱে আছিল তাৰ উদাহৰণ তেওঁৰ লিখিত জীৱনী 'শঙ্কৰদেৱ' আৰু 'শ্ৰীশঙ্কৰদেৱ আৰু মাধৱদেৱ' এই দুখন গ্ৰন্থই চিনাকি যে দিয়ে সেই কথা উল্লেখ কৰে। আলোচনাৰ মাজভাগত ছাত্ৰ শ্ৰীৰতন দাসে এটি গীত পৰিৱেশন কৰি আনন্দৰ জোৱাৰ আনে। সঞ্চালক শ্ৰীসৰ্বেশ্বৰ মজুমদাৰ বাপে জাতীয় চেতনাৰে উদ্বুদ্ধ বেজবুৱাদেৱৰ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ প্ৰতি থকা দৃঢ় আত্মবিশ্বাসৰ কথা দাঙি ধৰি জাতীয় চেতনাৰে যে সঞ্জীৱিত হৈ আছিল সেইকথাৰে মন্তব্য দাঙি ধৰে। তাৰ পিছত বেজবৰুৱাদেৱৰ ৰচিত 'অ' মোৰ আপোনাৰ দেশ' জাতীয় সংগীতভাগি সমূহ ভক্তবৃন্দই লগ হৈ পৰিৱেশন কৰে। ইয়াৰ পিছত সাহিত্য শাখাৰ সদস্য শ্ৰীঅজিত কলিতাবাপে শলাগৰ শৰাই আগবঢ়োৱা পিছত সামৰণি ঘোষাৰে আলোচনা-চক্ৰৰ সামৰণি পৰে।◆

# ৰৌতা প্ৰাথমিক শাখাত কেন্দ্ৰীয় সেৱাবাহিনীৰ উদ্যোগত দিহানামৰ কৰ্মশালা

**ওদালগুৰি ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, কেন্দ্ৰীয় সেৱাবাহিনীৰ উদ্যোগত আৰু ৰৌতা প্ৰাথমিক শাখাৰ ব্যৱস্থাপনাত যোৱা ১৭ ডিচেম্বৰ, ২০১৩ৰ পৰা ২৪ ডিচেম্বৰ, ২০১৩ লৈ ৰৌতা প্ৰাথমিক শাখাৰ গুৰুগৃহত এখনি দিহানামৰ কৰ্মশালা অনুষ্ঠিত হৈ যায়। শতাধিক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা উক্ত কৰ্মশালাত প্ৰশিক্ষক হিচাপে উপস্থিত থাকে যোৰহাটৰ জয়ন্ত গগৈ (কমলা) আৰু দধি দাস বাপে।

২৫ ডিচেম্বৰ, ২০১৩ত অনুষ্ঠিত হোৱা সম্বৰ্দ্ধনা সভাত সভাপতিত্ব কৰে ৰৌতা প্ৰাথমিক শাখাৰ সভাপতি তৰুণ ডেকা বাপে। সভাখনি উদ্বোধন কৰে ওদালগুৰি জিলা শাখাৰ সহকাৰী সম্পাদক কনক চন্দ্ৰ ডেকাবাপে। সভাত কেন্দ্ৰীয় সেৱাবাহিনীৰ সচিব দীপজ্যোতি চহৰীয়া বাপে দিহানামৰ গুৰুত্ব সম্পৰ্কে অৱগত কৰে। তদুপৰি কৈশোৰ অৱস্থাতে দিহানামৰ প্ৰশিক্ষণত অংশ লোৱা যুৱক-যুৱতীসকলক আধ্যাত্মিকতাৰে মহীয়ান হৈ সেৱা বাহিনীৰ এজন প্ৰকৃত সেৱক হোৱাৰ বাবে আহ্বান জনায়। সম্বৰ্ধনা গ্ৰহণ কৰি প্ৰশিক্ষক জয়ন্ত গগৈ বাপে প্ৰশিক্ষাৰ্থীসকলৰ উৎসাহত আপ্লুত হোৱাৰ লগতে কেন্দ্ৰীয় সেৱাবাহিনীৰ প্ৰচেষ্টাকো আদৰণি জনায়। সভাত প্ৰাথমিক শাখাৰ সম্পাদক হীৰেণ ঠাকুৰীয়া বাপ আৰু ৰৌতা প্ৰাথমিক শিশু আৰু আই-মাতৃ কল্যাণ সমিতিৰ সভানেত্ৰী লক্ষ্মীপ্ৰিয়া চহৰীয়া আইয়েও বক্তব্য আগবঢ়ায়।◆

# মণিকাঞ্চনৰ লিখনি সম্পৰ্কে

১. লেখাসমূহ চুটি হোৱা বাঞ্ছনীয়।
২. ফুলস্কেপ কাগজৰ এপিঠিত পৰিস্কাৰ আখৰেৰে লিখা হ'ব লাগিব।
৩. গল্প, কবিতা, প্ৰবন্ধসমূহ প্ৰতিটো ইংৰাজী মাহৰ ১০ তাৰিখৰ ভিতৰত পাব লাগিব।
৪. নিৰ্দিষ্ট মাহৰ ২৫ তাৰিখৰ ভিতৰত পোৱা বাতৰিসমূহ প্ৰকাশৰ বাবে বিবেচিত হ'ব।
৫. অ-প্ৰকাশিত কোনো লিখনি ঘূৰাই পঠিওৱা নহ'ব।
৬. লিখকৰ সম্পূৰ্ণ নাম-ঠিকনা আৰু ম'বাইল নম্বৰ উল্লেখ থকাটো বাঞ্ছনীয়।

সেৱাৰে—
সম্পাদনা কক্ষ

# কেন্দ্ৰীয় সেৱাবাহিনীৰ যুটীয়া বৈঠক

**তিনিচুকীয়া ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, কেন্দ্ৰীয় সেৱাবাহিনীৰ জিলাধিনায়ক আৰু সঞ্চালনা সমিতিৰ সদস্যসকলৰ এখনি যুটীয়া বৈঠক যোৱা ২৯-১২-২৯১৩ তাৰিখে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ ৮৩ সংখ্যক অধিৱেশনথলীৰ কেন্দ্ৰীয় সেৱাবাহিনীৰ নিৰ্মীয়মান শিৱিৰত অনুষ্ঠিত হৈ যায়। আগন্তুক শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ ৮৩ সংখ্যক অধিৱেশনভাগি সূচাৰুৰূপে অনুষ্ঠিত কৰিবৰ বাবে আগতীয়াকৈ সাজু হোৱাৰ লগতে জিলাধিনায়কসকললৈ প্ৰেৰণ কৰিবলগীয়া নীতি নিৰ্দেশনা যুগুত কৰাৰ বাবে আহ্বান কৰা সভাখনিত প্ৰায় ২০খন জিলা শাখাৰ জিলাধিনায়ক আৰু সঞ্চালনা সমিতিৰ সদস্যসকল উপস্থিত থাকে। মুখ্য সচিব বাবুল বৰাবাপে সভাখনিৰ বাট মুকলি কৰি কয় যে এখন সৰ্বাঙ্গসুন্দৰ অধিৱেশন সূচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে সেৱাবাহিনীৰ সেৱক-সেৱিকাসকলক কৰ্ম-দক্ষতা, ত্যাগ আৰ কৰ্তব্যনিষ্ঠাৰ কথা উল্লেখ কৰি প্ৰতিজন জিলাধিনায়ক বাপক নিৰ্দিষ্ট কৰি দিয়া সংখ্যাৰ এটি সবল সেৱকৰ দল উপস্থিত কৰিবলৈ আহ্বান জনায়। মুখ্য নিয়ন্ত্ৰক পদাধিকাৰ ৰজনীকান্ত দত্তবাপে এক নিৰ্দিষ্ট নীতি-নিৰ্দেশনা যুগুত কৰি জিলা শাখালৈ প্ৰেৰণ কৰিবৰ বাবে আহ্বান জনায়। সভাত কেন্দ্ৰীয় সেৱাবাহিনীৰ সচিব, উপ-মুখ্য অধিনায়কদ্বয়ৰ লগতে আদৰণি সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে। সভাৰ সিদ্ধান্তসমূহ জিলাধিনায়ক বাপসকললৈ প্ৰেৰণ কৰা হৈছে বুলি সচিব দীপজ্যোতি চহৰীয়া বাপে জনাইছে।◆

# দৰং জিলা বাৰ্ষিক অধিৱেশন

**দৰং ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, দৰং জিলা শাখাৰ ৪৪ সংখ্যক বাৰ্ষিক অধিৱেশনভাগি যোৱা ১, ২ ফেব্ৰুৱাৰী, ২০১৪ ত পাথৰিঘাট আঞ্চলিক শাখাৰ 'হৰিহৰ আতৈ ক্ষেত্ৰ'ত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। ১ ফেব্ৰুৱাৰীত প্ৰাতঃপ্ৰসঙ্গ, ভাগৱত পাঠ, নাম-প্ৰসঙ্গ, তোৰণ উন্মোচনৰ পাছত ১১ বজাত কুঞ্জলতা ডেকাৰ সঞ্চালনাত শিশু, আই-মাতৃ আৰু সেৱাবাহিনীৰ মুকলি সভা অনুষ্ঠিত হয়। জিলা উপ-সভাপতি মমত চন্দ্ৰ ডেকাবাপে উদ্বোধন কৰা সভাখনিত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ যুটীয়া সম্পাদক আনন্দ কুমাৰ বৰাবাপ। মুখ্য অতিথিৰ আসন অলঙ্কৃত কৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰধান সম্পাদক বাবুল বৰাবাপে। দুপৰীয়া ২ বজাৰ পৰা জিলা সাহিত্য শাখাৰ সভাপতি অৰুণ কুমাৰ ডেকাবাপৰ সভাপতিত্বত সাহিত্য আৰু সংস্কৃতি শাখাৰ মুকলি সভা অনুষ্ঠিত হয়। সংস্কৃতি শাখাৰ সভাপতি ভদ্ৰেশ্বৰ ডেকাবাপে উদ্বোধন কৰা সভাখনিত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে তেজপুৰ জিলাৰ চন্দ্ৰ দাসবাপ।

২ ফেব্ৰুৱাৰী পুৱা জিলা সভাপতি তাৰিণী চহৰীয়াবাপে ধৰ্মধ্বজা উত্তোলন কৰাৰ পাছত এক আকৰ্ষণীয় ভাগৱত শোভাযাত্ৰা উলিওৱা হয়। দুপৰীয়া ১১ বজাৰ পৰা জিলা সভাপতি তাৰিণী চহৰীয়াবাপৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখনি উদ্বোধন কৰে প্ৰাক্তন জিলা সভাপতি নীলকান্ত চমুৱাবাপে। নীপক'ৰ জ্যেষ্ঠ প্ৰবন্ধক ভাৰত ডেকা নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে। সভাত স্থানীয় বিধায়ক বিনন্দ শইকীয়া, প্ৰাক্তন মন্ত্ৰী জয়নাথ শৰ্মা, উপস্থিত থাকে। সন্ধিয়া এক আকৰ্ষণীয় সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হয়। প্ৰতিবেদক

— শঙ্কৰ শইকীয়া

আপুনি পঢ়িলেনে...
গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা
প্ৰকাশিত
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰে অনুপ্ৰাণিত
সততাই সৰ্বোত্তম ধৰ্ম
শংকৰজ্যোতি
এখন সম্পূৰ্ণ দৈনিক কাকত
e-paper: www.sankarjyoti.com
ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী
সম্পাদক
সৌতিক গোস্বামী
পৰিচালন সঞ্চালক
লগতে দেওবৰীয়া বিশেষ
মধুপুৰ
যোগেশ মজুমদাৰ
কাৰ্যবাহী সম্পাদক
নিৰেন চন্দন গোস্বামী
সহযোগী সম্পাদক

বাৰ্তালোচনী প্ৰকাশন শাখা সমিতি ঃ উপদেষ্টা— ভবেন্দ্ৰনাথ ডেকা, হৰিপ্ৰসাদ হাজৰিকা, কেশৱমোহন কলিতা ঃ সভাপতি— গোলাপ বৰুৱা ঃ পৰিচালন সম্পাদক— খগেন্দ্ৰ মহেলা (ফোন নং- ৯৪৩৫০৬৩২৫০) ঃ প্ৰকাশক— বাবুল বৰা, প্ৰধান সম্পাদক, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ ঃ সদস্যসকল— শোধন গগৈ, বাবুল বৰা, বীৰেশ হাজৰিকা, জ্যোতিপ্ৰসাদ চুতীয়া, ড° যতীন চুতীয়া, প্ৰ াদ শইকীয়া, প্ৰদীপ কুমাৰ বৰা, ৰামকৃষ্ণ পাটগিৰি ঃ ৰূপসজ্জা-অক্ষৰ বিন্যাস— ৰমেন মেধি
সম্পাদক —খগেন্দ্ৰনাথ তালুকদাৰ (ফোন নং— ৯৪০১৬-৫৯৫০৯), সহযোগী সম্পাদক— দীপজ্যোতি চহৰীয়া (ফোন নং- ৯৮৬৪০-৭০৩৭৯)

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ হৈ প্ৰধান সম্পাদক বাবুল বৰাৰ দ্বাৰা প্ৰকাশিত। গুৱাহাটীৰ শৰাইঘাট ফটো টাইপছ প্ৰাঃ লিঃ, ইণ্ডাষ্ট্ৰিয়েল ইষ্টেট, বামুণীমৈদাম, গুৱাহাটী ৭৮১০২১ত মুদ্ৰিত। সম্পাদক ঃ খগেন্দ্ৰনাথ তালুকদাৰ, শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, ৰূপনগৰ, গুৱাহাটী ৭৮১০৩২